কৰ্ম মোৰ সংস্কৃতি

# বাখৰ

ঊনত্ৰিংশতিতম সংখ্যা, ২০২৩



অসম জাতীয় বিদ্যালয়ৰ বছৰেকীয়া প্ৰকাশ

## ২০২২-২৩ শিক্ষাবৰ্ষৰ শাখা অনুযায়ী
## হাতেলিখা আলোচনীৰ পুৰস্কাৰপ্ৰাপ্ত বেটুপাত























# বাখৰ

## বছৰেকীয়া প্ৰকাশ

### ঊনত্ৰিংশত্তম (২৯ সংখ্যক) সংখ্যা, ২০২৩

**সম্পাদনা সমিতি**

ঋতুমল্লিকা গোস্বামী
ইন্দ্ৰাণী ডেকা
কৃষ্ণা কলিতা
স্নিগ্ধা কলিতা
অনুভূতি শৰ্মা
পাৰ্থ প্ৰতিম পাঠক
জাগৃতি বৰুৱা
প্ৰজ্বলিতা বড়া
জিনি কাশ্যপ
ৰিণি শৰ্মা
নয়নিকা মজুমদাৰ
সুদীপ্ত কলিতা

**সম্পাদনা উপদেষ্টা সমিতি**

ৰঘুনাথ কুমাৰ
অমৰজ্যোতি কলিতা
ডলী চৌধুৰী
হিমাদ্ৰী বৰা
ৰূপজ্যোতি চেতিয়া
গোপেন বৰ্মন
দীপক কোচ
কন্দৰ্প শৰ্মা
মধুস্মিতা দেৱী
**ধ্ৰুৱ শৰ্মা (আহ্বায়ক)**

BAKHAR : The Annual Journal of Assam Jatiya Bidyalay.
Published by Assam Jatiya Bidyalay, Guwahati 781020.

**প্ৰকাশ**
**৪ নৱেম্বৰ, ২০২৩**

**বেটুপাতৰ কথকতা**
প্ৰযুক্তিৰ প্ৰগতিৰে অধিক মনোৰম হ'ব আমাৰ সেউজ পৃথিৱী...

**বেটুপাতৰ শিল্পী**
দেৱাশীষ কাশ্যপ, নৱম শ্ৰেণী (ক)

**সামগ্ৰিক পৰিকল্পনা**
সম্পাদনা উপদেষ্টা সমিতি, বাখৰ

**অলংকৰণ**
কন্দৰ্প শৰ্মা, পূৰবী ৰাণী বড়া, হিমাদ্ৰী লস্কৰ, অৰূপজ্যোতি হালৈ, জিতুমণি বৈশ্য, ভৱেশ শৰ্মা, মনোজ চক্ৰৱৰ্তী

**ৰঙীন পৃষ্ঠাৰ ডিজাইন**
দুলাল বনিয়া

**আৰ্হি পাঠ**
কুলধৰ কলিতা

**ডিটিপি**
প্ৰশান্ত বৰঠাকুৰ

**মুদ্ৰণ**
অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ ছপাশাল
নুনমাটি, গুৱাহাটী-৭৮১০২০

**কৃতজ্ঞতা**
■ অসম জাতীয় বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি দিলীপ কুমাৰ দত্ত চৌধুৰী, সচিব ডাঃ নাৰায়ণ শৰ্মা, অসম জাতীয় বিদ্যালয়ৰ ৰেক্টৰ ৰঞ্জিত নাৰায়ণ ডেকা, শৈক্ষিক বিষয়াদ্বয় নৰেন্দ্ৰ মোহন গোস্বামী আৰু ৰোহিনী কুমাৰ গোস্বামী, অধ্যক্ষ ঘনশ্যাম মেধি, উপাধ্যক্ষদ্বয় অপৰাজিতা বৰা, ৰবীন্দ্ৰ বৰ্মন, শিক্ষক কুশল গোস্বামী আৰু শিক্ষয়িত্ৰী ড° লিপিমণি দত্ত।
■ অসম জাতীয় বিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰী।

—স.স.বা.।

# বাখৰ

কৰ্ম মোৰ সংস্কৃতি

## বছৰেকীয়া প্ৰকাশ

## ঊনত্ৰিংশত্তম সংখ্যা, ২০২৩

## সম্পাদকীয়

"বিশ্বপ্ৰেম বিনন্দীয়া বুলি
অনুভৱ কৰা প্ৰতিজন অসমীয়া
তুমিওতো জানা এটি কথা...
আপোন মাতৃৰ অশ্ৰু নমচিলে
বিশ্বপ্ৰেম হ'ব বৃথা..."

বিনন্দীয়া এই বিশ্বৰ বাসিন্দাস্বৰূপে বিশ্বপ্ৰেম আমাৰ অন্তৰত থাকিবই, কিন্তু বিশ্বপ্ৰেমৰ লগতে অসম মাতৃৰ প্ৰতিও আমি সচেতন হ'ব লাগিব। মাতৃভূমিৰ দুখ-দুৰ্দিনৰ সময়ত নীৰৱ দৰ্শক হৈ ৰ'লে কোনে মচিব অসমী আইৰ অশ্ৰু !

অগ্নিযুগৰ ফিৰিঙতি হৈ আমাৰ চকুত নতুন অসম গঢ়াৰ সপোন। অসম আৰু অসমীয়াক ভাল পাবলৈ শিকিছোঁ 'অসম জাতীয় বিদ্যালয়' নামৰ বটবৃক্ষৰ ছাঁত। এই বিশাল বটবৃক্ষৰ এটি শাখা আমাৰ মৰমৰ 'বাখৰ'। 'বাখৰ'ৰ পাতত সিঁচিবলৈ লওঁ সপোনৰ বীজ। এই অংকুৰিত বীজেই ভৱিষ্যতে সুজলা-সুফলা হ'বগৈ বুলি আমাৰ দৃঢ় বিশ্বাস। সেই শ্যামলীমা পথাৰৰ পৰাই এদিন হয়তো আমি সোণগুটি চপাবলৈ সক্ষম হ'ম। কিন্তু ই ইমান সহজ প্ৰক্ৰিয়া নহয়। ইয়াত আছে অনেক প্ৰত্যাহ্বান। বৰ্তমান সময়ত আমাৰ বাবে ডাঙৰ প্ৰত্যাহ্বান হৈ থিয় দিছে অসমীয়া ভাষাৰ ৰক্ষাৰ যুঁজ। সময়ৰ বাধাহীন সোঁতত ক্ৰমে যেন বিপন্ন হ'বলৈ ধৰিছে আইৰ মুখৰ মধুময় ভাষা।

ইংৰাজী ভাষাকে ধৰি অন্য ভাষাৰ প্ৰতি বহু অসমীয়াৰ দুৰ্বলতা বৃদ্ধি পাবলৈ ধৰিছে। মাতৃভাষাৰ লগতে আন ভাষা শিকাটো নিশ্চয় বেয়া কথা নহয়। কিন্তু এজন অসমীয়া হিচাপে নিজৰ ভাষাটো শুদ্ধকৈ কোৱা আৰু লিখাটোও প্ৰাথমিক প্ৰয়োজন বুলি আমি অনুভৱ কৰোঁ। কোনো ধৰণৰ ভাষিক হীনমন্যতাক প্ৰশ্ৰয় নিদিয়াকৈ আমি আগ বাঢ়ি যাবলৈ বিচাৰোঁ। অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ চৰ্চা কৰিবলৈ বিচাৰোঁ। এই জাগ্ৰত চেতনাৰে আমি 'বাখৰ'ক সাৰথি কৰি বাখৰুৱা পথেৰে আগ বাঢ়িছোঁ। ইয়াৰ মাধ্যমেৰেই সংকল্পবদ্ধ হৈছোঁ আপোন ভাষাটোক সমৃদ্ধ কৰাত অৰিহণা যোগাম বুলি। অসম জাতীয় বিদ্যালয়ৰ প্ৰতিগৰাকী সদস্যৰ হেঁপাহৰ আকৰ, আমাৰ সৃষ্টিশীলতাক অংকুৰিত কৰাৰ প্ৰথম মঞ্চ 'বাখৰ'ৰ জৰিয়তেই সংঘবদ্ধভাৱে কাম কৰিবলৈ আগ বাঢ়িছোঁ। আশা কৰিছোঁ আমাৰ এই সংঘবদ্ধ প্ৰয়াসে অসমীয়া ভাষা-সাহিত্যৰ বিশাল পথাৰখনলৈ কিঞ্চিৎ হ'লেও অৰিহণা যোগাব।

**সম্পাদনা সমিতি**

# সূচীপত্ৰ


| | | |
|---|---|---|
| বিদ্যালয় সংগীত | | ৮ |
| বিদ্যালয় সংগীতৰ স্বৰলিপি | | ৯ |
| অধ্যক্ষৰ কলম... | | ১০ |

**অকণিৰ মনৰ কথা**
(পৃষ্ঠা ১৭-৩২)

| | | |
|---|---|---|
| ◎ | তোমাক যদি এটা ম'বাইল ফোন দিয়ে তুমি কি কৰিবা? | ১৭ |
| ◎ | চকলেট খাই ভাল পোৱানে? বেছিকৈ চকলেট খালে কি হয়? | ২২ |
| ◎ | আমাক থাকিবলৈ ঘৰ কিয় লাগে? | ২৫ |
| ◎ | পাৰ্কলৈ গৈ ভাল পোৱানে? তুমি পাৰ্কলৈ গৈ কি কি কৰা? | ২৯ |
| ◎ | চন্দ্ৰযান-৩ অভিযান কি? | ৩২ |

**অনুভৱৰ ছন্দ**
(পৃষ্ঠা ৩৫-৪৮)

| | | |
|---|---|---|
| ◎ | বাবুধন | ৩৫ |
| ◎ | বৰষুণ | ৩৫ |
| ◎ | প্ৰকৃতি | ৩৫ |
| ◎ | বৰষুণ | ৩৬ |
| ◎ | মৰমৰ তৰা | ৩৬ |
| ◎ | মোৰ মৰমৰ ককা | ৩৬ |
| ◎ | মই ভাল পাওঁ | ৩৬ |
| ◎ | ঘৰচিৰিকা | ৩৭ |
| ◎ | পখিলা | ৩৭ |
| ◎ | অকণমানিৰ দুষ্টামি | ৩৭ |
| ◎ | বৰষুণ | ৩৭ |
| ◎ | প্ৰকৃতিৰ আনন্দ | ৩৮ |
| ◎ | অশোক | ৩৮ |
| ◎ | মাঘ বিহু | ৩৯ |
| ◎ | ফুল আৰু পখিলা | ৩৯ |
| ◎ | পোহৰ | ৩৯ |
| ◎ | ফুল | ৪০ |
| ◎ | বৰদৈচিলা | ৪০ |
| ◎ | কাতি মাহ | ৪০ |
| ◎ | মোৰ ভণ্টি | ৪০ |
| ◎ | বেলি | ৪০ |
| ◎ | ফুলনি | ৪১ |
| ◎ | স্বৰবৰ্ণৰ কবিতা | ৪১ |
| ◎ | কিনো কৰোঁ | ৪১ |
| ◎ | গুৱাহাটীৰ মেকুৰী | ৪২ |
| ◎ | মা | ৪২ |
| ◎ | দেউতা | ৪২ |
| ◎ | ফুল | ৪২ |
| ◎ | মোৰ দাদা | ৪৩ |
| ◎ | প্ৰিয় | ৪৩ |
| ◎ | সৃষ্টিশীল পৃথিৱীৰ সন্ধানত | ৪৩ |
| ◎ | আকাশলৈ চিঠি | ৪৪ |
| ◎ | ৰঙালীৰ আনন্দ | ৪৪ |
| ◎ | পঢ়াশালি | ৪৪ |
| ◎ | প্ৰভাত | ৪৫ |
| ◎ | খং | ৪৫ |
| ◎ | অতীত | ৪৫ |
| ◎ | পাহাৰৰ বেদনা | ৪৬ |
| ◎ | আই | ৪৬ |
| ◎ | কুঁৱলী | ৪৭ |
| ◎ | চৰাই | ৪৭ |
| ◎ | আমাৰ কৰ্তব্য | ৪৭ |
| ◎ | মোৰ মা | ৪৭ |
| ◎ | ভৌম | ৪৮ |

**কল্পনাৰ কথকতা**
(পৃষ্ঠা ৪৯-৫৩)

| | | |
|---|---|---|
| ◎ | শাল মাছ উঠা পুখুৰী | ৪৯ |
| ◎ | তৰা আৰু ভেকুলী | ৪৯ |

◎ সাহসী ৰিম আৰু ঝিম ৫০
◎ এজনী বুধিয়ক তিৰোতা ৫০
◎ বেৰৰ আঁৰৰ ৰহস্যময় সাধু ৫১
◎ মিতব্যয়ীৰ মৰণ নাই ৫২
◎ চৰাই আৰু পখিলাৰ সাধু ৫৩

**সৃষ্টি শিল্প**
(পৃষ্ঠা ৫৪-৭৩)

◎ সহৃদয়তা ৫৪
◎ জীয়া শিলে কথা কয়... ৫৫
◎ ৰূপে কি কৰে, গুণেহে সংসাৰ তৰে ৫৭
◎ হেঁপাহৰ ঠাইখন ৫৯
◎ গৰমৰ বন্ধৰ ৰং ৬১
◎ উপলব্ধি ৬৩
◎ ল'ৰালিৰ গল্প ৬৪
◎ গোপন সত্য ৬৭
◎ মিঠা সুৰৰ সেই বৰযুণজাক ৬৯
◎ ব্যস্ততা ৭১
◎ অহংকাৰ ৭২
◎ মৰম ৭৩

**কথোপকথন**
(পৃষ্ঠা ৭৪-৭৭)

◎ বিশিষ্ট বিজ্ঞানী, কটন মহাবিদ্যালয়ৰ পদাৰ্থবিজ্ঞান বিভাগৰ অধ্যাপক আৰু পৰৱৰ্তী সময়ত অধ্যক্ষ হৈ অৱসৰ গ্ৰহণ কৰা মাননীয় ড° অনিল কুমাৰ গোস্বামী মহোদয়ৰ সৈতে হোৱা কথোপকথন ৭৪

**দিহিঙে-দিপাঙে**
(পৃষ্ঠা ৭৮-৮৫)

◎ হাফলঙৰ প্ৰাকৃতিক পৰিবেশৰ মাজত এটা দিন ৭৮
◎ মোৰ বৈষ্ণোদেৱী ভ্ৰমণ ৭৯
◎ অমৃতসৰ দেখিলোঁ ৮০
◎ মোৰ প্ৰিয় ঠাইখন ৮১
◎ এটি স্মৰণীয় দিন ৮২
◎ দিল্লী দেখিলোঁ ৮৩
◎ দাৰ্জিলিং ভ্ৰমণ ৮৪
◎ মোৰ কোচবিহাৰ ভ্ৰমণ ৮৫

**ভাবৰ কৰণি**
(পৃষ্ঠা ৮৬-৯২)

◎ বাৰ বছৰীয়া সোণালী যাত্ৰা ৮৬
◎ নৱৰত্ন তেল ৮৭
◎ উভতি চোৱা ধূলিয়ৰি বাটে... চাৰি বছৰীয়া এক অবিৰত যাত্ৰা... ৮৮
◎ প্ৰথম অনুভৱ ৯০
◎ এই দুবছৰ ৯১

**পুথি আলোচনা**
(পৃষ্ঠা ৯৩-৯৫)

◎ চৈয়দ আব্দুল মালিকৰ নদীকেন্দ্ৰিক উপন্যাস : সূৰুযমুখীৰ স্বপ্ন ৯৩
◎ মই ভালপোৱা এখন কিতাপ ৯৪
◎ জোন বেলি তৰা গ্ৰহ মেঘে ভৰা ৯৫

**নাটকথা**
(পৃষ্ঠা ৯৬-১০০)

◎ আমিও ডাঙৰ মানুহ হ'মনে ৯৬
◎ আহুতি ১০০

**প্ৰজ্ঞাৰ চিন্তন**
(পৃষ্ঠা ১০১-১৪৫)

◎ দৰঙৰ চৈতালী আৰু মালচী গীত ১০১
◎ ব্যক্তিগত পুথিভঁৰাল কিদৰে গঢ়িম ১০২
◎ জেচিণ্টা কেৰকেটা ১০৩
◎ কলোছিয়াম ১০৪

◎ অংকীয়া নাটত ব্যৱহৃত মুখা ১০৫
◎ দীপৰ বিল— অসমৰ এক সম্পদ ১০৬
◎ ঢকুৱাখনাৰ ফাট বিহু ১০৭
◎ সত্ৰৰ মিলনভূমি বৰপেটা ১০৮
◎ পৰিবেশ ৰক্ষাৰ আন্দোলন আৰু ছাত্ৰ সমাজ ১১০
◎ বৰপেটাৰ দৌল উৎসৱ ১১২
◎ অসমীয়া বোলছবিৰ চাৰিকুৰি আঠ বছৰ ১১৪
◎ এজি গাৰ্ৰ্দিনাৰ ১১৮
◎ পহুগড়ৰ ইতিবৃত্তৰে... ১১৯
◎ বিদ্যালয়ত যোগ শিক্ষাৰ গুৰুত্ব ১২২
◎ শিল্প আৰু ভ্ৰম ১২৪
◎ গ্ৰীণ লাইব্ৰেৰী ১২৫
◎ শিশুৰ চৰিত্ৰ গঠনত পিতৃ-মাতৃৰ ভূমিকা ১২৭
◎ মাতৃভাষালৈ অহা সংকট আৰু নৱপ্ৰজন্মৰ কৰণীয় ১২৮
◎ অসমৰ সমাজ-সংস্কৃতিলৈ শংকৰদেৱৰ অৱদান ১২৯
◎ 5G নেটৱৰ্ক : সংশয় আৰু সম্ভাৱনা ১৩৩
◎ ভূগৰ্ভৰ পানীৰ নাটনি আৰু প্ৰতিৰোধৰ উপায় ১৩৫
◎ অনুভৱৰ অভিজ্ঞতাৰে আমি আৰু আমাৰ ল'ৰা-ছোৱালীবোৰ ১৩৭
◎ মণিপুৰ : অতীত আৰু বৰ্তমান ১৪২
◎ ৰাইমনা, কাজিৰঙা, জাতিংগা আৰু পাটকাই ১৪৫


**हिन्दी दर्पण**

(পৃষ্ঠা ১৪৬-১৫৮)


◎ तितली ১৪৬
◎ माँ ১৪৬
◎ प्यारी चिड़िया ১৪৬
◎ आम ১৪৬
◎ आओ कालिदास, मेरे पास बैठो ১৪৭
◎ डोडो ১৪৮
◎ हिन्दी साहित्य के मशहूर कथाकार उषा प्रियम्बदा ১৪৯
◎ सुंदरीदिया सत्र ১৫০
◎ लाल श्रीनिवास दास कृत उपन्यास 'परीक्षागुरु' एक नज़र ১৫১
◎ गुलज़ार ১৫২
◎ रामभक्ति काव्य और इसका विकास ১৫৩
◎ मशहूर लेखिका मृदुला गर्ग ১৫৫
◎ नॉर्वे देश ১৫৬
◎ शायरी– एक अनुभवी शब्द ১৫৭
◎ राष्ट्रकवि रामधारी सिंह 'दिनकर' ১৫৮


**ENGLISH CORNER**

(পৃষ্ঠা ১৫৯-১৭৮)


◎ Lord of the streets? ১৫৯
◎ The playground, the building ১৫৯
◎ High school friends ১৬০
◎ Moonlight ১৬০
◎ The rainbow ১৬০
◎ Tried, tried and tried ১৬১
◎ Curse ১৬১
◎ Chaitanya Mahaprabhu : The combined avatar of Radhakrishna ১৬২
◎ Goosebumps: A series of horror novels ১৬৩

◎ Jorhat diary ১৬৫

◎ Natural fibres and synthetic fibres ১৬৬

◎ 9 circles of hell ১৬৮

◎ Women empowerment ১৭০

◎ The mystery after 78 years ১৭১

◎ The great attractor ১৭২

◎ The concept of discipline and freedom in education—It's impact on child's social development ১৭৩

◎ Trees are our friends ১৭৫

◎ Natural disastars ১৭৬

◎ Jayanta Mahapatra eminent Indian writer in English ১৭৭

◎ Barbara Askins ১৭৮

**প্ৰাতঃ সভাৰ চিন্তা**
(পৃষ্ঠা ১৭৯)

◎ জল সংৰক্ষণৰ পদক্ষেপ ১৭৯

**পুথিভঁৰালৰ টোকাবহীৰ পৰা**
(পৃষ্ঠা ১৮০-১৮১)

◎ পানবাৰী গাঁৱত এদিন ১৮০

◎ সেউজ সপোনৰ মেলা ১৮১

**প্ৰকল্প**
(পৃষ্ঠা ১৮২-১৮৩)

◎ A Sulha which reduces the wastage of fuel ১৮২

**বিদ্যালয়ৰ উল্লেখযোগ্য দিন**
(পৃষ্ঠা ১৮৪-১৮৬)

**বিদ্যালয় সপ্তাহ-২০২৩**
**বিভিন্ন খেল-ধেমালি প্ৰতিযোগিতাৰ ফলাফল**
(পৃষ্ঠা ১৮৭-১৯৬, ২৬৯-২৭০)

**বিদ্যালয় সপ্তাহ-২০২৩**
**সাহিত্য, নৃত্য, অভিনয়, সংগীত আদি প্ৰতিযোগিতাৰ ফলাফল**
(পৃষ্ঠা ২৭০-২৭৭)

**সাহিত্য দিৱস, ২০২৩ বৰ্ষৰ ৰাজ্যিক ভিত্তিত অনুষ্ঠিত সাহিত্য প্ৰতিযোগিতাৰ ফলাফল**
(পৃষ্ঠা ২৭৮)

**বিজ্ঞান দিৱস, ২০২৩ বৰ্ষৰ বিভিন্ন প্ৰতিযোগিতাৰ ফলাফল**
(পৃষ্ঠা ২৭৮-২৭৯)

**বিজ্ঞান দিৱস, ২০২৩ বৰ্ষৰ ৰাজ্যিক ভিত্তিত আয়োজিত প্ৰতিযোগিতাৰ ফলাফল**
(পৃষ্ঠা ২৭৯-২৮০)

**২০২২-২৩ বৰ্ষৰ হাতেলিখা আলোচনীৰ ফলাফল**
(পৃষ্ঠা ২৮০)

**শিক্ষাৰ্থীৰ সফলতাৰ খতিয়ান**
(পৃষ্ঠা ২৮১)

**২০২২-২৩ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ পৰীক্ষাৰ্থীসকল**
(পৃষ্ঠা ২৮২-২৮৩)

**২০২২-২৩ বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ পৰীক্ষাৰ্থীসকল (বিজ্ঞান-কলা)**
(পৃষ্ঠা ২৮৩-২৮৪)

# বিদ্যালয় সংগীত

**ৰচনা : ডা° নাৰায়ণ শৰ্মা** **সুৰ : ৰমেন বৰুৱা**

*আলোক সন্ধানীৰ আশাৰ আলয়*
*অসম জাতীয় বিদ্যালয়।*

*সুবাস লওঁ আমি কেঁচা মাটিৰ*
*পৰশ নেৰোঁ আমি ওপজা ভেটিৰ।*
*সুন্দৰ সমাজৰ সপোন ৰচি*
*পূজাৰী আমি কৰ্ম-সংস্কৃতিৰ।*

*আত্ম-বিশ্বাস আৰু সততাৰে*
*জ্ঞান বিজ্ঞানৰ সাধনাৰে*
*জগত সভাত আমি পোহৰ বিলাম*
*আই অসমীৰ আমি মুখ উজলাম।*

*স্বদেশ-স্বজাতিৰ মান ৰাখিম*
*নৱ নৱ চিন্তাৰ জোৱাৰ আনিম*
*অপাৰ দিগন্তত দৃষ্টি ৰাখি*
*আধুনিক পৃথিৱী আমিয়ে গঢ়িম। ◈*

# বিদ্যালয় সংগীতৰ স্বৰলিপি

**স্থায়ী**

| | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| ধস | :স | :স | সৰ | গপ | -ধ | প | গৰ | ৰগ | :ৰ | সৰ | গপ |
| আলোক | স | ন্ধা | নীৰ | আশাৰ | আ | ল | য় | অসম | জা | তী | য় |
| বি | দ্যা | লয় | | | | | | | | | |

**অন্তৰা**

| | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| পপ | :প | প | পপ | পধ | :প | ধ | - | মম | :ম | প | ধপ |
| সুবাস | লওঁ | আ | মি | কেঁচা | মা | টিৰ | | পৰশ | নে | ৰোঁ | আমি |
| মপ | ধম | প | - | | | | | | | | |
| ওপ | জাভে | টি | ৰ | | | | | | | | |
| গ | গ | গ | মপ | মপ | মগ | ৰ | - | নন | নপ | ন | - |
| সুন্ | ন্দৰ | সমা | জৰ | সপোন | ৰ | চি | - | পূজা | ৰীআ | মি | - |
| স | স | ৰ | ৰ | গ | - | - | ৰ | স | - | - | - |
| ক | ৰ্ম | সং | স্কৃ | তি | - | - | - | ৰ | - | - | - |

**সঞ্চাৰী**

| | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| স | সপ | :ধ | প | সস | ৰস | ন | - | নৰ | :ন | ৰ | ৰ |
| আ | ত্মাবি | শ্বাস | আৰু | সত | তা | ৰে | - | জ্ঞান | বি | জ্ঞা | নৰ |
| সাধ | না | ৰে | - | | | | | | | | |
| ম | ম | ম | পধ | মপ | :ম | ম | পণ | ণধ | ধপ | পম | মগৰ |
| জগত্ | স | ভাত | আমি | পোহৰ | বি | লা | ম | আই | অস | মীৰ | আমি |
| গৰ | গপ | গ | - | ৰগ | :ৰ | সৰ | গপ | সৰমৰ | :স | স | - |
| মুখ | উজ | লা | ম | আই | অ | স | মীৰ | মুখ | উজ | লা | ম |

**২য় অন্তৰা**

| | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| পপ | :প | প | পপ | পধ | প | ধ | - | মম | :ম | প | ধপ |
| স্বদেশ | স্ব | জা | তিৰ | মান | ৰা | খি | ম | নৱ | নৱ | চি | ন্তাৰ |
| মপ | ধম | প | - | | | | | | | | |
| জোৰাৰ | আ | নি | ম | | | | | | | | |
| স | গ | গ | মপ | মপ | মগ | ৰ | - | নন | নপ | ন | ন |
| অপাৰ | দি | গ | ন্তত | দৃ | ষ্টি | ৰা | খি | আধু | নিক | পৃথি | ৱী |
| স | স | ৰ | ৰ | গ | - | - | ৰ | স | - | - | - |
| আ | মি | য়ে | গ | ঢ়ি | - | - | - | ম | - | - | - |



## অধ্যক্ষৰ কলম

**ঘনশ্যাম মেধি**

অধ্যক্ষ

১৯৯৪ চনৰ পহিলা জানুৱাৰীত প্ৰতিষ্ঠা হোৱা অসম জাতীয় বিদ্যালয়ে ২০২৩ বৰ্ষৰ পহিলা জানুৱাৰীত ২৯টা বৰ্ষ সম্পূৰ্ণ কৰি ৩০ সংখ্যক বৰ্ষত প্ৰবেশ কৰিছে। বিগত তিনিটা দশকত বিদ্যালয়খনে স্বকীয় বৈশিষ্ট্যেৰে ৰাজ্যখনৰ শিক্ষাজগতখনত এক সুকীয়া স্থান দখল কৰিবলৈ সক্ষম হৈছে। জাতীয় বিদ্যালয়ৰ শিক্ষা ব্যৱস্থাৰ আৰ্হিত সম্প্ৰতি সমগ্ৰ ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত দুহাজাৰৰো অধিক বিদ্যালয় গঢ়ি উঠিছে। এই বিদ্যালয়সমূহে অসমৰ মাতৃভাষা মাধ্যমৰ শিক্ষা ব্যৱস্থাটোক এক শক্তিশালী ৰূপ দিয়াত যথেষ্ট অৰিহণা যোগাই আহিছে। ইয়াৰে প্ৰায় সহস্ৰাধিক বিদ্যালয় অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ, চমুকৈ এজবেকৰ লগত প্ৰত্যক্ষভাৱে জড়িত। এজবেকে এইসমূহ বিদ্যালয়ৰ শৈক্ষিক দিশটো পৰিচালিত কৰি আহিছে। এই জাতীয় বিদ্যালয়সমূহৰ সবল স্থিতিয়ে অসমৰ মাতৃভাষা মাধ্যমৰ শিক্ষা ব্যৱস্থাটোক জীয়াই ৰাখিব।

বিগত বৰ্ষবোৰৰ দৰে এই বৰ্ষটোতো অসম জাতীয় বিদ্যালয়ে বিভিন্ন ধৰণৰ শৈক্ষিক কাৰ্য্যসূচীসমূহৰ লগতে অন্যান্য নিয়মীয়া কাৰ্য্যসূচীসমূহ সফলভাৱে ৰূপায়ণ কৰি আহিছে। এই প্ৰতিবেদনৰ সময়সীমা ২০২২ বৰ্ষৰ নৱেম্বৰ মাহৰ পৰা ২০২৩ বৰ্ষৰ অক্ট'বৰ মাহলৈ। এই সময়ছোৱাত ২০২২-২৩ শিক্ষাবৰ্ষ সমাপ্ত হয় ২০২৩ বৰ্ষৰ ৩১ মাৰ্চত আৰু ২০২৩-২৪ শিক্ষাবৰ্ষৰ কাৰ্য্যসূচীৰ আৰম্ভ হয় ২০২৩ বৰ্ষৰ ১ এপ্ৰিলত।

### শৈক্ষিক কাৰ্য্যসূচী

২০২২ বৰ্ষৰ ১ এপ্ৰিলৰ পৰা ২০২২-২৩ শিক্ষাবৰ্ষৰ নিয়মীয়া শ্ৰেণীসমূহ আৰম্ভ হৈছিল। শিক্ষাবৰ্ষটোত চাৰিটা গোট পৰীক্ষা, ছয়মাহিলি পৰীক্ষা আৰু বছৰেকীয়া পৰীক্ষা সুকলমে অনুষ্ঠিত হৈ যায়। ইয়াৰ উপৰি হাইস্কুল শিক্ষান্ত আৰু দ্বাদশ চূড়ান্ত পৰীক্ষাৰ পৰীক্ষাৰ্থীসকলৰ বাবে প্ৰত্যেক শনিবাৰৰ বিশেষ পৰীক্ষা অনুষ্ঠিত কৰোৱা হয়।

এই শিক্ষাবৰ্ষ শৈক্ষিক দিনপঞ্জীত উল্লেখ থকা অনুসৰি বিভিন্ন শ্ৰেণীৰ শিক্ষাৰ্থীৰ অভিভাৱক সভাসমূহ

নিৰ্ধাৰিত দিনসমূহত অনুষ্ঠিত হৈ যায়। বিদ্যালয়ৰ নিয়ম অনুসৰি শিক্ষাৰ্থীৰ গৃহ ভ্ৰমণসমূহ নিৰ্ধাৰিত সময় অনুসৰি সম্পন্ন কৰা হয়।

১৮ জানুৱাৰী, ২০২৩ তাৰিখৰ পৰা কামৰূপ (মহানগৰ) জিলা অধিবিদ্যা পৰিষদৰ ৰুটিন অনুসৰি ২০২৩ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ পৰীক্ষাৰ্থীসকলৰ বাবে প্ৰাক্-চূড়ান্ত পৰীক্ষা অনুষ্ঠিত হয়। ২০২৩ বৰ্ষৰ ২০ ফেব্ৰুৱাৰীৰ পৰা ৩ মাৰ্চলৈ প্ৰথম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ বছৰেকীয়া পৰীক্ষা অনুষ্ঠিত হয়। এই পৰীক্ষাটোত এজবেকৰ অন্তৰ্ভুক্ত ৫০২ খন অন্য জাতীয় বিদ্যালয়ে অসম জাতীয় বিদ্যালয়ৰ পৰা প্ৰশ্নকাকত সংগ্ৰহ কৰে। ১৭ মাৰ্চ, ২০২৩ তাৰিখে বছৰেকীয়া পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হয়। এই বৰ্ষত বছৰেকীয়া পৰীক্ষাত ৯৫.৭৬ শতাংশ শিক্ষাৰ্থী উত্তীৰ্ণ হয়।

১৭ ফেব্ৰুৱাৰী, ২০২৩ তাৰিখৰ পৰা কামৰূপ (মহানগৰ) জিলা অধিবিদ্যা পৰিষদৰ ৰুটিন অনুসৰি নৱম শ্ৰেণীৰ বছৰেকীয়া পৰীক্ষা অনুষ্ঠিত হয়। এই বৰ্ষটোতো বিদ্যালয়ৰ নিয়ম অনুসৰি বিভিন্ন শ্ৰেণীত কেইবাগৰাকী নতুন ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়ত নতুনকৈ নামভৰ্তি কৰায়। ১৭ ডিচেম্বৰ, ২০২২ তাৰিখে ২০২৩-২৪ শিক্ষাবৰ্ষৰ বাবে মুঠ ১৬২ গৰাকী শিক্ষাৰ্থীয়ে অংকুৰ শ্ৰেণীত নামভৰ্তি কৰে। ১৮ ডিচেম্বৰ, ২০২২ তাৰিখে অনুষ্ঠিত হোৱা প্ৰবেশ পৰীক্ষাৰ জৰিয়তে প্ৰথম শ্ৰেণীত মুঠ ৬৩ গৰাকী নতুন শিক্ষাৰ্থীয়ে বিদ্যালয়ত নামভৰ্তি কৰে। ১২ মাৰ্চ, ২০২৩ তাৰিখে অনুষ্ঠিত হোৱা প্ৰবেশ পৰীক্ষাৰ জৰিয়তে দ্বিতীয় শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ মুঠ ৫৯ গৰাকী নতুন শিক্ষাৰ্থীয়ে নামভৰ্তি কৰে।

২ জুন, ২০২৩ তাৰিখে বিদ্যালয়ৰ একাদশ শ্ৰেণীৰ নামভৰ্তি অনুষ্ঠিত হয়। এই বৰ্ষত কলা শাখাত ৬৬ গৰাকী আৰু বিজ্ঞান শাখাত ৭৬ গৰাকী মুঠ ১৪২ গৰাকী শিক্ষাৰ্থীয়ে একাদশ শ্ৰেণীত নামভৰ্তি কৰে।

এই বৰ্ষৰ পৰা বিদ্যালয়ৰ একাদশ আৰু দ্বাদশ শ্ৰেণীৰ শিক্ষাৰ্থীসকলক CUET, NEET, JEE আদি বিভিন্ন ধৰণৰ প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে প্ৰস্তুত কৰাৰ উদ্দেশ্যে আমাৰ বিদ্যালয়ত 'BEACON' (COACHING & COUNSELLING) শীৰ্ষক এটি কেন্দ্ৰ মুকলি কৰা হয়। প্ৰথম বৰ্ষত মুঠ ২৭ গৰাকী শিক্ষাৰ্থীয়ে এই কেন্দ্ৰটোত নামভৰ্তি কৰে। ২৪ এপ্ৰিল, ২০২৩ তাৰিখ পৰা BEACONৰ নিয়মীয়া শ্ৰেণীৰ শুভাৰম্ভ হয়। ৰাজ্যখনৰ লগতে ৰাজ্যখনৰ বাহিৰৰ কেইবাগৰাকীও অভিজ্ঞ আৰু মেধাৱী শিক্ষকৰ দ্বাৰা পাঠদান চলাই থকা 'BEACON' অসম জাতীয় বিদ্যালয়ৰ এক আশাপ্ৰদ নতুন সংযোজন।

এতিয়ালৈকে ২০২৩-২৪ শিক্ষাবৰ্ষৰ দুটাকৈ গোট পৰীক্ষা আৰু ছয়মাহিলি পৰীক্ষা সুকলমে অনুষ্ঠিত হৈ যায়। এই বৰ্ষৰ ছয়মাহিলি পৰীক্ষাত এজবেকৰ অন্তৰ্ভুক্ত ৫৩৪খন জাতীয় বিদ্যালয়ে অসম জাতীয় বিদ্যালয়ৰ পৰা প্ৰশ্নকাকত সংগ্ৰহ কৰি পৰীক্ষা অনুষ্ঠিত কৰে।

অসম জাতীয় বিদ্যালয়ৰ অন্যতম এটা বিশেষ কাৰ্য্যসূচী হ'ল ছাত্ৰ-ছাত্ৰীৰ গৃহ ভ্ৰমণ। এই বৰ্ষতো শিক্ষক-শিক্ষয়িত্ৰীসকলৰ দ্বাৰা যথেষ্টসংখ্যক শিক্ষাৰ্থীৰ গৃহ ভ্ৰমণ কৰোৱা হয়। বিদ্যালয়ৰ নিয়ম অনুসৰি বিদ্যালয়ত নতুনকৈ নামভৰ্তি কৰা সকলো শিক্ষাৰ্থী, দশম আৰু দ্বাদশ শ্ৰেণীৰ প্ৰতিগৰাকী শিক্ষাৰ্থীৰ গৃহ ভ্ৰমণ কৰোৱা হয়। অন্য শিক্ষাৰ্থীসকলৰ প্ৰথম আৰু ষষ্ঠ শ্ৰেণীত গৃহ ভ্ৰমণ কৰোৱা হয়। এই বৰ্ষত অংকুৰ শ্ৰেণীৰ পৰা নৱম শ্ৰেণীলৈ মুঠ ১০২২ গৰাকী শিক্ষাৰ্থীৰ গৃহ ভ্ৰমণ কৰা হয়। ইয়াৰ উপৰি ১৫ আগষ্ট, ২০২৩ তাৰিখে দশম শ্ৰেণীৰ সকলো শিক্ষাৰ্থীৰ গৃহ ভ্ৰমণ কৰা হয়। ১৬ ছেপ্টেম্বৰ, ২০২৩ তাৰিখে দ্বাদশ শ্ৰেণীৰ সকলো শিক্ষাৰ্থীৰে গৃহ ভ্ৰমণ কৰা হয়।

বিদ্যালয়ৰ অন্য এটা গুৰুত্বপূৰ্ণ কাৰ্য্যসূচী শিক্ষাৰ্থীৰ অভিভাৱকৰ সৈতে শিক্ষক-শিক্ষয়িত্ৰীৰ সভাবোৰ নিৰ্ধাৰিত দিনবোৰত অনুষ্ঠিত হয়।

২০২২ বৰ্ষৰ ১১ ডিচেম্বৰত ২০২৩-২৪ শিক্ষাবৰ্ষত অংকুৰ শ্ৰেণীৰ নতুন নামভৰ্তিৰ বাবে নিৰ্বাচিত শিশুসকলৰ অভিভাৱকৰ সভা অনুষ্ঠিত হয়। ৮

এপ্ৰিল, ২০২৩ তাৰিখে অংকুৰৰ বাহিৰে আন শ্ৰেণীত নতুনকৈ নামভৰ্তি কৰা শিক্ষাৰ্থীৰ অভিভাৱকৰ সভা অনুষ্ঠিত হয়। ২০২৩ বৰ্ষৰ ২৩ মে'ৰ পৰা ২৯ মে'লৈ সৰু সৰু গোটত দশম শ্ৰেণীৰ শিক্ষাৰ্থীৰ অভিভাৱকৰ সভা অনুষ্ঠিত হয়।

২৭ মে', ২০২৩ তাৰিখে অংকুৰ, প্ৰাক্-প্ৰাথমিক, প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ শিক্ষাৰ্থীৰ অভিভাৱকৰ সভা অনুষ্ঠিত হয়। ১০ জুন, ২০২৩ তাৰিখে তৃতীয়, চতুৰ্থ আৰু পঞ্চম শ্ৰেণীৰ শিক্ষাৰ্থীৰ অভিভাৱকৰ সভা অনুষ্ঠিত হয়। ১ জুলাই, ২০২৩ তাৰিখে ষষ্ঠ আৰু সপ্তম শ্ৰেণীৰ শিক্ষাৰ্থীৰ অভিভাৱকৰ সভা অনুষ্ঠিত হয়। ৭ জুলাই, ২০২৩ তাৰিখে দশম শ্ৰেণীৰ শিক্ষাৰ্থীৰ অভিভাৱকৰ সভা অনুষ্ঠিত হয়। ১৯ আগষ্ট, ২০২৩ তাৰিখে অষ্টম আৰু নৱম শ্ৰেণীৰ শিক্ষাৰ্থীৰ অভিভাৱকৰ সভা অনুষ্ঠিত হয়। পুনৰ এই বৰ্ষৰে ১৭ অক্টʼবৰত নৱম আৰু দশম শ্ৰেণীৰ শিক্ষাৰ্থীৰ অভিভাৱকৰ সভা অনুষ্ঠিত হয়।

২০২৩ বৰ্ষৰ ২৮ আগষ্টৰ পৰা ২ ছেপ্টেম্বৰলৈ সৰু সৰু গোটত দ্বাদশ শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ অভিভাৱকৰ লগত সভা অনুষ্ঠিত হয়। ২৩ ছেপ্টেম্বৰ, ২০২৩ তাৰিখে একাদশ শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ অভিভাৱকৰ লগত সভা অনুষ্ঠিত হয়।

## বিদ্যালয়ৰ শৈক্ষিক ফলাফল

২৫ মে', ২০২৩ তাৰিখে ২০২৩ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হয়। এই বৰ্ষতো আমাৰ বিদ্যালয়ৰ মুঠ ১৪০ গৰাকী পৰীক্ষাৰ্থীৰ আটাইকেইগৰাকী শিক্ষাৰ্থীয়ে উত্তীৰ্ণ হৈ পূৰ্বৰ ১০০ শতাংশই উত্তীৰ্ণ হোৱাৰ ধাৰা অব্যাহত ৰাখে। ইয়াৰে ১২৫ গৰাকীয়ে প্ৰথম বিভাগত আৰু বাকী থকা ১৫ গৰাকীয়ে দ্বিতীয় বিভাগত উত্তীৰ্ণ হয়। তদুপৰি ৪৫ গৰাকীয়ে ডিষ্টিংছন আৰু ৪১ গৰাকীয়ে ষ্টাৰ নম্বৰ লাভ কৰিবলৈ সক্ষম হয়। বিদ্যালয়ৰ শিক্ষাৰ্থী আনতাৰা মুবাছছিৰা হক খন্দকাৰে ৰাজ্যখনৰ ভিতৰত ষষ্ঠ স্থান আৰু নীলাভ পাঠকে দশম স্থান দখল কৰি বিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনে। ইয়াৰ উপৰি সাধাৰণ গণিতত ২ গৰাকী, সাধাৰণ বিজ্ঞানত ১ গৰাকী, সমাজ বিজ্ঞানত ১ গৰাকী আৰু উচ্চ গণিতত ৫ গৰাকী, মুঠ ৯ গৰাকী পৰীক্ষাৰ্থীয়ে ৰাজ্যখনৰ ভিতৰত সৰ্বোচ্চ নম্বৰ লাভ কৰিবলৈ সক্ষম হয়। লগতে বিভিন্ন বিষয়ত মুঠ ৪৪৮টা লেটাৰ নম্বৰ লাভ কৰে। ইয়াৰে ভিতৰত অসমীয়াত ৪৫ গৰাকী, ইংৰাজীত ১০৮ গৰাকী, সাধাৰণ বিজ্ঞানত ৫৬ গৰাকী, সাধাৰণ গণিতত ৫৩ গৰাকী আৰু সমাজ বিজ্ঞানত ৯৭ গৰাকীয়ে লেটাৰ নম্বৰ লাভ কৰে। ঐচ্ছিক বিষয়সমূহৰ ভিতৰত উচ্চ গণিতত ৩০ গৰাকী শিক্ষাৰ্থীৰ ভিতৰত ২৩ গৰাকী, কম্পিউটাৰ বিজ্ঞানত ৫১ গৰাকীৰ ভিতৰত ১৫ গৰাকী, ভূগোলত ৭ গৰাকীৰ ভিতৰত ৩ গৰাকীয়ে, সংগীতত ৬ গৰাকীৰ ভিতৰত ৬ গৰাকী, নৃত্যত ৫ গৰাকীৰ ভিতৰত ৪ গৰাকী, সুকুমাৰ কলাত ২১ গৰাকীৰ ভিতৰত ২১ গৰাকী, হিন্দীত ১৩ গৰাকীৰ ভিতৰত ১১ গৰাকী আৰু বুৰঞ্জীত ৭ গৰাকীৰ ভিতৰত ৬ গৰাকীয়ে লেটাৰ নম্বৰ লাভ কৰিবলৈ সক্ষম হয়।

৬ জুন, ২০২৩ তাৰিখে উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হয়। এই বৰ্ষটোত আমাৰ বিদ্যালয়ৰ কলা শাখাত মুঠ ৪৬ গৰাকী শিক্ষাৰ্থীৰ আটাইকেউগৰাকীয়েই উত্তীৰ্ণ হয়। ইয়াৰে ৩৫ গৰাকী প্ৰথম বিভাগত, ১০ গৰাকীয়ে দ্বিতীয় বিভাগত আৰু এগৰাকীয়ে তৃতীয় বিভাগত উত্তীৰ্ণ হয়। তদুপৰি ১২ গৰাকীয়ে ৮৫% নম্বৰ আৰু মুঠ ২৬ গৰাকীয়ে ষ্টাৰ নম্বৰ লাভ কৰিবলৈ সক্ষম হয়। বিভিন্ন বিষয়ত মুঠতে ১২২টা লেটাৰ নম্বৰ লাভ কৰে।

উচ্চতৰ মাধ্যমিক বিজ্ঞান শাখাৰ মুঠ ৪৪ গৰাকী শিক্ষাৰ্থীৰ ৪৩ গৰাকী শিক্ষাৰ্থী উত্তীৰ্ণ হয়। ইয়াৰে ২৭ গৰাকীয়ে প্ৰথম বিভাগত, ১৪ গৰাকীয়ে দ্বিতীয় বিভাগত আৰু ২ গৰাকীয়ে তৃতীয় বিভাগত উত্তীৰ্ণ হয়। তদুপৰি ১১ গৰাকীয়ে ষ্টাৰ নম্বৰ আৰু বিভিন্ন বিষয়ত মুঠ ৬৪টা লেটাৰ নম্বৰ লাভ কৰে।

**বিদ্যালয়ত পালন কৰা বিভিন্ন দিৱস আৰু অন্যান্য কাৰ্য্যসূচী**

২৯ অক্ট'বৰ, ২০২২ তাৰিখে বিদ্যালয়ৰ বাৰ্ষিক 'গীত-মাতৰ গধূলি' অনুষ্ঠিত হয়। এই বৰ্ষৰ 'গীত-মাতৰ গধূলি'ৰ বিশিষ্ট অতিথি আছিল জনপ্ৰিয় অভিনেতা ৰবি শৰ্মা। এই অনুষ্ঠানত বিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ 'বাখৰ' অষ্টাবিংশতিতম সংখ্যা উন্মোচন কৰা হয়। 'বাখৰ' উন্মোচন কৰে বড়ো সাহিত্য সভাৰ সভাপতি তৰেণ বড়োই।

২০০৮ বৰ্ষৰ পৰা অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ তৰফৰ পৰা অসম জাতীয় বিদ্যালয় ফেল'শ্বিপ প্ৰদান কৰি অহা হৈছে। অসমৰ শৈক্ষিক, সাংস্কৃতিক, সাহিত্য, সামাজিক, ক্ৰীড়া আদি বিভিন্ন ক্ষেত্ৰত নিজৰ কৰ্মেৰে বহুমূলীয়া অৱদান আগ বঢ়াই অহা বিশিষ্ট ব্যক্তিসকলক এই ফেল'শ্বিপ প্ৰদান কৰা হয়। প্ৰতি দুবছৰৰ অন্তৰত প্ৰদান কৰা এই ফেল'শ্বিপ এতিয়ালৈ ৭ গৰাকী ব্যক্তিলৈ আগ বঢ়োৱা হৈছে। ইয়াৰ উপৰি ২০১৪ বৰ্ষৰ পৰাই অজাবি ন্যাসে প্ৰতি বছৰে অসমৰ বিভিন্ন ক্ষেত্ৰত বৰঙণি যোগাই অহা বিশিষ্ট ব্যক্তিসকলক 'অসম জাতীয় বিদ্যালয়' সন্মান প্ৰদান কৰা হয়। এতিয়ালৈ মুঠ ২১ গৰাকী ব্যক্তিলৈ এই সন্মান আগ বঢ়োৱা হয়। ২০২২ বৰ্ষত অসম জাতীয় বিদ্যালয় ফেল'শ্বিপ প্ৰদান কৰা হয় প্ৰয়াত কাৰ্টুনিষ্ট, চিত্ৰশিল্পী তথা চলচ্চিত্ৰ পৰিচালক পুলক গগৈক। এই বৰ্ষত মুঠতে পাঁচগৰাকী বিশিষ্ট ব্যক্তিক অসম জাতীয় বিদ্যালয় সন্মান প্ৰদান কৰা হয়। তেখেতসকল হ'ল—শিক্ষাবিদ, সংগীতজ্ঞ ড° বীৰেন্দ্ৰ নাথ দত্ত, শিক্ষাবিদ তথা প্ৰবীণ কণ্ঠশিল্পী ড° লক্ষহীৰা দাস, সাহিত্যিক এলি আহমেদ, প্ৰবীণ অভিনেত্ৰী জ্ঞানদা কাকতি আৰু সমাজকৰ্মী ফণী চেতিয়া।

৩০ অক্ট'বৰ, ২০২২ তাৰিখে অনুষ্ঠিত হোৱা বিশেষ অনুষ্ঠানত এই ফেল'শ্বিপ আৰু সন্মান প্ৰদান কৰে কটন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ড° ৰমেশ চন্দ্ৰ ডেকাই।

৫ নৱেম্বৰ, ২০২২ তাৰিখে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ মৃত্যু দিৱসৰ লগত সংগতি ৰাখি আমাৰ বিদ্যালয়ত 'ভূপেন হাজৰিকা দিৱস' পালন কৰা হয়। এই দিৱসত শিক্ষাৰ্থী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলে ভূপেন হাজৰিকাৰ গীত-মাত পৰিবেশন কৰে। কেইবাটাও বক্তৃতাৰ জৰিয়তে হাজৰিকাদেৱৰ সৃষ্টিৰাজিৰ ওপৰত আলোকপাত কৰে। এই অনুষ্ঠানতে হাজৰিকাদেৱৰ গীতৰ আধাৰত নৃত্যানুষ্ঠান আদি পৰিবেশন কৰা হয়।

১৪ নৱেম্বৰ, ২০২২ তাৰিখে বিদ্যালয়ত শিশু দিৱস পালন কৰা হয়। এই দিৱসত শিশুসকলৰ মাজত ভেশছন্ন প্ৰতিযোগিতা, দ্বিতীয়ৰ পৰা ওপৰৰ শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ মাজত চিত্ৰাংকণ প্ৰতিযোগিতা, আকস্মিক বক্তৃতা প্ৰতিযোগিতা, থিতাতে লিখা সাহিত্য প্ৰতিযোগিতা আদি অনুষ্ঠিত হয়। এই দিৱসতে বিদ্যালয়ৰ তৃতীয় শ্ৰেণীৰ পৰা নৱম শ্ৰেণীলৈ শিক্ষাৰ্থীসকলে প্ৰস্তুত কৰি উলিওৱা হাতে লিখা আলোচনী আৰু দ্বিতীয়, তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ শিক্ষাৰ্থীসকলে প্ৰস্তুত কৰি উলিওৱা শিল্পকলাৰ প্ৰদৰ্শনীৰ আয়োজন কৰা হয়। দুয়োখন প্ৰদৰ্শনীৰ দ্বাৰ মুকলি কৰে বিশিষ্ট গল্পকাৰ তথা ঔপন্যাসিক ড° মৃণাল কলিতাই।

২০২২ বৰ্ষত অসম চৰকাৰে উদ্‌যাপন কৰা মহাবীৰ লাচিতৰ ৪০০ বছৰীয়া জয়ন্তী উপলক্ষে কামৰূপ (মহানগৰ) জিলা প্ৰশাসনে গুৱাহাটী বিশ্ববিদ্যালয়, কটন ৰাজ্যিক বিশ্ববিদ্যালয়, গুৱাহাটী বাণিজ্য মহাবিদ্যালয়কে ধৰি জিলাখনৰ কেইবাখনো আগশাৰীৰ শিক্ষানুষ্ঠানৰ লগতে অসম জাতীয় বিদ্যালয়কো বিশেষ কাৰ্য্যসূচী ৰূপায়ণ কৰাৰ দায়িত্ব অৰ্পণ কৰে। আমাৰ বিদ্যালয়ক দায়িত্ব দিয়া অনুষ্ঠানটোৰ বিষয়বস্তু আছিল 'Thematic Presentation based on Bir Lachit Barphukan'। অনুষ্ঠানটোত শিক্ষাৰ্থী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলে বীৰ লাচিতৰ দেশপ্ৰেম আৰু বীৰগাথাৰ বিষয়ে বিভিন্ন ধৰণৰ বক্তৃতা আদিৰ চৰ্চা কৰে। এই অনুষ্ঠানতে বিদ্যালয়ৰ অসমীয়া বিভাগৰ

শিক্ষক দোলন বৰাই লিখি উলিওৱা 'লাচিত বৰফুকন' শীৰ্ষক পুথিখন উন্মোচন কৰা হয়। লগতে শিক্ষাৰ্থীসকলৰ দ্বাৰা দেশপ্ৰেমমূলক গীত-মাত, আবৃত্তি, নাটিকা আদিও পৰিৱেশন কৰা হয়।

বিদ্যালয়ৰ অন্য এটা নিয়মীয়া কাৰ্য্যসূচী, প্ৰতি দুবছৰৰ অন্তৰে অন্তৰে অনুষ্ঠিত হোৱা 'দাপোণ' শীৰ্ষক চিত্ৰ আৰু ভাস্কৰ্য্য প্ৰদৰ্শনীখন এই বৰ্ষৰ ২৫ নৱেম্বৰৰ পৰা ২৮ নৱেম্বৰলৈ অনুষ্ঠিত হয়। বিদ্যালয়ৰ ২১১ গৰাকী শিক্ষাৰ্থীৰ ছবি আৰু ভাস্কৰ্য্যৰে প্ৰস্তুত কৰা প্ৰদৰ্শনীখনৰ দ্বাৰ উন্মোচন কৰে বিশিষ্ট চিত্ৰশিল্পী চম্পক বৰবৰাই।

১০ ডিচেম্বৰ, ২০২২ তাৰিখে, ১৯৭৯ চনৰ পৰা ১৯৮৫ চনলৈ সংঘটিত হোৱা অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনত প্ৰাণ আহুতি দিয়া বীৰ ছহিদসকলৰ স্মৃতিত আমাৰ বিদ্যালয়ত ছহিদ দিৱস পালন কৰা হয়। এই অনুষ্ঠানত দেশপ্ৰেমমূলক গীত আৰু বক্তৃতাৰে ছহিদসকলক শ্ৰদ্ধাৰে সোঁৱৰণ কৰা হয়। ২০২৩ বৰ্ষৰ ১ জানুৱাৰীত বিদ্যালয়ৰ ত্ৰিংশতম প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। এই দিৱসৰ মুখ্য অতিথি হিচাপে উপস্থিত থাকে অসমৰ আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্ত আৰু আন এগৰাকী আৰক্ষীৰ শীৰ্ষ বিষয়া তথা বিশিষ্ট সাহিত্যিক ড° নন্দ সিং বৰকলা। এই অনুষ্ঠানতে অসমৰ মাননীয় ৰাজ্যপাল মহোদয়ে আগ বঢ়োৱা এজবেকৰ অন্তৰ্ভুক্ত জাতীয় বিদ্যালয়সমূহৰ ভিতৰত, হাইস্কুল শিক্ষান্ত পৰীক্ষাত শ্ৰেষ্ঠ স্থান লাভ কৰা ছগৰাকী শিক্ষাৰ্থীক 'ৰাজ্যপালৰ উৎকৰ্ষ বঁটা' প্ৰদান কৰা হয়। এই বঁটা হিচাপে দুগৰাকীয়ে Governor's Gold Medals, তিনিগৰাকীয়ে Governor's Silver Medals আৰু এগৰাকীয়ে Governor's Bronze Medal লাভ কৰে। এই অনুষ্ঠানতে বিদ্যালয়ৰ এগৰাকী প্ৰাক্তন শিক্ষাৰ্থী ৰাহুল গৌতম শৰ্মাৰ কবিতা পুথি 'এতিয়ালৈ ইমানেই' উন্মোচন কৰা হয়।

৩ জানুৱাৰী, ২০২৩ তাৰিখে আমাৰ বিদ্যালয়ৰ 'আন্তঃ জাতীয় বিদ্যালয় তৰ্ক প্ৰতিযোগিতা'খন অনুষ্ঠিত হয়। এই প্ৰতিযোগিতাত ৰাজ্যখনৰ ১৭ খন জিলাৰ মুঠ ৩৬ গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে।

২০২৩ বৰ্ষৰ জানুৱাৰী মাহৰ ৬ তাৰিখৰ পৰা ১১ তাৰিখলৈ বিদ্যালয়ৰ বাৰ্ষিক খেল-ধেমালি প্ৰতিযোগিতা অনুষ্ঠিত হয়। খেল-ধেমালি প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে মহানগৰ আৰক্ষী আয়ুক্ত দিগন্ত বৰা।

১২ জানুৱাৰী, ২০২৩ তাৰিখে বিদ্যালয়ত ভোগালী চ'ৰা অনুষ্ঠিত হয়। এই অনুষ্ঠানত বিদ্যালয়ৰ বাকৰিত মেজি জ্বলোৱা হয়, মেজিৰ গুৰিত নাম-প্ৰসংগ কৰা হয় আৰু শিক্ষাৰ্থী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলৰ মাজত কণী যুঁজ, টেকেলি ভঙা আদি খেল অনুষ্ঠিত কৰা হয়।

২৭ জানুৱাৰী, ২০২৩ তাৰিখে বিদ্যালয়ত শিল্পী দিৱস পালন কৰা হয়। এইবাৰৰ শিল্পী দিৱসত মুখ্য অতিথি হিচাপে উপস্থিত আছিল বিশিষ্ট সংগীত শিল্পী জে.পি. দাস। এই দিৱসত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ গীত-মাত, নৃত্য, কবিতা আদি সাংস্কৃতিক কাৰ্য্যসূচীৰে তেখেতক শ্ৰদ্ধাৰে সোঁৱৰা হয়।

২৬ জানুৱাৰী, ২০২৩ তাৰিখে বিদ্যালয়ত ৭৪ সংখ্যক গণৰাজ্য দিৱস উদ্‌যাপন কৰা হয়। সেই উপলক্ষে পুৱা ৭-৩০ বজাত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰা হয়। একেটা দিনতেই বিদ্যালয়ত শ্ৰীশ্ৰীসৰস্বতী পূজাও অনুষ্ঠিত কৰা হয়। পূজাৰ অন্তত শিক্ষাৰ্থী, অভিভাৱক, শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীসকলৰ মাজত ভোগ বিতৰণ কৰা হয়।

২০২৩ বৰ্ষৰ ২৫ এপ্ৰিলৰ পৰা ২৮ এপ্ৰিললৈ বাৰ্ষিক বিদ্যালয় সপ্তাহৰ সাংস্কৃতিক প্ৰতিযোগিতাসমূহ অনুষ্ঠিত হয়। এই কাৰ্য্যসূচীত শিক্ষাৰ্থীসকলে বিভিন্ন ধৰণৰ সংগীত, নৃত্য, আবৃত্তি, অভিনয় আদি বিভিন্ন প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে।

২০২৩ বৰ্ষৰ মে' মাহৰ ৫, ৬ আৰু ৭ তাৰিখে তিনিদিনীয়া কাৰ্য্যসূচীৰে এজবেকৰ সৌজন্যত আৰু জাতীয় বিদ্যালয় জিলা সমন্বয়ৰক্ষী সমিতিসমূহৰ

সহযোগত জাতীয় বিদ্যালয় ৰাজ্যিক সমাৰোহ, ২০২৩ অনুষ্ঠিত হয়। যোৰহাটৰ ঐতিহ্যমণ্ডিত স্বৰ্গদেউ চাওলুং ছ্যুকাফা সমন্বয় ক্ষেত্ৰত অনুষ্ঠিত হোৱা এই সমাৰোহত ৰাজ্যখনৰ বিভিন্ন জিলাৰ দহ সহস্ৰাধিক শিক্ষাৰ্থী, শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক আৰু জিলা সমিতিসমূহৰ বিষয়ববীয়াসকলে প্ৰতিনিধি হিচাপে যোগদান কৰে। বাৰেৰহণীয়া সাংস্কৃতিক কাৰ্য্যসূচী, বিশাল সাংস্কৃতিক শোভাযাত্ৰা, বিভিন্ন ধৰণৰ প্ৰদৰ্শনী, শৈক্ষিক সভা আদি কাৰ্যসূচীৰে সাফল্যমণ্ডিত হোৱা এই সমাৰোহৰ বিভিন্ন কাৰ্য্যসূচীত উপস্থিত থকা আমন্ত্ৰিত অতিথিসকল হ'ল অসম চৰকাৰৰ বিত্ত, মহিলা আৰু শিশু বিকাশ দপ্তৰৰ কেবিনেট মন্ত্ৰী অজন্তা নেওগ, ৰাজ্যসভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ড° বিদ্যুৎ চন্দন ডেকা, বিশিষ্ট বিজ্ঞানী তথা লেখক ড° দীনেশ চন্দ্ৰ গোস্বামী, স্বৰ্গদেউ চাওলুং ছ্যুকাফা সমন্বয় ক্ষেত্ৰৰ উপ-সভাপতি ড° দয়ানন্দ বৰগোহাঁই, বিশিষ্ট চিন্তাবিদ, নিবন্ধকাৰ ময়ূৰ বৰা, প্ৰবীণ অভিনয় শিল্পী বিষ্ণু খাৰঘৰীয়া আদি।

১২ আগষ্ট, ২০২৩ তাৰিখে বিদ্যালয়ত সদৌ অসম ভিত্তিত বিজ্ঞান প্ৰদৰ্শনী প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। ২৮ ফেব্ৰুৱাৰীৰ ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা এই প্ৰদৰ্শনীৰ দ্বাৰ মুকলি কৰে কটন বিশ্ববিদ্যালয়ৰ পদাৰ্থবিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা বিজ্ঞান লেখক ড° পবন চহৰীয়াই। এই প্ৰতিযোগিতাত ৰাজ্যখনৰ ৩১খন বিদ্যালয়ৰ ১৯৭ গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। ৰাজ্যিক ভিত্তিত হোৱা প্ৰতিযোগিতাখনৰ লগতে অসম জাতীয় বিদ্যালয়ৰ পঞ্চম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ শিক্ষাৰ্থীসকলৰ মাজতো বিজ্ঞান প্ৰদৰ্শনী প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়।

১৫ আগষ্ট, ২০২৩ তাৰিখে সমগ্ৰ দেশৰ লগতে আমাৰ বিদ্যালয়তো ৭৭ সংখ্যক স্বাধীনতা দিৱস উদ্‌যাপন কৰা হয়। পুৱা ৭-৩০ বজাত ৰাষ্ট্ৰীয় পতাকা উত্তোলনেৰে আৰম্ভ হোৱা দিৱসৰ কাৰ্য্যসূচীত শিক্ষাৰ্থীসকলে দেশপ্ৰেমমূলক গীত, নৃত্য, আবৃত্তি আদি পৰিবেশন কৰে আৰু কেইবাগৰাকী শিক্ষক-শিক্ষয়িত্ৰী আৰু শিক্ষাৰ্থীয়ে ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ বিষয়ে বক্তৃতা প্ৰদান কৰে।

৫ ছেপ্টেম্বৰ, ২০২৩ তাৰিখে আমাৰ বিদ্যালয়ত শিক্ষক দিৱস পালন কৰা হয়। বিগত বৰ্ষবোৰৰ দৰে এই বৰ্ষতো শিক্ষক দিৱসৰ দিনটোত ৰাজ্যখনৰ দুগৰাকী বিশিষ্ট শিক্ষকক সম্বৰ্ধনা জনোৱা হয়। তেখেতসকল হ'ল—গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা তথা বিশিষ্ট স্ত্ৰী আৰু প্ৰসূতি ৰোগ বিশিষজ্ঞা ডা° অলকা গোস্বামী আৰু ৰৌতাৰ ভালুকমাৰী মধ্য ইংৰাজী বিদ্যাপীঠৰ অৱসৰপ্ৰাপ্ত শিক্ষক জিৎ বাহাদুৰ ছেত্ৰী। এই অনুষ্ঠানতে শিক্ষাৰ্থীসকলে বিভিন্ন ধৰণৰ সাংস্কৃতিক অনুষ্ঠান পৰিবেশন কৰে।

১৩ ছেপ্টেম্বৰ, ২০২৩ তাৰিখেৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ বাবে দিক্‌বলন কাৰ্য্যসূচী অনুষ্ঠিত হয়। এই দিক্‌বলন কাৰ্য্যসূচীত সমল ব্যক্তি হিচাপে উপস্থিত থাকে ড° গৌতম চৌধুৰী আৰু আন্তঃৰাষ্ট্ৰীয় স্বীকৃতিপ্ৰাপ্ত কেৰিয়াৰ পৰামৰ্শদাতা দীনেশ চন্দ্ৰ লাহতী।

৭ অক্ট'বৰ, ২০২৩ তাৰিখে বিদ্যালয়ৰ অন্যতম এটা নিয়মীয়া কাৰ্য্যসূচী 'কলাসংগম' অনুষ্ঠিত হয়। এই অনুষ্ঠানত বিদ্যালয়ৰ সহ-পাঠ্যক্ৰম বিভাগৰ সকলো শিক্ষক-শিক্ষয়িত্ৰীয়ে নিজৰ নিজৰ বিষয়ৰ কলা প্ৰদৰ্শন কৰে।

১৪ অক্ট'বৰ, ২০২৩ তাৰিখে ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ জন্মদিনৰ লগত সংগতি ৰাখি আমাৰ বিদ্যালয়ত সাহিত্য দিৱস পালন কৰা হয়। এই দিৱসত মুখ্য অতিথি হিচাপে উপস্থিত থাকে বিশিষ্ট গল্পকাৰ তথা তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড° সঞ্জীৱ পল ডেকা। এই অনুষ্ঠানতে সাহিত্য দিৱসৰ লগত সংগতি ৰাখি ৰাজ্যিক ভিত্তিত আয়োজিত সাহিত্য প্ৰতিযোগিতাৰ ফলাফল ঘোষণা কৰা হয় আৰু বিজয়ী প্ৰতিযোগীসকলক পুৰস্কৃত কৰা হয়।

**এজবেক শিক্ষক প্ৰশিক্ষণ কাৰ্য্যসূচী** : বিগত বৰ্ষবোৰৰ দৰে এই বৰ্ষতো আমাৰ বিদ্যালয়ত এজবেকৰ সৌজন্যত শিক্ষক প্ৰশিক্ষণ কাৰ্য্যসূচী অনুষ্ঠিত কৰা হয়। এইবাৰৰ শিক্ষক প্ৰশিক্ষণ কাৰ্য্যসূচীত ToT পদ্ধতিত অৰ্থাৎ Training of Trainers ধৰণত কৰা হয়। এই বৰ্ষৰ জুলাই মাহৰ ৮, ৯, ১০ আৰু ১১ তাৰিখে অনুষ্ঠিত হোৱা এই প্ৰশিক্ষণ কাৰ্য্যসূচীত মুঠ ৭টা বিষয়ৰ প্ৰশিক্ষণ অনুষ্ঠিত হয়। ইয়াৰে ইংৰাজী, অসমীয়া, গণিত, সমাজ বিজ্ঞান আৰু বিজ্ঞান বিষয়ৰ দুদিনীয়াকৈ, হিন্দী আৰু সুকুমাৰ কলা বিষয়ৰ এদিনীয়াকৈ প্ৰশিক্ষণ কাৰ্য্যসূচী অনুষ্ঠিত হয়। এই প্ৰশিক্ষণ কাৰ্য্যসূচীত সৰ্বমুঠ ২০৬ গৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। প্ৰশিক্ষণৰ সমল ব্যক্তি হিচাপে অসম জাতীয় বিদ্যালয়ৰ কিছুসংখ্যক অভিজ্ঞ শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে ৰাজ্যখনৰ বিভিন্ন বিশ্ববিদ্যালয়, মহাবিদ্যালয়, বিদ্যালয় আদি শৈক্ষিক প্ৰতিষ্ঠানৰ পৰা অহা মুঠ ৪২ গৰাকী প্ৰশিক্ষকে সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে।

২৩ এপ্ৰিল, ২০২৩ তাৰিখে বিদ্যালয় পৰিচালনা সমিতিৰ অভিভাৱক প্ৰতিনিধি নিৰ্বাচনৰ বাবে এখন সভা অনুষ্ঠিত হয়। এই সভাত বিগত বৰ্ষৰ প্ৰতিনিধি দুগৰাকীৰ কাৰ্য্যকাল সমাপ্ত হোৱাৰ বাবে পৰবৰ্তী দুবছৰৰ বাবে দুগৰাকী প্ৰতিনিধি ক্ৰমে ড° ধৰণী লাহন আৰু বিদ্যুৎ বিকাশ গোস্বামীক নিৰ্বাচন কৰা হয়।

৭ এপ্ৰিল, ২০২৩ তাৰিখে বিদ্যালয় পৰিচালনা সমিতিৰ শিক্ষক প্ৰতিনিধি নিৰ্বাচন কৰাৰ বাবে এখন সভা অনুষ্ঠিত হয়। সভাৰ সৰ্বসন্মতিক্ৰমে পূৰ্বৰ প্ৰতিনিধি দুগৰাকী ক্ৰমে অপৰ্ণা দেৱী আৰু বিনয় বিকাশ গগৈক পুনৰ পৰবৰ্তী দুবছৰৰ বাবে শিক্ষক প্ৰতিনিধি হিচাপে মনোনীত কৰে। এই বৰ্ষতে বিদ্যালয় পৰিচালনা সমিতিৰ এগৰাকী শিক্ষাবিদ প্ৰতিনিধি হিচাপে আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° গিৰিশ চন্দ্ৰ শৰ্মাক পৰবৰ্তী দুবছৰৰ বাবে মনোনীত কৰে।

এই বৰ্ষৰ পৰা বিদ্যালয়ত পোনপ্ৰথমবাৰৰ বাবে House System প্ৰৱৰ্তন কৰা হয়। বিদ্যালয়ৰ প্ৰথম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ শিক্ষাৰ্থীসকলক কাজিৰঙা, পাটকাই, জাতিংগা আৰু ৰাইমনা শীৰ্ষক চাৰিটা হাউছত ভাগ কৰি দিয়া হয়। প্ৰতিটো হাউছৰ শিক্ষাৰ্থীৰ বাবে সুকীয়া পোছাকৰ ব্যৱস্থা কৰা হয়। সপ্তাহটোৰ বুধবাৰ আৰু শনিবাৰে শিক্ষাৰ্থীসকলে হাউছৰ পোছাক পৰিধান কৰি অহাৰ নিয়ম কৰি দিয়া হয়। বিদ্যালয়ত পালন কৰিবলগীয়া বিভিন্ন ধৰণৰ দিৱস, উৎসৱ আদি পৰিচালনা কৰাৰ দায়িত্ব হাউছ অনুসৰি ভাগ কৰি দিয়া হয়।

এই বৰ্ষটোত শৈক্ষিক দিশৰ বাহিৰেও অন্যান্য শিতানৰ বিভিন্ন ধৰণৰ প্ৰতিযোগিতা আদিত আমাৰ বিদ্যালয়ৰ কেইবাগৰাকীও শিক্ষাৰ্থীয়ে সুনাম অৰ্জন কৰিবলৈ সক্ষম হয়। এই বৰ্ষৰে ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহৰ ৰাজ্যিক পৰ্য্যায়ৰ সমাৰোহত প্ৰকল্প উপস্থাপন কৰি আমাৰ বিদ্যালয়ৰ বেদান্ত শৰ্মা আৰু নিবিড় জোনাক সন্দিকৈৰ দলটিয়ে ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ সমাৰোহলৈ নিৰ্বাচিত হয় আৰু ২০২৩ বৰ্ষৰ ২৭ জানুৱাৰীৰ পৰা ৩১ জানুৱাৰীলৈ আহমেদাবাদত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহত অংশগ্ৰহণ কৰে। এই বৰ্ষটোত আমাৰ বিদ্যালয়ৰ মুঠ ১০ গৰাকী শিক্ষাৰ্থীয়ে বিভিন্ন বিষয়ত CCRT বৃত্তি লাভ কৰে।

বৰ্তমান সময়ত শৈক্ষিক ক্ষেত্ৰখনলৈ অনেক পৰিবৰ্তন আহিছে। শৈক্ষিক গাঁথনিৰ সংস্কাৰ ঘটাৰ লগতে নতুন চিন্তা আৰু পৰিকল্পনাৰে শৈক্ষিক জগতখনত ব্যাপক পৰিৱৰ্তনৰ সূচনা হৈছে। এই পৰিবৰ্তিত পৰিৱেশত আমাৰ শিক্ষাৰ্থীসকলৰ যাতে সৰ্বাংগীণ বিকাশ সম্ভৱ হয়, শৈক্ষিক দিশৰ সমান্তৰালভাৱে অন্যান্য সহ-পাঠ্যক্ৰমিক দিশতো আমাৰ শিক্ষাৰ্থীসকল আগুৱাই যাব পাৰে তাৰ বাবে আমি যৎপৰোনাস্তি প্ৰচেষ্টা চলাই আহিছোঁ। অনাগত সময়তো এই প্ৰচেষ্টা অব্যাহত ৰাখিব পাৰিম বুলি আমি আশাবাদী। ♦

# তোমাক যদি এটা ম'বাইল ফোন দিয়ে তুমি কি কৰিবা?

[**টোকা :** শিশুৰ হাতত ম'বাইল ফোন তুলি দিয়াটো ক্ষতিকাৰক। ম'বাইল ফোনৰ ব্যৱহাৰৰ ফলত শিশুৰ স্বাভাৱিক বিকাশ বাধাগ্ৰস্ত হয়; সৃষ্টিশীলতাত ব্যাঘাত জন্মে; ভাষাৰ বিকাশ মন্থৰ হয়; দৃষ্টিশক্তি, শ্ৰৱণশক্তিত বিৰূপ প্ৰভাৱ পৰে আৰু সেয়া এক নিচাত পৰিণত হৈ ভৱিষ্যতলৈ ছাত্ৰ জীৱনৰ বহু অমূল্য সময়ৰ অপচয় হয়। কিন্তু এটা কথা নিশ্চিত যে ঘৰত ম'বাইল ফোন থাকিলে প্ৰায় ১০০ শতাংশ পিতৃ-মাতৃয়ে শিশুৰ হাতত ম'বাইল ফোনটো তুলি দিয়ে। ম'বাইল ফোনটোৱে শিশুসকলৰ মানসিক জগতখনত কেনে প্ৰভাৱ পেলাইছে সেই বিষয়ে কিছু ধাৰণা ল'বলৈকেহে তেওঁলোকক এই প্ৰশ্নটো সোধা হৈছিল, তেওঁলোকক ম'বাইল ফোন দিবলৈ উৎসাহ দিবৰ বাবে নহয়।]



**অংকুৰ শ্ৰেণী, 'ক' শাখা**

**অনুভৱ শৰ্মা :** ফোন কৰিম মই বেলেগক। গাড়ী খেলিম আৰু নাচাওঁ।

**দিপলীনা গৌতম :** মই মাজে মাজে চাওঁ। ভাল সাধু চাওঁ। বিছনাত মই ম'বাইল চাই থাকোঁ। ম'বাইলত ৰিলচ বনাওঁ।

**পৰম গোস্বামী :** মই ম'বাইলত পাপেট খেলিম। টিভি চাওঁ আৰু গেম খেলোঁ।

**জ্ঞানদ্বীপ কলিতা :** সাধু কথা চাম আৰু কবিতা চাম আৰু আপেলৰ কবিতা চাম। ড্ৰয়িং কৰিম।

**চান্‌চি ঠাকুৰীয়া :** অকণমান চাম। তুমি মেছেজ দিয়া চাওঁ আৰু... ভাল কথা চাওঁ। 'অ' মৰমৰ পাৰ চৰাই' চাওঁ। আৰু একো নাচাওঁ।

**পাৰ্থ পাঠক :** মই ম'বাইলত টিক্‌টক চাওঁ। আৰু বেলেগ নাচাওঁ।

**মান্যতা মেধি :** মাই ম'বাইল চাব নিদিলি মনটো বেয়া লাগে। ম'বাইল কাৰ্টুন চাওঁ আৰু টিভি চাওঁ। ম'বাইলত টুইংকল চাওঁ।

**য়াশ মহাজন :** বেছি নাচাওঁ। গেম চাওঁ। কালি অকণমান বিছনাত ডান্স কৰিছোঁ গান চাই।

**কৃতিক্ষা দাস :** অকণমান ম'বাইল চাম। মই ম'বাইলত পেপাপেট চাওঁ আৰু কি চাওঁ জানা সদায় সদায় পেপাপেট চাই থাকোঁ। একো নাচাওঁ।

**য়াশ্ৰী শইকীয়া :** মই ম'বাইলত মাইনা চাই ভাল পাওঁ। ম'বাইল চালে আমনি লাগি যায়, তেতিয়া থৈ দিওঁ।

**জীগ্নভ কলিতা :** মই ম'বাইত স্পাইদাৰমেন চাওঁ। চিলচিল চিলা গান চাওঁ আৰু বেলেগ গান চাওঁ। অকণমান চাই থৈ দিওঁ।

**মেঘান কৌশিক শৰ্মা :** ম'বাইলত গেম চাওঁ। খেলা ম'বাইল আছে। মাই ম'বাইল চাবা নেদে। বেয়া হৈছি কৈ থাকে। মই অকণমান চাওঁ।

**ভায়োলিনা বৰ্মন :** ম'বাইল চাম। ভুম ভুম চাম। ভুম ভুম চাই চাৰ্জত দিওঁ। চাৰ্জৰ পৰা আনি আৰু চাওঁ। বেলেগ চাওঁ।

**মধুপ্ৰিতা এছ. কলিতা :** ম'বাইলত গান চাওঁ। সন্ধিয়া অকণমান টিভি চাওঁ। ম'বাইলত ৰমাজান, কাৰ্টুন যে সেই চাওঁ। আৰুতো একো নাচাওঁ মই। গান চাওঁ।

**জিনীছা ডেকা :** ম'বাইল চাম, গান চাম আৰু ললিপলি ক'ম আৰু টেবুলত থৈ দিম।

**ধৃয়া কাশ্যপ :** মায়ে ম'বাইল চালে ময়ো চাওঁ ম'বাইল। মাই লেখফা দিয়ে মোক। মই মাংকী বেবী চাই ভাল পাওঁ।

**দীশা তালুকদাৰ :** মায়ে ম'বাইল চাব দিয়ে মোক। ম'বাইলত কাৰ্টুন চাওঁ আৰু কিবা চাই থাকোঁ। বহুত চাই থাকোঁ চাৰ্জত দিওঁ। এনেকে (আঙুলিৰে দেখুৱাই) টিপি দিওঁ।

**ধৃতিস্নিগ্ধা হালৈ :** মাৰ ম'বাইল ভাঙি দিম মই। ম'বাইল চালে পেট বিষায় আৰু হাত বিষায়। পাপাৰ ম'বাইল চাম মই।

**অভিনৱ ডেকা :** ম'বাইল ফ'নেৰে গেম খেলোঁ কিন্তু নাচাওঁ।

**দেৱীকা দাস :** ম'বাইল চাওঁ মই। ভাত খাওঁ চাই চাই। মই ম'বাইলত বেবুকান চাওঁ। ভাল পাওঁ ম'বাইল চাই।

**জাগৃতি পৰাশৰ :** মই ম'বাইল ফটো উঠিম আৰু ৰং কৰিম। মই ম'বাইল চাম বহুত ভাল পাওঁ।

**মিতানচ্ কাশ্যপ :** ম'বাইল কেমেৰা চাওঁ আৰু ফটো চাওঁ। মটো আৰু পাতলু চাম।

**ধীৰাশ্ৰী ডেকা :** ম'বাইলত কিবা চাওঁ। কাৰ্টুন চাওঁ আৰু নাচি থাকোঁ।

**হৃষিকেশ অভ্ৰনীল বৰা :** দেতাৰ ম'বাইল চাওঁ। ম'বাইলটো আঁকিম। কিবা আঁকি থাকিম। ভুম ভুম বাইক খেলিম।

### অংকুৰ শ্ৰেণী, 'খ' শাখা

**চৈয়দ দিয়ান আমিন :** মই মাক দি দিম। ম'বাইল চালে যে বেয়া। মই আগতে অলপ অলপ চাইছিলোঁ। এতিয়া কম চাওঁ। গাড়ীৰ গেম এটা খেলোঁ। মাজে মাজে খেলোঁ। মাজে মাজে নেখেলোঁ। মানুহ পৰি যোৱা গেম এটা খেলোঁ।

**দীপ্তাংশু কলিতা :** ৰকেটত যোৱা সাধুটো তোমাৰ মনত আছেনে? আমি ফুৰিবলৈ যাম মনত আছেনে? মই সেইটো চাম ম'বাইলত। বাইদেউ

মোৰ গলৰ সেইটো (লেনিয়াৰ্ডৰ কথা কৈছে) ছিঙি গৈছে। গেটৰ দাদাই যাব নিদিব স্কুলৰ পৰা। মই সেইডাল মুখেৰে খাই থকা নাছিলোঁ, নিজে ছিঙিছে।

**মৃগাংগ হাজৰিকা :** ছবি চাম। মই ম'বাইল নাচাওঁ বাইদেউ।

**জাগৃতি কাশ্যপ :** ডাঙৰ হ'লে ম'বাইল চাম। দেউতাই নাচায়। মায়ে অক'মান টাইম পালে চায়।

**কৃতাঞ্জলী তালুকদাৰ :** ম'বাইল নাচাওঁ, খেলি থাকোঁ। যদি দিয়ে মই গান চাম। কাৰ্টুন চাই থাকিম। মানুহৰ কাৰ্টুন চাম।

**কংকন চৌধুৰী :** গাড়ী চাম আৰু গেম চাম, পুতলা চাম। চোটা ভীম চাম। মই ভাল পাওঁ। টিভি ভাল পাওঁ।

**কনিষ্কা দাস :** ম'বাইল বেয়া বস্তু। ভাত মই ম'বাইলেদি খাওঁ। গাখীৰো ম'বাইলেদি খাওঁ।

**ধিচান কলিতা :** মই চোটো ভীম চাম। অলপমান সময় চাম। চকু বেয়া হয় আৰু চকুটো বেঁকা হৈ যাব। চকুটো ফুলি যাব। চকু নাথাকিবই বেয়া হৈ যায়।

**আশীৰ্যা ভাগৱতী :** মই মই নাচাওঁ।

**ইচিতা প্ৰিয়া দাস :** ডি আনে ৰমা চাওঁ। ভাল লাগে। তাত বেবী আছে। বেবীটোৰে খেলে।

**তেজ আয়াট হান্নান :** ইউ টুব চাওঁ। ইউ টুব টিপি দিব লাগে তেতিয়া খেলা বস্তু ওলায়।

**ছন্দিতা পি. তালুকদাৰ :** এনেকৈ টিপি দিব লাগে। তাত ভিডিঅ' আৰু বাৰ্বী চাওঁ। ছোৱালীয়ে ভিডিঅ' আৰু বাৰ্বী চায়। ল'ৰাই কামত চায়। মায়ে বেলেগ বেলেগ বস্তু চায়।

**বৰ্ণিল বিকাশ শৰ্মা :** ম'বাইলত চাম। গাড়ী চাম আৰু কিবা আৰু কৰিম।

**শিবাংশু কলিতা :** ওচৰত মই নাচাওঁ। ওচৰত গ'লে বাইদেৱে বেয়া পায়। মই বেছি নাচাওঁ, অলপেই চাওঁ। গেমটো অলপ চাওঁ। কিন্তু মই নাচাওঁ। গছে গছে চাম।

**আৰিয়ান বৰা :** মই নাতাও (নাচাওঁ)।

**তনবিক কলিতা :** ম'বাইল চাম। খেলা বস্তু চাম। ম'বাইলতে যে বেলেগ খেলা বস্তু আছে সেইটো। বল, চাইকেল, সৰু বল গাড়ী এইবিলাক চাম।

**দ্বীপজ্যোতি কলিতা :** পুতলা চাম, গেম চাম, গুহাটীত গেম চাইছিলোঁ যি সেই চাম।

**প্ৰীতম কুমাৰ নাথ :** ম'বাইল দিব নালাগে। এটা ল'ৰাই ম'বাইল চাওঁতে চকুটো বেয়া হৈ বাহিৰলৈ ওলাই গৈছে। মোৰ ভয় লাগে। সেইকাৰণে মই ম'বাইল নাচাওঁ।

**বিপাঞ্চী হালৈ :** কিবাকিবি কৰি থাকিম। ৰিংগা-ৰিংগা খেল চাম। ম'বাইলেই চাই থাকিম। মেক-আপ, চেক্-আপ চাই থাকোঁ।

**জাগৃতি ৰাভা শইকীয়া :** খেলিম, গেম খেলিম।

**তপস্যা এম. কাশ্যপ :** ফোন কৰিম। দেউতালৈ, মালৈ ফোন কৰিম। হেল্ল' এনেকৈ ক'ম। তাৰ পাছত বেলেগ কথা পাতিম। তাৰ পাছত কাটি দিম। তাৰ পাছত থৈ দিম।

**বৃষ্টিৰ্ণা ডেকা :** পেলাই দিম ম'বাইলটো। তেতিয়া মায়ে মৰম কৰিব।

**হৰ্ষিত অটল হাজৰিকা :** ম'বাইল নাচাওঁ মই। ডাক্তৰে কৈছে ম'বাইল চালে চকু বেয়া হৈ দায় (যায়)। লাইটটো বহুত থাকে তেতিয়া জাপ (চকু বন্ধ) হৈ যায়।

**জিজ্ঞান কলিতা :** ম'বাইলটো লাৰি চাম। পুতুলা থাকে, চাম।

**সম্প্ৰীতি দাস :** ম'বাইল চালে দেউতা আৰু মায়ে কয়—ম'বাইল কিয় চাইছা? অই অই বুলি কয়। খং কৰি কয়। সেইকাৰণে...

**মূৰ্ছনা শৰ্মা :** মোৰ মনতে নাহে কি ক'ম। চাম কিন্তু (ফুচফুচাই কৈছে) টিভিত কিন্তু কাৰ্টুন চাওঁৰেই।

**প্ৰজ্বলিতা ফুকন ঠাকুৰীয়া :** ম'বাইল নাচাওঁ। খেলোঁহে। খেলা বস্তুৰে খেলোঁ।

**সংস্কৃতা দাস :** মই পাপাৰ ম'বাইল চাওঁৰেই। মোক দিয়া না দিয়া না।

**টানজিল নাৱাজ হুছেইন :** আম্মাৰ ম'বাইল... অট বীৰ চাওঁ।

**বৈষ্ণৱ পি. বৰা :** গেম চাম। খেলাৰ গেম চাম। অক'মান অক'মান খেলাৰ গেম, লুডু খেল আৰু বলৰ খেল চাম। অলপ অলপ এতিয়াও চাওঁ।

**আয়ুষ্মান চক্ৰৱৰ্তী :** ডাঙৰ হলি...ম'বাইল চাম। (হাঁহি হাঁহি) আৰু কিবাকিবি চাম।

**দেৱলীনা পৰাশৰ :** খেলিম। গেম খেলিম। জুই জ্বলা গেম খেলিম। ধেমালিৰ ৰান্ধা খেলা বস্তুৰে খেলিম।

**কৃষ্টি ঠাকুৰীয়া :** গান উলিয়াই নাচি থাকিম। ঘৰত নাচিছোঁ মই। পাপাৰ ম'বাইলেৰে মই নাচি থাকোঁ। পুতুল চাম, এতিয়াও চাওঁ।

**অভিশ্ৰুতি ৰয় :** গেম খেলিম।

**দিশান্ত দত্ত বৰকটকী :** চাম। সিংহ চাম। বাঘ চাম। পুতলা চাম। ডাঙৰ ডাঙৰ পুতলা চাম।

**জাহ্নৱ শইকীয়া :** চছমাৰে চাম। তেতিয়া চকু বেয়া নহয়।

**দেবাংশী ডেকা :** নাচাওঁ। বেয়া হৈ যাম যে। মই ভাল ছোৱালী।

**কৃষ্ণাভী আজাদ শইকীয়া :** ম'বাইলত ছবি চাম।

**ছয়ন আজাদ শইকীয়া :** আমাৰ মাৰ ম'বাইল বেয়া হৈ গ'ল।

## অংকুৰ শ্ৰেণী, 'ঘ' শাখা

**বহ্নিশিখা চৌধুৰী :** বেলেগ বেলেগ গান চাম। গেম এটা খেলিম নামটো পাহৰি গৈছোঁ। ম'বাইলত কেৰম খেলিম।

**আনভী কলিতা :** বহ্নিশিখাক ফোন কৰিব পাৰিম। ম'বাইলত এটা ফায়াৰ গেম আছে, সেইটো খেলিম। ক'ৰবাত লুকাই থৈ দিম, বাবুৰে যদি লৈ যায়। বাবু গ'লে আলৌ লৈ গেম খেলিম। মাষ্টাৰ গেম খেলি ভাল পাওঁ। টেন্দাৰ মেন গেম ভাল পাওঁ।

**জ্যোতিষ্মান গোস্বামী :** মই নিকি ভিডিঅ' চাম, তাত খেলা বস্তু ওলায়। টিমলু ওলায় তাত গাড়ী ওলায়। ডৰীমী চাওঁ তাত সৰু সৰু বস্তু ওলায়। ম'বাইলত গেমৰ ফটো চাই ভাল পাওঁ, সৰু সৰু চছমা চাই ভাল পাওঁ।

**হাৰ্দিক কাশ্যপ :** ম'বাইল ভিডিঅ' চাওঁ। জাহাজৰ ফটো চাওঁ। টম এণ্ড জেৰী কাৰ্টুন চাওঁ। জাইলফোনৰ গেম ভাল পাওঁ। ইউটিউব চাওঁ (বান্দৰ আৰু চৰাইৰ গান চাওঁ)।

**আয়ান ছেত্ৰী :** মই ম'বাইলত বেবী বৰকাত কাৰ্টুন চাওঁ, মাইনৰ গেম খেলোঁ, ম'বাইলত গেম ইউটিউবত থাকে। গেম খেলি বেছি ভাল পাওঁ।

**দেৱশ্ৰুতি কলিতা :** ম'বাইল চাই চাই ছবি আঁকিম। তুমি দিয়া হ'ম ৱৰ্ক কৰোঁ। জাঙ্গল বিট কাৰ্টুন চাওঁ। দেউতাৰ ম'বাইলত গেম নাই। মাৰ ম'বাইলত এপ আছে। ইউটিউব আছে। মাৰ ম'বাইলত গেম খেলোঁ। ম'বাইল গান শুনি নাচোঁ।

**সৌম্যদ্বীপ কোঁৱৰ :** ম'বাইলত কাৰ্টুন চাওঁ (হাং মেন)। ম'বাইলত গেম খেলি ভাল পাওঁ। মাৰ ম'বাইলত গেম খেলি থাকোঁ। দেউতাৰ ম'বাইল বেয়া হৈ গ'ল। ম'বাইলত পইচা দি গেম কিনিব পাৰি।

**নমামী বৰুৱা :** পুতলা চাই ভাল পাওঁ। ড্ৰয়িং চাই ভাল পাওঁ।

**দিভিয়া পাটোৱাৰী :** পুতলা কাৰ্টুন চাওঁ। টাইগাৰৰ কাৰ্টুন ভাল পাওঁ। গেম খেলি ভাল পাওঁ।

**গুণগুণ কলিতা :** মই তেলচৰা নাচাওঁ। যেতিয়া মা দোকানত যাব তেতিয়া দেদে মোক পঢ়ায় তেতিয়া ম'বাইলত তুমি দিয়া ভিডিঅ'বোৰ চাওঁ। ম'বাইলত লুডু আৰু কেৰম খেলোঁ।

**মৌপিয়া মূৰ্চ্ছনা :** সৰু বাদচাৰ ইউটিউব চাওঁ। নাচৰ ভিডিঅ' চাওঁ। মাছান্দা বিছ ভাল পাওঁ। এটা মেকুৰী গেম ভাল পাওঁ। ম'বাইলত টিভি চাব পাৰোঁ। মই মাৰ ম'বাইলত চাওঁ। দেউতাৰ ম'বাইল মোক নিদিয়ে। ম'বাইল ৰিল বনাব পাৰি। ম'বাইল খেলা বস্তু অৰ্ডাৰ কৰিবও পাৰি।

**অনুৰাধ মুদৈ :** ম'বাইল চাই চকু বেয়া হয়। ম'বাইল মই আৰ্মি গেম ভাল পাওঁ। পাপায়ে ডাউনলড কৰি ৰাখে। মায়ে গেম নেখেলে। ৰিচাৰ্জ শেষ হ'লে পাপায়ে ৰিচাৰ্জ কৰি নিদিয়ে।

**বৰ্ণিল আদি বৰ্মন :** ভিডিঅ' টাও, মায়ে ফোন কৰে। গেম ভিডিঅ' চাওঁ। মই গাড়ী গেম ভাল পাওঁ। মাৰ ম'বাইলত বহুত গাড়ী গেম আছে। মই ম'বাইল বেছিকৈ নাচাওঁ।

**দেৱাংগী শৰ্মা :** ম'বাইলত সাধু কথা চাই ভাল পাওঁ, কবিতা চাই ভাল পাওঁ। বেবি পক মেলন চায়ো ভাল আৰু টোপনি মাৰোঁ।

**দেৱাংগ দাস :** ম'বাইলে ফটো উঠাব পাৰোঁ, গেম খেলোঁ, কাৰ্টুন চাওঁ।

**দেৱাৰুণী বৰা :** ম'বাইলত চোটা ভীম কাৰ্টুন চাওঁ, ভিডিঅ' চাওঁ।

**গৌৰৱ দাস :** ম'বাইলত গেম খেলিব পাৰি। মই গাড়ী খেলোঁ, ম'বাইলত ভূতৰ কাহিনী চাওঁ। ভূত নহাটো চাওঁ। ৰাতিপুৱা চাওঁ। ৰাতি চালে ভূত আহি যায়।

**গব্যা ৰাজবংশী :** ম'বাইলত কবিতা চাওঁ আৰু হাতী চাওঁ।

**হৰ্ষিতা কলিতা :** ম'বাইলত গেম চাওঁ আৰু ভূতৰ কাৰ্টুন চাওঁ। গাড়ীৰ গেম খেলি ভাল পাওঁ।

**কুলদ্বীপ মুদিয়াৰ :** মই মাৰ ম'বাইলত কাৰ্টুন চাওঁ, গাড়ী চাওঁ আৰু খেলাবোৰ চাই ভাল পাওঁ। সাপ গেমটো ভাল পাওঁ।

**ময়ুখী মেধি :** মাৰ ম'বাইলত গেম খেলোঁ আৰু হাতীৰ ভিডিঅ' চাওঁ। আকৌ দেউতাৰ ম'বাইলটোও চাৰ্জ কৰি থৈ দিওঁ খেলিবলৈ।

**মেঘনা বেজবৰুৱা :** মই ভিডিঅ' চাই ভাল পাওঁ। পাচলি, ফলৰ ভিডিঅ' চাওঁ। গাড়ী আৰু স্কুটাৰৰ গেম খেলোঁ।

**মনদীপ মহন্ত :** পাপাৰ ম'বাইলত চোটা ভীম চাওঁ, মটু পাটলু চাওঁ, মই গেম খেলি থাকোঁ।

**নীল পৱন মজুমদাৰ :** মাৰ ম'বাইল লওঁ আৰু তাত কাৰ্টুন লালাজী চাই থাকোঁ। মই মেকুৰী গেমটো খেলি ভাল পাওঁ।

**প্ৰাণভি কলিতা :** ম'বাইলত পুতলা চাওঁ, সাধু চাওঁ আৰু বাঘ-ঘঁৰিয়ালৰ সাধু চাই ভাল পাওঁ।

**প্ৰতীক্ষা দাস :** মাৰ ম'বাইল লওঁ আৰু গেম খেলোঁ।

**প্ৰত্যুষা ৰাণী বৈশ্য :** মাৰ ম'বাইলত ভিডিঅ' চাওঁ, গেম খেলোঁ। বেলেগ বেলেগ গেম খেলোঁ, দাদায়েও খেলে।

**প্ৰিতিস্মিতা দাস :** ম'বাইলত ফুল চাওঁ, আম চাওঁ, গান চাওঁ আৰু মাৰ ম'বাইলটো বেয়া হৈ থাকে। দেউতাৰ ম'বাইলত দাদায়ে ফোন কৰি থাকে। ছাৰে ফোন কৰি থাকে সেয়ে ল'ব নাপাওঁ।

**প্ৰিয়াঞ্চি মেধি :** মই ইনেই ম'বাইল নাচাওঁ। ম'বাইলত আপুনি যি যি দিয়ে সেয়াহে চাওঁ। আপুনি ম'বাইল চাবলে মানা কৰিছিলে যে আৰু চালে আপুনিয়ে গম পাই যায় সেয়ে নাচাওঁ।

**ৰিহান মজুমদাৰ :** মাৰ ম'বাইল চাওঁ। কবিতা আৰু কাৰ্টুন চাওঁ।

**ৰিয়ান দাস :** মাৰ ম'বাইল লওঁ। কাৰ্টুন চাওঁ। গাড়ী গেম আৰু বেলেগ গেম ভাল পাওঁ।

**তনভী বড়ো :** মাৰ ম'বাইলত ডৰিমি চাওঁ, মেনকা চাওঁ, মলাতী চাওঁ আৰু চিখৰ খাতী চাওঁ।

**টানিয়া কাশ্যপ :** মাৰ ম'বাইলত কাৰ্টুন চাওঁ, পুতলা চাওঁ।

**তেজছ দাস :** দেউতাৰ ম'বাইল ভিডিঅ' কল চাওঁ। মই গাড়ী গেম ভাল পাওঁ। বাবুৱে মোক বেছি ম'বাইলটো নিদিয়ে। তাৰ চকু বেয়া হৈ গৈছে।

**ভীওম তালুকদাৰ :** মাৰ ম'বাইলত স্কুলৰ ভিডিঅ' চাওঁ। চোটা ভীম কাৰ্টুন চাওঁ আৰু গাড়ীৰ গেম খেলোঁ।

**মৃন্ময় নাথ :** মাৰ ম'বাইলটো ভাঙিছে। হাতীৰ কবিতা চাওঁ। কাৰ্টুন আৰু গেম চাওঁ।

**দিচান বড়া :** গান শুনো গেম খেলোঁ, কাৰ্টুন চাওঁ। ♦

# চকলেট খাই ভাল পোৱানে? বেছিকৈ চকলেট খালে কি হয়?

[**টোকা :** চকলেট হ'ল শিশুৱে খাই ভাল পোৱা এনে এবিধ বস্তু যি বস্তু শিশুৱে আটাইতকৈ ভাল পোৱাজনকো দিবলৈ নিবিচাৰে। শিশুৱে চকলেট যদিও খাই ভাল পায়, কিন্তু বেছিকৈ চকলেট খালেনো কি হ'ব পাৰে তাৰে আভাস ল'বলৈ এই প্ৰশ্নটো সোধা হৈছিল। তেওঁলোকৰ উত্তৰসমূহ হুবহু ৰূপত তুলি দিয়া হ'ল। ]



**অংকুৰ শ্ৰেণী, 'ক' শাখা**

**আয়ুস বৰুৱা :** আজিৰ পৰা নাখাওঁ কৈছোঁ। চকলেট খালে ইয়াতে (দাঁত দেখুৱাই) পোকা হয়।

**ভীৰৱ বৰদলৈ :** চকলেট খালে দাঁত বিষায় আলু পেট বিষায়। চকলেট খাব নালাগে। মই নাখাওঁ।

**ধৃতিৰাজ ডেকা :** চকলেট খাই ভাল পাওঁ। চকলেট খালে দাঁত পোকে খায় আৰু দাঁত বিষায় আৰু মায়ে দাঁতটোত ঔষধ দিয়ে।

**হৰ্ষিতা শৰ্মা :** চকলেট খাই বেয়া পাওঁ। চকলেট খালে দাঁত বেয়া হয় আৰু আজিৰ পৰা চকলেট নাখাওঁ।

**টনভি দাস :** চকলেট ভাল পাওঁ। চকলেট খালে ভাল হয়, টেষ্টি হয় আৰু মোৰ পেট নিবিষায়।

**হিয়ান গোস্বামী :** চকলেট বেয়া পাওঁ। চকলেট খালে অসুখ হয়। আৰু এতে (দাঁতত) বাজি যায়।

**জিপাল পল্লৱ চৌধুৰী :** মই টকলেট নাখাওঁ। টকলেট খালে পেট বিষায় আলু বেয়া হয় দাঁত।

**স্পৰ্শী বেজবৰুৱা :** চকলেট খাই ভাল পাওঁ। চকলেট খালে দাঁত বিষ হ'ব আৰু দাঁত খাই দিয়ে পোকে।

**আৰণ বড়ো :** চকলেট ভাল নাপাওঁ। বাৰ্গাৰ খাওঁ। চকলেট খালে বেয়া হয়। পেট বিষায়।

**অনুশ্ৰী পাঠক :** চকলেট খাই ভাল নাপাওঁ। চকলেট খালে দাঁত পকে খায়।

**দেৱাংশী কাশ্যপ :** ভাল পাওঁ। বেমাৰ হয় আৰু পেট বিষায়। পেলু হয়।

**হিমাংশু নাথ :** চকলেট খাই ভাল লাগে মোৰ। চকলেট খালে একো নহয়। ভাল লাগে খাই।

**কিয়ান্স বৈশ্য :** চকলেট খাই বেয়া পাওঁ। পেট বেয়া হয় আৰু কিবা হয় নাজানো।

**নিশান্ত নাথ :** চকলেট খাই ভাল পাওঁ। চকলেট খালে কি হয় জানা... পেট বিষায় আৰু বমি হয়।

## অংকুৰ শ্ৰেণী, 'গ' শাখা

**অভিৰূপা বৰ্ষা শাণ্ডিল্য :** চকলেট খাই বেছি ভাল নাপাওঁ। বেছিকৈ চকলেট খালে হৰ্যিলৰ নিচিনা দাঁত পোকাই খাব।

**আমিনুৰ ৰহমান :** চকলেট খাই ভাল পাওঁ। চকলেট বেছি খালি জ্বৰ হয়।

**অন্তৰীপা কলিতা :** চকলেট খাই ভাল পাওঁ। দৰে মিল্ক চকলেট খালে দাঁত বিষায়।

**অনুশিখা দেৱী :** চকলেট মই নাখাওঁ বেয়া পাওঁ, দাঁত বিষায়।

**অয়নজ্যোতি তালুকদাৰ :** চকলেট খাই ভাল নাপাওঁ। চকলেট খালে পেলু হয়, বমি হয়।

**বহ্নিমান কাশ্যপ :** বিস্কুট চকলেট খাই ভাল পাওঁ, পেট বিষায় আৰু জ্বৰ হয়। পেট বিষায়।

**বৈভৱজ্যোতি শৰ্মা :** চকলেট খাই ভাল পাওঁ। মিঠা মিঠা। বেছি খালি বমি হয়ে আৰু একো নহয়।

**ভিভান ডেকা :** টৰবিজ চকলেট খাই ভাল লাগে। দাঁতটো পকাই খায়। ভাত খাই চকলেট খাওঁ। বেছিকে চকলেট খালি ব্ৰাছ কৰবা লাগে।

**বৰ্ষা নাথ :** চকলেট খাই ভাল পাওঁ। চকলেট বেছি খালে পেলু হয়, আৰু একো নহয়।

**বিভান চক্ৰৱৰ্তী :** দাঁতত পকা হয়।

**চন্দ্ৰপ্ৰভা দত্ত :** চকলেট খালোঁ।

**দৰ্শন তালুকদাৰ :** চকলেট খাই ভাল পাওঁ, পেট বিষাব আৰু একো নহয়।

**দৰচিল নাথ :** চকলেট খাই মই বেছিকৈ খোৱা নাই, দাঁত বিষায়, দাঁত অলপ পকাই খাব।

**দৰ্শিতা বৰুৱা :** চকলেট খাই ভাল পাওঁ। চকলেট খালে বেমাৰ হয় আৰু একো নহয়।

**দেৱাঙ্গী চহৰীয়া :** চকলেট খাই ভাল পাওঁ। বেছি খালে পেট বিষায়, মাংস খাই পেলায়।

**দেবাশ্ৰী শৰ্মা :** চকলেট মই নাখাওঁ, দাঁতত পোকবিলাক সোমাই যায়, দাঁত বিষায়।

**ধ্যাণীশুভ সেনাপতি :** মায় চকলেট সদায় সদায় আনে। চকলেট খালে বেমাৰ হয়।

**ডিব্যনীল কলিতা :** চকলেট খাওঁ, দাঁত সৰে একো খাব নাপাৰে। ইমান চকলেট খালি দাঁত সৰে, গা বেয়া লাগে, দাঁতত দুখ পায়।

**দিক্ষীতা গোস্বামী :** চকলেট খাই ভাল পাওঁ। চকলেট খালি দাঁত ভাঙি যায়, বিষ হয়, কালি ডাক্তৰ তাত যোৱাতে বেজী দিছে।

**দিপলীনা ৰায় :** চকলেট খাই ভাল পাওঁ। চকলেট বেছি খালে পেটৰ বিষ হয়। কামুৰি কামুৰি খায়। জ্বৰ আহিব, ভৰি বিষাব।

**দৃষ্টি চৌধুৰী :** পেট বেয়া হয়, বমি হয়, জ্বৰ কাহি বমি কৰিছোঁ।

**গীতাৰ্থ শৰ্মা :** চকলেট বেছি খালে বেমাৰ হয়। মই নাখাওঁ।



**জ্ঞানদীপ গোস্বামী :** পেলু হ'ব বেছি চকলেট খালে। বমি অলপ হয়।

**হৰ্ষদীপ গোস্বামী :** কালি এটা চকলেট খাইছোঁ। বেছিকৈ চকলেট খালি পকাই ধৰে আৰু দাঁতৰ বিষ উঠে আৰু দাঁত বিষায়। লতি পায় দোকানত পায় খালে দাঁত নাভাঙে।

**ঈশিতা ৰয় :** পেট বিষায়, আৰু একো নহয়।

**জিষ্ণুৰাজ কাশ্যপ :** পেলু হয়, ডাঙৰ চকলেট খালে ডাঙৰ পেলু হয়, সৰু চকলেট খালে সৰু পেলু হয়।

**মনজ্যোতি বেজবৰুৱা :** পেলু হয় আৰু একো নহয়।

**মিতাংশু কাশ্যপ :** নাখাওঁ বেছিকৈ নাখাওঁ, অলপ খাওঁ একো নহয়।

**মৌচম কলিতা :** পেট বিষ হয়। চকলেট মই নাখাওঁ, জ্বৰ হয়, বমি হয়।

**মৃগনয়নী দত্ত তামুলী :** চকলেট মই খাওঁ। চকলেট বেছিকৈ খালে দাঁতত লাগি যায়। বেমাৰ হয়, জেমচ খালে দাঁত ভাঙি যায়, ললিপপ খালে দাঁত জেৰ-জেৰিয়া হয়।

**মুছকান আফ্রিন :** বেছিকৈ খালে ভাল হ'ব।

**নিশিতা কলিতা :** চকলেট বেছিকৈ নাখাওঁ, অকণমান খাওঁ, বেছিকৈ খালে বেমাৰ হয়, বেছি জ্বৰ হয়।

**প্ৰশংসা প্ৰাপ্তি মহন্ত :** চকলেট খাওঁ, জ্বৰ হয়, অসুখ হয়, চিফ খালে অসুখ হয়, দাঁত সৰি যায়।

**প্ৰিয়াংশু গোস্বামী :** চকলেট খালে বেছি ভাল নহয়, বয়া হয়। পেলু হয়। খাবা বেছি বয়া চকলেট।

**প্ৰিয়াঙ্কী শৰ্মা :** চকলেট খাওঁ, জ্বৰ হয়, অসুখ হয়, চিফ খালে অসুখ হয়, দাঁত সৰি যায়, চকলেট খালে পেট বিষায়।

**সুশান্ত কুমাৰ বৈশ্য :** চকলেট খাওঁ, চকলেট খালে পেলু হয়, পেট বিষায়, পোকে কামোৰে, দাঁত লেতেৰা হয়।

**স্বস্তিকা বৰা :** নাখাওঁ, জ্বৰ হয়, দাঁতবোৰ ভাঙি যায়।

**তুষাৰ কলিতা :** চকলেট বেছিকৈ খালে জ্বৰ হ'ব, বমি হয়, নাখাওঁ। জ্বৰ হয়, দাঁতবোৰ।

**উপাস্য কৃষ্ণ ডেকা :** চকলেট খালে দাঁত ভাঙিব, পোকে খাব আৰু একো নহয়। ♦



**অনুৰাধ মুদৈ**, অংকুৰ শ্ৰেণী



**কুলদীপ মুদিয়াৰ**, অংকুৰ শ্ৰেণী

# আমাক থাকিবলৈ ঘৰ কিয় লাগে?

[**টোকা :** ঘৰখন শিশুৰ আদি-পাঠ শিকাৰ পঢ়াশালি। তদুপৰি ঘৰখনেই হ'ল সকলো শিশুৰে নিৰাপদস্থলী। ''আমাক থাকিবলৈ ঘৰ কিয় লাগে?'' বুলি সোধা প্ৰশ্নৰ উত্তৰত বিভিন্নজনে বিভিন্ন ধৰণে উত্তৰ দিয়ে। শিশুসকলে দিয়া উত্তৰসমূহ অসম্পাদিত ৰূপত তুলি দিয়া হ'ল।]



**প্ৰাক্-প্ৰাথমিক শ্ৰেণী, 'ক' শাখা**

**তামান্না তানজিম্ :** নহ'লি স্কুলৰ পৰা আহি ক'ত থাকিম? আমাৰ ঘৰটো (আঙুলিতে দেখুৱাই) এনেকুৱা এনেকুৱা।

**শোভাকৰ মুদিয়াৰ :** ঘৰ নাথাকিলে ৰাস্তাত থাকিব লাগে। ৰাস্তাত থাকিলে কুকুৰক ভয় লাগে। সেইকাৰণে আমাৰ ঘৰ লাগে।

**ৰিয়া শৰ্মা :** ভাত খাবলৈ আৰু থাকিবলৈ লাগে। দেউতাক আছে নহয় ঘৰ বনাই দিব, ল'ৰা-ছোৱালী থাকিবলৈ।

**ৰিয়াঞ্চ বৰ্মন :** ঘৰ নাথাকিলে মই এখন ঘৰ আঁকি সোমাই যাম। ঘৰ নাথাকিলে ৰাস্তাত থাকিব লাগিব।

**ৰায়ন দাস :** টমটম আঁকিছোঁ। অট'ৰিক্সা... ঘৰত থাকে।

**প্ৰীতিদৰ্শনা শৰ্মা :** সোমাব। সোমাই পালে খেলিম। ব্লু কালাৰ কিতাপ যে থাকে সেইটো শেষ হৈছে, সেইকাৰণে মায়ে কিনি দিছে। মোৰ মিকি মাউছ এটা টেবুল আছে—সেইটো পঢ়া টেবুল বুলি কয়।

**প্ৰাশ্নিকা পাটোৱাৰী :** বহা জগো লাগে। আমাৰ ভাগাৰ ধৰে... বল নাই কাৰণে ভাগাৰ লাগে।

**অনুষ্প্ৰিয়া নাথ :** আমাৰ ঘৰত ককা-আইতা আছে। টিভি চাই থাকে। মই ৰং কৰোঁ। পৰীক্ষা কৰি থাকোঁ।

**কিষ্টিকা ৰাভা :** বৰষুণ পৰিব ঘৰ নাথাকিলে। স্কুলত থাকিব লাগিব, টেবুলত শুব লাগিব, লাইট, খিৰিকী বন্ধ কৰি ল'ব লাগিব। ফেন দি ল'ব লাগিব।

**কৃষ্ণাংগী ৰাজবংশী :** হামু ক'ত দিম? ঘৰ নাথাকিলে ঘৰ থাকিবলৈ লাগে। ঘৰ নহ'লে ক'ত ভাত খাম, ক'ত কাপোৰ পিন্ধিম?

**অভিশ্ৰী প্ৰিয়া গগৈ :** ঘৰ নহ'লে আমি দোকানত থাকিম।

**চিন্ময় বৈশ্য :** ঘৰ নাথাকিলে খাব নোৱাৰোঁ। ঘৰ নাথাকিলে চলিব নোৱাৰোঁ। গৰুৱে খোজ কাঢ়ি সোমাই যাব ঘৰত।

**অভিজ্ঞান ৰাভা :** নতুন ঘৰত আইতা আছে। খেলিব, টোপনি যায়। ফুৰিবলৈ যায়। পাপা, মা ঘৰত আছে।

**হৰ্ষিত কাশ্যপ :** বাহিৰত থাকিলে আমি তিতি যাম, ভাত কেনেকৈ খাম, বাহিৰতে শুব লাগিব, আমাৰ ঘৰ নাথাকিলে ব'ৰ লাগিলে বহি থাকিব লাগিব, খেলিবও নোৱাৰিম। পইচা থকা ঠাই নাথাকিব। মাটিত থ'লে ৰাতি কোনোবাই লৈ যাব। পইচা নাথাকিলে খেলা বস্তু কিনিব নাপাৰিম।

**দীক্ষা গগৈ :** ঘৰ নহ'লে আমি ঘৰ বনাব লাগিব নহ'লে বৰষুণত তিতি থাকিম, বৰষুণত তিতিলে বেমাৰ হ'ল তেতিয়া ডক্তৰৰ ওচৰত যাব লাগিব। ডক্তৰে বেজী দিব, দৰব খাব লাগিব।

**অনুস্মিতা দাস :** আমাৰ ঘৰ থাকিব কাৰণে লাগে। ঘৰ নাথাকিলে স্কুলত যাব নোৱাৰিলোঁ হয়। ৰাস্তাত থাকিব লাগিল হয়।

**মনজ্যোৎস্না ডেকা :** আমাক ঘৰ থাকিবলৈ লাগে। ঘৰ নাথাকিলে আমি থাকিব নোৱাৰিম। খাবও নোৱাৰিম।

**ময়ূৰীকা মজুমদাৰ :** আমাক ঘৰ থাকিবলৈ লাগে। ঘৰত থাকি খাওঁ, খেলোঁ। ঘৰ নাথাকিলে খাব, থাকিব, শুব নোৱাৰিলোঁ হয়।

**মিভান কলিতা :** ঘৰ আমি ভাল পাওঁ। আমাৰ মায়ে ঘৰ পায়। বস্তু আনে আলু, পিঁয়াজ, ভেণ্ডি আনে আমাৰ ঘৰত।

**মৌকাৰ্ণিকা ভৰালী :** থাকিবৰ কাৰণে, খাবৰ কাৰণে, শুবৰ কাৰণে আমাক ঘৰ লাগে।

**নভ্যনীল ভৰদ্বাজ :** আমাক ঘৰ এনেই লাগে।

**পণৰী ৰাণা ভূঞা :** আমাক ঘৰ থাকিব কাৰণে লাগে। ভাত ৰান্ধিব কাৰণে লাগে।

**পাৰ্থ প্ৰতীম চৌধুৰী :** কাৰণ আমি ঘৰত থাকিব লাগে। ঘৰ নাথাকিলে আমি বাহিৰত থাকিব লাগে।

**অভ্যুদয় কাশ্যপ :** আমাক ঘৰ থাকিবলৈ লাগে। আমি ঘৰত পঢ়োঁ, শোওঁ, ভাত খাওঁ, ছবি আঁকোঁ। আমি ঘৰ নাথাকিলে ৰাস্তাত থাকিলোঁ হয়।

**বৰ্ষীয়া কলিতা :** আমাক ঘৰ থাকিবলৈ লাগে। ঘৰ নাথাকিলে আমি ক'ত থাকিম? আমাৰ ভয় লাগিব। থাকিবলৈ জাগা নাপাম।

**কুঁহি কলিতা :** ঘৰত থাকিবলৈ লাগে, শুব নাপাৰিম, বাহিৰত থাকিব লাগিব।

**ভাগ্যম আৰ্য্য বৈশ্য :** আমাক ঘৰ বৰষুণৰ কাৰণে লাগে।

**বিভান জ্যোতি শৰ্মা :** আমাক ঘৰ থাকিবলৈ লাগে। ঘৰত ভাত খাব লাগে, ঘৰ নাথাকিলে থাকিব নোৱাৰিলোঁ হয়।

## প্ৰাক্-প্ৰাথমিক শ্ৰেণী, 'খ' শাখা

**অদ্ৰিতী চৌধুৰী :** ঘৰ... ঘৰ লাগিবতো... নহ'লে মানুহটো ক'ত থাকিব? ঘৰটো থাকিলেহে মানুহ থাকিব। বাথৰুমটোও নাই, পানী কেনেকৈ খাব? গাড়ীখন কেনেকৈ ধুব?

**বিবান বৰুৱা :** বৰষুণ আহে বাবে ঘৰ লাগে। বৰষুণ দিলে ৰেইনকোট পিন্ধিব লাগে।

**গীতাশ্ৰী ওজা :** আমাৰ ঘৰ নাথাকিলে বেলেগৰ ঘৰত যাওঁ। কাম কৰে ঘৰত। ঘৰ মোচে, ঘৰ সাৰে, ফুৰবা যায়। তাতে এটা ফুল আছে। ফুলটো সিহঁতে লাৰিবা যায়। পখিলাটোও লাৰবা যায় ফুলটো।

**জাগ্ৰৱ বৰপূজাৰী :** ঘৰ নাথাকিলে দুখীয়া মানুহ হৈ থাকিব লাগিব। ঘৰ থাকিলে বৰষুণত বাচিব, ৰ'দত বাচিবলৈও ঘৰ লাগে। ঘৰত আমি পঢ়োঁ।

**মেহেক হ'ক :** ঘৰ... তাৰ মানে চাকৰি ক'ৰবা লাগবো, মাটি ল'বা লাগবো, ভাত-আঞ্জা বনাব লাগবো। তেতিয়া মানুহৰ বল হ'ব আৰু ঘৰ হ'ব। তেতিয়া স্কুলত যাব পাৰবো।

**প্ৰিয়াংশ মজুমদাৰ :** ঘৰ নাথাকিলে ইয়াতে থাকিব লাগিব। বাহিৰতে থাকিব লাগিব, বৰষুণ পৰিব, জিকে মানুহে। জিকিলে চৰ্দি আহে, বেমাৰ হয়। কাহ হয়, জ্বৰ উঠে, প্ৰেচাৰ উঠে। ডাক্তৰৰ তাত যায়।

**ৰাহুল বৰা :** মানুহৰ থাকিব জাগা নাথাকে যে। ঘৰ থাকিলে থাকিব পাৰে আৰু ভাত-পানী খাব পাৰে, শুব পাৰে, শোৱাৰ পৰা উঠি কিনে গা ধুব পাৰে।

**ৰিয়ানজ্যোতি মজুমদাৰ :** ঘৰ লাগে আমাক। বাগাৰ দিবাক ল'গি, চাহ খাবাক ল'গি, ভাত খাবাক ল'গি। ঘৰ নাথাকিলে বাগাৰ ক'তো দিব ন'ৰি।

**হৃদিতা বাচ্যস :** ঘৰ লাগে আমাক। বৰষুণ পৰিব নহ'লে।

**ময়ুৰ চৌধুৰী :** ঘৰ হামু দিবৰ কাৰণে থাকিব লাগে। চাহ খাব কাৰণে আৰু খেলিব কাৰণে ঘৰ লাগে। তাৰ পাছত ভাত খাওঁ আৰু হামু দিওঁ।

**মৃগাস্য তালুকদাৰ :** থাকিবাক গেলি ঘৰ লাগে। ঘৰ নাথাকিলে ভূতে খাই পেলাব। ঘৰত আমি কাম কৰোঁ, ভাত বনাওঁ, ভাত খাওঁ।

**মৃত্তিকা তালুকদাৰ :** বৰষুণ দিব কাৰণে আমাক ঘৰ লাগে। বৰষুণ পৰিলে জ্বৰ উঠিব। ঘৰত বাচন ধোঁ, ভাত বনাওঁ, ঝাড়ু মাৰোঁ।

**তানবীৰ হুছেইন :** ঘৰ নাথাকিলে শিয়াল আহে, ভূত আহে। ঘৰ নাথাকিলে ঠাণ্ডা লাগিব, জ্বৰ হয়। ডাক্তৰৰ তাত যায়, তাৰ পাছত বেজী দিয়ে। বেজী দিলে মানুহটো ঠিক হৈ যায়।

**জিৰল কাশ্যপ ডেকা :** মইতো নাজ্‌নু। বেলেগে পাৰে মই নাজ্‌নু। মই ইমান ডাঙৰ হ'লি জানিম। (ভংগিমাৰে) এৰ'প্লেন এখন বনে থইছোঁ। উৰে দেওঁ মই।

## প্ৰাক্-প্ৰাথমিক শ্ৰেণী, 'গ' শাখা

**জিষ্ণু গোস্বামী :** আমাৰ ঘৰত বিছনা থাকে, চোফা থাকে, তাতে বহিব পাৰোঁ। যদি আমাৰ ঘৰ নাথাকে আমি ফুটপাথত থাকিব লাগিব। ঘৰ নাথাকিলে আমাৰ গৰমো লাগিব আৰু ঠাণ্ডাও লাগিব। ফুটপাথতে থাকিলে আমাক ভিক্ষাৰী বুলি ক'ব। আমাক পইচাও নিদিব।

**জেচিকা মেধি :** আমাক কাপোৰ পিন্ধিবলৈ আৰু গা ধুবলৈ ঘৰ লাগে। আৰু খাবৰ বাবে, ৰান্ধিবৰ বাবে ঘৰ লাগে।

**অলংকৃতা হাজৰিকা :** ঘৰ নহ'লে আমি একো খাব নাপাম। তেতিয়া ঘৰখন ভাঙি যাব। ভাঙি গ'লে নষ্ট হৈ যাব।

**নিশানজিৎ দাস :** ঘৰ নাথাকিলে মানুহে ৰাস্তাত থাকিব লাগিব। ভূমিকম্পৰ পৰা বাচিবৰ কাৰণে আৰু বৰষুণ দিয়ে কাৰণে ঘৰ লাগিব।

**দেবোৎপল কাশ্যপ :** মানুহ থাকিবৰ কাৰণে ঘৰ লাগিব। নহ'লে ক'ত থাকিব মানুহ? তেতিয়া ফুটপাথত থাকিব লাগিব। বৰষুণত ঘৰ ভাঙিলে ফুটপাথত বহি থাকিব লাগিব।

**অদ্রিতা পৰী শইকীয়া :** আমাৰ ঘৰত যে ভণ্টি কেইটা থাকে সেইকাৰণে ঘৰ লাগে। আমাৰ ঘৰ যে কেতিয়াবা ভাঙি দিয়ে পৰতিমা ঘৰত থাকোঁ। ককা ঘৰত থাকিলে পৰতিমা গুচি যায়।

**অৰ্চিত কাশ্যপ হাজৰিকা :** ঘৰত মোৰ খেলা বস্তু আছে। খেলা বস্তুৰে খেলি থাকোঁ।

**নব্যনিত্যম দৰ্শন বৰুৱা :** ঘৰ থাকিবলে' লাগে। আমি ঘৰ নাথাকিলে থাকিব নোৱাৰিম। বিছনাও নাথাকিব।

**ভব্যম কলিতা :** মানুহক থাকিবৰ কাৰণে ঘৰ লাগে। বৰষুণ দিয়ে যে, গাত বৰষুণ নপৰিবলে' ঘৰ লাগে। কাপোৰ ভিজিব নালাগে।

**ভাস্কৰ ডেকা :** আমাক এতিয়া ঘৰৰ পৰা খালী কৰবা দিছে। নতুন বাথৰুম বনাইছে। তাতে চি.চি. কেমেৰা আছে দুটা। কোনি কোনি ৰাতি চোৰ সোমায় তাকে টিভিত চাই থাকে।

**কংকনা তালুকদাৰ :** ঘৰ থাকিবলে' লাগে। মানুহ তাতে থাকিব ঘৰত। মই ঘৰত অলপ খেলোঁ আৰু পঢ়ি থাকোঁ।

**অনিমেষ শাণ্ডিল্য :** আমাক থাকিবলে' আৰু জীয়াই থাকিবলে' ঘৰ লাগে। চৰাইৰ ঘৰ নাথাকিলে চৰাই গিলা হেনো একো খাব নোৱাৰে। কিন্তু চৰাই গিলা হেনো ঘৰ নাথাকিলে কোনেও মৰম নকৰিব।

**ৰিয়াঞ্চ মহন্ত :** ঘৰ নাথাকিলে মানুহ কেনেকে' সোমাব। ঘৰ নাথাকিলে কেনেকৈ হ'ব? ঘৰ থাকিলে মানুহ থাকিব সেইকাৰণে ঘৰ লাগিব।

**প্ৰণোদিত মেধি :** আমি ঘৰ নহ'লে ক'ত থাকিম?

**জানবী ইছলাম :** ঘৰ এনে লাগে। ঘৰ যদি ভাঙি যায় শুব নোৱাৰিম, পানী খাব নোৱাৰিম।

**ভিপাঞ্চী কাকতি :** ঠাণ্ডা লাগে কাৰণে ঘৰ লাগে।

**প্ৰিয়ানুজ দত্ত :** ঘৰ আমাক শুবলৈ, থাকিবলৈ লাগে। ঘৰ যদি নাথাকে ৰাস্তাত থাকিব লাগিব। আমি ক'ত যাম? ক'ত থাকিম?

**তাপসী কলিতা :** থাকিবৰ কাৰণে আমাক ঘৰ লাগে। ঘৰ নাথাকিলে ফুলবোৰৰ কি হ'ব? আমি থাকিব নাপাম। স্কুলত আহিব নোৱাৰিম। ♦



**মধুপ্ৰিতা এছ. কলিতা**, অংকুৰ শ্ৰেণী



**মনজ্যোতি বেজবৰুৱা**, অংকুৰ শ্ৰেণী

# পাৰ্কলৈ গৈ ভাল পোৱানে? তুমি পাৰ্কলৈ গৈ কি কি কৰা?

[**টোকা :** বৰ্তমান সময়ত চহৰৰ কিছুসংখ্যক শিশুৰ বাবে খেলাৰ ঠাইৰ অভাৱ হোৱা পৰিলক্ষিত হৈছে। সেয়েহে শিশুসকল মাক-দেউতাকৰ লগত প্ৰায়ে পাৰ্কলৈ যোৱা দেখা যায়। পাৰ্কলৈ গৈ শিশুৱে ভাল পায়নে নাপায় আৰু তালৈ গৈ কি কি কৰে এই কথা জানিবৰ বাবে এই প্ৰশ্নটো তেওঁলোকক সোধা হৈছিল।]



## প্ৰাক্-প্ৰাথমিক শ্ৰেণী, 'খ' শাখা

**আৰাধ্যা দত্ত :** ওঁ মই যাওঁ। এনেকে যে চুঁচৰি যায়... আকৌ চুঁচৰি যায় সেইটো খেলি ভাল পাওঁ। ঝুলনাও খেলোঁ। জেব্ৰা আৰু এনেকুৱা (ভংগিমা কৰি) গোলৰ নিচিনাটোও ভাল পাওঁ। গাড়ী খেলিও ভাল পাওঁ মই।

**আয়াংশ বৰা :** অ' ভাল পাওঁ। পাৰ্কত মই খেলোঁ, শ্লাইডত উঠোঁ, ঝুলোঁ। বাইদেউ... এ... মই বাকীবোৰ পাহৰি গ'লোঁ।

**চিন্ময় কলিতা :** পাৰ্কত মই পুলিচ হওঁ আৰু বন্দুক লওঁ। মাৰ লগত ফুৰি আহোঁ।

**চৈয়দা আফৰিনা ৰহমান :** অ' ভাল পাওঁ। পাৰ্কত মই খেলোঁ আৰু মই শ্বিলং যোৱা নাছিলোঁ। এইবাৰ বন্ধ দিলে আমি শ্বিলঙত যাম। একদিন মই জুইচো খাইছিলোঁ।

**দৰ্শিত ডেকা :** ভাল পাওঁ মই পাৰ্কত যাই। ঝুলনা, পিছলা এইবোৰ খেলোঁ। পাপাৰ মাৰুতিত ফুৰিব গৈছোঁ। মই পাপাৰ লগত চকী ৰাইড দিছোঁ আৰু শেষ।




**দিশান্ত আহমেদ :** হা... পাৰ্কত মাহঁতে নিনিয়ে। মই কওঁ, কিন্তু মাহঁতে নিনিয়ে। অকল ঘৰতে থাকোঁ। মই পাৰ্ক দেখাই নাই।

**ধ্ৰুবিতা দাস :** গৈছোঁ মই পাৰ্কত। ভাল লাগে। পাৰ্কত ঝুলনাত উঠোঁ আৰু সেই আছে পাৰ্কত। ঘোঁৰাতো উঠোঁ আৰু চববতে উঠোঁ।

**ধ্যানভি ডেকা :** অ' যাওঁ মই পাৰ্কত। তাত খেলোঁ, ঝুলনাত উঠোঁ আৰু ঘূৰি থাকে যে তাতো উঠোঁ। পাৰ্কত মই একো নাখাওঁ। গাখীৰ খাইয়ে যাওঁ।

**কনিষ্কা শইকীয়া :** পাৰ্কত গৈ আমি পিছলা খেলোঁ আৰু ঝুলোঁ। চিঙৰা খাওঁ আৰু আইচক্ৰীমো খাওঁ। আৰু একো নাখাওঁ।

**খুচি কলিতা :** পাৰ্কত আমি খেলোঁ আৰু টিফিন খাওঁ। এদিন মোক পাৰ্কত স্কুলৰ পৰা ফুৰাব নিছিলে।

**ক্ষিতিজ ৰাজ শইকীয়া :** আমি পাৰ্কত যাওঁ, ভাল পাওঁ। তাত মই খেলি থাকোঁ। গাখীৰ খাওঁ। পাপা আৰু মাৰ লগত যাওঁ মই পাৰ্কত।

**নেহাশ্ৰী মেধি :** যাওঁ মই পাৰ্কত। ঝুলনাত উঠোঁ। চাহ খাওঁ।

**নৈঋতী বি. মজুমদাৰ :** পাৰ্কত গৈ মই মামাৰ ঘৰত গৈছিলোঁ।

**পূৰ্বিকা বৰুৱা :** মই নেহৰু পাৰ্কত গৈছিলোঁ। পাৰ্কত মই খেলোঁ। হাতীৰ ওপৰত উঠোঁ। ধ্ৰুবিতাৰ লগত নেহৰু পাৰ্কত গৈছিলোঁ।

**প্ৰাজিতা এছ কাশ্যপ :** মই পাৰ্কত যাওঁ। পাৰ্কত মই খেলোঁ। পাৰ্কত মই চম্পাপুৰী খাওঁ। মা-দেউতাৰ লগত যাওঁ।

**ৰিদিপ্তা ডেকা :** মা আৰু পাপাৰ লগত পাৰ্কত যাওঁ। খেলোঁ, ঝুলনাত উঠোঁ। আমি পাৰ্কত আইচক্ৰীম খাওঁ।

**ছামিউৰ ৰহমান :** পাৰ্কত যাওঁ। তাতে খেলি থাকোঁ। ঘোঁৰাটো ঘূৰি থাকে। য়েল্ল' য়েল্ল' ছিট থাকে। বাৰ্গাৰ খাওঁ। ছেণ্ডুইছ খাওঁ।

**প্ৰাক্-প্ৰাথমিক শ্ৰেণী, 'গ' শাখা**

**সুবাসিনী সূত :** মই, মা আৰু দেউতাৰ লগত পাৰ্কত যাওঁ। শ্লাইড, ঝুলনা খেলোঁ। ঘোঁৰাত উঠোঁ। খেলনা হেলিকপ্টাৰত উঠোঁ।

**ৰাহিল আহমেদ :** মই পাৰ্কত গৈ খেলোঁ। পাৰ্কত গৈ খেলি ভাল পাওঁ।

**আৰয়ান শংকৰ দত্ত :** গৰম বন্ধত মই পাৰ্কত গৈছিলোঁ। তাতে খেলিবলে' যাওঁ। পাৰ্কত গ'লে জুইচ খাওঁ, পাৰ্কত শ্লাইড আছে।

**সংস্কৃতি কলিতা :** পাৰ্কত গৈ মই খেলোঁ। পাৰ্কত গৈ শ্লাইডত খেলোঁ। জেঠীমাহঁতৰ লগত নেহৰু পাৰ্কত গৈছিলোঁ।

**সমীক্ষা হাতীমুৰীয়া :** পাৰ্কত গৈ ভাল লাগে। কাইলৈ মাৰ লগত পাৰ্কত যাম। পাৰ্কত গৈ খেলিম।

**বনস্মিতা কলিতা :** মই দেউতাৰ লগত পাৰ্কত যাওঁ। পাৰ্কত গৈ ঝুলনাত ঝুলোঁ। পাৰ্কত যে খেলনা বস্তু আছে সেইকাৰণে পাৰ্কত গৈ ভাল লাগে।

**শিবাংশী শ্ৰাৱনী শৰ্মা :** পাৰ্কত গৈ খেলোঁ আৰু কিবাকিবি খাওঁ। কেক খাওঁ মই।

**হৃষিকা ৰাণী মেধি :** পাৰ্কত মই ঝুলনাত উঠোঁ। স্কুল বন্ধৰ দিনা পাৰ্কত গৈছিলোঁ। পাৰ্কত যাই গাড়ীত উঠিছোঁ। পাৰ্কৰ পৰা আহি খাই হামো দিলোঁ।

**পলাশ প্ৰতীম শৰ্মা :** পাৰ্কত যাওঁ আৰু তাতে ঝুলনা খেলোঁ। শ্লাইডত উঠোঁ আৰু আমি যে ঘূৰি থাকোঁ তাতে উঠোঁ।

**প্ৰিয়াংক্ষী মহন্ত :** পাৰ্কত গৈ বহুত ভাল লাগে। তাতে খেলনা বস্তু আছে যে ভাল লাগে।

**ৰিচাৰ্ড ৰফি :** মা আৰু পাপাৰ লগত পাৰ্কত যাওঁ। কালি গৈছিলোঁ পাৰ্কত। বাইদেউ বহুত ডাঙৰ পাৰ্ক। শ্ৰদ্ধাঞ্জলি পাৰ্ক। মই পাৰ্কত ঘোঁৰাত উঠোঁ আৰু স্কুটি খেলোঁ বাইদেউ।

**ঋত বি পাঠক :** পাৰ্কত এক তাৰিখে গৈছিলোঁ। মাৰ লগত গৈছিলোঁ। পাৰ্কত গৈ শ্লাইডত উঠোঁ আৰু ঝুলনাত ঝুলোঁ।

**ভিয়োনা কাকতি :** ৰাতি পাৰ্কত গৈছিলোঁ। পাপাৰ লগত গৈছিলোঁ। পাৰ্কত যাই খেলোঁ।

**পৰম ৰায় :** মই পাৰ্কত মাৰ লগত যাওঁ। পাৰ্কত গৈ খেলোঁ।

**ধিয়া কলিতা :** পাৰ্কত গৈ খেলোঁ আৰু নাচোঁ। তাৰ পাছত মই ঘৰত যাওঁ।

**অত্ৰেয়ী শৰ্মা :** পাৰ্কত গৈ ঝুলনাত উঠো মই। মাই ঝুলে দে তাতে ছেল্‌ফি উঠোঁ মই। আৰু বেলেগ বেলেগ খেল খেলোঁ। চবতে উঠোঁ মই।

**তিতিক্ষা ডেকা :** পাৰ্কত ঝুলনা খেলোঁ। বহা খেলোঁ, বল খেলোঁ মই। পাৰ্কত আঙুৰ খাওঁ আৰু চিংৰা খাওঁ মই। ♦



**প্ৰণোদিত মেধি**, প্ৰাক্-প্ৰাথমিক শ্ৰেণী



**পূৰ্বিকা বৰুৱা**, প্ৰাক্-প্ৰাথমিক শ্ৰেণী

# চন্দ্ৰযান-৩ অভিযান কি?

[টোকা : চন্দ্ৰযান-৩ অভিযানৰ সফলতাৰ দিনা আৰু তাৰ পাছতে শিশুসকলক সোধা হৈছিল 'চন্দ্ৰযান-৩ অভিযান কি?' সংবাদ মাধ্যমৰ পৰা আৰু অভিভাৱকৰ কথা-বতৰাৰ পৰা চন্দ্ৰযানৰ বিষয়ে তেওঁলোকৰ মনোজগতত কেনে ধাৰণা গঢ় লৈছিল তাকে জানিবলৈ এই প্ৰশ্নটো সোধা হৈছিল। তেওঁলোকৰ নিজৰ শব্দ, বাক্য, ভাষা সলনি কৰা হোৱা নাই।]



**প্ৰাক্-প্ৰাথমিক শ্ৰেণী, 'ক' শাখা**

**ধাৰ্ভী দাস :** আজি চন্দ্ৰটো স্কুললৈ লৈ আহিব। ৰকেটত লৈ আহিব। ৰকেটৰ পৰা ধোঁৱা ওলাব। ছাৰ-বাইদেউৱে আমাক দেখুৱাব। চন্দ্ৰটো লেন কৰিব। চন্দ্ৰত গ্ৰেভিটি কম থাকে। সেইবাবে তাত ৰকেটটো থাকিব নোৱাৰি স্কুললৈ নামি আহিব।

**দিতিবৰ্ণা হাজৰিকা :** আজি মানুহে চন্দ্ৰটো চাব যাব। চন্দ্ৰটোত বালি আছে। এলিয়েন আছে।

**মহাৰ্ণৰ নাথ :** ৰাতি হওঁতে চন্দ্ৰলৈ উৰি গৈছিল ৰকেটখন। দাদাবিলাকে চাই আছে ওপৰৰ ফালে। সৰু ল'ৰা-ছোৱালীবিলাকৰ ভয় লাগে কাৰণে ডাঙৰ ল'ৰা-ছোৱালীবিলাক আহিব দিছে। ৰকেটখন চন্দ্ৰলৈ যোৱা চাইছে। যাই পালে অলপমান পাছত শেষ হ'ল এইটো।

**বেনজিৰ ইছলাম :** আজি দেউতাই চন্দ্ৰত পতাকা তুলিব। চিধা ৰাস্তাত যাম।



**ইয়ান কাশ্যপ :** আজি চন্দ্ৰটো বিয়া হৈ যাব আৰু কইনা হৈ যাব।

**বৰ্ণিকা জে গৌতম :** আজি চন্দ্ৰত এক্টিং হ'ব। মা-দেউতা, দাদা আমি চন্দ্ৰলৈ ফুৰিবলৈ যাম।

**ৰুদ্ৰাংশু চক্ৰৱৰ্তী :** চন্দ্ৰযানখন বনাইছিল বহুত কষ্ট কৰি। কালি উলাই দিছিলে। চবে টিভিত চাইছিল। যেতিয়া চন্দ্ৰযানখন নামি গৈছে তেতিয়া ছাইনটিচবোৰে হাত-চাপৰি বজাইছিল।

**ভিয়ান শংকৰ ৰাজখোৱা :** চন্দ্ৰত ৰকেটখন বহুত দিনলৈ গৈ আছিল। বহুত দিনৰ মূৰত গৈ পালে। মানুহবিলাকৰ চুলিবিলাক উৰি থাকে। জাহাজখন গৈ থাকিলে ব...হু...ত দিন লাগিল। জাহাজত মানুহে গা-চা তাতে ধোৱে।

**নৈসৰ্গ গোস্বামী :** চন্দ্ৰযান নামা কাৰণে মানুহে বাহ বাহ দিছে। চন্দ্ৰযানত মুখ্যমন্ত্ৰীয়ে কথা কৈছে। কি কথা কৈছে মই বুজা নাই।

**বৈদেহী শৰ্মা :** চন্দ্ৰযান জোনবাই তাত যাই থাকে। ৰকেটত মানুহ উঠি গৈছে আৰু চন্দ্ৰত নামি গৈছে মানুহবিলাক।

**ধীমানজ্যোতি ডেকা :** কালি চন্দ্ৰযান ওলাইছে টিভিত, আমি চাইছোঁ। তাৰ পাছত চন্দ্ৰযান দেখিছোঁ গধূলি। আমি ঘৰত চাইছোঁ। স্কুলত অহা নাই। ৰঙা আছিল চন্দ্ৰযান।

**সোণমণি কলিতা :** চন্দ্ৰত বিহু মৰা দেখিছোঁ। দেখে দিছি...। আমি আহছিলোঁ। চকীত বহি আছোঁ। চন্দ্ৰযানটো দেখিছোঁ মঞ্চত। দাদা-বা-বিলাকে পতাকা উৰাই নাচি আছে।

## প্ৰাক্-প্ৰাথমিক শ্ৰেণী, 'খ' শাখা

**আদিত্যম দীপক বৰগয়াৰী :** চন্দ্ৰযানত পৃথিৱী থাকে, মুন থাকে, ছান থাকে, জুপিটাৰ থাকে। ৰকেটে মুনত গৈছিল, মুনত খোজ কাঢ়োঁতে জঁাপ মাৰি আছিল চন্দ্ৰযানখনে। তাতে পাথৰ থাকে নেকি চাব গৈছিল।

**আশিস কাশ্যপ দাস :** চন্দ্ৰযান মানে ৰকেট। চন্দ্ৰযানত খিৰিকী আছে। আৰু জুই জ্বলা দেখা পাইছোঁ।

**বিমৃশা ব্যাপ্তি কলিতা :** চন্দ্ৰযানখনত ফুটা আছে। ৰকেটত উৰি গৈছে। মানুহবোৰে চন্দ্ৰযানত জঁপিয়াই থাকে।

**ডিয়ান ৰহমান :** চন্দ্ৰযানখন যাওঁতে তলেৰে ধোঁৱা ওলাই আছিল। বহুত স্পীডত গৈ আছে। তিনিদিনমান হ'ল ৰকেটখন লগাব পৰা নাছিল। তাৰ পাছত চবে ক'লে পৰি গ'ল।

**নিবিড় পৰাশৰ :** চন্দ্ৰযানখন লেণ্ড কৰিছিল। ৰকেটৰ বস্তুটো খুলি যায়। গাড়ী ওলাইছে। ৰবট ওলাইছে।

**শান্তনু ডেকা :** ৰকেট দেখিছিলোঁ, চন্দ্ৰমা দেখিছিলোঁ। চন্দ্ৰমাৰ ফুটাবিলাক চাই আছিলোঁ। চন্দ্ৰত এখন জেচিপি আছিল। পানী চাইছিল।

**সুশান্ত কুমাৰ নাথ :** ৰকেটত মানুহটো এনেকৈ ৰখিব লৈছিল আৰু ৰকেটখন ৰবটৰ দৰে ওলাই আছে। তাৰ পাছত মানুহটো ওলাই আহিব ধৰোঁতে এখন পিছলাৰ নিচিনা আহে। তাৰ পাছত এটা ৰবটৰ দৰে ঘূৰি ঘূৰি চাই আছে।

## প্ৰাক্-প্ৰাথমিক শ্ৰেণী, 'গ' শাখা

**ধৃষাণু কাশ্যপ :** চন্দ্ৰযান উৰি উৰি জোনবাইক লগ কৰিব গৈছে। ঘূৰি ঘূৰি আহিছে নামি। ঘৰ এটা বেঁকা হৈছে। বেঁকা হৈ হৈ তলত নামিব ধৰিছে। তলত নামি পালক। এটা চাৰিকোণীয়া ধুনীয়া আৰু দুখন ভৰি দেখা পাইছোঁ। আইনা হান টোপ দেখা পাইছোঁ। এটা ডাঙৰ বল দেখা পাইছোঁ। জোনবাই থাকা ৰাস্তাটো গাঁতা গাঁতা। ৰকেট এখন দেখা পাইছোঁ। ৰকেট এখন উৰি গৈছে। অফিচৰ মানুহবোৰে টিভিত চাই বাঃ বাঃ দি আছে। চন্দ্ৰযান টিভিত চাইছোঁ আৰু ম'বাইলত চাইছোঁ।

**স্নেহাংগী চৌধুৰী :** চন্দ্ৰত ৰকেট লেণ্ড কৰিছিল। বিক্ৰমখনে প্ৰজ্ঞানখন ওলাব পৰা নাছিল। ধূলিখিনি যেতিয়া কমিলে তেতিয়া লেণ্ডাৰেৰে ওলাই আহিলে। বিক্ৰমখনে চন্দ্ৰতো লেণ্ড কৰিছিল, পৃথিৱীতো লেণ্ড কৰিছিল।

**ময়ূখ ঈশান নাথ :** কেমেৰাটোৱে লেণ্ডিং কৰিছিল। ডাঙৰ কেমেৰাটোৰ পৰা সৰু কেমেৰা ওলাই আহিছিল আৰু ফটো তুলিছিল। তাৰ পাছত চব ফটো ইয়াত পঠিয়াই দিলে। মুনৰ আৰু গ্ৰহৰ ফটো পঠাইছিল।

**অভিনন্দন শৰ্মা :** ৰকেটখন একদিন ফাটি গৈছিল আৰু চন্দ্ৰযান হৈছিল। ৰকেটখন ঘূৰি থাকোঁতে চিধা হৈ লাগি ধৰিছিল চন্দ্ৰত।

**হৰ্ষিত মেধি :** ৰকেটখন জোনবাইত গৈছিল। তাতে আছিল জোনবাই, তৰা আৰু বেলি। তাতে ৰকেটখন নুমি গৈছিলে আৰু তাতে কাম কৰিছিলে। তাতে জাতীয় পতাকাখন পুতিলে। সেই ৰকেটখন ঘূৰি আছিলে। আমাৰ পৃথিৱীৰ পৰা যদি চিধা যায় তেতিয়া তেল খতম হ'ব সেইকাৰণে ঘূৰি ঘূৰি গৈছিলে। ♦

## বাবুধন

■ **ৰিয়ান চক্ৰৱৰ্তী**
চতুৰ্থ শ্ৰেণী

থুপুক-থাপাক খোজ কাঢ়ে
থুনুক-থানাক মাত
হাঁহি মাৰিলেই ওলায়
দুই-চাৰিটা দাঁত।
কথাই কথাই লাগে বৰ ঠেহ
কথাই কথাই হাঁহে
মৰমেৰে মাতিলেও
ওচৰলৈ নাহে।
দৌৰি দৌৰি বাবুধনে
পখিলা ধৰিবলৈ যায়,
চোতালত ৰুণ দিয়া পাৰটোক
কেৰাহিকৈ চায়।
সন্ধিয়ালৈ বাবুধন
টোপনিত লালকাল
মৰমতে মাকে কয়
মোৰ মইনাহে ভাল।
আথে-বেথে পুত্ৰৰ স'তে
মাক বিছনালৈ যায়
ৰাতি পোহৰ নৌহওঁতেই
বাবুধনে সাৰ পায়। ♦



## বৰষুণ

■ **বৰ্ণিল বৰ্ষ**
দ্বিতীয় শ্ৰেণী

বৰষুণ বৰষুণ
কথা এটা শুনচোন,
তোক মই ভাল পাওঁ
কিয় বাৰু কচোন?
তই আহিলে চোতালখন
পানীৰে ভৰি পৰে,
কাগজৰ নাও সাজি
খেলি তাত ভাল লাগে।
বৰষুণত তিতি-বুৰি
নাচি-বাগি খেলা কৰি
কিমান যে ভাল পাওঁ
তোক কেনেকৈ বুজাওঁ !
আহিবিনে বাৰু বৰষুণ তই,
মোৰ লগত নিতৌ ওমলিবলৈ? ♦



## প্ৰকৃতি

■ **পৰীপ্সা প্ৰাপ্তি**
পঞ্চম শ্ৰেণী

ইমান সুন্দৰ প্ৰকৃতি
ইমান ধুনীয়া প্ৰকৃতি
আছা যে আমাক সাবটি,
নকৰোঁ নকৰোঁ ধ্বংস নকৰোঁ তোমাক আমি।
ভালে-কুশলে ৰাখিবা আমাক
নকৰিবা তুমি অভিমান,
নকৰোঁ আমি প্ৰদূষণ
নাকাটোঁ আমি গছ,
এয়ে কৰিলোঁ আমি পণ। ♦

## বৰষুণ

■ **হিমবৰষা দাস**

চতুৰ্থ শ্ৰেণী

বৰষুণৰ আগমনে দিয়ে
বাৰিষাৰ বাতৰি
নাদৰ ভেকুলীবিলাকে
মাতে টোৰ টোৰ কৰি।
কাগজৰ নাও সাজি
দিওঁ উটুৱাই
খেলা কৰোঁ আনন্দেৰে
হেঁপাহ পলুৱাই। ♦



## মোৰ মৰমৰ ককা

■ **ময়ূৰী দত্ত**

চতুৰ্থ শ্ৰেণী

অ' ককা অ' ককা
তুমি গুচি গ'লা,
মই তোমাক দেখা নাপাওঁ,
তুমি বোলে তৰা হ'লা।
তোমাক মই
আকাশত বিচাৰি ফুৰোঁ
তৰা দেখিলেই ককা বুলি মাতোঁ
তৰা হৈ আকাশতে জিলিকি থাকা
অ' মোৰ মৰমৰ ককা। ♦

## মৰমৰ তৰা

■ **বৃষ্টি ডেকা**

চতুৰ্থ শ্ৰেণী

মৰমৰ তৰা জোনাক ৰাতি
জোনবাইৰ সৈতে কি কথা থাকা পাতি?
চাই থাকোঁ আমি দূৰণিৰ পৰা
ডাৱৰৰ ৰাতি ক'লৈ গুচি যোৱা?
নাপাওঁ কোনো আঁতি-গুৰি,
গোটেই ৰাতি থাকোঁ বহি
তোমাক দেখা পাম বুলি। ♦

## মই ভাল পাওঁ

■ **প্ৰিঞ্চিকা ভড়ালী**

তৃতীয় শ্ৰেণী

মই ভাল পাওঁ
আমাৰ ঘৰৰ সন্মুখত থকা
সকলো গছ-গছনি,
য'ৰ পৰা আমি পাওঁ
মুকলি বতাহ এছাটি।
গছৰ ডাল এটাও যদি
মোৰ ককাই দিয়ে কাটি
ককাক মই বেয়া পাওঁ
পৰিৱেশ বুজি নোপোৱা বুলি।
গছ আমি ৰুব লাগে
পেলাব নালাগে কাটি,
ভৰ গৰমত গছে দিব আমাক
শীতল বতাহ এছাটি। ♦



# ঘৰচিৰিকা

■ নৈবেধী শৰ্মা
দ্বিতীয় শ্ৰেণী

চিৰিক চিৰিককৈ
ঘৰচিৰিকাই মাতে
আমি যোৱা দেখিলে
ভুৰুংকৈ উৰা মাৰে
সৰু সৰু ঠোঁটেৰে
কিবাকিবি খায়,
বৰষুণ গাত পৰিলে
বাহলৈ গুচি যায়। ♦



# অকণমানিৰ দুষ্টামি

■ জিণ্টী মেধি
তৃতীয় শ্ৰেণী

সেই যে অকণমানিৰ দুষ্টামি
মোৰ বৰকৈ মনত পৰে,
বাৰে বাৰে মাৰ গালি-গালাজ
তথাপি উৎপাত কৰি ভাল লাগে মোৰ
সেই যে মাই পৰিপাটিকৈ কৰা কামবোৰ
মই পুনৰ কৰোঁ যে খেলি-মেলি
উফ ! কি যে মজা সেই দিনবোৰ
বৰ ভাল লাগে মোৰ অকণমানিৰ দুষ্টামি
পুনৰ ঘূৰি যাওঁ নেকি সেই দিনবোৰলৈ। ♦

# পখিলা

■ প্ৰিয়াংশী কাশ্যপ
দ্বিতীয় শ্ৰেণী

অ’ পখিলা অ’ পখিলা
তুমি যে ইমান ধুনীয়া
তোমাৰ সৰু পাখি দুখনি
ৰঙা, নীলা, হালধীয়া আৰু গুলপীয়া।
ধুনীয়া ধুনীয়া ৰং তোমাৰ
দেখি ভাল লাগি যোৱা
ফুলৰ ওপৰত পৰি পৰি
হাঁহি হাঁহি মৌ খোৱা। ♦



# বৰষুণ

■ ধৃতিৰাজ শৰ্মা
ষষ্ঠ শ্ৰেণী

টোপ টোপ কৰি
আকাশৰ পৰা নামি অহা
মুকুতাৰ মণি যেন
পানীৰ টোপালবোৰে
ভৰাই পেলায় নদ-নদী।
এছাটি হিমবাহে চুই গ’ল
মোৰ দেহ-মন,
বৰষুণৰ টোপালৰ
ৰিম-ঝিম শব্দই মোক
আপোন-পাহৰা কৰি পেলায়। ♦

# প্ৰকৃতিৰ আনন্দ

■ **প্ৰব্ৰজ্যা প্ৰশস্তি গোস্বামী**
পঞ্চম শ্ৰেণী

জিৰি জিৰি নিজৰাই
নাচি-বাগি বৈ যায়
আমাৰ মৰমৰ চৰাই
গান গাই গাই উৰি যায়।
গছে হালি-জালি নাচি-বাগি থাকে
প্ৰকৃতিৰ এক নিৰ্মল সৃষ্টি গছ,
টিপ টিপ পানী পৰি সৃষ্টি হয় বৰষুণৰ
নদ-নদীত থাকে কত মাছ।
গছে দিয়ে খাদ্য বৰষুণে পানী
চৰায়ে দিয়ে মনত আনন্দ
বিশাল আকাশ আৰু বিভিন্ন ফুলে
আনে মনলৈ কত প্ৰশ্ন।
প্ৰকৃতিক মৰম কৰিব লাগে সদায়
প্ৰকৃতিৰ যত্ন ল'ব লাগে সদায়
মৰম অবিহনে প্ৰকৃতিয়ে আমাক
লগ নিদিব দুনাই। ♦



# অশোক

■ **জনাজ্ঞানী বৰদলৈ**
নৱম শ্ৰেণী

এজন আছিল সম্ৰাট অশোক
অতিকৈ নিষ্ঠুৰ ৰজা
খেলিছিল খেলা তেজৰ পিপাসা
শান্তিত নাছিল প্ৰজা।
হেংদাং তেওঁৰ হাতৰ মুঠিত
সদায় ৰাখেই দাঙি
ভায়েকহঁতকো নিস্তাৰ নিদিলে
মহাৰাজ হ'ব পাঙি।
প্ৰজা বৰ্গ মাৰি দেশ ধ্বংস কৰি
উছন্ন কৰিলে দেশ,
নাৰীৰ কান্দোনে আনিলে চেতনা
ধৰিলে বুদ্ধৰ বেশ।
হাতৰ অসি দলিয়াই দিলে
হিংসা পৰিহাৰ কৰি
দেশৰ উন্নতি দুনাই ঘূৰালে
বুদ্ধৰ চিন্তা কৰি।
বাট-পথ তেওঁ নিজেই বান্ধিলে
প্ৰজাক লগত লৈ
ৰাস্তাৰ দাঁতিত বিৰিখ লগালে
পথিকৰ বাবে ছাঁ হৈ।
নিষ্ঠুৰ মনক সান্ত্বনা দিলে
প্ৰজাৰ সাধিলে হিত
বৌদ্ধ বিহাৰত বৌদ্ধ মন্দিৰত
ৰচিলে মনৰ গীত।
সকলো প্ৰজাই শান্তিৰে থাকিল
আৰু ভয় ভাব নাই,
অহিংসাৰ পিছত শান্তিও ঘূৰিল
আমিযে সকলো ভাই। ♦

## মাঘ বিহু

**■ হিয়ান কাশ্যপ**
তৃতীয় শ্ৰেণী

ভেলাঘৰ ভেলাপুঁজি
একো কথা নাপাওঁ বুজি।
তিলৰ লাডু তিলৰ পিঠা
দৈ আৰু চুঙা পিঠা।
ভোগালীত ভোগৰ মেলা
আমি কৰোঁ খেলা-ধূলা।
বিহুত আমি ঘৰলৈ যাম
ভেলাঘৰত ভোজ খাম।
বিহুৰ দিনা পুৱা সোনকালে উঠোঁ
গা ধুই ককা-আইতাক সেৱা কৰোঁ মই। ♦



## পোহৰ

**■ নিবিড় স্পন্দন নাথ**
পঞ্চম শ্ৰেণী

অযুত আশা, নিযুত সপোন
বুকুত বান্ধি লৈ
আহিলোঁ এদিন পোহৰ বিচাৰি
অসম জাতীয় বিদ্যালয়লৈ।




অ, আ শিকিলোঁ ক, খ শিকিলোঁ
ছাৰ-বাইদেউৰ পৰা,
শিক্ষাৰ জখলাৰে আগুৱাই
উজলাই তুলিম ধৰা।
জ্ঞানৰ ভাণ্ডাৰ টনকিয়াল কৰি
যাব লাগিব যোজন বাট;
জোনাকীৰ দৰে পোহৰ বিলাই
নেওচিম ঘাত-প্ৰতিঘাত। ♦



## ফুল আৰু পখিলা

**■ বৰষা শৰ্মা**
তৃতীয় শ্ৰেণী

ৰঙা নীলা হালধীয়া
সৰু পখিলাই,
ক'ত কি ফুল ফুলে
বিচাৰি যায়।
এনেতে যে দেখিলে
গুলপীয়া ফুল,
তাকে দেখি পখিলাটোৰ
মন বিয়াকুল।
সেই ফুলৰ মৌ খাই
পখিলাটো উৰি যায়
আন এপাহ ফুলত পৰি
মৌবোৰ চুপি খায়। ♦



## ফুল

■ **সান্নী বৰা**
দ্বিতীয় শ্ৰেণী

ব'হাগ মাহ আহিলে
তগৰ ফুল ফুলে,
গোন্ধত চাৰিওফালে
আমোল-মোল কৰে।
আহিন মাহত ফুলে
শেৱালি ফুল
বতাহত হালি-জালি কৰে
মন বিয়াকুল।
গোলাপ ফুল ফুলি আছে
ফুলৰ ৰাণী হৈ
সেয়ে মোৰ ফুলনিখন
আছে ধুনীয়া হৈ। ♦



## বৰদৈচিলা

■ **দ্বীপশিখা বসুমতাৰী**
ষষ্ঠ শ্ৰেণী

বৰদৈচিলা তোমাৰ নাম
ব'হাগ মাহত আহা,
গছ-বন মোহাৰি
ধ্বংস কৰা।
ধুমুহা, বৰষুণ, ঢেৰেকনিৰে
এই মাহত আহা তুমি
ঘৰ, বাসস্থান নোহোৰা কৰি
বিপদ কৰা তুমি।
ব'হাগ মাহ শেষ হ'লে
তুমি যোৱা গুচি
বিদায় দিলোঁ বছৰটোলৈ
এই মাহতে বুলি। ♦



## কাতি মাহ

■ **ইস্মিতা ৰাজবংশী**
চতুৰ্থ শ্ৰেণী

কাতি মাহত দিন চুটি
কাম হয় এটি-দুটি
কাতি মাহত আমি পাতোঁ
কঙালী বিহুটি।
ক'লীয়া তুলসী ৰুবা
কলপাতত প্ৰসাদ দিবা
কীৰ্তন পুথি পঢ়িবলৈ
ককাক মাতিবা,
কণ কণ শিশুহঁতে
কৃষ্ণ গোসাঁইক মাতে
কৰযোৰে সেৱা কৰি
কৃষ্ণ কৃষ্ণ বোলে। ♦

## মোৰ ভণ্টি

■ **ত্ৰিবেণী চক্ৰৱৰ্তী**
দ্বিতীয় শ্ৰেণী

মোৰ এজনী ভণ্টি আছে
তাইৰ নাম মৌ,
তাই চাই ভাল পায়
সাগৰৰ ঢৌ।
খাবলৈ দিলে তাইক
উঠে বৰ খং,
ফুৰাবলৈ নিলে তাইক
পায় যে কিমান ৰং। ♦



## বেলি

■ **ত্ৰিজ্ঞা বিজয় লস্কৰ**
তৃতীয় শ্ৰেণী

বেলি বেলি বেলি
ক'লৈ গ'লা তুমি,
ডাৱৰতে আছা নেকি
লুকা-ভাকু খেলি।
তোমাৰ বাবেই ধুনীয়া
এই ধৰাখনি,
তুমি দেখা নিদিলেই
থাকোঁ মন মাৰি।
গছ-বিৰিখ, নদী-নিজৰাত
তোমাৰ পোহৰ পৰি
উজলি উঠে, নাচে-বাগে
উলাহত প্ৰাণ ভৰি। ♦

# ফুলনি

**■ ধীৰাশ্ৰী দাস**

তৃতীয় শ্ৰেণী

ভাল লাগে পখিলাটি
উৰে পাখি মেলি
বতাহতে লৰে তাৰ
ৰঙা নীলা পাখি।
বগা ৰঙা হালধীয়া
নানা ৰঙৰ ফুল
নাচি বাগি মৌ-মাখিৰ
মন বিয়াকুল।
মৌৰ ৰস পান কৰা বুলি
ফৰিং ককাই খেদে
তাকে দেখি পখিলাই
ভয়ত উৰা মাৰে।
তোমাক খেদা নাই বুলি
ফৰিং ককাই কয়
ৰং পাই পখিলাই
খেলিবলৈ লয়। ♦



# স্বৰবৰ্ণৰ কবিতা

**■ মাধুৰ্য্য শইকীয়া**

তৃতীয় শ্ৰেণী

'অ' যায় বজাৰলৈ
আম আনিবলৈ।
'ই'য়ে আজি ঈগল দেখি
আছিল ইনাই-বিনাই।
'উ'ক লাগে ঊণ সূতা
চোলা গুঁঠিবলৈ,
ঋষি আছিল তপ কৰি
গছৰ তলত বহি লৈ।
'এ'ই বোলে জানানে
ঐৰাৱত মানে হাতী,
'ও'ৰে আজি দুখ পালে
ঔ গছৰ পৰা পৰি। ♦



# কিনো কৰোঁ

**■ জিজ্ঞাসা ৰয়**

ষষ্ঠ শ্ৰেণী

কিনো কৰোঁ !
ক'ত মৰোঁ,
মাছবোৰ ক'লৈ গ'ল
কোনে নিলে বাৰু?

গছৰ ডালত বগলী
পুখুৰীত মাছৰোকা
ধৰিবই পৰা নাই,
মাছবোৰ ক'লৈ গ'ল একা?

পুছিজনীক চোন দেখা নাই
ক'লৈ গ'ল জানো,
সেইজনীয়ে যদি মাছ নিছে
তাইক ঘৰলৈ নানো।

এমাহমান গ'ল
পুছিৰ খবৰ পোৱা নাই
লগত পোৱালি লৈ
মাছ আছে খাই
মই গমকে পোৱা নাই।

তেনেতে মইনা
দৌৰি আহি
পুছিক ধৰিলে
মেও-মেও কৰি
বেচেৰীজনীয়ে
মাছ খাবকে নাপালে। ♦

## গুৱাহাটীৰ মেকুৰী

■ মৃগাংক শেখৰ দাস
চতুৰ্থ শ্ৰেণী

মেকুৰী আছে ফেকুৰি
পাকঘৰলৈ চাই
ভজা মাছবোৰ ফ্ৰীজতহে থয়
খাবৰ উপায় নাই।
পিতাইহঁতৰ দিনবোৰ কি যে
মধুৰ লাগে তাৰ,
মাকে ক'লে
দুখ লাগে তাৰ
বয় চকুলোৰ ধাৰ।
বিজুলীঘাটৰ দৈৰ টেকেলি
দিংদিঙীৰ বৰালি মাছ
খোলাত দিয়া পুঠি খাই
মাকে মাৰে নাচ।
পেডিগ্ৰী অলপ
কাঁইট অলপ
ইউটিউবৰ টম এণ্ড জেৰী
হৰিমন্দিৰৰ ৰাসৰ কথা
মাকক সোধে পেৰি পেৰি। ♦





## মা

■ অনন্যা দাস
চতুৰ্থ শ্ৰেণী

তুমি মোৰ বৰ মৰমৰ মা
তুমিয়েই মোৰ জীৱন,
তুমিয়েই মোৰ সকলো
সবাতোকৈ মৰমৰ।
বিপদে-আপদে সকলো সময়ত
থাকা মোৰ কাষত,
আগুৱাই যাবলৈ সাহস
দিয়া প্ৰতিটো মুহূৰ্তত।
পঢ়ি-শুনি ডাঙৰ হৈ তোমাৰ সপোন
বাস্তৱত পৰিণত কৰিম,
জীয়াৰী হিচাপে তোমাৰ নাম
সদায়ে উজলাই ৰাখিম। ♦

## দেউতা

■ হিয়াশ্ৰী ৰাজবংশী
চতুৰ্থ শ্ৰেণী

দেউতা অ' দেউতা
সোনকালে আহিবা দে,
দিনকাল হেনো বৰ বেয়া
আইতাই প্ৰায়ে কয়
সেইবোৰ শুনি মোৰ
বৰ ভয় লাগে।
জোনাক ৰাতি, আইতাৰ কাষত বহি
সাধু শুনি থকাৰ সময়তো
বাৰে বাৰে মন উৰি যায়
তোমাৰ কাষলে'
তুমি আহি নাপালে... ♦

## ফুল

■ মল্লিকা ডেকা
চতুৰ্থ শ্ৰেণী

ফুল ফুল নানা ফুল
বহুৰঙী ফুল,
কত কিমান ফুল দেখি
মন মোৰ বিয়াকুল।
আমাৰ ঘৰত আছে
কত কিমান ফুল,
গোলাপ, তগৰ, নয়নতৰা
আৰু যে বকুল।
ফুলৰ ওপৰত বিভিন্ন ৰঙৰ
পখিলা থাকে উৰি,
নানাৰঙী পখিলা দেখি
মন মোৰ যায় ভৰি। ♦

# মোৰ দাদা

■ ৰূপান্তৰ শৰ্মা
চতুৰ্থ শ্ৰেণী



মোৰ এজন দাদা আছে
সি বৰ দুষ্ট
পঢ়িবলৈ দিলে তাৰ
মাথা হয় নষ্ট।
ৰান্ধিবলৈ পালে সি
বৰ ভাল পায়
মেগি-চাওমিন-ৰোল
ৰুটীও বনায় গোল গোল।
মোৰ দাদা মোৰ বাবে বৰ মৰমৰ
মা-দেউতাৰো সি খুব আদৰৰ
দাদা মোৰ খেলাৰ লগৰী
থাকোঁ আমি সদায় মিলিজুলি। ♦

# প্ৰিয়

■ চতুৰ্থী শিৰম
পঞ্চম শ্ৰেণী

মোৰ প্ৰিয় ৰং হ'ল বেঙুনীয়া,
লগতে আন এটা হালধীয়া।
ভাল লাগে মোৰ লুকা-ভাকু খেলি
মন ভাল লাগিলেই থাকোঁ মই নাচি।
মোৰ মৰমৰ বান্ধৱী বনস্মিতা,
আমি দুয়ো মিলি নাচোঁ
"তেই ওম তাত তা।"
মোৰ প্ৰিয় বিষয় হ'ল অসমীয়া
আৰু মই ভাল পাওঁ লগ-সমনীয়া। ♦



# সৃষ্টিশীল পৃথিৱীৰ সন্ধানত

■ ৰীমা হালৈ
দ্বাদশ শ্ৰেণী (বিজ্ঞান)

ধৰাৰ বুকু যেন
গুজৰি-গুমৰি উঠিছে
সিমূৰৰ পাহাৰো
যেন কঁপি উঠিছে
পুনৰ যেন সৃষ্টিয়ে
এক নতুন ৰূপ ধাৰণ কৰিছে
য'ত কেৱল লিখা আছে
মৃত্যুৰ কিৰীলি
সকলোৰে যেন ইয়াৰ পৰা
পৰিত্ৰাণ পাবলৈ হাঁহাকাৰ কৰিছে
মন্দিৰ-নামঘৰত যেন
হাজাৰ হাজাৰ মানুহে
ভিৰ কৰিছে
সকলোৰে যেন কেৱল
নামঘোষাকে আওৰাইছে,
নামঘৰে নামঘৰে বাজি উঠিছে
মাথোঁ শংখ-তালৰ ধ্বনি
সকলোৰে যেন নিঃশব্দ হৈ
ভগৱানৰ নামকে সুঁৱৰিছে
পুনৰ যেন ওভতাই বিচাৰিছে
সেই এৰি অহা সময়খিনি
ওভতাই বিচাৰিছে সৃষ্টিৰ
সেই ৰঙীন ৰংবোৰ। ♦

## আকাশলৈ চিঠি

■ **পূবাঞ্চী দাস**
পঞ্চম শ্ৰেণী

ভাবিলোঁ লিখিম বুলি
আকাশলৈ চিঠি,
যিমান যি প্ৰশ্ন আছে
সকলো সুধিম আজি।
গ্ৰহ, নক্ষত্ৰ তৰাবোৰ বাৰু
ক'ত থাকে লুকাই?
ৰামধেনুখন তুমি বাৰু
ক'ত থোৱা সজাই?
ৰাতি দেখোন তৰাবোৰে
তিৰ্‌বিৰাই থাকে
দিনত হ'লে ক'লৈনো যায়
প্ৰশ্নটোৰ উত্তৰ লাগে।
এনেতে দেউতা আহিল
খঙত জ্বলি-পকি
প্ৰথমে তই স্কুলৰ পাঠবোৰ
ভালকৈ ল-চোন পঢ়ি।
বহুতো ভাবি-গুণি
কৰিলোঁ থিৰাং
ডাঙৰ হ'লে মই এষ্ট্ৰ'নাট হৈ
আকাশৰ বুকুলৈ
যামেই খাটাং। ♦



## ৰঙালীৰ আনন্দ

■ **জ্যোতিষ্মান ডেকা**
পঞ্চম শ্ৰেণী

ফাগুনৰ পছোৱা বতাহে
প্ৰকৃতিক কৰিলে নাঙঠ
চ'তৰ শেষত বাউলী বতাহে
বতৰা আনিলে ব'হাগৰ।
গছৰ ডালত কুলি-কেতেকীয়ে
ইনালে বিনালে
মোৰ মন-প্ৰাণ
নাচি উঠে আনন্দত।
আয়ে দিয়া গামোচাখন
মূৰত মেৰিয়াই
পিতায়ে দিয়া ঢোলটি
কান্ধত ওলোমাই
বিহুলৈ বুলি মই
যাওঁ ওলাই। ♦

## পঢ়াশালি

■ **কৰণজিৎ তালুকদাৰ**
পঞ্চম শ্ৰেণী

আমাৰ পঢ়াশালি অতিকৈ শুৱনি
শিক্ষাৰ পোহৰ বিলায়
ছাৰ-বাইদেৱে আমাৰ
জীৱন উজলায়।
সমনীয়াৰ স'তে কৰোঁ
আমি ৰং-ধেমালি
মাজে-সময়ে ছাৰ-বাইদেউৰ
খাওঁ আমি গালি।
পঢ়াশালিখন হ'ল
আমাৰ দ্বিতীয়খন ঘৰ
য'ত পাওঁ আমি
জ্ঞানৰ পোহৰ। ♦



# প্ৰভাত

■ দিক্ষিতা কলিতা
একাদশ শ্ৰেণী (কলা)

পূব আকাশত সূৰুয ককাই
মুখত ৰহণ সানি
সু-প্ৰভাতত
সকলোকে জনায় আদৰণি
শোৱা পাটী এৰা
হেৰা সমনীয়া
কামত তেজীয়ান হোৱা
সূৰুয ককাইৰ আদৰ্শ ৰাখি
জীৱন গঢ়ি লোৱা।
মনত আমাৰ অসীম সাহস
দুবাহুত আছে বল
শংকৰ-মাধৱে দি থৈ গৈছে
সংস্কৃতিৰ সমল।
জ্যোতি-বিষ্ণু ককাইদেৱে
জ্ঞানৰ প্ৰদীপ দিছে
জীৱন গঢ়াৰ সফল চানেকি
আমাৰ হাততে আছে।
সেয়ে আমি সময় থাকোঁতে
কৰি যাম আমাৰ কাম
সত্যৰ পথত থাকি আমি
ৰাখিম ধৰণীৰ মান। ♦





# খং

■ গাৰ্গী তালুকদাৰ
সপ্তম শ্ৰেণী

খং নকৰিবা কেতিয়াও
খঙেই আনে মানুহৰ মৰণ
খং নকৰিবা কেতিয়াও
খঙেই শেষ কৰে মানুহৰ জীৱন।
খং নকৰিবা কেতিয়াও
খঙেই কাজিয়াৰ মূল
খং নকৰিবা কেতিয়াও
খং কৰায়েই ভুল।
খং নকৰিবা কেতিয়াও
খঙেই আনে বিপদ
খং নকৰিবা কেতিয়াও
খং কৰা নহয় সৎ পথ। ♦

# অতীত

■ পৰিণীতা কলিতা
দ্বাদশ শ্ৰেণী (বিজ্ঞান)

মন যায়
শস্য শ্যামলা
পথাৰ এখনি হৈ
বতাহৰ সৈতে নাচি ফুৰিবলৈ,
চেগুন পাতৰ কুঁহিটিৰ দৰে
ৰঙচুৱা হৈ
জীৱন নামৰ পাতখিলা
ৰঙীন কৰি তুলিবলৈ।
মন যায়
শুকুলা আকাশৰ পৰা নামি অহা
বৰষুণজাকত তিতি
অতীতক ৰোমন্থন কৰিবলৈ।
কিন্তু এই মায়াময় পৃথিৱীত
এৰি থৈ অহা অতীতৰ পাতখিলা
লুটিয়াই চাব পাৰি জানো?
বিভীষিকাময় বানপানীত
উটি যোৱাৰ দৰে
সেই সময়বোৰো বিলীন হৈ গ'ল
অতীতৰ বুকুত।
যাৰ পলস পৰি ৰ'ল
যুগ যুগান্তৰলৈ
আমাৰ মনৰ এটি চুকত। ♦



# পাহাৰৰ বেদনা

■ চুমন দাস
অষ্টম শ্ৰেণী

কোনোবা এক আঁউসী ৰাতি
হঠাৎ শুনিলোঁ
পাহাৰৰ উচুপনি
গভীৰ নিশা
পাহাৰৰ সেউজীয়াখিনিও
হৈ পৰিছিল এঙাৰবুলীয়া।
ধীৰ স্থিৰ গম্ভীৰ
যেন কোনোবা ধ্যানমগ্ন ঋষি
বুকুত যি বহন কৰে
অৰণ্যৰ ভৰ,
প্ৰশস্ত বাহুৰে আৱৰি ৰাখে
ঈশ্বৰৰ সন্তান।
তথাপিও পাহাৰে কান্দে নীৰৱে
বৈ আছে বিষাদৰ নিজৰা
আধুনিকতাৰ আঘাতে যে বিদীৰ্ণ কৰে
পাহাৰৰ প্ৰেমময় হৃদয়।
নিঃশেষ কৰে অৰণ্যৰ সেউজীয়া
এঙাৰ বৰণীয়া পাহাৰত
বিজুলীৰ দীপাৱলী।
অস্তিত্বৰ সংকটত
অসহায় পাহাৰ,
মচিবলৈ হ'বনে কাৰোবাৰ সময়
বিষাদৰ চকুলো,
বুজিবনে কোনোবাই পাহাৰৰ বেদনা
বাট চাওঁ
পুৱাবলৈ সোণালী সময়। ♦



# আই

■ অপৰাজিতা বৰা
শিক্ষয়িত্ৰী, অসমীয়া বিভাগ

আই মোৰ বুকু
কুটেকুটায়
সময় ছিৰাছিৰ
হৈ ৰয়
চকুৰ পানীৰে
অদেখা বাট
কলং হৈ
বয়।
আই মোৰ কঁকাল
কুটেকুটায়
শুই থাক
শুই থাক
অঙহেই মঙহ খায়
কলঙত দলঙা
নাপাতিবি
নাপাতিবি
ঢকুৱাৰ পাতত
কুঁজি মিছা
নধৰিবি
নধৰিবি।
নিৰন্ন সময়
মোৰ
নিৰবধি
নিৰবধি। ♦

# কুঁৱলী

■ **ইনায়া ৰাববানী হক**
ষষ্ঠ শ্রেণী



কুঁৱলীৰ আঁচলত
শেৱালি ফুলিলে
ৰ'দৰ পোহৰত
প্ৰাণ পালে মোৰ জীৱনে।
শীতৰে পৰশৰ
উমান বাঢ়িলে
লিখোঁ মই কবিতা
তোমাৰ নামেৰে।
যাৰ পৰশত
মোৰ শব্দৰ সাগৰত
কবিতাৰ ছন্দই খুন্দিয়াই
এক বিশাল ঢৌৰ সৃষ্টি কৰে।
যাৰ স্নিগ্ধতাই দি যায়
মোৰ মনক
এক অবোধগম্য অনুভূতিৰ
অভ্ৰময়ী প্ৰবাহৰ
চেঁচা শিহৰণ
তাৰেই উমান তুমি... ♦

# আমাৰ কৰ্তব্য

■ **জ্যোতিষ্মান ডেকা**
তৃতীয় শ্ৰেণী

কণ কণ শিশু আমি
খেলা-পঢ়া কাম।
মা-দেউতাৰ কথা শুনিলেহে
আগ বাঢ়ি যাম।
মিছা কথা নকওঁ বুলি
মনত পণ ল'লোঁ
আমাৰ লগৰ সকলোকে
এইদৰেই ক'লোঁ।
শিক্ষাগুৰুৰ কথা মানি
পঢ়াত দিম মন।
পঢ়া-শুনা কৰিলেহে
ডাঙৰ মানুহ হ'ম।
কণ কণ শিশু আমি
সৰল আমাৰ প্ৰাণ।
লিখা-পঢ়া কৰি আমি
ৰাখিম দেশৰ মান। ♦

# চৰাই

■ **জেৰিফা আলম**
ষষ্ঠ শ্ৰেণী

অ' মোৰ সৰু চৰাই !
এই ধুনীয়া চোলাবোৰ ক'ত পায়?
সদায় হাঁহিবা মিচিকিয়াই,
তোমাক দেখি মোৰো উৰিবৰ মন যায়,
ৰাখিম তোমাক বুকুত সোমাই।
কেতিয়াবা পঠাম তোমাক
আধাৰ খুৱাই,
চাই থাকিম তোমাক সদায়।
আজিকালি চৰাইবোৰৰ আশ্ৰয় নাই
সিহঁতে গছ নাকাটিলে বৰ ভাল পায়। ♦

# মোৰ মা

■ **অদ্ৰিতা গগৈ**
তৃতীয় শ্ৰেণী



মোৰ মা
কিমাননো ক'ম তেওঁৰ কথা
দুই হাতেৰে তেওঁ
ইমান কাম কৰে
ভাবিবই নোৱাৰি
এইবোৰ কথা।
উহ্ ! বেমাৰ হৈ থাকিলেও
কিনো ক'বা,
কামৰ লগতে মোক
মৰমো কৰে জানা
কাৰণ তেওঁ মোৰ মা। ♦

# ভৌম

■ পংকজ দত্ত
শিক্ষক, বিজ্ঞান বিভাগ

কৰ্ষণ মানেই হেঁপাহ নহয়
নীল সমুদ্ৰৰ সকলো অসূয়া পান কৰিলেও
থাকি যায় কিছু সামাজিক বিষ
বিষ আৰু বিষহৰি
সুৰ আৰু অসুৰ
তথাস্তু আৰু ভস্ম
একেগৰাকী মাতৃৰ ইকোলা সিকোলা
অমৃত আৰু ছাইৰো থাকে কিছু নিজস্ব অৰ্থ
শ্যামন্তক মণি নিমিত্ত মাত্ৰ

উচিত অনুচিতৰ কাণিমুনি পথেৰে
কান্ধত ভেজা দি আগ বাঢ়ে বাণৰজা
অপ্ৰৱেশ্য কাৰেঙত যোল হাজাৰ সৌন্দৰ্য্যৰ কিৰীলি

বিশ্বাসৰ জখলাৰ শেষ বিন্দু যদি
বিশ্বাসঘাতকতাই হয়
সূৰ্য্যোদয়ক যদি আভুৰা ভাঁৰিবই পাৰি
ওঙ্কাৰ যদি নস্যাতেই হয়
প্ৰাপ্তি ক'ত? নিৰ্বাণ কি?

অপত্য স্নেহৰ মাত্ৰাধিক্যই বিগলিত কৰে
ভূ-দেৱীৰ অভ্যন্তৰ
কঠোৰতা পিতৃত্বৰ আভূষণহে মাত্ৰ
আপাহ আৰাধনাৰ পাৰ্থক্য আছে,
স্বপ্ন দিঠকৰ পাৰ্থক্য আছে,
নিৰ্বন্ধৰ শাব্দিক ওৰ বিচাৰি হাইৰাণ
ভূতল, ভূজল, ভুৱন,
অপসৃয়মান প্ৰজ্ঞাৰ জোলোঙাত বন্দী
সময়, সময়ৰ অজুহাত



ৰূপান্তৰৰ সকলো ৰূপ গ্ৰহণীয় নহয়,
সত্যভমাৰ সত্যৰ মূল্য বহুত
আমঠু মোহৰা মুক্তিৰ অৰ্থ কি?

দুখ, শোক
আপেক্ষিক অনুভূতি মাত্ৰ

মুৰুলীধৰ
নৰক অসুৰ নাছিল ♦

# শাল মাছ উঠা পুখুৰী

■ বিকি কলিতা
পঞ্চম শ্ৰেণী



শাল মাছ উঠা পুখুৰী হ'ল, দৰং জিলাৰ হাজৰিকাপাৰাৰ অন্তৰ্গত। এই পুখুৰীটোৰ নাম অনুসৰি এই পুখুৰীটো শাল মাছ উঠা বুলি জনা যায়। শাল মাছ উঠা পুখুৰীটোৰ এটা কাহিনী আছে। এই পুখুৰীৰ পাৰত গোসাঁইঘৰৰ দেউৰী এজনে কোনো পূজা শেষ হোৱাৰ পাছত মাহ-প্ৰসাদেৰে পৰিপূৰ্ণ এখন থাল পুখুৰীৰ পানী-যুঁৰলিত থৈ দিয়ে। তেনে কৰিলত এযোৰ শাল মাছ পানীৰ ওপৰত ভাহি উঠে। ফিছাখন মাৰি মাৰি সিহঁতে আনন্দ মনেৰে মাহ-প্ৰসাদখিনি খায়। এই দৃশ্য পাৰৰ পৰাই সকলোৱে উপভোগ কৰে। এই মাছবোৰৰ পৰাই পুখুৰীটোৰ নাম শাল মাছ উঠা পুখুৰী হয়গৈ। পুখুৰীৰ উত্তৰ-পূব কোণত হেনো সাজ-বাচনৰ নাও আছিল। গাঁওখনৰ কাৰোবাৰ ঘৰত বিয়া নাইবা সভা আয়োজন কৰিলে যিবোৰ বাচনৰ প্ৰয়োজন হয়, সেই বাচনৰ নামত এগছি চাকি ধূপ-ধূনাৰে আগ বঢ়ায়। পাছদিনাখন সকলো প্ৰয়োজনীয় বাচনেৰে পৰিপূৰ্ণ নাওখন আৰিৰ্ভাৱ হৈছিল। কিন্তু এই বাচনসমূহ পুনৰাই নাওখনত ওভতাই দিয়া হৈছিল। এনেকৈ গাঁৱৰ সকলো মানুহে প্ৰয়োজন অনুসৰি বাচনবোৰ অনা-নিয়া কৰিছিল। কিন্তু এনে পৰিস্থিতিত এদিনাখন কোনো দুষ্ট লোকে নাৱৰ বাচনৰ কিছু পৰিমাণে ৰাখি থোৱাত নাওখন আৰু নোহোৱা হ'ল। ফলত গাঁৱৰ ৰাইজ অসুবিধাত পৰিল। ♦

# তৰা আৰু ভেকুলী

■ ধ্যান অয়ন কাশ্যপ
তৃতীয় শ্ৰেণী

এখন চহৰত এদিন ৰাতি এটা ডাঙৰ তৰা ওলাল। তৰাটোৱে আমন-জিমনকৈ ইফালে-সিফালে চাই আছিল। তৰাটো এনেদৰে থকা এটা ভেকুলীয়ে দেখিলে। সি তৰাটোক সুধিলে, "তৰা, তৰা, তুমি এনেকৈ কি চাই আছা?" তৰাই ক'লে, "ভেকুলী দাইটি, মোৰ এটা অকণমানি তৰা সখী আছিল। তাৰ নাম অখিল। কিন্তু মই কালিৰ পৰা তাক বিচাৰিয়েই পোৱা নাই। সি চাগে' ক'ৰবাত হেৰাই গ'ল। মোৰ বৰ দুখ লাগি আছে।" তেতিয়া ভেকুলীয়ে ক'লে, "হয় নেকি? বৰ বেয়া কথা হ'ল! এই ডাঙৰ আকাশখনত তুমি তোমাৰ অকণমানি সখীক কেনেকৈনো বিচাৰি পাবা?" তেতিয়াই তৰাটোৱে কিছু দূৰৈত অখিলৰ মাত শুনিবলৈ পালে। সি অখিলৰ কাষলৈ দৌৰ দিলে। তাৰ পাছত দুয়ো আনন্দ মনেৰে ভেকুলীক বিদায় জনাই গুচি গ'ল। ♦

# সাহসী ৰিম আৰু ঝিম

■ **পৰিধি প্ৰজ্ঞাৰঞ্জনী**
তৃতীয় শ্ৰেণী

এখন হাবিত ৰিম আৰু ঝিম নামৰ দুটা চৰাই আছিল। ৰিম আৰু ঝিম এজোপা ডাঙৰ গছত বাস কৰিছিল। সিহঁত বহুত আনন্দমনেৰে আছিল। এদিনাখনৰ কথা, ৰিম আৰু ঝিম থকা গছজোপা এজন পাহোৰাল মানুহে কাটি দিলে। সিহঁতৰ থকা ঘৰটো ভাঙি থাকিল। ৰিমে ঝিমক ক'লে, “আমাৰ ঘৰটো ভাঙি পেলালে, আমি এতিয়া কি কৰোঁ, ক'ত থাকিম?” এইবুলি দুয়ো কান্দিবলৈ ধৰিলে। তাৰ পাছত ঝিমে ৰিমক ক'লে, “আমি সেই পাহোৰাল মানুহজনক এটা উচিত শিক্ষা দিব লাগিব, নহ'লে সেই মানুহজনে সকলোৰে ঘৰ ভাঙি দিব।” সেইবুলি ৰিম আৰু ঝিমে এটা বুদ্ধি পাঙিলে। দুয়োৰে সিহঁতৰ সকলো বন্ধুক মাতি একগোট কৰালে। তাৰ পাছত ৰিম আৰু ঝিমে সকলোকে ক'লে, “মোৰ মৰমৰ বন্ধুসকল, আমি এজন পাহোৰাল মানুহক শিক্ষা দিব লাগে। তোমালোকে পাহোৰাল মানুহজনক খুঁটিয়াব লাগে।” সেইবুলি ৰিম আৰু ঝিমে যেনেকৈ ক'লে, বাকী চৰাইবোৰেও সেইদৰেই কৰিলে। তেতিয়া পাহোৰাল মানুহজনক সকলো চৰায়ে মিলি খুঁটিয়াবলৈ ধৰিলে। ভয়ত মানুহজনে তাৰ পৰা পলাই পত্ৰং দিলে। ৰিম আৰু ঝিমে সকলোকে ধন্যবাদ দিলে। দুয়োৰে পাছত ডাঙৰ আমগছ এজোপাত বাহ সাজি আনন্দমনেৰে থাকিল। ♦

# এজনী বুধিয়ক তিৰোতা

■ **ময়ূৰ ডেকা**
ষষ্ঠ শ্ৰেণী



এজন সাধু আছিল। সাধুজনৰ এটা মন্দিৰ আছিল। মন্দিৰটোৰ পিছফালে এটা ঘৰ আছিল। তাত ৰামা নামেৰে এজন মানুহ আছিল। সি সদায় তাৰ ঘৰৰ জাবৰবোৰ মন্দিৰৰ পিছফালে পেলাইছিল। সেইবোৰ দেখি সাধুৰে সদায় ঘৰলৈ দুখ মনে যায় বাবে তেওঁৰ পত্নীয়ে এদিন সুধিলে, “আপুনি সদায় কিয় ইমান দুখ মনেৰে ঘৰলৈ আহে?” তেতিয়া সাধুৰে পত্নীক সকলো কথা ক'লে। কথাখিনি শুনাৰ পাছত সাধুৰ পত্নীয়ে এটা বুদ্ধি পাঙিলে। সাধুৰ পত্নী বুধিয়ক তিৰোতা আছিল। পাছদিনা সাধুৰ পত্নীয়ে নিজৰ লগত গাঁৱৰ বহুকেইগৰাকী তিৰোতা লগত লৈ গৈ মন্দিৰৰ পিছফালৰ জাবৰবোৰ চাফা কৰিলে আৰু তাত গছৰ পুলি ৰুলে। তাৰ পাছত তিৰোতাসকলে ৰামাই আৰু এনেকুৱা কাম কৰিলে শাস্তি দিব বুলি ৰামাক সকীয়নি দি থৈ আহিল। তেতিয়াৰ পৰা ৰামায়ো তেনে কাম নকৰা হ'ল আৰু মন্দিৰৰ চাৰিওকাষ চাফ-চিকুণ হৈ থাকিল। এনেদৰে সকলোৰে সুখেৰে থাকিবলৈ ল'লে। ♦

# বেৰৰ আঁৰৰ ৰহস্যময় সাধু

■ তানিশা শৰ্মা
ষষ্ঠ শ্ৰেণী



কৃষ্ণপুৰ নামৰ এখন গাঁও আছিল। গাঁওখনত ছগৰাকী বন্ধু-বান্ধৱী আছিল। সিহঁতৰ নাম আছিল ৰাতুল, নিতুল, মিতুল, তৰালী, জোনালী আৰু মেঘালী। সিহঁত সদায় পুৰা পথাৰলৈ খেলিবলৈ যায়।

এদিনৰ কথা। খেলৰ মাজতে মেঘালীৰ মনত এটা প্ৰশ্ন উঠিল যে সিহঁতৰ খেলপথাৰৰ ওচৰত এখন বৃহৎ বেৰ আছে। বেৰখনৰ সিফালে কি আছিল কোনেও জনা নাছিল। তেতিয়াই মেঘালীয়ে তৎক্ষণাৎ নিজৰ বন্ধু-বান্ধৱীক মাতি সুধিলে যে সেই বেৰখনৰ পিছফালে কি আছে তোমালোকে জানা নেকি?

তেতিয়া সকলোৱে উত্তৰ দিলে যে সেই বেৰখনৰ পিছফালে কি আছে কোনেও নাজানে। আমাৰ গাঁৱৰ গাঁওবুঢ়াক সোধাত গাঁওবুঢ়ায়ো নাজানো বুলিয়ে কৈছে। এইবোৰ কথা মেঘালীয়ে কিয় সুধিছে বুলি সকলোৱে ক'লে। এনেদৰে এদিন-দুদিনকৈ গৈ থাকিল।

আকৌ এদিন তাইৰ মনলৈ সেই কথাষাৰে আহিল। মেঘালীয়ে তৰালী আৰু জোনালীক ওচৰলৈ মাতি ক'লে যে সেই বেৰখনৰ পিছফালে কিজানি ধুনীয়া বাগিচা আছে! তাইৰ কথাত সকলোৱে হয়ভৰ জনালে। সিহঁতে ঠিক কৰিলে যে পাছদিনা সিহঁতে পথাৰত চাৰি বজাত লগ লাগিব আৰু সুৰংগ খান্দি বেৰ পাৰ হৈ যাব। কথা মতেই সিহঁতে তেনেদৰে সুৰংগ খান্দি বেৰ পাৰ হৈ গ'ল আৰু দেখিলে যে এখন বৰ ধুনীয়া বাগিচা। তাতে এডাল বৰ ডাঙৰ আমৰ গছ আছিল। সিহঁতে শিল মাৰি আম পাৰিলে। এনেদৰে কেইবাদিনো গ'ল। বাগিচাখনৰ লগত থকা ঘৰটো ৰাজমহলৰ নিচিনাই আছিল। তাত থকা সৈনিকসকলে এদিন সিহঁতক মাৰিলে। ল'ৰাকেইটাক আম গছত বান্ধি থ'লে আৰু ছোৱালীকেইজনীয়ে দৌৰি গৈ নিজৰ আৰু ল'ৰাকেইটাৰ মাকক ক'লে। তেতিয়া মাককেইগৰাকীয়ে সৈনিকসকলক ক্ষমা খুজিলে। তেতিয়াৰ পৰা সিহঁতে সেই বাগিচাখনলৈ নোযোৱা হ'ল।

এদিন সৈনিকসকলে সিহঁতৰ ওচৰলৈ গৈ ক'লে তোমালোক আজিকালি বাগিচালৈ নহাৰ বাবে গছৰ পাত-ফুলবোৰ মৰহি গৈছে। সেইবাবে আজিৰ পৰা সদায় তোমালোক বাগিচালৈ খেলিবলৈ আহিব পাৰিবা। তেতিয়াৰ পৰা সিহঁতে বিদ্যালয় ছুটী হোৱাৰ পাছত ঘৰলৈ আহি ভাত-পানী খাই সদায় সন্ধিয়া বেৰৰ আঁৰৰ বাগিচালৈ যায়। ♦

# মিতব্যয়ীৰ মৰণ নাই

■ বিৰিখ শৰ্মাচাৰ্য্য
পঞ্চম শ্ৰেণী



ধামপুৰ নামৰ প্ৰাকৃতিক সৌন্দৰ্য্যেৰে ভৰপূৰ গাঁও এখনত হৰেন আৰু নৰেন নামে দুজন ভাই-ককাই আছিল। তেওঁলোক বৰ দুখীয়া আছিল। তেওঁলোকৰ দেউতাকে মৃত্যুৰ আগতে তেওঁলোকক সদায় কৈছিল যে—"কেতিয়াও অবাবত ধন নষ্ট নকৰিবা। মিতব্যয়ীৰ মৰণ নাই।"

দেউতাকৰ মৃত্যুৰ পাছত নিজৰ নিজৰ সংসাৰ চম্ভালিবলৈ তেওঁলোকক ধনৰ প্ৰয়োজন হ'ল। সেয়ে তেওঁলোক দুয়োজনে আনৰ ঘৰত কাম কৰা আৰম্ভ কৰিলে। এনেদৰে যিখিনি মজুৰি পায় তাৰে তেওঁলোকে নিজৰ পৰিয়ালটো পোহপাল দিয়ে।

হৰেনে দেউতাকৰ কথামতে অতি প্ৰয়োজনীয় পৰিমাণতহে ধন খৰচ কৰে আৰু ৰাহি হোৱাখিনি সাঁচি থয়। তেনেকৈ মিতব্যয়ী হৈ চলাৰ কাৰণে তেওঁৰ আৰ্থিক অৱস্থা কিছু টনকিয়াল হ'ল। কিন্তু নৰেনে খোৱা-বোৱা আৰু লাহ-বিলাহত সকলো পইচা শেষ কৰি পেলায়। পাছলৈ আৰু নাথাকেগৈ। সেইবাবে তেওঁৰ উন্নতি নহ'ল। হৰেন দিনকদিনে ধনী হৈ গৈ থকা দেখি নৰেনৰ লোভ আৰু হিংসা লাগিল। সেয়ে সি হৰেনৰ সম্পত্তি কেনেকৈ সৰকাব পাৰি সেই কথা চিন্তা কৰি দিন-ৰাতি পাৰ কৰিবলৈ ধৰিলে।

এদিন সি হৰেনৰ ঘৰত চুৰ কৰিবলৈ মনতে থিৰাং কৰিলে। সেইদিনা ৰাতি সি আন্ধাৰৰ সুযোগ লৈ নিজৰ মনৰ ইচ্ছা পূৰণ কৰিবলৈ হৰেনৰ ঘৰলৈ ওলাল। তাৰ লগত কোনো ধৰণৰ পোহৰৰ ব্যৱস্থা নাছিল। হৰেনৰ ঘৰৰ কাষতে এটা খাল আছিল। ভালদৰে নেদেখাত সি সেই খালটোতে সোমাই পৰিল আৰু দুখ পাই মৰণ-কাতৰ চিঞৰ মাৰিবলৈ ধৰিলে। চিঞৰ শুনি হৰেনে খকামকাকৈ উঠি কাৰ মাত বুলি ওলাই আহি ইফালে-সিফালে চাওঁতে নৰেনক খালটোত পৰি কেঁকাই থকা দেখা পালে আৰু বহু কষ্ট কৰি তাক উদ্ধাৰ কৰিলে। তেতিয়া নৰেন বৰ অনুতপ্ত হ'ল। তাৰ নিজৰ ওপৰতে লাজ লাগি ভুল স্বীকাৰ কৰি দাদাকক ক্ষমা খুজিলে আৰু ভৱিষ্যতলৈ দেউতাকৰ কথা মতে কাম কৰিব বুলি শপত খালে। ♦



**মেঘনা বেজবৰুৱা**, অংকুৰ শ্ৰেণী



**জাগৃতি ৰাভা শইকীয়া**, অংকুৰ শ্ৰেণী

# চৰাই আৰু পখিলাৰ সাধু

■ ৰশ্মিনন্দা কলিতা
তৃতীয় শ্ৰেণী



এখন হাবিত এটা কাউৰী চৰাইৰ বাহৰ ওচৰত কুলি, ভাটৌ আৰু মইনা নামেৰে তিনিটা চৰাই বাস কৰিছিল। সিহঁত বাস কৰা ঠাইৰ ওচৰতে এটা পখিলাও বাস কৰিছিল। কাউৰীটো তাৰ লগত থকা তিনিওটা চৰাইৰ বন্ধু আছিল। কিন্তু কুলি, ভাটৌ আৰু মইনাৰ সদায় কাজিয়া লাগে আৰু কাউৰীয়ে কাজিয়া ভাঙে। এদিন কাউৰীয়ে এজোপা গছৰ ডালত দুখ মনেৰে বহি আছিল। তেতিয়া গছজোপাৰ তলত থকা ফুলনিখনত পখিলাটোৱে ফুলৰ ৰস খাই আছিল। কাউৰীয়ে দুখ মনেৰে বহি থকা দেখি পখিলাটোৱে সুধিলে—"অ' কাউৰী, তুমি কিয় দুখ মনেৰে বহি আছা?" কাউৰীটোৱে ক'লে, "মোৰ বন্ধু কুলি, ভাটৌ আৰু মইনাই সদায় সৰু কথাতে কাজিয়া লাগি থাকে আৰু মই সদায় কাজিয়া ভাঙো। মই কাজিয়াৰ বিচাৰ কৰোঁতে প্ৰায়ে কুলি জয় হয়। কিন্তু ভাটৌ আৰু মইনা চৰাইৰ জয় নহয় বাবে সিহঁতে ৰাতিৰ আহাৰ গ্ৰহণ নকৰে আৰু ৰাতিটো বেজাৰ মনেৰে কটায়। মই সেইবাবে দুখ মনেৰে আছোঁ।" কাউৰীৰ কথা শুনি পখিলাটোৱে ক'লে, "কালিলৈ মই উপায় এটা ভাবি আহিম। তুমি দুখ কৰিব নালাগে।" কাউৰীয়ে ক'লে, "হ'ব দিয়া, কালিলৈ মই এইখিনি ঠাইলৈ আহিম, তুমিও আহিবা।" পাছদিনা ৰাতিপুৱা কাউৰীয়ে আগদিনা পখিলাৰ সৈতে কথা পতা ঠাইখিনিলৈ গ'ল, পখিলাও আহিল। কাউৰীয়ে ক'লে, "তুমি কি উপায় ভাবিলা?" পখিলাই ক'লে, "তুমি সিহঁত তিনিওটাকে মাতি আনা। মই সকলো কৰিম।" লগে লগে কাউৰীয়ে সিহঁত তিনিওকে মাতি আনিলে। তিনিও আহি আমাক কিয় মাতিছে বুলি পখিলাক সুধিলে।

পখিলাই ক'লে, "তোমালোকে কাজিয়া কৰি থাকা বোলে। আজি তোমালোকৰ এটা পৰীক্ষা ল'ম। এতিয়া তোমালোক তিনিওফালে যোৱা আৰু মোৰ কাৰণে ধুনীয়া ফুল তিনিপাহ আনা।" তিনিও ফুল আনিবলৈ গ'ল। কিন্তু তিনিও অকলে অকলে হাবিৰ বেছি ভিতৰলৈ সোমাই গৈ ফুল আনিব নোৱাৰিলে। ঘূৰি আহি ফুল নোপোৱা বুলি কোৱাত পখিলাই ক'লে, "হয় নেকি? তেনেহ'লে এইবাৰ তিনিওজনী লগ হৈ এফালেই যোৱা।" তিনিওজনী একেলগে বহুত দূৰলৈ গৈ ধুনীয়া ধুনীয়া সৰু-ডাঙৰ ফুল বিচাৰি পাই বৰ সুখী হৈ পখিলাক গৈ ফুলবোৰ দিলে। পখিলাই তেতিয়া ক'লে, "এতিয়া দেখিলা, তিনিও একেলগে ফুল বিচাৰোঁতে ফুল পালানে? ধৰি লোৱা ফুলবোৰ তোমালোকৰ জীৱনৰ সুখ আৰু তোমালোকৰ মিলা-প্ৰীতিয়েই হৈছে জীৱনৰ বাট। ♦

# সহৃদয়তা

■ ৰাগিণী কাশ্যপ
পঞ্চম শ্ৰেণী



“তুমি নিজৰ কলম কিয় লৈ নাহা? মই দিব নোৱাৰোঁ। এই কলম দুটা মোক মা আৰু ককাই দিছে। নিজে কলম আনিব নোৱাৰা? মোক খুজি নাথাকিবা, যি কৰা কৰি থাকা।” জিলমিলে এনেদৰে কোৱাত জোনাকীৰ চকু সেমেকি উঠিল। বৰ বেয়া লাগিল তাইৰ।

আচলতে ৰাতি জোনাকীয়ে তাইৰ কলমটো বেগত ভৰাবলৈ পাহৰি গ'ল। স্কুলত মনত পৰাত জিলমিলক কলম এটা দিবলৈ কোৱাত জিলমিলে বৰ বেয়াকৈ ক'লে। সেইদিনা জোনাকীয়ে নিলিখাকৈ থাকিল। স্কুলত এনেদৰে নিলিখাকৈ থাকি তাই দুখ পালে।

জোনাকীৰ আটাইতকৈ ভাল বান্ধৱী জোনাক জিলমিল। (জিলমিলৰ সম্পূৰ্ণ নাম।) জোনাকীৰ ঘৰত মতা নাম আছিল জোনাক। সৰু থাকোঁতে জোনাকীয়ে মাক-দেউতাকক কৈছিল—“মোক তোমালোকে জোনাক বুলি নামাতিবা। কাৰণ মোৰ বান্ধৱীৰ জিলমিলৰ সম্পূৰ্ণ নাম জোনাক জিলমিল।” মাক-দেউতাকে বহুত ভাবি-চিন্তি তাইক জোনাক বুলি নামাতি জোনাকী বুলি মাতিবলৈ ধৰিলে।

এনেদৰে জোনাকী আৰু জিলমিলৰ বহু স্মৃতি আছে। কিন্তু আজি জোনাকীক জিলমিলে বৰ বেয়াকৈ ক'লে।

কেইদিনমান পাছত স্কুলত জিলমিলে জোনাকীক কান্দি কান্দি ক'লে, “জোনাকী, মোৰ কলমটো হেৰাই গ'ল।”

“ৰ'বা জিলমিল, মই বিচাৰি দিছোঁ।”

কিছু সময় পাছত জোনাকীয়ে জিলমিলক ক'লে, “জিলমিল, মই তোমাৰ কলমটো বিচাৰি পোৱা নাই যদিও মই আজি অনা দুটা কলমৰ এটা কলম তোমাক দিম দেই। তুমি চিন্তা নকৰিবা।”

জিলমিলে জোনাকীৰ চকুলৈ চাই ভাবিলে—“তুমি মোক ক্ষমা কৰি দিবা। তুমিয়ে মোৰ পৰম মিত্ৰ।”

“জিলমিল, তুমি কন্দা এটোপাল চকুপানীয়ে মোক দুখ দিয়ে। সেয়ে তোমাক কলমটো দিলোঁ।”

জিলমিলে জোনাকীক সাবটি ধৰিলে। ♦



**মৃগাংক হাজৰিকা**, অংকুৰ শ্ৰেণী



**মুছকান আফ্ৰিন**, অংকুৰ শ্ৰেণী

# জীয়া শিলে কথা কয়...

■ জিলমিল জোনাক
নৱম শ্ৰেণী

(১)

আজিও আহিছে। বগা চাৰ্ট, ক'লা পেণ্ট পিন্ধা, হাতত বহুতো কাগজ লৈ ফুৰা মানুহকেইজনে আজিও বটগছজোপাৰ তলতে জিৰণি লৈছে। মানুহকেইজন অচিনাকি। আমাৰ গাঁওখন অলপ হাবিতলীয়া। মানুহৰ সংখ্যা তেনেই কম। নতুন মানুহ আহিলে ক'ৰ মানুহ, কি কথা, তেওঁলোকৰ বিষয়ে জানিবলৈ সকলোৰে কৌতূহল জন্মাটো স্বাভাৱিক। গাঁৱৰে গাঁওবুঢ়াকাইয়ো সেইদিনা কথা পতা দেখিছিলোঁ। গাঁওবুঢ়াকাইৰ লগত তেওঁলোকে গাঁওখন অলপ ফুৰিছিল। আজিবা আকৌ কিয় আহিছে !

(২)

এটা তীব্ৰ মাতত মোৰ নিদ্ৰা ভাঙিল। এতিয়া হয়তো দোভাগ নিশা ! দূৰৈত কুকুৰৰ ভুকভুকনি শুনা গৈছে, জিলীৰ চিঁচিঁয়নি মোৰ কাণত পৰিছে। লগতে কাণত পৰিছে এটা তীক্ষ্ণ অথচ চেপা মাত আৰু কাৰোবাৰ উচুপনি। হয়, সেই তীক্ষ্ণ মাতটো মোৰ দেউতাৰে মাত আৰু সেই উচুপনি মোৰ মাৰ। কিন্তু কিয়? এই দোভাগ নিশা তেওঁলোকে কি কথা পাতিছে? দেউতাই চেপি চেপি কোৱা কথাবোৰ অলপ-অচৰপ ময়ো শুনিছোঁ। ৰান্ধনিশালৰ পৰা দেউতাৰ মাত ভাহি আহিছে।

"সিহঁতে ক'লেই নহ'ব নহয় ! পিতায়ে বৰ কষ্টেৰে গঢ়া ঘৰ এইখন। পিতাইৰ সপোনবোৰ এই ভেটিতে পোত খাই আছে। পিতাইৰ চিনস্বৰূপে এই ঘৰটোৱেই আছে মাথোন। এই মাটি-ভেটি এৰি হঠাতে বাৰু কেনি যাওঁ ! দুবেলা-দুমুঠি কোনোমতে আৰ্জি পেট প্ৰৱৰ্তোৱা মানুহ আমি। সাঁচতীয়া টকাকেইটাও সেইদিনা গৰুহাল কিনোতেই গ'ল।"

"মোৰ সাঁচতীয়া টকা কেইটামান আছে। তাৰে কিজানি টাউনতে ঘৰ এটা পাৰেঁই।"—ক্ৰন্দন আৰু আশা মিশ্ৰিত মাৰ এই মাত মোৰ অপৰিচিত।

"পালেও চলিবা কেনেকৈ? টাউনত ঘৰ চলোৱাটো সহজ কথা নহয়।"

"আৰ-তাৰ ঘৰে দুই-এটা কাম কৰি...।"

দিনৰ ভাগৰে মোক হঠাতে হেঁচা মাৰি ধৰিলে। এটা-দুটাকৈ কথাবোৰ অস্পষ্ট হৈ আহিল। চকুলৈ তন্দ্ৰা নামি আহিল। লাহে লাহে মোৰ চকুৰ পতা জাপ খাই আহিল আৰু মই শুই থাকিলোঁ।

(৩)

"মা, আজি বুলুৱে কি কৈছে জানা, আমাৰ গাঁৱত বোলে কিবা বনাব, সেইকাৰণে চৰৱে ঘৰবোৰ ভাঙি দিব। ঘৰবোৰ ভাঙি দিলে আমি ক'ত থাকিম, মা?"

মায়ে মোৰ মূৰ পিহি থকা হাতখন হঠাতে থমকি ৰ'ল। মই মাৰ মুখলৈ চালোঁ, অনবৰতে হাঁহি থকা মাৰ মুখখন এই কেইদিনতে ম্লান পৰিল। তেওঁৰ ভাবলেশহীন মুখখনলৈ মই চাই ৰ'লোঁ, বহুপৰলৈ...

(৪)

পশ্চিম দিশত বেলি ডুব গ'ল। ধীৰে ধীৰে সন্ধিয়া নামি আহিছে। আজি খেলপথাৰখন উকা। এই খেলপথাৰখনতেই আগতে মই, বুলু, মাকন, ভুলু, ৰুমীহঁতে ৰবাবটেঙা এটা লৈ ফুটবল খেলিছিলোঁ। আমাৰ ৰবাবটেঙাটো আজি ফিল্ডৰ এচুকতে পৰি আছে। অকলশৰে। অকল খেলপথাৰখনেই উকা বুলি ক'লে হয়তো ভুল হ'ব। আচলতে গোটেই গাঁওখনেই উকা। মানুহ বুলিবলৈ অকল আমি, বুলু আৰু কেইঘৰমান। সকলো ক'ৰবালৈ গ'লগৈ। মই লাহে লাহে ঘৰৰ ভিতৰলৈ সোমাই গ'লোঁ আৰু মাৰ চাদৰৰ আঁচলত ধৰি ক'লোঁ—

"মা ! মোৰ আজি খেলিবলৈ কোনো সংগই নাই।"

(৫)

মায়ে হেঁচুকি জোকাৰি দিয়াত মই সাৰ পাই উঠিলোঁ। দেউতাই মোক ততাতৈয়াকৈ কোলাত দাঙি বাহিৰলৈ লৈ গ'ল। টোপনিৰ জাল মোৰ চকুত তেতিয়াও আছিল। কি হৈছে উমান পোৱাৰ আগতেই মোৰ আধা মেলখোৱা চকু দুটাৰেই দেখিলোঁ এখন হাতীসদৃশ ডাঙৰ গাড়ীয়ে আমাৰ মৰমৰ ঘৰটোত খুন্দিয়াইছে। নিমিষতে মোৰ টোপনিৰ নিচা উৰি গ'ল। মায়ে হিয়া ঢাকুৰি কান্দিছে আৰু দেউতাই মাথোঁ অসহায়ভাৱে চাই ৰৈছে।

মা ! জীৱনত হয়তো তেওঁ একোৱেই নাপালে। এখন দুখীয়া-নিছলা গাঁৱৰ তেওঁ এগৰাকী সাধাৰণ জীয়ৰী, বোৱাৰী, গৃহিণী আৰু মাতৃ আছিল। আপোন বুলিবলৈ তেওঁৰ এখন ঘৰ আছিল, কিন্তু আজিৰ পৰা সেয়াও নাই। এটা সপোন যেন হঠাতে থানবান হৈ গ'ল। কান্দিছে। তেওঁ আজি বুকু উজাৰি কান্দিছে। কান্দক; কান্দিলেও হয়তো তেওঁৰ দুখৰ ভাৰ নকমিব, কিন্তু বুকুখন অলপ হ'লেওতো পাতলিব !

আৰু দেউতা ! দেউতাই আমাৰ জীৱনলৈ পোহৰ কঢ়িয়াই আনিছিল। দোকমোকালিতে গৰুহাল লৈ ওলাই যোৱা দেউতা বেলি বুৰ যোৱাৰ পাছতহে ঘৰলৈ উভতিছিল। তথাপিও দেউতা কাহানিও ভাগৰি পৰা নাছিল। মায়ে ফুলতোলা গামোচাখনেৰে কপালৰ ঘাম মচি মচি তেওঁ পিৰালিতে বহি মোৰ ফালে চাই মাথোঁ এগিলাছ পানী খুজিছিল আৰু মোৰ মূৰত হাত বুলাই কৈছিল—"মাজনী ! ভালকৈ পঢ়ি-শুনি ডাঙৰ মানুহ হ'ব লাগিব ! আমাৰ গাঁৱৰ নাম উজলাবি তই।" দেউতাৰ চকুত মই তেওঁৰ মোৰ প্ৰতি থকা আশা আৰু বিশ্বাস দেখা পাইছিলোঁ। দেউতাই মোক লৈ বহুত আশা কৰিছিল। মোক লৈ বহুতো আশা থকা মানুহজন আজি নিৰ্বাক। ধুমুহাই তচনচ কৰি থৈ যোৱা এজোপা গছহে যেন তেওঁ ! বিধ্বস্ত অথচ দৃঢ়। অজানিতে দুটোপাল তপত অশ্ৰু মোৰো চকুৰ পৰা নিগৰি আহিল। তাৰ পাছত মযো দেউতাৰ কান্ধত মূৰ গুঁজি, ডিঙিত সাবটি ধৰি সশব্দে কান্দি উঠিলোঁ। দেউতাই মোৰ মূৰত হাত থৈ মোক কোলাৰ পৰা লাহেকৈ নমাই দিলে। মোৰ হাতত তেওঁ লাহেকৈ খামুচি ধৰিলে আৰু কান্ধত এটা বেগ লৈ ভগ্ন ঘৰটোৰ ফালে শেষবাৰলৈ চাই এটা সেৱা কৰি মাৰ ফালে চাই ক'লে—"ব'লা।" মাথোঁ এটা শব্দ আৰু ইয়াৰ লগত জড়িত হৈ আছে বহুতো আৱেগ। কান্দি থকা মায়ে চাদৰৰ আঁচলেৰে চকুলো মচি হাতত এটা বেগ লৈ খুব ধীৰ খোজেৰে আমাৰ ফালে আগ বাঢ়িল। সম্ভৱতঃ তেওঁৰ ভৰি দুখনে আগ বাঢ়িব খোজা নাই। এখোজ দিয়েই যেন থমকি ৰৈছে। হঠাতে মই দৌৰি গৈ চোতালৰ এচুকত পৰি থকা মোৰ কিতাপৰ বেগটো কান্ধত উঠাই ল'লোঁ আৰু হাতত ল'লোঁ মায়ে ৰোৱা বকুলজোপাৰ সতেজ ফুল কেইপাহমান। দৌৰি গৈ মই মাৰ হাতত ধৰিলোঁ আৰু এটি বিষাদপূৰ্ণ হাঁহি মাৰি ক'লোঁ—"মা ! নাকান্দিবা। আকাশত দেখিছানে, সৌৱা কিমান চৰাই ? বৰষুণ দিলেতো এই চৰাইবোৰৰো ঘৰ ভাঙি যায়, সিহঁতেতো আকৌ এটা ঘৰ সাজি লয়। আমিও তেনেকৈ এটা নতুন ঘৰ সাজি ল'ম। য'ত তুমি থাকিবা, মই থাকিম, দেউতা থাকিব আৰু থাকিব এখন নীলা আকাশ আৰু এজাক উৰণীয়া ঘৰমুৱা পখী।"

মায়েও এটি বিষাদপূৰ্ণ হাঁহি মাৰিলে। এনেদৰে আৰম্ভ হ'ল আমাৰ যাত্ৰা। নাজানো এই যাত্ৰাৰ অন্ত ক'ত ? নাজানো আৰু কিমান খলা-বমা অতিক্ৰম কৰিব লাগিব ! নাজানো আৰু কিমান দুখ-কষ্ট পাৰ কৰিব লাগিব। অন্তহীন আমাৰ এই যাত্ৰা। কি নাম দিম আমাৰ এই যাত্ৰাৰ? এক লক্ষ্যহীন যাত্ৰা নে গৃহহাৰা পক্ষীৰ আশ্ৰয় বিচাৰি আৰম্ভ কৰা এক অনিশ্চিত যাত্ৰা ! কিন্তু জানো। ই এক নতুন যাত্ৰা। ♦

# ৰূপে কি কৰে, গুণেহে সংসাৰ তৰে

■ হিমাশ্ৰী বৰ্মন
নৱম শ্ৰেণী



তিনিজনী ছোৱালী। নাম আছিল ৰিম্পী, ডিম্পী আৰু চিম্পী। তিনিও একেলগে একেখন স্কুলত পঢ়ে। ৰিম্পী আৰু ডিম্পীতকৈ চিম্পী অলপ বেলেগ ধৰণৰ আছিল। চিম্পীয়ে বিদ্যালয়খনৰ প্ৰায় সকলো ল'ৰা--ছোৱালীকে বিভিন্ন ধৰণৰ কামত সহায় কৰিছিল। তাই নাচ-গান, পঢ়া-শুনা আদি সকলো দিশতে পাৰ্গত আছিল বাবে বিদ্যালয়খনৰ সকলোৰে তাইক ভাল পাইছিল আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলেও তাইক মৰম কৰিছিল। ৰিম্পী আৰু ডিম্পী পঢ়া-শুনাত সিমান ভাল নাছিল। কিবাকৈ আনৰ পৰা চাই বা নকল কৰিহে প্ৰত্যেক বছৰে পৰীক্ষাত পাছ কৰিছিল। চিম্পী সকলো দিশতে পাৰ্গত আছিল বাবে ৰিম্পী আৰু ডিম্পীয়ে তাইক পেটে পেটে বেয়া পাইছিল। ডিম্পী আৰু ৰিম্পী দুয়োজনী দেখাত বৰ ধুনীয়া আছিল। কিন্তু চিম্পী ধুনীয়া নাছিল। তাইৰ বৰণ ক'লা হ'লেও তাইৰ বহুতো ভাল গুণ আছিল।

এদিনাখন তিনিও স্কুললৈ গৈ থাকোঁতে চিম্পীয়ে ৰিম্পী আৰু ডিম্পীক ক'লে—"আমাৰ মেট্ৰিক পৰীক্ষা আহিবৰে হ'ল। গতিকে আমি নজনা প্ৰশ্নৰ উত্তৰবোৰ ছাৰ-বাইদেউৰ পৰা লিখি ল'ম দিয়া। মোৰ বাকীবোৰ প্ৰস্তুতি শেষ হৈছেই। এই প্ৰশ্নবোৰৰ উত্তৰ পালেই গোটেইখিনি হৈ যাব।" চিম্পীৰ কথাত দুয়োজনীয়ে গুৰুত্ব নিদিলে। সিহঁত স্কুললৈ গ'ল। চিম্পীয়ে নজনা প্ৰশ্নৰ উত্তৰবোৰ শিক্ষকৰ পৰা সুধি শেষ কৰিলে। ৰিম্পী আৰু ডিম্পী কিন্তু শ্ৰেণীত অন্যমনস্ক হৈ কথা পাতি আছিল। তাৰ বাবে শিক্ষকে সিহঁতক বাহিৰত থিয় কৰাই থ'লে। শিক্ষকগৰাকীয়ে ক'লে যে চিম্পীৰ পৰা সিহঁতে কিছুমান কথা শিকা উচিত। ভৱিষ্যতে কামত আহিব। শিক্ষকজনে এনেকৈ কোৱাত চিম্পীৰ প্ৰতি দুয়োজনীৰে খং আৰু হিংসা হৈছিল। কিন্তু একো ক'ব নোৱাৰিলে।

সেইদিনা স্কুল ছুটী হোৱাত তিনিও ঘৰমুৱা হ'ল। বাটতে ডিম্পীয়ে ৰিম্পীক সুধিলে, "আজি মেলা চাবলৈ যাবা নেকি? তাত বোলে হিন্দী চিনেমাও দেখাব।" তাই যাম বুলি ক'লে। সিহঁতে চিম্পীকো লগ ধৰিলে। কিন্তু চিম্পীয়ে নাযাওঁ বুলি ক'লে। পৰীক্ষাৰ সময়ত ঘৰত ভালদৰে পঢ়া-শুনা কৰিব লাগে বুলি চিম্পীয়ে দুয়োকে কোৱাত সিহঁতে তাইক ক'লে, "তুমি আমাক উপদেশ দিব নালাগে। আমি কি কৰিব লাগে, কি কৰিব নালাগে জানো। তুমি এইবোৰ কি বুজিবা? তুমিতো আমাৰ দৰে ধুনীয়া নহয়। আজিৰ দিনত ছোৱালী ধুনীয়া নহ'লে কাম নাই। পঢ়া-শুনাও বেছি দৰকাৰ নাই। গতিকে তোমাৰ দৰে ক'লা আৰু কুৎসিৎ চেহেৰাৰ ছোৱালী আমাৰ লগত নোযোৱাই ভাল।" সিহঁতৰ কথা শুনি চিম্পীৰ মনটো দুখেৰে উপচি পৰিল। তাইৰ চকুলো ওলাই গৈছিল। কাৰণ, আজিলৈ কোনেও তাইক তেনেকৈ ঠাট্টা কৰা নাছিল। চিম্পীৰ কান্দোন দেখি সিহঁত দুয়ো হাঁহি হাঁহি তাৰ পৰা গুচি গ'ল। চিম্পীয়ে ঘৰলৈ গৈ ৰিম্পী আৰু ডিম্পীৰ কথাবোৰ ভাবিলে। সিহঁতে আগতেও যে তাইক কিছুমান কথা

শুনাইছিল, সেই কথাবোৰো চাগে' ঠাট্টাৰ সুৰতে কৈছিল। তাই এতিয়াহে সিহঁতৰ কথাবোৰ বুজি পালে। সেইদিনাৰ পৰা তাই সিহঁতৰ সংগ এৰিলে।

এইদৰে কিছুদিন যোৱাৰ পাছত মেট্ৰিক পৰীক্ষা আৰম্ভ হ'ল। পৰীক্ষাৰ দিনা চিম্পীয়ে নামঘৰত চাকি-বন্তি জ্বলাই মাক-দেউতাকৰ আশীৰ্বাদ লৈ পৰীক্ষা দিবলৈ গ'ল। পৰীক্ষাত চিম্পী, ৰিম্পী আৰু ডিম্পী এটা ৰুমতে পৰিল। প্ৰশ্নকাকত পোৱাৰ লগে লগে চিম্পীয়ে এফালৰ পৰা লিখি গ'ল। কিন্তু ৰিম্পী আৰু ডিম্পীয়ে কলম কামুৰি ইফালে-সিফালে চাই থাকিল। ইতিমধ্যে পৰীক্ষা শেষ হ'ল।

এদিন-দুদিনকৈ দুমাহমান পাৰ হ'ল। আজি মেট্ৰিকৰ ফলাফল ঘোষণা কৰিব। চিম্পী, ৰিম্পী, ডিম্পী আদিকে ধৰি স্কুলৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক সকলো স্কুললৈ গ'ল। চিম্পীৰ মনত কোনো ধৰণৰ ভয় বা চিন্তা নাই। কিন্তু ৰিম্পী আৰু ডিম্পীৰ মনত ভয় ভাব দেখা গৈছে। কিছু সময় পাছতে স্কুলৰ প্ৰধান শিক্ষকজনে ফলাফল ঘোষণা কৰিলে। লগে লগে স্কুল চৌহদত উৎসৱমুখৰ পৰিবেশৰ সৃষ্টি হ'ল। সকলোৰে মুখত কেৱল চিম্পীৰে গুণৰ কথা। কাৰণ চিম্পীয়ে অসমৰ ভিতৰত দ্বিতীয় স্থান লাভ কৰি বিদ্যালয়লৈ সুনাম কঢ়িয়াই আনিছে। ডিম্পী আৰু ৰিম্পী ফেইল কৰিলে। ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী সকলোৱে চিম্পীক নানান উপহাৰ আৰু বয়-বস্তুৰে সম্বৰ্ধনা জনালে। ৰিম্পী আৰু ডিম্পীয়ে এই দৃশ্য আৰু বেছি সময় চাই থাকিব নোৱাৰিলে। দুয়ো কেতিয়া তাৰ পৰা গুচি গ'ল কোনেও গম নাপালে। দুয়ো ঘৰলৈ উভতি আহি কান্দিবলৈ ধৰিলে আৰু নিজৰ ভুল বুজিব পাৰিলে।

পাছদিনা গধূলি সময়ত ৰিম্পী আৰু ডিম্পীয়ে চিম্পীৰ ঘৰলৈ গৈ চিম্পীক ক্ষমা খুজিলে। সিহঁতে চিম্পীক ক'লে, "আমি তোমাৰ কথাত গুৰুত্ব দিয়া নাছিলোঁ। আমি নিজৰ ৰূপক লৈ গৌৰৱ কৰি ঘূৰি ফুৰিছিলোঁ। তোমাক দেখিবলৈ বেয়া বুলি হাঁহিছিলোঁ। কিন্তু আজিহে আমি গম পালোঁ যে আমাৰ ৰূপৰ গৌৰৱৰ বাবে আমি জীৱনৰ এটা বছৰ হেৰুৱাব লগা হ'লোঁ। লগতে তোমাৰ দৰে ভাল বান্ধৱী এগৰাকীকো হেৰুৱালোঁ। গতিকে আজি আমি ভালকৈ উপলব্ধি কৰিছোঁ যে আজিৰ দিনত ৰূপৰ কোনো মূল্য নাই। মানুহে আচল মূল্য অৰ্জন কৰে গুণৰ যোগেদিহে। কথাতে কয় নহয়—'ৰূপে কি কৰে, গুণেহে সংসাৰ তৰে।' সেয়ে আজি আমি তোমাক কথা দিলোঁ যে আজিৰ পৰা আমিও ভালদৰে পঢ়িম আৰু অহাবাৰ পৰীক্ষাত ভাল ৰিজাল্ট কৰি সুনাম কঢ়িয়াই আনিম।"

চিম্পীয়ে ৰিম্পী আৰু ডিম্পীৰ কথা শুনি বৰ সন্তোষ পালে। সিহঁত দুয়োজনীয়ে যে নিজৰ ভুল উপলব্ধি কৰিব পাৰিছে সেয়াই যথেষ্ট। তাই সিহঁত দুয়োজনীকে ভৱিষ্যতে পঢ়া-শুনাৰ ক্ষেত্ৰত সহযোগ কৰিব বুলি কথা দিলে। জীৱনটো সুচিন্তা আৰু সৎ আদৰ্শেৰে নতুনকৈ গঢ়িবলৈ পৰামৰ্শ দি দুয়োজনীক আলিংগন কৰি বিদায় দিলে। ♦



**সুশান্ত কুমাৰ বৈশ্য**, অংকুৰ শ্ৰেণী



**নিশিতা কলিতা**, অংকুৰ শ্ৰেণী

# হেঁপাহৰ ঠাইখন

■ শৌভিক শৰ্মা
ষষ্ঠ শ্ৰেণী

বাপুকণৰ প্ৰিয় ঠাইখন বুলি ক'লে তাৰ মোমায়েকৰ গাঁওখন। বিদ্যালয় বন্ধ হ'লেই মোমায়েকৰ ঘৰলৈ মাকক খাটনি ধৰি হ'লেও যাবই। এক বিশেষ কাৰণত কেইদিনমান থাকিম বুলি বাপুকণ, মাক আৰু ভনীয়েকৰ লগত মোমায়েকৰ ঘৰলৈ ৰাওনা হ'ল। প্ৰায় চাৰি-পাঁচ ঘণ্টামান বাছত যাব লাগে। বাপুকণে বাছত বহি কিমান যে কল্পনা কৰি গ'ল। সন্ধিয়া হওঁ হওঁ হৈছে মোমায়েকৰ ঘৰ পাওঁতে। আইতা অ' আইতা বুলি চিঞৰাত আইতাকে মাত দিলে—অ' বাপু দেখোন। এহ্ তহঁতে মোক খবৰ এটাও নিদিয়াকৈ ওলালিহি যে? ভনীয়েক আৰু সি আইতাকৰ ভৰি চুই সেৱা কৰি "ইচ্ তোমাক কি খবৰ দিব লাগে" বুলি সাবটি ধৰিলে। আইতাকেও মৰমতে দুয়োকে চুমা খাই "তহঁত ভিতৰলৈ যাচোন, মই তুলসীৰ তলত চাকিগছি জ্বলাই দি গৈ আছোঁ" বুলি ক'লে। মাক আৰু ভনীয়েক ভিতৰলৈ গ'ল যদিও বাপুকণে আইতাকৰ ওচৰতে থিয় দি কথা সোধাত ব্যস্ত হৈ পৰিল। আইতাকৰ গা ভালে আছেনে, ছাগলী মুঠ কিমানজনী হ'ল, আম লাগিছেনে, মোৰ বন্ধুকেইজন ঘৰত আছেনে ইত্যাদি ইত্যাদি। আইতাকেও তাৰ উত্তৰ দি গ'ল। "বাপু (আইতাকে মৰমতে তাক 'বাপু' বুলি মাতে) তোৰ লগৰকেইজন আজিকালি নহাই হ'ল অ'। এইবাৰ চ'ত মাহত পকা বেল নিবলৈও নাহিল দেখোন।"

"অ' হয় নেকি? কালিলৈ ৰাতিপুৱা মই অহা বুলি জানিলেই চাবা তোমাৰ চোতাল ভৰি যাব।"

নাতি-নাতিনী দুগৰাকীক পাই আইতাকৰ ব্যস্ততাৰ অন্ত নাই। ৰাতি ভাত-পানী খাই সিহঁত শুই থাকিল। বাপুকণে আইতাকৰ লগত শুলে। আইতাকে তাক স্কুলৰ কথা, পৰীক্ষাত কিমান নম্বৰ পালে আদি



কথা সুধিলে। বাপুকণে আইতাকক সকলো উত্তৰ দি গ'ল যদিও তাৰ কেৱল এটাই চিন্তা, ৰাতিনো কেতিয়া পুৱাব?

পুৱা সাৰ পায়েই একেজাঁপে বিছনাৰ পৰা উঠি বাপুকণে পদূলিমুখলৈ গৈ বাঁহৰ জপনাখন খুলি ৰাস্তাত ভৰি দিয়াৰ লগে লগে সন্মুখৰ ঘৰৰ জোন মামাকে অ' বাপুকণ দেখোন বুলি মাতিবলৈহে পালে, তেনেতে তপনে ঐ দোস্ত তই আহিছ বুলি দৌৰি আহিল। বাপুকণে কালি সন্ধিয়া আহি পাইছোঁ বুলি ক'লে।

"তপন, বাকী বন্ধুবোৰৰ কি খবৰ? এতিয়া আবেলি সময়ত কি খেল খেলি আছ তহঁতে?" বাপুকণৰ কথাৰ উত্তৰ নিদি তপনে তাক সিহঁতৰ গাঁওখনৰ সকলোৰে প্ৰিয় ঠাইখিনিলৈ লৈ গ'ল। যিডোখৰ ঠাইয়ে বাপুকণক অতিকৈ আনন্দ দিয়ে, য'ত খেলিবৰ কাৰণে চহৰৰ পৰা উদ্বাউল হৈ মোমায়েকৰ গাঁওখনলৈ আহে, সি অবাক হৈ 'কি' বুলি চিঞৰি উঠিল। তপন, ইমান ডাঙৰ কৃষ্ণচূড়া গছ দুজোপা কোনে কাটি ধ্বংস কৰিলে? আইতা আৰু তহঁতে কোৱা 'গছৰ গুৰি'ৰ কোনে এই অৱস্থা কৰিলে? এতিয়া তহঁতে খেলিবি ক'ত? মই আহিলে খেলিম ক'ত, গাঁৱৰ মানুহবোৰে গৰমৰ দিনত গামোচা পাৰি শুব ক'ত, ঘাঁহ খাই আহি ছাগলী আৰু গৰুৰ পোৱালিবোৰ জিৰাব ক'ত ইত্যাদি ইত্যাদি কথাবোৰ বাপুকণে একে উশাহতে কৈ পেলালে। সিহঁতৰ শৈশৱৰ ওমলা ঠাইখনৰ এনে অৱস্থা দেখি বাপুকণৰ দুচকু সেমেকি উঠিল। তপনে থোকা-থুকি মাতেৰে ক'লে, দোস্ত ব'হাগৰ 'ভঠেলী'খনো ৰাইজে পাতিব নোৱাৰিলে। তইতো 'ভঠেলী' চাবলৈ আহি বৰ আনন্দ পাইছিলি। অ' তপন, আমাৰ কিতাপত থকা 'ভঠেলী' পাঠটো ছাৰে পঢ়াওঁতে মোৰ যে ইয়াৰ ছবিখন মনত আহি আছিল।

বাৰু তপন, কোনে বাৰু ইয়াত পুখুৰী খান্দিলে কচোন। এইবিলাক বহুত কথা বাপুকণ, মই বুজি নাপাওঁ। তথাপি দেউতাৰ মুখত শুনিছোঁ, আমাৰ গাঁৱৰ গোপী খুৰাৰ মাটি হেনো এইখিনি। দেউতাক থকালৈকে ঠিকে আছিল, কিন্তু তিনি-চাৰিমাহমান হ'ল দেউতাক ঢুকোৱাৰ পাছত খুৰাই চহৰৰ বন্ধু এজনৰ তাত মাটিখিনি বিক্ৰী কৰিলে। মানুহজনে মানুহ লগাই গছ দুজোপা কটাই পুখুৰী খন্দাই আছে। মাছৰ ব্যৱসায় আৰম্ভ কৰিব হেনো। বাপুকণে ডাঙৰকৈ হুমুনিয়াহ এটা কাঢ়ি মোমায়েকৰ ঘৰলৈ গুচি আহিল আৰু তপনেও স্কুলৰ পৰা আহি লগ পাম বুলি কৈ ঘৰলৈ গুচি গ'ল।

অ' বাপু তইনো ক'লৈ গৈছিলি বুলি সোধাত আইতাকক সাবটি ধৰি হুকহুকাই কান্দি দিয়াত আইতাকে বুজি পালে তাৰ হেঁপাহৰ 'গছৰ গুৰি'ৰ যন্ত্ৰণাই তাক বৰ আঘাত দিয়া বুলি। মা ব'লা আমি গুচি যাওঁ। চহৰততো গছ কাটি মানুহে কেৱল ঘৰ সজোৱাতে ব্যস্ত হৈ পৰিছে, এই গাঁওবোৰতো এতিয়া ধ্বংস যজ্ঞ আৰম্ভ হৈছে। তুমি আমাৰ আগত যে কৈ থাকা গাঁৱৰ ছবিখনৰ কথা, কিন্তু মই সৰুৰে পৰা আহি থকা গাঁওখনৰ যেন প্ৰতিবাৰে ৰূপ সলনি হৈ থকাটো দেখিছোঁ।

মাকে বাপুকণক বহুত বুজালে। সি বাৰাণ্ডাৰ বেঞ্চখনত বহি বহু কথাই ভাবিলে। এতিয়া মোমায়েকৰ গাঁৱৰ মানুহবোৰৰ বেছিভাগৰে পদূলিমুখৰ বাঁহৰ জেওৰাই পকী দেৱালৰ ৰূপ ল'লে। খেতি-পথাৰবোৰৰ সেউজীয়া, হালধীয়াৰ ঠাইত ডাঙৰ ডাঙৰ ঘৰ দেখা পোৱা যায়। মানুহবিলাকে গছ কাটিবলৈ আৰম্ভ কৰিছে। বাপুকণৰ অসমীয়া কিতাপত সৰুতে পোৱা 'আমাৰ গাঁও' কবিতাটোলৈ মনত পৰি গ'ল। সি ভাবিলে মানুহবোৰে বাৰু পাহৰি যাব নেকি গ্ৰাম্য সমাজৰ সুন্দৰ অতীত। বাপুকণে দুখৰ হুমুনিয়াহ এটা কাঢ়ি আইতাকৰ ওচৰলৈ উঠি গ'ল। ♦



**তনবিক কলিতা,** অংকুৰ শ্ৰেণী



**স্বস্তিকা বৰা,** অংকুৰ শ্ৰেণী

# গৰমৰ বন্ধৰ ৰং

■ **প্ৰাণৰি ডেকা**
ষষ্ঠ শ্ৰেণী



—অ' মা, এইবাৰ গৰমৰ বন্ধ দিয়াৰ দিনাই আমি মামাহঁতৰ ঘৰলৈ যাম। ৰুণে মাকক ক'লে।

—ৰচোন। হুলস্থূল নকৰিবি। আগতে পৰীক্ষাটো শেষ কৰি ল।

ৰুণে আৰু কিবা ক'বলৈ লওঁতেই মাকে তাইক বাধা দি ক'লে, "মই সকলো বুজিছোঁ, এতিয়া পঢ়গৈ। আৰু মুনকো ক'বি যে তাৰ এতিয়াই খেলিবলৈ হোৱা নাই। দুয়োটাই পঢ়িবলৈ বহগৈ।" মাকৰ কথা পেলোৱাৰতো উপায় নাই, ৰুণ পঢ়িবলৈ বহিল।

পাছদিনা পুৱা মাকে নামাতোঁতেই ৰুণে সাৰ পালে। কিন্তু তাই উঠি যোৱা নাই। বিছনাতে পৰি মোমায়েকহঁতৰ ঘৰলৈ গৈ কি কি কৰিব-নকৰিব সেইবোৰ ভাবি আছে।

—ৰুণ, মুন উঠ, উঠ। আজি তহঁতৰ পৰীক্ষাৰ শেষ দিন। উঠ আকৌ। পলম নকৰিবি। মাকে সিহঁতক জগালে।

—আৰু অকণমান শুবলৈ দিয়ানা।— ৰুণে এনেয়ে ক'লে।

—ঠিক আছে, তহঁতৰ মোমায়েৰহঁতৰ ঘৰলৈ যোৱা প্ৰগ্ৰেমো কেনচেল।—মাকৰ এইষাৰ কথা শুনি ভায়েক মুন আৰু ৰুণ দুয়ো একেজাঁপে বিছনাৰ পৰা নামিল। স্কুললৈ যাবলৈ সিহঁত আনদিনাতকৈ সোনকালেই সাজু হ'ল। আজি পৰীক্ষা শেষ হোৱাৰ লগে লগে গৰমৰ বন্ধও আৰম্ভ হ'ব। আজিয়ে মামাহঁতৰ ঘৰলৈ যাব পৰা হ'লে। ৰুণৰ এইবোৰ কথাই মনলৈ আহি আছিল। কিন্তু কেনেকৈ হ'ব? দেউতাৰতো সময়েই নাই।

—অ' মা, মা। আমি আহিলোঁ। পৰীক্ষা শেষ। পৰীক্ষা ভাল হৈছে। তুমি চিন্তা কৰিব নালাগে। ৰুণে স্কুলৰ পৰা আহি একে উশাহেৰে কথাবোৰ কৈ গ'ল।

—হ'ব বাৰু। যি কৰিছ, কৰিছ আৰু। ভিতৰলৈ গৈ চাচোন কোন আহিছে।—মাকে ক'লে।

—ইয়ে, ডাঙৰ মামা ! তুমি কেতিয়া আহিলা? আনন্দিত আৰু আচৰিত হৈ ৰুণৰ মাতটো ডাঙৰকৈয়ে ওলাল।

—মামাই ক'লে যে তোমালোকে আমাৰ ঘৰলৈ যোৱাৰ প্লেন কৰি আছা। সেয়ে ছাৰপ্ৰাইজ দিবলৈ মই আহিলোঁ। এতিয়া তোমালোক সোনকালে সাজু হোৱা।

ৰুণহঁতৰ মোমায়েকৰ ঘৰলৈ প্ৰায় এঘণ্টাৰ বাট। যাওঁতে গাড়ীত ৰুণ আৰু মুনে হুলস্থূল কৰি তালৈ গৈ কি কৰিব মোমায়েকক কৈ থাকিল। মোমায়েকৰ মুখতে

সিহঁতে গম পালে যে মোমায়েকৰ ল'ৰা ধন দাদা আৰু ছোৱালী মুনমীৰ পিছবেলাহে পৰীক্ষা আছে। সিহঁত ঘৰলৈ ওভতোঁতে বেলি লহিয়াবই।

—তেনেহ'লে আমি এবেলাটো কি কৰি থাকিম? মুনে লগে লগে মাত দিলে।

—ৰচোন, আমনি নকৰিবি। কিবা এটা কৰিব লাগিব।—ৰুণে ক'লে।

—মামা, তোমালোকৰ টিভিটোত কাৰ্টুন চেনেলবোৰ আছেনে? মুনমীয়ে আকৌ প'গ'হে চায় ন। তুমি ওলাই গ'লে তোমাৰ ফোনটো আমাক দি যাব পাৰিবা নেকি? মুনৰ অন্তহীন প্ৰশ্ন।

গৈ পাই দুয়ো হুলস্থূল কৰিয়ে নামিল। সন্মুখৰ বাৰাণ্ডাতে আৰামী চকীখনত ককাক বহি আছে। ককাক অলপ অসুস্থ, কি জানো হৈছে, মাজে মাজে হাস্পতাললৈ নিয়েই থাকিব লাগে।

হাত-মুখ ধুই, চাহ-জলপান খাই আহি ৰুণে বাহিৰলৈ ওলাই দেখিলে যে ককাকে তেতিয়াও তেনেকৈয়ে বহি আছে। গাটো বেয়া কাৰণেই নেকি ককাকৰ মনটোও মৰা। ৰুণৰ বৰ বেয়া লাগিল। তাই লৰালৰিকৈ ভিতৰলৈ গৈ মুনক মাতি আনিলে। তাৰ কাণে কাণে কিবা এটা ক'লে। সি প্ৰথমতে মান্তি হোৱা নাছিল যদিও বায়েকৰ কথা পেলাব নোৱাৰিলে। দুয়ো সৰু টুল দুখন আনি ককাকৰ ওচৰতে বহিল আৰু ইটো-সিটো কথা পাতিবলৈ ধৰিলে। হঠাতে মুনে ক'বলৈ ধৰিলে—ককা, চোৱাচোন ধন দাদা আৰু মুনমীও নাই, আমি যে ব'ৰ হৈ গৈছোঁ। কি কৰোঁ কোৱাচোন?

ককাকে দুৰ্বল মাতেৰে ক'লে—"সিহঁত পাবহিয়ে নহয়। অলপ সময় কিবাকিবি খেল আৰু নিজৰ মাজতে।"

—নাই নহ'ব। তুমিয়ে আমাৰ লগত খেলিব লাগিব।

—হেৰৌ, মোক দেখিছই দেখোন। মই বুঢ়া মানুহটোৱে কেনেকৈ তহঁতৰ লগত খেলিব পাৰিম অ'?

—নাই হোৱা তুমি বুঢ়া। আহ ৰুণ বা', আমি ষ্টাৰ্ট কৰোঁ। কথাষাৰ কৈয়ে টিক-টেক-ট' ব'ৰ্ডখন উলিয়ালে।

—অ' আজিকালি এইটো খেলৰ এনেকুৱা ব'ৰ্ড পোৱা হ'ল নেকি? কটাকটি খেলটো আগতে আমি কাগজত লিখি ক'লা কচু আৰু বগা কচুৰ ঠাৰিৰেহে খেলিছিলোঁ। ককাকে ক'লে।

—অ' তাৰ মানে তুমি জানা। তেন্তে প্ৰথমতে তুমি আৰু ময়ে খেলিম। ৰুণবাই হিচাপ ৰাখিব—মুনে আৰম্ভ কৰিলে।

ককাকৰ মুখখন লগে লগে পোহৰ হৈ পৰিল। মানুহজনে আনন্দ মনেৰে মুনৰ লগত কটাকটি খেলাত ব্যস্ত হৈ পৰিল। হাঁহি-ধেমালিৰে কেনেকৈ এঘণ্টা পাৰ হ'ল, কোনেও গমেই নাপালে। ককাকৰ মনটোত যে এনেকৈয়ে সিহঁতে অলপ আনন্দ দিব পাৰিলে সেইটো ভাবি ডাৱৰ ফালি ওলাই অহা বেলিটোৰ দৰেই ৰুণৰ মুখখন উজলি উঠিল। তাইৰ বৰ ৰং লাগিল। তাই কিছু সময় বিভোৰ হৈ থকা দেখি মুনে মনে মনে আহি হঠাতে চিঞৰি তাইক চঁক খুৱাই দিলে। মুনে বাৰু কথাটো উপলব্ধি কৰিব পাৰিলেনে? ♦



**জিষ্ণু গোস্বামী**, প্ৰাক্-প্ৰাথমিক শ্ৰেণী



**অনুশিখা দেৱী**, অংকুৰ শ্ৰেণী

# উপলব্ধি

■ জিতাক্ষৰ চক্ৰৱৰ্তী
চতুৰ্থ শ্ৰেণী

"ঐ জোন, আজি স্কুল আছে বুলি পাহৰি গ'লি নেকি? ইমান দেৰিলৈকে কিয় শুই আছ, উঠ।" মাকৰ গালি শুনি জোন বিছনাখনতে উঠি বহিল। "অ' মা, ইমান দেৰি কেনেকৈ হ'ল? স্কুললৈ গৈ পামনে নাই? ৭ বাজিবৰে হ'ল দেখোন!" "সেই কাৰণেইতো মাতি আছোঁ তোক। যা, এতিয়া সোনকালে মুখখন ধুই গা-পা ধো আৰু ভাত খা।" মাকৰ কথা শুনি জোনে ভাবিলে, বাপৰে বাপ। আজি মানে পঢ়িবলৈও সময় নাই। এইবুলি ভাবি জোনে বিছনাৰ পৰা একেজাঁপে উঠি ব্ৰাছডাল মুখত লৈ ৰাস্তালৈ ওলাই গ'ল। ব্ৰাছ কৰি কৰি ৰাস্তাটোৰ পৰা এপাক ফুৰি আহি মুখখন ধুই জোনে মাকক মাতিলে—"অ' মা, গীজাৰৰ ছুইচটো অন কৰি দিয়া।"

"ৰচোন অলপ সময়।"

"সোনকালে আহা। মোৰ সদায় তোমাৰ কাৰণে দেৰি হৈ যায়।" জোনৰ কথা শুনি মাকৰ টিঙিচকৈ খংটো উঠি গ'ল। "জোন, আজি ৰাতিপুৱা কোন দেৰিকৈ উঠিছিল হা? অলপ সময় ৰ'ব নোৱাৰ নেকি?" এইবুলি কৈ মাকে আহি গীজাৰৰ ছুইচটো অন কৰি দিলে। গা-পা ধুই, খাই-বৈ উঠি জোনে মাকক মাতিলে, "অ' মা, মোক বাছৰ ভাৰা দিয়া।"

"হো ল, এইটো, বিছ টকা। বেলেগ বস্তু কিনি নাখাবি কিন্তু।"

"হ'ব দিয়া।" বুলি কৈ জোনে দৰ্জাখন খুলি জোতাযোৰ পিন্ধি বাছ আস্থানলৈ গৈ বাছত উঠিলে। বাছৰ ছিটটোত সি বহিছে মাত্ৰ, এনেতে তাৰ মনত পৰিল—আজি ইংৰাজীৰ বাইদেৱে প্ৰত্যেককে ইংৰাজী কবিতাটো মুখস্থ কৰি আহিবলৈ কৈছিল। ইংৰাজীৰ বাইদেউগৰাকী বহুত কাঢ়া। সিতো ইংৰাজী কবিতাটো মুখস্থ কৰা নাই। মুখস্থ নকৰিলে বাইদেৱে মাতি আনি...। সি আৰু ভাবিব নোৱাৰিলে। সি বেগৰ পৰা ইংৰাজী কিতাপখন উলিয়াই কবিতাটো মুখস্থ কৰিবলৈ ধৰিলে।

চান্দমাৰি, অনুৰাধা, নুনমাটি। নামি আছে, নামি আছে...। উস্ ইমান হুলস্থূল ! উপায় নাই। বাইদেউৰ গালি ভালকৈয়ে খাব লাগিব—জোনে ভাবিলে। টং টং টং টং। ২০ মিনিটৰ বিৰতি শেষ। জোনে ক্লাছৰুমত সোমাই দেখিলে যে ডেস্কত তাৰ ইংৰাজী কিতাপখন থোৱা আছে। তাৰ বুকুখন হমককৈ উঠিল। তেনেতে ক্লাছলৈ ইংৰাজীৰ বাইদেউগৰাকী সোমাই আহিল। বাইদেৱে ক্লাছলৈ সোমায়েই ক'লে, "সকলোৱে ইংৰাজী কবিতাটো মুখস্থ হৈছেনে? আহা, এজন এজনকৈ সকলো উঠি আহি কবিতাটো মুখস্থ দিয়া।" বাইদেউৰ কথামতে ৰোল নং অনুসৰি সকলো উঠি আহি কবিতাটো মুখস্থ দিলে। "ৰোল নং ২০।" এইবাৰ জোন উঠি আহিল। তাৰ বুকুখন ধপধপাবলৈ ধৰিলে। "জোন মাতা। কিয় নিমাত হৈ আছা? বুজিছোঁ, তুমি কবিতাটো মুখস্থ কৰা নাই হয়নে?"

"হ...হ...হয় বাইদেউ।" কঁপা কঁপা মাতেৰে জোনে উত্তৰ দিলে। জোন, তুমি কিয় মুখস্থ কৰা নাই হা? যোৱা এতিয়াই বাহিৰত গৈ কাণত ধৰা।" জোনে ভাবিলে—উস্ ৰক্ষা। ভবা মতে শাস্তিটো সিমান ডাঙৰ নহ'ল। টং টং টং। স্কুল ছুটী হ'ল। জোনে ঘৰলৈ গৈ মাকক ক'লে, "মা ভাত দিয়া। ভোক লাগিছে।" "দি আছোঁ ৰ।" এনেতে মাকৰ ম'বাইলটোত এটা মেছেজ আহিল। মাকে ম'বাইলটো অন কৰি দেখিলে যে জোনহঁতৰ স্কুলৰ ইংৰাজীৰ বাইদেউগৰাকীয়ে মেছেজ এটা দিছে। মেছেজটো এনে ধৰণৰ—"আজি মই জোনহঁতক ইংৰাজীৰ কবিতা এটা মুখস্থ কৰি আহিবলৈ দিছিলোঁ। সকলোৱে মুখস্থ দিলে কিন্তু জোনে নিদিলে।..." মাকে আৰু পঢ়িব নোৱাৰিলে। মাকে জোনক পাৰেমানে বকিলে। জোনে বুজিলে যে মাকক মিছা কৈ লাভ নাই আৰু মাকৰ পৰা কথা লুকুৱাইও লাভ নাই। মাকে সকলো গম পাবই। গতিকে মাকৰ কথামতে সময়ৰ কাম সময়ত কৰাই ভাল। অইন দিনাতকৈ সোনকালে আজি জোনে ভাত খোৱা শেষ কৰিলে আৰু জিৰণি ল'বলৈ গ'ল। ♦

# ল'ৰালিৰ গল্প

■ মূল : ছেলেবেলার গল্প (বাংলা)
**শৰৎ চন্দ্ৰ চট্টোপাধ্যায়**

■ অনুবাদ : ডলী চৌধুৰী
শিক্ষয়িত্ৰী, ইংৰাজী বিভাগ



ল'ৰালি কালত মোৰ এজন বন্ধু আছিল 'লালু'। প্ৰায় ৫০ বছৰমান আগৰ কথা। এখন সৰু বঙালী স্কুলৰ একে শ্ৰেণীতে পঢ়িছিলোঁ লালু আৰু মই। বয়স, এই ধৰক ১০ বা ১১। লালুৰ মগজুত কত যে বুদ্ধি, কত কৌশল ! মানুহক ভয় খুৱাই বৰ ৰস পাইছিল সি। এবাৰ সি তাৰ মাকক ৰবৰৰ সাপ এডাল দেখুৱাই ইমান বিপদত পেলাইছিল যে মানুহগৰাকী ভৰি মোচোকা খাই প্ৰায় সাত-আঠদিনমান খোৰাই খোৰাই চলিব লগাত পৰিছিল। খং উঠি মাকে কৈছিল তাক এজন মাষ্টৰ ঠিক কৰি দিব লাগে। সন্ধ্যাবেলা আহি পঢ়াব বহালে আৰু এইবিলাক অতপালি কৰিবলৈ সি সময় নাপাব।

তেওঁৰ কথাত লালুৰ দেউতাকে ক'লে, "কোনো দৰকাৰ নাই। ময়ো কাহানিও ঘৰুৱা শিক্ষকৰ সহায় লোৱা নাছিলোঁ। নিজৰ চেষ্টাত, অনেক দুখ-কষ্ট সহি লেখা-পঢ়া কৰি আজি এজন ডাঙৰ উকীল হ'ব পাৰিছোঁ। ল'ৰাইও তেনেকৈয়ে ডাঙৰ মানুহ হোৱাটো মই বিচাৰোঁ।" অৱশ্যে যি বছৰ সি পৰীক্ষাত শ্ৰেণীটোৰ ভিতৰত প্ৰথম স্থান লাভ কৰিবলৈ সক্ষম নহ'ব, সেই বছৰেই লালুক গৃহ শিক্ষক এজন ঠিক কৰি দিয়া হ'ব বুলিও তেওঁ লালুৰ মাকক অভয় দিলে। গতিকে গৃহ শিক্ষকৰ কবলৰ পৰা লালুৰ পৰিত্ৰাণ ঘটিল। কিন্তু লালুৰ মাকৰ মনত বহুতো পৰিকল্পনা চলি থাকিল। তেওঁ বিশ্বাস কৰে যে উদণ্ড ল'ৰাৰ বাবে ঘৰলৈ মাষ্টৰ অহা আৰু পুলিচ অহা সমান।

লালুৰ দেউতাক বৰ ধনী মানুহ। আজি কিছু বছৰ আগেয়ে পুৰণি ঘৰটো ভাঙি ডাঙৰকৈ অট্টালিকা সজাইছে। তেতিয়াৰ পৰা লালুৰ মাকৰ মনত এক আশা, এবাৰ যেনে-তেনে ফৰিদপুৰ নিবাসী তেওঁৰ এজন পূজনীয় গুৰুক গৃহলৈ আনি তেওঁৰ পদধূলাৰে নতুন গৃহটি পবিত্ৰ কৰা। ফৰিদপুৰ বহু দূৰ। পাছে এইবাৰ যেন এক সোণালী সুযোগ। তেওঁৰ গুৰুদেৱ স্মৃতিৰত্ন সূৰ্য্যগ্ৰহণ উপলক্ষে কাশীলৈ আহিছে। তাৰ পৰাই তেওঁ চিঠিৰে জনাইছে যে ঘৰলৈ ওভতাৰ বাটত এবাৰ নন্দৰাণীক (লালুৰ মাক) তেওঁ আশীৰ্বাদ কৰি যাব বিচাৰে। লালুৰ মাকৰ আনন্দৰ সীমা নোহোৱা হ'ল। গুৰুক আদৰিবলৈ বিশাল আয়োজন চলিল। ইমানদিনৰ মনোবাঞ্ছা পূৰণ হোৱাৰ আনন্দত তেওঁ ক'ব নোৱৰা হ'ল। এইবাৰ তেওঁৰ এই নতুন গৃহটি পবিত্ৰ হ'ব। তলৰ মহলাত গুৰুৰ বাবে এটা সুন্দৰ কোঠাত এখন নতুন বিছনা পতা হ'ল। কোমল তুলী, মোলায়েম বিছনা চাদৰ, সুকোমল গাঁৰুৰে গুৰুৰ বাবে শয্যা তৈয়াৰ কৰা হ'ল। কোঠাটোৰ একাষে দৈনিক পূজাৰ বাবে যাৱতীয় যা-যোগাৰ কৰা হ'ল, কিয়নো তিনি তলাৰ ওপৰৰ মন্দিৰ গৃহলৈ চিৰি বগাই যাবলৈ গুৰুৰ অসুবিধাও হ'ব পাৰে।

দুই-এদিন পাছতেই গুৰুৰ আগমন ঘটিল। লগতে আগমন ঘটিল প্ৰচুৰ বৃষ্টিৰ। বতাহ-বৰষুণ, আকাশ ছানি ধৰা ক'লা মেঘৰ যেন ওৰকেই নপৰিব। কি যে দুৰ্য্যোগ !

ইফালে মিঠাই-পায়স প্ৰস্তুত কৰি, ফল-মূলৰ যোগাৰ কৰি লালুৰ মাকৰ উশাহ ল'বলৈও আহৰি নোহোৱা অৱস্থা। তাৰ মাজতেই এবাৰ আহি গুৰুৰ বাবে নিৰ্দিষ্ট কৰি থোৱা বিছনাখন ভালদৰে সজাই-পৰাই থৈ গ'ল। আঁঠুৱাখন তৰি ভালদৰে চাৰিওকাষ তুলীৰ তলত গুঁজি দি আহিলগৈ। ইফালে গুৰুৱে আহাৰ গ্ৰহণ কৰিলে, বহুপৰ কথা-বতৰা পাতিলে আৰু শেষত ক্লান্ত-শ্ৰান্ত গুৰুদেৱ শুবলৈ বুলি বিছনালৈ গ'ল। সুকোমল বিছনাত বাগৰ দিয়েই তেওঁৰ মন ভৰি পৰিল। নন্দৰাণীক হিয়া উজাৰি মনে মনে আশীৰ্বাদ দিলে। তেওঁৰ টোপনি আহিল।

কিন্তু গভীৰ ৰাতি গুৰুৰ অকস্মাৎ টোপনি ভাঙি গ'ল। টোপ টোপকৈ তেওঁৰ পেটত পানী পৰিছে। কি শীতল সেই পানী ! খৰধৰকৈ বিছনাৰ পৰা নামি তেওঁ পেটটো মচি ল'লে। তেওঁ ভাবিলে, নতুন ঘৰ যদিও পশ্চিমৰ কাঢ়া ৰ'দ পাই ছাদত ফাট মেলিছে। বিছনাখন ঠেলি অলপ স্থান সলাই তেওঁ শুবলৈ যত্ন কৰিলে। আধা মিনিট নহ'লেই ! আকৌ টোপ টোপ পানী ! ঠিক পেটতেই পৰিল এইবাৰো। স্মৃতিৰত্ন আকৌ উঠিল, আকৌ বিছনাখনৰ স্থানৰ অলপ সালসলনি কৰি ল'লে। ভাবিলে, দেহি ! নৱনিৰ্মিত ঘৰটোৰচোন বৰ দুখ লগা অৱস্থা হ'ল। গোটেই ছাদখনৰ ঠায়ে ঠায়ে ফাট ! ইচ ইচ ইচ... এইবুলি ভালেকেইবাৰ তেওঁ বিছনাখন টনাটনি কৰিব লগাত পৰিল। শুবলৈ ল'লেই পেটৰ ওপৰত টোপ টোপ পানী পৰে। কেনে বিড়ম্বনা ! লাহে লাহে বিছনাৰ কানি-কাপোৰো তিতি তথৈবচ অৱস্থা হ'ল। এই তিতা বিছনাত আৰু শুব পৰা নাযায়। স্মৃতিৰত্ন বিপদত পৰিল। বয়সস্থ মানুহ, অজানা ঠাই। দুৱাৰ খুলি বাহিৰলৈ যাবলৈও ভয়। আনহাতে কোঠাটোৰ ভিতৰত থকাটোও বিপজ্জনক। যদি ছাদখন ভাঙি আহি মূৰত পৰে। ভয়ে ভয়ে দুৱাৰ খুলি তেওঁ বাহিৰলৈ ওলাল। বাহিৰৰ বাৰাণ্ডাত লণ্ঠন এটা জ্বলি আছে যদিও ঘোৰ অন্ধকাৰ। কেওঁ কিছু নাই আশে-পাশে।

বাহিৰত বতাহ-বৰষুণ। চাকৰ-বাকৰ বা ক'ত শোৱে? একোতো নাজানে। তথাপি এবাৰ মাত দিলে গল হেকাৰি মাৰি। নাই। কাৰো সাৰ-সুৰ নাই। এনেহেন বৰ্ষাসিক্ত নিশা। সকলো চাগে' ভাগে ভাগে সুখনিদ্ৰাত। একাষে এখন বেঞ্চ আছিল। লালুৰ দেউতাকৰ ওচৰলৈ দুখীয়া মক্কেল আহিলে তাতেই বহে। গুৰুদেৱ অগত্যা তাতেই বহিল। আত্মমৰ্য্যাদা যথেষ্টখিনি লাঘৱ হোৱা যেন অনুভৱ হ'ল তেওঁৰ। কিন্তু উপায় কি? উত্তৰ দিশৰ বতাহে কঢ়িয়াই অনা বৰষুণৰ ছিটিকনি গাত পৰি তেওঁৰ গোটেই গাত সিৰসিৰণি তুলিলে। বেঞ্চখনত যথাসম্ভৱ আৰামেৰে বহিবলৈ যত্ন কৰিলে তেওঁ। দেহ-মন অৱশ হৈ আহিল। মনৰ তিক্ততা, টোপনি-গধুৰ চকুৰ পতা, অনভ্যস্ত গুৰু-ভোজন, ইমান ৰাতিলৈ জাগি থকা, এই আটাইবোৰ মিলি তেখেতৰ গাটো ভাল নলগা হৈ আহিল লাহে লাহে। হঠাৎ আন এক নতুন সমস্যাই দেখা দিলে। দুই-এক ডাঙৰ ডাঙৰ মহে কাণৰ কাষত গীত জুৰিব ধৰিলে। প্ৰথমে কথাটোত গুৰুত্ব দিব নুখুজিলেও তেওঁ জানিব পাৰিলে সংখ্যাত ইহঁতো তাকৰ নহয়। এই দস্যুবাহিনীক উপেক্ষা কৰা যায় কিদৰে ! হাত-ভৰি জোকাৰি, হাতত থকা গামোচাখনেৰে কোবাই কোবাইও সিহঁতক প্ৰতিহত কৰাটো প্ৰায় অসম্ভৱ যেন লাগিল গুৰুজনাৰ। তেওঁ সেই স্থানৰ পৰা আঁতৰি আহিল। লগে লগে মহবাহিনী। কোঠাৰ ভিতৰত যেনেদৰে পানীৰ টোপালে তেওঁৰ লগ এৰা নাছিল, বাহিৰত মহবাহিনীয়েও তেওঁৰ লগ নেৰা হ'ল। নিস্তাৰ পাবলৈ তেওঁ বাৰাণ্ডাখনত পায়চাৰি কৰাত লাগিল। তেওঁ ঘামিব ধৰিলে। ভাবিলে এবাৰ ডাঙৰকৈ চিঞৰি মানুহ মাতিব নেকি? কিন্তু বৰ লাজৰ কথা হ'ব বুলি এই কামৰ পৰা তেওঁ বিৰত থাকিল। যি সময়ত ঘৰৰ সকলো মানুহ শান্তিত শুই আছিল, তেওঁৰ যি অবৰ্ণনীয় কষ্ট আৰু লটি-ঘটি হ'ল ভাবিলে কিবা লাগে। ক'ৰবাৰ দূৰৈৰ ঘড়ীত পুৱা চাৰি বজাৰ সংকেত ভাহি আহিল। "কামোৰ বেটা, যিমান পাৰ কামোৰ। মই আৰু নোৱাৰিছোঁ" বুলি বাৰাণ্ডাৰ এচুকত তেওঁ বহি দিলে। ভাবিলে, "যদি পুৱালৈ প্ৰাণটো বাচে, এই ঠাইলৈ আৰু ভুলতেও নাহোঁ। প্ৰথম গাড়ীখনতেই ঘৰলৈ ঘূৰি যাম।" চাওঁতে চাওঁতে তেওঁ গভীৰ নিদ্ৰাত পৰিল, আৰু প্ৰায় অচেতন হ'ল।

ইফালে নন্দৰাণী ৰাতি নৌপুৱাওঁতেই উঠিল।

গুৰুদেৱৰ পৰিচৰ্য্যাৰ কথা আছে। কালি ৰাতি নামমাত্ৰ যোগাৰেৰেই তেওঁক আপ্যায়িত কৰা হ'ল। এতিয়া আজি দিনৰ ভাগত অলপ ভালকৈ এসাঁজ ৰান্ধি-বাঢ়ি গুৰুৰ সেৱা কৰিব লাগিব। তললৈ নামি আহি দেখে গুৰুৰ কোঠাৰ দুৱাৰ খোলা। গুৰুদেৱ আগতেই শোৱাপাটী এৰা বুলি অলপ লজ্জিত হ'ল তেওঁ। ভিতৰলৈ চাই দেখে গুৰু দেখোন নাই। কিন্তু ই কি ! দক্ষিণৰ বিছনা উত্তৰত, কাপোৰৰ মোনাখন মজিয়াত। পূজা আহ্নিকৰ বস্তু-বাহানি বিশৃংখলভাৱে অ'ত-ত'ত পৰি আছে। একো বুজিব নোৱাৰি বাহিৰলৈ ওলাই চাকৰ-বাকৰক মাতিলে। সিহঁত তেতিয়াও উঠাই নাই। তেনেহ'লে গুৰুদেৱ গ'ল ক'লৈ? কিন্তু হঠাৎ তেওঁৰ চকু পৰিল, এয়া কি? এটা কোণত আধা পোহৰ আধা আন্ধাৰত মানুহৰ এটা অৱয়ব। বুকুত সাহস বান্ধি অলপ আগুৱাই গৈ হালি চাই দেখে এয়া যে গুৰুদেৱ ! অজান আশংকাত চিঞৰি উঠিল তেওঁ, "গুৰুদেৱ, গুৰুদেৱ !"

টোপনি ভাঙিলত চকু মেলি চাই নন্দৰাণীক দেখিলে গুৰু স্মৃতিৰত্নই। লাহে লাহে আঁউজি বহিল তেওঁ। নন্দৰাণীয়ে দুখ, ভয়, বেদনা, লজ্জাত কান্দি কান্দি সুধিলে, "গুৰুদেৱ আপুনি ইয়াত কিয়?"

"গোটেই নিশা মোৰ দুখৰ পাৰ নাছিল অ' আই !"

"কিয়, কি হ'ল দেউ?"

"নতুন গৃহ নিৰ্মাণ কৰিছ, কিন্তু মূৰৰ ওপৰৰ ছাদখনৰ গাঁথনি বেয়া হ'ল অ' আই। ওৰে নিশা বতাহ-বৰষুণৰ টোপাল বাহিৰত নপৰি সব মোৰ গায়ে-মূৰেহে পৰিছে বুজিছ? খাটখন টনাটনি কৰি যিফালেই যাওঁ সিফালেই পানী পৰেচোন অ'। ছাদ ভাঙি মূৰৰ ওপৰত পৰাৰ ভয়ত বাহিৰলৈ ওলাই আহিলোঁ। পাছে ইয়াতো ৰক্ষা নাই ! মহে-ডাঁহে গোটেই নিশা মোক বৰভোজ খালে ঔ ! শৰীৰৰ আধা তেজ বোধকৰোঁ সিহঁতে শুহিলেই।"

বহু প্ৰয়াস, বহু সাধ্য-সাধনাৰে ঘৰলৈ অনা বৃদ্ধ গুৰুদেৱৰ এনে অৱস্থাই নন্দৰাণীক বৰ দুখ দিলে। তেওঁ কান্দি কান্দি ক'বলৈ ধৰিলে, "কিন্তু দেউ, ঘৰটো যে তিনি মহলীয়া ! আপোনাৰ কোঠাৰ ওপৰত আৰু দুটা কোঠা আছে। বৰষুণৰ পানী তিনিখন ছাদ ফুটি নামিব কেনেদৰে?" কথাখিনি কৈ থাকোঁতেই তেওঁৰ মনলৈ ভাব আহিল যে ই চয়তান লালুৰেই আন এটা চয়তানী বুদ্ধি হ'ব। দৌৰি গৈ গুৰুৰ বিছনাৰ কাষ পালে তেওঁ। বিছনা চাদৰখনৰ মাজভাগ ভালেখিনি তিতি গৈছে। তদুপৰি আঁঠুৱাখনৰ পৰা টোপটোপকৈ পানী নিগৰি আছে তেতিয়াও। ভালদৰে চাই দেখে আঁঠুৱাৰ ওপৰত এটা বৰফৰ মধ্য আকৃতিৰ টুকুৰা। তেতিয়াও গলি আছে। পগলাৰ নিচিনা বাহিৰলৈ দৌৰি আহি চাকৰ-বাকৰক যাক য'তে দেখিলে হুকুম দিলে, "লালু ক'ত গ'ল ধৰি আন। বাকী কাম বাদ দে, সেই বইজ্জাতটোক য'তেই দেখ মাৰি মাৰি মোৰ ওচৰলৈ চোঁচৰাই আনগৈ যা।"

লালুৰ দেউতাক তললৈ নামি আহিল। ঘৈণীয়েকৰ এনে আউলী-বাউলী মূৰ্তি দেখি হতবুদ্ধি হ'ল। "কি হ'ল, হৈছে কি?"

নন্দৰাণীয়ে কান্দি কান্দি ক'লে, "তোমাৰ সেই লালুটোক ঘৰৰ পৰা খেদা, নহ'লে মই আজি গংগাত ডুবি পাপৰ প্ৰায়শ্চিত্ত কৰিম।"

"কি কৰিলে সি?"

বিনাদোষত গুৰুৰ যি দশা কৰিছে তেৰোঁ দেখিলে। নন্দৰাণীয়ে সব কথা বিৰৰি ক'লে। স্বামীক ক'লে এই দস্যু ল'ৰাটো লৈ কিভাৱে চলা যায়?

গুৰুদেৱে সমস্ত কাৰবাৰটো বুজি পালে। নিজৰ নিৰ্বুদ্ধিতাত তেওঁ হো হো কৰি হাঁহি উঠিল।

লালুৰ দেউতাকে বৰ লাজ পালে।

চাকৰকেইটাই আহি ক'লে, "লালুবাবু কোঠাত নাই।" আৰু এজন আহি জনালে যে সি মাহীয়েকৰ ঘৰত জলপান খাবলৈ বহিছে। মাহীয়েকে তাক আহিবই নিদিলে।

মাহীয়েক মানে নন্দৰাণীৰ ভনীয়েক। ভনীয়েকৰ স্বামীও এজন নামজ্বলা উকীল।

ইয়াৰ পাছত লালু এপষেক দিন আৰু ঘৰলৈ নাহিলেই। নাহিল মানে, সমগ্ৰ অঞ্চলটোতেই ভৰি নিদিয়াকৈ থাকিল সি সেইকেইদিন। ♦

# গোপন সত্য

■ পাপৰি বৰা
অষ্টম শ্ৰেণী

"আহ...।" এটা প্ৰচণ্ড চিঞৰ মাৰি সাৰ পাই উঠিল নিশা। নাই, এয়া এক সপোনহে মাথোন। মনতে কিছু সন্তোষ পালে তাই। এয়া আজিৰ কথা নহয়। বহুদিনৰে পৰা এনে সপোনে প্ৰায়ে আমনি কৰি আহিছে তাইক। কিন্তু প্ৰতিবাৰে দেখা সপোনৰ লগত আজিৰটোৰ কোনো সাদৃশ্য নাই।

বিছনাৰ পৰা লাহেকৈ নামি মজিয়াত ভৰি থ'লে নিশাই। খিৰিকীখন খুলি বাহিৰৰ ফালে চকু ফুৰালে তাই। পুৱাৰ সূৰ্য্যৰ ৰেঙণি আহি গোটেই কোঠাটো পোহৰাই তুলিছে। তাইৰ মুখমণ্ডল সূৰ্য্যৰ পোহৰ পৰি তিৰবিৰাই উঠিছে। বাহিৰত থকা শেৱালিজোপাৰ ডাল এটা ভাঙি পৰি থকা দেখিলে তাই। মাজনিশাৰ ধুমুহাৰ তাণ্ডৱৰ পৰিণতি এয়া। ভাবি থাকোঁতেই ক'ৰবাৰ পৰা এছাটি বতাহৰ লগত ভাহি অহা চৰাইৰ মাতে জোকাৰি থৈ গ'ল তাইক। দিল্লীৰ এই প্ৰদূষণভৰা ঠাইতো যেন তাই বিচাৰি পাইছে তাইৰ মৰমৰ গাঁওখনৰ নিজস্বতা। দিল্লীলৈ অহা প্ৰায় বহু বছৰেই হ'ল যদিও এই বন্ধ কোঠাটোৰে এনেকুৱা এখন ঠাই য'ত তাই সকলো বিষাদ-বেদনা দূৰ কৰিব পাৰে। নিতৌ পুৱা-গধূলি খিৰিকীখন খুলি বাহিৰখনলৈ চকু ফুৰাই ভাব সাগৰত ডুব যোৱাটো নিশাৰ দৈনন্দিন অভ্যাসত পৰিণত হৈছে।



হঠাতে কেলেণ্ডাৰখনলৈ চকু গ'ল তাইৰ। আজি ২০ আগষ্ট। ৰঙা দাগ দি থোৱা আছে। আপোনা-আপুনি হাঁহি উঠি গ'ল তাইৰ। লগে লগে দুধাৰি চকুলোও বৈ আহিল। মনত পৰি গ'ল কিছু স্মৃতি, কিছু ঘটনা। এই দিনটো যেন তাইৰ কাৰণে বৰ অভিশপ্ত। ভাবি থাকোঁতেই হঠাতে ফোনটো বাজি উঠিল তাইৰ। ফোনটো ধৰি কাণত লগাই দিয়াত সিফালৰ পৰা তাইৰ বান্ধৱী জোনাকৰ মাতটো ভাহি আহিল—"কি হ'ল, তোমাৰচোন খবৰ-খাতিয়েই নাই। অ' শুনাচোন, আজি আবেলি নহ'লে আমাৰ ঘৰলৈ এপাক আহিবা। আগতেও অহা নাই সেইবাবে।" এইবুলি সিফালৰ পৰা ফোনটো কাটি দিলে জোনাকে। নিশাৰ মনত তেতিয়া নানা প্ৰশ্ন জাগি উঠিল। কি বা কাম আছে? কিয় বা মাতিছে? আগতে সিহঁতৰ ঘৰলৈ যোৱা নাই হয়, কিন্তু কেৱল আজিৰ দিনটোতহে মাতিব পাৰিলে নে? আচলতে গোটেই দিল্লীখনতে নিশাৰ নিজৰ বুলিবলৈ কেৱল জোনাকহে আছে। এই ব্যস্ত নগৰীখনত নিশাই নিজৰ কথাবোৰ ক'বলৈ কেৱল জোনাককে উচিত বুলি ভাবে।

সন্ধিয়া নামি আহিল। তাইৰ মনত সংশয় আৰু প্ৰশ্নৰ উদয় বৃদ্ধি হ'ব ধৰিলে। এসময়ত তাই জোনাকৰ ঘৰলৈ খোজ ল'লে। বহুদিন হ'ল এনেকৈ ওলাই নহাৰ। বিশেষকৈ এই ২০ আগষ্ট তাৰিখটোত। আজি প্ৰথমবাৰ ওলাই আহিছে। এইদৰে ভাবি গৈ থাকোঁতে কেতিয়ানো জোনাকৰ ঘৰ পালেহি গমকে নাপালে। কলিং বেলটো বজাই দিয়াত ভিতৰৰ পৰা জোনাক ওলাই আহিল আৰু নিশাক ভিতৰলৈ লৈ গ'ল। কিন্তু ভিতৰত প্ৰবেশ

কৰিয়েই নিশা হঠাতে বৈ গ'ল। জোনাকহঁতৰ ঘৰৰ দেৱালত ওলমি থকা জোনাকৰ শৈশৱৰ ফটোখন চাই এখোজ পিছুৱাই গ'ল নিশা। তাইৰ বুকুখন চিৰিংকৈ মাৰিলে। তাইৰ বুজিবলৈ বাকী নাথাকিল যে জোনাক আচলতে তাইৰ...। ভাবি থাকোঁতেই জোনাকে এটা কেক আনি নিশাক পিছফালৰ পৰা জন্মদিনৰ শুভেচ্ছা জনালে। এইবোৰ দেখি নিশাৰ পুৰণি কথাবোৰ মনত পৰি গ'ল। চকুৰ আগত বাৰে বাৰে প্ৰতিফলিত হৈ আহিল সেই ঘটনাবোৰ, যিবোৰে নিশাক এসময়ত সলনি কৰি পেলাইছিল। কাণত ভাহি আহিল কান্দোন, চিঞৰ-বাখৰ ইত্যাদি। কাণ দুখন একপ্ৰকাৰ হেঁচা মাৰি শব্দবোৰ বন্ধ কৰিবলৈ চেষ্টা কৰিছে তাই। আকৌ এবাৰ জোনাকৰ শৈশৱৰ ফটোখনলৈ নিশাৰ চকু গ'ল। এইবাৰ তাইৰ ধৈৰ্য্যৰ বান্ধ ছিঙি গ'ল। নাই, নোৱাৰে আৰু সহ্য কৰিব তাই। কাকো একো নোকোৱাকৈ সেই মুহূৰ্ততে তাৰ পৰা গুচি গ'ল নিশা। গোটেইখন নিস্তব্ধ হৈ পৰিল। জোনাকে একো ধৰিবকে নোৱাৰিলে।

জোনাকে আগদিনা হোৱা কথাবোৰ ভাবি নিশাক ফোন কৰিলে। পাছে নিশাৰ ফোনটো ছুইচ অফ দেখোন। ভাবি-গুণি ফোন নলগাত তাই নিশাৰ ভাৰাঘৰটোলৈ খোজ ল'লে। বাটতো তাইৰ মনত নানান চিন্তাই দোলা দি থাকিল। ইয়াৰ আগলৈকে নিশাই কেতিয়াও এনেকুৱা ব্যৱহাৰ কৰা নাছিল। প্ৰথমবাৰ জোনাকে এনে ৰূপ দেখা পাইছে নিশাৰ। এসময়ত তাই নিশাৰ ঘৰত উপস্থিত হ'লগৈ। কলিং বেলটো বজোৱাৰ পাছতো ভিতৰৰ পৰা কোনো ওলাই নহাত দুৱাৰখন ঠেলি দিয়াত নিজে নিজেই খুলি গ'ল। পাছে ভিতৰত কোনো নাছিল। মাত্ৰ বহীৰ পৃষ্ঠা কিছুমান অ'ত-ত'ত পৰি আছিল আৰু কিছুমান ফ'টোও ফালি পৰি থকা অৱস্থাত আছিল। হঠাতে বতাহত ক'ৰবাৰ পৰা এখিলা পৃষ্ঠা উৰি আহি জোনাকৰ ভৰিত পৰিল। জোনাকে পৃষ্ঠাখন বুটলি ল'লে। তাত কিবা লিখা থকা দেখিলে তাই। কিন্তু আখৰবোৰ ভালদৰে মনিব পৰা নাছিল। তথাপি ভালদৰে মন দিয়াত তাই পঢ়িব পাৰিলে। পৃষ্ঠাটোত লিখা আছে এনে ধৰণে :

"মৰমৰ জোনাক,

মই নিশা। কালিৰ ঘটনাটোৰ বাবে মই ক্ষমা বিচাৰিছোঁ। কালি তেনেদৰে গুচি অহাৰ কাৰণ আছিল। আজি তোমাক কিছু কথা ক'ম। মোৰ জীৱনত বহু কিবাকিবি ঘটি গৈছে। ময়ো আগতে বৰ সুখী, হাঁহিমুখীয়া ছোৱালীয়েই আছিলোঁ। কিন্তু সময়ে মোক সলনি কৰি পেলাইছে। মই এজনী সাধাৰণ ঘৰৰ ছোৱালী আছিলোঁ। মা, দেউতা, মই, মোৰ ভণ্টি আৰু আইতাক লৈয়েই আমাৰ পৰিয়াল। সেইদিনা ২০ আগষ্টৰ দিনা মোৰ জন্মদিন আছিল। প্ৰতি বছৰৰ দৰে সেইবাৰো ধুমধামকৈ জন্মদিন পতাৰ কথা আছিল। সন্ধিয়া মাহঁতে জন্মদিনৰ বজাৰ কৰিবলৈ গৈছিল। ঘৰত মই, ভণ্টি আৰু আইতা অকলে আছিলোঁ। কিন্তু সেই যে গ'ল, উভতি নাহিল আৰু। বহু সময় মা, দেউতা অহা নাছিল। সেয়েহে চিন্তা হৈছিল আমাৰ। তেনেতে মোৰ সম্পৰ্কীয় খুৰা এজনে ফোন কৰি ক'লে যে মা-দেউতা আৰু নাই। বোমা বিস্ফোৰণত মা-দেউতাৰ মৃত্যু হৈছে। কথাষাৰ শুনি বহুত কান্দিছিলোঁ মই। পাছত মা-দেউতাৰ মৃতদেহ ঘৰলৈ অনা হৈছিল। মোৰ বিশ্বাসেই হোৱা নাছিল সকলোবোৰ।

মা-দেউতাৰ মৃত্যুৰ পাছত আইতাৰ পেন্সনৰ পইচাৰেই চলিবলগীয়া হৈছিল। কিন্তু ভণ্টি আৰু মই দুয়োজনীয়েই আইতাৰ পেন্সনেৰে চলিবলৈ অসুবিধা হৈছিল আৰু ভণ্টিও সৰু আছিল বাবে তাইৰ লগত অসুবিধা হৈছিল। সেইবাবেই টকাৰ অভাৱত ভণ্টিক পাঁচ বছৰ বয়সতে এঘৰ ধনী মানুহৰ ঘৰত বিক্ৰী কৰি দিছিলোঁ। মাহে মাহে ইয়াৰ বাবে পইচাও পাইছিলোঁ। পঢ়াৰ খৰচো উলিয়াই লৈছিলোঁ। বৰ মনত পৰিছিল তাইলৈ, মা-দেউতালৈ। আইতা ঢুকোৱাৰ পাছত পইচা অলপ যোগাৰ কৰি দিল্লীলৈ পঢ়িবলৈ আহিলোঁ। তোমাকো লগ পালোঁ। এই ঘটনাটোৰ বাবে আজিও মই এই ২০ আগষ্টৰ দিনটো ঘিণ কৰোঁ। সেয়েহে তাৰ পৰা কালি গুচি আহিলোঁ। কিন্তু জোনাক, তোমালোকৰ

ঘৰলৈ গৈ গম পালোঁ যে, তুমিয়েই মোৰ... সেই ভণ্টিজনী, যিজনীক বিক্ৰী কৰি দিয়া হৈছিল। কিন্তু ভাগ্যই আমাক লগ কৰালে বান্ধৱীৰ ৰূপতহে। কিন্তু আমি চাগে' আৰু লগ নাপাম। তোমাক লগ কৰাৰ দৰে সাহস মোৰ নাই। মই এতিয়া এনেকুৱা ঠাইলৈ আহিছোঁ য'ত কোনেও আমনি কৰিব নোৱাৰে। জীৱনত আগুৱাই যোৱা।

ইতি,

তোমাৰ মৰমৰ বান্ধৱী তথা বা'—নিশা"

জোনাকে গোটেইখিনি পঢ়িলে। পাতখিলা তাইৰ চকুৰ পানীৰে তিতি গ'ল। তাইৰ হাতৰ পৰা পৃষ্ঠাখন সৰি পৰিল। মজিয়াত বহি পৰিল তাই। কাষতে পৰি আছিল এখন ফটো। ফটোখনত নিশা, তাই, মাক-বাপেক আৰু আইতাক থিয় হৈ আছিল। বুকুত সুমুৱাই লৈ তাই চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে। গোটেই মজিয়াখন তাইৰ চকুৰ লোতকে ভৰি পৰিল। তাই বুজি উঠিল যে ইমানদিনে দেখি অহা তাইৰ বান্ধৱী নিশা আচলতে তাইৰ নিজৰ বায়েকহে আছিল। কিন্তু এতিয়া বহু দেৰি হৈ গ'ল। তাই ফটোখন সাবটি মজিয়াত বহি কান্দি কান্দি মাথোঁ খিৰিকীখনৰ পৰা বাহিৰলৈ চাই ৰ'ল। এক আশাত, যেন আকৌ নিশা ঘূৰি আহিব। কিন্তু নিশা আকৌ কেতিয়াও ঘূৰি...। ♦

# মিঠা সুৰৰ সেই বৰষুণজাক

■ **ইন্দ্ৰানী ডেকা**
নৱম শ্ৰেণী



বৰষুণৰ টোপালবোৰ মাটিত পৰাৰ লগে লগেই মনটো যেন উত্ৰাৱল হৈ উঠে। এই বৰষুণজাকৰ মিঠা সুৰটোৰ তালে তালে আজি হঠাৎ মোৰ বৰ নাচিবলৈ মন গৈছে। সৰুৰে পৰাই মই নাচিবলৈ খুব ভাল পাওঁ। দুবছৰমান ভৰত নাট্যম শিকিছিলোঁ যদিও পঢ়া-শুনাত জোৰ দিব নোৱৰাত খঙতে দেউতাই তাৰ পৰা এৰুৱাই দিলে। বাৰু, সেইবোৰ পুৰণি কথা। সেয়া ভাবি মোৰ দুখ কৰিবলৈ একেবাৰে ইচ্ছা নাই। আলমাৰিটো খুলি মাহীয়ে জন্মদিনত উপহাৰ দিয়া ঘুংগুৰাযোৰ উলিয়াই পিন্ধি ল'লোঁ। ম'বাইলত গানটো বজাই আপোনমনে নচাত লাগিলোঁ—

"দিল য়ে বেচেন ৰে,
ৰাস্তে পে ৰেন ৰে
আজা সাৱৰিয়া আ, আ, আ
তাল সে তাল মিলা.. হো।"

গিৰ্ গিৰ্ গিৰ্... ! "আস, ঢেৰেকনিৰ শব্দই কাণখন তাল মাৰি ধৰিছে। বাহিৰত ধাৰাসাৰ বৰষুণ। ৰাতিপুৱাৰ পৰাই দি আছে, কিন্তু কমাৰ যেন কোনো চিন-চাবেই নাই।"

যি কি নহওক, এনে বৰষুণৰ বতৰ মোৰ বৰ প্ৰিয়।

নচাত ইমান বিভোৰ হৈ আছিলোঁ যে গানটো হঠাৎ বন্ধ হৈ যোৱাও মন কৰা নাছিলোঁ। দেউতাৰ ধমকতহে চঁক খাই উঠিলোঁ। অহ্! তাৰ মানে দেউতাইহে গানটো বন্ধ কৰি ৰৈ আছিল।

"ঐ ছোৱালী, ঘুংগুৰাযোৰ খুলি মোক দে"— প্ৰচণ্ড খঙত দেউতাই ক'লে। তেওঁৰ ধমকত ভয় খাই লৰালৰিকৈ খুলি হাতত দিলোঁ।

"ৰহ্ এতিয়াই উলিয়াই আছোঁ মই তোৰ তাল। পঢ়া-শুনাত মতি-গতি নাই, এইবোৰ অনৰ্থক কাম কৰি সময় নষ্ট কৰ। এইবাৰ তোৰ ৰিজাল্ট চাইহে তোক দি আছোঁ এসেকা" বুলি দেউতাকে ঘুংগুৰাযোৰ খিৰিকীৰে দলিয়াই পেলালে। 'ৰিজাল্ট' শব্দটো শুনিয়েই চমকি উঠিলোঁ। কিয়নো দুদিনমানৰ পাছত বছৰেকীয়া পৰীক্ষাৰ ৰিজাল্ট দিব।

খিৰিকীখনেৰে বাহিৰলৈ বুলি চাই পঠিয়ালোঁ। ৰাস্তাটোত মণিবোৰ সুলকি সিঁচৰতি হৈ পৰি আছে মোৰ মৰমৰ ঘুংগুৰাযোৰ। কিন্তু নাই, মই কন্দা নাই। পাছে কান্দিবলৈ যে চকুত পানীৰ প্ৰয়োজন আৰু মোৰ যেন সেই চকু পানীখিনিও শুকাই গৈছে, মনৰ আৱেগ-অনুভূতিবোৰ যেন লাহে লাহে নাইকিয়া হ'বলৈ ধৰিছে। দেউতাৰ মতে মই কেৱল সকলো সময়তে পঢ়া-শুনা কৰিয়েই ব্যস্ত থাকিব লাগে। নাচ-গান, ছবি অঁকা আদি কাম কৰি সময় কটোৱাতো তেওঁ একেবাৰে নিবিচাৰে। মা চৰকাৰী চাকৰিয়াল, মোৰ বাবে সময় দিবলৈ, মোৰ ওচৰত বহি কথা পাতিবলৈ মাৰ হাতত যেন সময়ৰ অভাৱ। কিন্তু কিয়? কিয় কোনেও বুজিবলৈ চেষ্টা নকৰে যে পৃথিৱীৰ সকলো মানুহ একে নহয়। সকলোৰে নিজস্ব গুণ, নিজস্ব প্ৰতিভা আছে। সকলোৱেতো পঢ়িবৰ বাবেই পৃথিৱীত জন্মগ্ৰহণ কৰা নাই। সকলোৰে নিজৰ দক্ষতাৰে জীৱনটোত কিবা এটা ভাল কাম কৰিব বিচাৰে। বৰ্তমান চৌদিশে ইটোৰ লগত সিটোৰ কেৱল পঢ়া-শুনাক লৈয়ে প্ৰতিযোগিতা, হিংসা। কোনে সকলোতকৈ বেছি নম্বৰ গোটাব পাৰে, অলপ নম্বৰ কমি গ'লেই ঘৰত অভিভাৱকে মাৰে, গালি পাৰে। আজিকালি সকলোৰে মুখত প্ৰায় একেটাই কথা, "অমুকৰ ল'ৰাই গণিতত ১০০ৰ ভিতৰত ৯৯ পাইছে, ইংৰাজীত ৯৮ পাইছে, বিজ্ঞানত ১০০ পাইছে আৰু আমাৰ ছোৱালীৰ ৰিজাল্ট চোৱা, মানুহৰ সন্মুখত মুখ উলিয়াবলৈকে লাজ লাগে।" সন্তানক কেৱল অন্যৰ লগত তুলনা কৰা, অন্যৰ দৰে নিজৰ সন্তানৰ জীৱনটো গঢ়ি তোলাৰ উদ্দেশ্য প্ৰায় সকলোৰে। কেতিয়াও এইটো কথা চিন্তা নকৰে যে জীৱনটো নিজৰ, নিজেহে ভাল কামৰ দ্বাৰা জীৱনটো আগুৱাই নিব লাগিব, অইনে নহয়।

মোৰ দেউতাও আছিল এনে এটা মনোবৃত্তিৰ লোক। তথাপি দেউতাক মই শ্ৰদ্ধা কৰোঁ, দেউতাৰ প্ৰতিটো কথাই শুনো। দেউতাই চাগে' তেনেদৰে শাসন নকৰা হ'লে মই আজি সাধাৰণ ডিগ্ৰীটোও ল'ব নোৱাৰিলোঁহেঁতেন, কিন্তু যিটো কাম কৰিলে দেউতাই বেয়া পাইছিল সেই কামটোৰ বাবেই আজি দেউতা মোক লৈ গৰ্বিত। হয়, মই ময়ূৰী শইকীয়া। বৰ্তমান ভাৰতৰ এগৰাকী আগশাৰীৰ ভৰত নাট্যমৰ নৃত্যশিল্পী।

"মা অ' মা ! অ' মা ! কিনো চাই আছা খিৰিকীৰে বাহিৰলৈ? অথনিৰ পৰাই মাতি আছোঁ, নামাতা?"

ৰিণিৰ মাতত উচাপ্ খাই উঠিলোঁ। হঠাৎ যে কিয় পুৰণি কথাবোৰ মনলৈ আহিল !

"অ' কিয় মাতিছিলা, ৰিণি?"

"মা, অথনিৰে পৰা কিয় বৰষুণজাককে চাই আছা? এইফালে আহাচোন, মোক এইটো গানত নাচিবলৈ শিকাই দিয়া।" এইবুলি তাই গানটো বজাই দিলে। মনটো ভাল লাগি গ'ল, আকৌ বাজি উঠিছে মোৰ প্ৰিয় সেই গানটো—

"তাল সে তাল মিলা,
হো... তাল সে তাল মিলা।"

মই আৰু ৰৈ থাকিব নোৱাৰিলোঁ। ৰিণিক টানি আনি বাহিৰত বৰষুণত তিতি তিতি নাচিবলৈ ধৰিলোঁ। ৰিণিও মোৰ তালৰ লগত তাল মিলাই নাচিবলৈ ধৰিছে।

আমাৰ সেই নৃত্য খিৰিকীৰে জুমি জুমি চাই উপভোগ কৰিছে প্ৰশান্তই। তেওঁ মোৰ পিনে চাই এটি সন্তুষ্টিৰ হাঁহি মাৰিলে। মোৰ এই আধৰুৱা সপোনটো পূৰণ কৰাৰ আঁৰৰ মানুহজনেই যে এওঁ, মোৰ স্বামী ড° প্ৰশান্ত শইকীয়া। ♦

# ব্যস্ততা

■ **অংকুৰণ কৌশিক শৰ্মা**
নৱম শ্ৰেণী



ৰাতিপুৱা উঠিয়েই নীলমে ৰঙা চাহৰ কাপটো লৈ বাৰাণ্ডাৰ চকীখনত আহি বহিল। তেওঁৰ মনত অনেক ধৰণৰ চিন্তা। যেন পৃথিৱীৰ গোটেই কামৰ বোজাটো তেওঁৰ কান্ধত আহি পৰিছে। তেওঁ চাহৰ কাপটো মুখত লগাই চিঞৰি উঠিল, "উস্ ! কি গৰম চাহ !" চাহখিনি এইমাত্ৰ গেছৰ পৰা নমাই অনা হৈছে। গতিকে গৰম হ'বই। কিন্তু সেই কথা বুজিবলৈ নীলমৰ ক'তনো আহৰি আছে। "হেৰা, শুনিছানে ! বিস্কুটৰ টেমাটো দি যোৱাচোন।" বাৰাণ্ডাৰ চকীত বহিয়েই তেওঁ ঘৈণীয়েকক মাত লগালে। এনেতে নীলমৰ ফোনটো বাজি উঠিল, "টিং টিং...টিং টিং...।" নীলমে চাহৰ কাপটো বাৰাণ্ডাৰ টেবুলত থৈয়েই ঘৰৰ ভিতৰলৈ লৰ মাৰিলে। ফোনটো কৰিছিল তেওঁৰ অফিচৰ মালিকে। নীলমে ফোনটো ধৰি ক'লে, "হেল্ল' ছাৰ, কি হ'ল ইমান পুৱাই যে?"

"হেল্ল' মিঃ বৰুৱা, কালি যে আপোনাক প্ৰজেক্টটো কৰিবলৈ দিছিলোঁ আপুনি কিয় শেষ নকৰিলে? এইটো বহুত গুৰুত্বপূৰ্ণ আছিল। গতিকে আপোনাৰ এই মাহৰ দৰমহাৰ ২০% কটা হৈছে।" ইতিমধ্যে ফোনটো কটা গ'লেই। নীলমৰ নিজৰ ওপৰতেই খং উঠিল। তেওঁ কালিয়েই প্ৰজেক্টটো সম্পূৰ্ণ কৰিব লাগিছিল। তেওঁ চাহখিনি নোখোৱাকৈয়ে গা ধুবলৈ গ'ল। গা ধুই আহে মানে ইতিমধ্যে ঘড়ীত ন বাজিলেই। তেওঁ টেবুলত সাজি থোৱা ভাত নাখালে। সাজু কৰি থোৱা কাপোৰযোৰ পিন্ধি অফিচলৈ দৌৰাদৌৰিকৈ ওলাই গ'ল আৰু ক'লে, "আহি খাম দিয়া ভাত !"

আজি নীলমৰ পুতেকৰ জন্মদিন। কিন্তু নীলমে কামৰ ব্যস্ততাৰ মাজত ইমান এটা গুৰুত্বপূৰ্ণ কথা পাহৰি গ'ল। সন্ধিয়া ঘৰলৈ উভতি অহাৰ পাছত তেওঁ ল'ৰা প্ৰীতমে তেওঁক সুধিলে, "আজি মোৰ গিফ্‌টটো ক'ত?" হঠাৎ নীলমৰ মনত পৰিল আজি দেখোন প্ৰীতমৰ জন্মদিন। কিন্তু কি হ'ব? ইতিমধ্যে হ'ব লগাটো হৈ গ'ল। প্ৰীতমে খং আৰু দুখত ভিতৰলৈ সোমাই গ'ল। হঠাৎ মিঃ নীলম বৰুৱাৰ মনটো ভাগি গ'ল। ৰাতিৰ আহাৰ গ্ৰহণ কৰাৰ পাছতে তেওঁ বাৰাণ্ডাৰ চকীত আহি বহিল। তেওঁৰ মনোজগতত বহুত কথা ভাহিবলৈ ধৰিলে। ইমান ব্যস্ত নে তেওঁৰ জীৱনটো ! তেওঁ নিজকে সময় দিবলৈ পাহৰি গৈছে। ইতিমধ্যে ঘড়ীত মাজনিশা বাৰ বাজিলেই। হঠাৎ তেওঁৰ ঘৈণীয়েকৰ মাতটো শুনা গ'ল, "বিছনাখন পাৰি দিছোঁ, আহি শুৱক।"

"গৈ আছোঁ ৰ'বা।" আকাশৰ তৰাবোৰলৈ চাই নীলমে ক'লে, "আচলতে জীৱন মানেই ব্যস্ততা... !" ♦

# অহংকাৰ

■ **অভিজিত কলিতা**
অষ্টম শ্ৰেণী



সেইদিনা ১৩ এপ্ৰিল। ৰিমি, জিমি আৰু বিনীতাই স্কুলৰ পৰা গৈ শিক্ষকৰ সহায় লৈ গানৰ অনুশীলন কৰি আছে। কাৰণ ১৫ এপ্ৰিল তাৰিখৰ পৰা সিহঁতৰ স্কুলত বিদ্যালয় সপ্তাহ আৰম্ভ হ'ব। ৰিমি, জিমি আৰু বিনীতাহঁতৰ ঘৰখন আৰ্থিকভাৱে চহকী, আনহাতে ৰীতা আৰু গীতাহঁতৰ ঘৰখন আৰ্থিকভাৱে দুৰ্বল। এনেদৰে ৰিমিহঁতে শিক্ষকৰ সহায় লৈ অনুশীলন কৰি থাকিল আৰু আনফালে ৰীতাহঁতে আন কোনো লোকৰ সহায় নোলোৱাকৈ অনুশীলন কৰি থাকিল। ৰিমিহঁতে ৰীতাহঁতক ঠাট্টা কৰিলে। কাৰণ ৰীতাহঁতে আৰ্থিকভাৱে দুৰ্বল হোৱা হেতুকে শিক্ষকৰ সহায় ল'ব পৰা নাই। এনেদৰে ৰিমি আৰু ৰীতাহঁতৰ অনুশীলন চলি থাকিল।

অৱশেষত ১৭ এপ্ৰিল তাৰিখ আহিল। সেইদিনা আছিল ৰিমি আৰু ৰীতাহঁতৰ বিদ্যালয় সপ্তাহৰ তৃতীয়টো দিন। সেইদিনাই সিহঁতৰ গানৰ প্ৰতিযোগিতা হ'ব। ৰিমি, জিমি, বিনীতা, ৰীতা, গীতা আৰু আন কেইজনীমান ছোৱালীয়ে বাইদেউক সিহঁতৰ নাম দিলে। তাৰ পাছত এজন এজনকৈ শিক্ষাৰ্থীয়ে গান গাই থাকিল। এনেদৰেই প্ৰায় ৬টামান গান গোৱা শেষ হোৱাত ৰিমিহঁতৰ দলটোৰ নাম ঘোষণা কৰিলে। ৰিমিহঁতৰ অনুষ্ঠানটো পৰিবেশন কৰা হোৱাত ৰীতাহঁতৰ নাম ঘোষণা কৰিলে। ৰীতাহঁতে ৰিমিহঁতকৈও সুন্দৰকৈ গীত পৰিবেশন কৰিলে। এনেকৈ এটা এটাকৈ দলে গীত পৰিবেশন কৰাৰ পাছত অনুষ্ঠান শেষ হ'ল। পাছদিনা পুৱাৰ সমাবেশত পুৰস্কাৰপ্ৰাপ্ত শিক্ষাৰ্থীসকলৰ নাম ঘোষণা কৰিলে। ৰীতাহঁতে গান গোৱা প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ পাইছে আৰু ৰিমিহঁতে কোনো পুৰস্কাৰ নাপালে। কথাটোত ৰিমিহঁতে বেয়া পাইছিল যদিও নিজৰ অহংকাৰৰ কথা অনুভৱ কৰিব পাৰিছিল। দিওঁ-নিদিওঁকৈ হাত-চাপৰি বজাই ৰিমিহঁতে ৰীতাহঁতক শুভেচ্ছা জনাইছিল। ♦



**আৰায়ন শংকৰ দত্ত**, প্ৰাক্-প্ৰাথমিক শ্ৰেণী



**বৰ্ষা নাথ,** অংকুৰ শ্ৰেণী

# মৰম

■ হৰ্ষিতা শৰ্মা
চতুৰ্থ শ্ৰেণী



জোন আৰু আকাশ সৰুৰে পৰা বৰ ধেমেলীয়া স্বভাৱৰ ল'ৰা আছিল। একেখন গাঁৱতে সিহঁতৰ মোমায়েকৰ ঘৰ। গৰমৰ বন্ধ, বছৰেকীয়া পৰীক্ষাৰ বন্ধত মোমায়েকহঁতৰ ঘৰত সিহঁত প্ৰায়ে লগ হয়। বিশেষকৈ গৰমৰ বন্ধত সিহঁতে দীঘলীয়াকৈ মোমায়েকৰ ঘৰত থাকে। দুইখন ঘৰৰ সমনীয়া ল'ৰা-ছোৱালী আৰু সিহঁতে মিলি নানা ধৰণৰ খেল-ধেমালিৰ মাজেৰে গৰমৰ বন্ধৰ দিনবোৰ পাৰ কৰে।

মোমায়েকহঁতৰ ঘৰ আছিল অপৰূপ সৌন্দৰ্য্যেৰে ভৰপূৰ সৰগপুৰ নামৰ গাঁৱত। গাঁওখনৰ কিছু নিলগেৰে বৈ গৈছিল নৈ এখন। এই নৈখনৰ কাষতে আছিল এখন সৰু হাবি। হাবিখনত বহুত ধৰণৰ ফল-মূল আছিল, বিশেষকৈ বহুত আম গছ আছিল। জুন-জুলাই মাহত এই আমবোৰ পকি থকাৰ বাবে গোটেই হাবিখন গোন্ধত আমোলমোলাই থাকে।

চতুৰ্থ শ্ৰেণীত পঢ়া জোন আৰু আকাশ এইবাৰো গৰমৰ বন্ধত মোমায়েকহঁতৰ ঘৰলৈ গ'ল আৰু পাছদিনাই সিহঁত সমনীয়াৰ সৈতে নৈৰ পাৰত থকা হাবিখনলৈ গ'ল। হাবিখনৰ মুকলি ঠাইত সিহঁতে কিছু সময় খেলিলে আৰু খেলি উঠি আম খোৱাৰ কথা ভাবিলে।

জোন আৰু আকাশ দলটোৰ আগত আছিল। সোমায়েই সিহঁতে দেখিলে এডাল আম গছৰ তলত এটা ধুনীয়া চৰাই পৰি আছে। ওচৰলৈ গৈ দেখিলে চৰাইটোৰ গাৰ পৰা তেজ ওলাই আছে। আম খোৱা বাদ দি সিহঁতে দৌৰা-দৌৰিকৈ চৰাইটো ঘৰলৈ লৈ আহিল। ঘৰৰ মানুহৰ সহযোগত চৰাইটোৰ ক্ষতি হোৱা ঠাইখিনি চাফা কৰি মলম আদি লগাই চৰাইটোক সুস্থ কৰি তুলিলে। সিদিনা ৰাতি জোনে চৰাইটো ঘৰত ৰাখি চোৱা-চিতা কৰিলে। জোন, আকাশহঁতৰ চেষ্টাত চৰাইটো সুস্থ হৈ উঠিলত সিহঁতে চৰাইটো নি চৰাইবোৰে ভাল পোৱা নদীৰ পাৰৰ হাবিখনত উৰুৱাই দি আহিল। জোনৰ মোমায়েকহঁতে জোন আৰু আকাশৰ প্ৰকৃতি আৰু পশু-পক্ষীৰ প্ৰতি এই মৰম দেখি প্ৰশংসা কৰিলে আৰু ডাঙৰ হৈ এনেকুৱা ভাল কাম কৰি যাবলৈ ককাকে আশীৰ্বাদ দিলে। ♦



**দেবাংগী চহৰীয়া**, অংকুৰ শ্ৰেণী



**ভাগ্যম আৰ্য্য বৈশ্য**, প্ৰাক্-প্ৰাথমিক শ্ৰেণী

# ড০ অনিল কুমাৰ গোস্বামী

বিশিষ্ট ব্যক্তিৰ সৈতে কথোপকথন 'বাখৰ'ৰ এক নিয়মীয়া শিতান। অসমৰ এগৰাকী বিশিষ্ট বিজ্ঞানী, কটন মহাবিদ্যালয়ৰ পদাৰ্থবিজ্ঞান বিভাগৰ অধ্যাপক আৰু পৰবৰ্তী সময়ত অধ্যক্ষ হৈ অৱসৰ গ্ৰহণ কৰা মাননীয় ড° অনিল কুমাৰ গোস্বামী মহোদয়ৰ সৈতে হোৱা কথোপকথন এই শিতানৰ যোগেদি আগ বঢ়োৱা হ'ল।

**বাখৰ :** আপোনাৰ ছাত্ৰ অৱস্থাৰ বিষয়ে অলপ ক'ব নেকি?

**ড° অনিল কুমাৰ গোস্বামী :** পলাশবাৰী চহৰৰ পৰা ৭ কিল'মিটাৰ পশ্চিমে অৱস্থিত খটীয়ামাৰী গাঁৱৰে শংকৰদেৱ-মাধৱদেৱৰ আদৰ্শেৰে গঠিত এখন সত্ৰত মোৰ জন্ম। প্ৰাথমিক শিক্ষা খটীয়ামাৰী গাঁৱতে লাভ কৰিছিলোঁ। পিতৃৰ চৰকাৰী চাকৰিসূত্ৰে মজলীয়া শিক্ষা বৰপেটাত কৰিবলগীয়া হৈছিল। উচ্চ মাধ্যমিক শিক্ষা গুৱাহাটীৰ কটন কলেজিয়েট উচ্চতৰ মাধ্যমিক বিদ্যালয়ত লাভ কৰিছিলোঁ, লগতে হাইস্কুল শিক্ষান্ত পৰীক্ষাত এই বিদ্যালয়ৰ পৰাই সুখ্যাতিৰে চতুৰ্থ স্থান লাভ কৰিবলৈ সক্ষম হৈছিলোঁ। কটন মহাবিদ্যালয়ৰ পৰা প্ৰাক্-বিশ্ববিদ্যালয় (PU) পৰীক্ষাত ষষ্ঠ স্থান লাভ কৰিছিলোঁ। কটন মহাবিদ্যালয়ৰ পৰা পদাৰ্থবিজ্ঞান (অনাৰ্ছ) বিষয়ত স্নাতক ডিগ্ৰী লাভ কৰাৰ পাছত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা পদাৰ্থবিজ্ঞানত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰোঁ। তাৰ পাছত ছাত্ৰবৃত্তি (scholarship) লৈ ইউৰোপৰ Sheffield Universityৰ পৰা পিএইচডি ডিগ্ৰী লাভ কৰোঁ। শিক্ষা জীৱন সামৰি পৰৱৰ্তী সময়ত কটন মহাবিদ্যালয়ত পদাৰ্থবিজ্ঞানৰ প্ৰবক্তা হিচাপে যোগদান কৰোঁ।

**বাখৰ :** অসমৰ প্ৰথমখন ঐতিহাসিক মহাবিদ্যালয় কটন মহাবিদ্যালয়ৰ আপুনি এগৰাকী অধ্যাপক তথা অধ্যক্ষ আছিল। আপোনাৰ সময়ৰ কটন মহাবিদ্যালয়ৰ পৰিবেশৰ লগত বৰ্তমানৰ কটন বিশ্ববিদ্যালয়ৰ পৰিবেশৰ কি কি পাৰ্থক্য দেখিছে?



**ড° গোস্বামী :** মোৰ মতে শিক্ষকবোৰ আৰু শিক্ষাদানৰ পদ্ধতি প্ৰায় একে আছে। ভিজিটিং প্ৰফেছৰৰ ব্যৱস্থা আছে। কিন্তু বৰ্তমান কটন মহাবিদ্যালয় (বিশ্ববিদ্যালয়) এখন কৃত্ৰিম অনুষ্ঠানলৈ পৰিণত হৈছে। কটন বিশ্ববিদ্যালয়ৰ বৰ্তমান গৰিমা কমা বুলি মই নাভাবোঁ। গৰিমা কমা বুলি পোনপটীয়াকৈ কোৱা টান। বৰ্তমান অসমত ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডত বহুতো মহাবিদ্যালয় গঢ়ি উঠিছে। এই মহাবিদ্যালয়বোৰত বহুত ভাল ভাল প্ৰবক্তা আছে। আনহাতে দূৰ-দূৰণিৰ শিক্ষাৰ্থীসকল কটন বিশ্ববিদ্যালয়লৈ পঢ়িবলৈ অহাটো কমি যোৱা পৰিলক্ষিত হৈছে। যাৰ বাবে কটন বিশ্ববিদ্যালয়ত শিক্ষাৰ্থীৰ সংখ্যা কমিছে।

**বাখৰ :** বিজ্ঞানৰ শিক্ষা গ্ৰহণত মাতৃভাষাৰ গুৰুত্ব সম্পৰ্কে আপোনাৰ মন্তব্য কি?

**ড° গোস্বামী :** মাতৃভাষাৰ একেবাৰে গুৰুত্ব যে নাই তেনে নহয়। বিজ্ঞান বিষয়ৰ ধাৰণা বা কলা বিষয়ৰ ধাৰণাবোৰ মাতৃভাষাতহে ভালকৈ বুজিব পাৰি। মাতৃভাষা এৰি কিছুমান বিষয় ইংৰাজীত পঢ়ুওৱা দেখা গৈছে। অসমীয়াত সুবিধা সীমিত। ইংৰাজী



*ড° গোস্বামী ছাৰৰ লগত তেখেতৰ সহধৰ্মিণী বিশিষ্ট চিকিৎসক ডা° অলকা গোস্বামী বাইদেউ*

বিশ্ব সংযোগী ভাষা। বিজ্ঞান শিক্ষা ইংৰাজীত হ'লে সুবিধা বেছি, কাৰণ ইংৰাজী ভাষাত লিখা বিজ্ঞান বিষয়ৰ বহুতো কিতাপ সহজে পাব পাৰি। তাৰ তুলনাত অসমীয়া ভাষাত তেনে কিতাপ-পত্ৰৰ পৰিমাণ তুলনামূলকভাৱে কম। কিন্তু এইটো গুৰুত্বপূৰ্ণ কথা যে মাতৃভাষাত যিকোনো বিষয় ভালকৈ বুজাবও পাৰি আৰু বুজিবও পাৰি।

**বাখৰ :** আপুনি FRAS (Fellow of the Royal Astronomical Society)ৰ Fellow আছিল। NCSTC (National Council for Science and Technology Communication) Networkৰ চেয়াৰমেন হিচাপেও আপুনি কাৰ্য্য-নিৰ্বাহ কৰিছিল। তেনে প্ৰখ্যাত অনুষ্ঠানৰ লগত হোৱা আপোনাৰ অভিজ্ঞতা বা কামৰ বিষয়ে অলপমান ক'ব নেকি?

**ড° গোস্বামী :** এই বিখ্যাত অনুষ্ঠানবোৰলৈ বিশিষ্ট বিজ্ঞানী, কলাবিদসকল নিয়মীয়াকৈ আহে। ন'বৈল পুৰস্কাৰপ্ৰাপ্ত Dorothy Hotkin আৰু তেনেকুৱা বহুতো বিজ্ঞানী আহিছিল যাক আমি কেতিয়াও অৱজ্ঞা কৰিব নোৱাৰোঁ। ইংলণ্ড, আমেৰিকা যুক্তৰাজ্য আদিৰ পৰা বহুতো উজ্জ্বল তাৰকা এনেবোৰ অনুষ্ঠানলৈ আহিছিল। এই গুণী-জ্ঞানী তাৰকাসকলৰ মই সান্নিধ্য লাভ কৰিছিলোঁ। NCSTCত বহুতো বিশেষ উন্নত সা-সঁজুলি আছে। তালৈ ভিজিটিং প্ৰফেছৰ আহে। তেওঁলোকৰো মই সান্নিধ্য লাভ কৰিছিলোঁ। এই অনুষ্ঠানটোত থকা বিশেষ সঁজুলিবোৰ কেৱল শিক্ষকেই যে ব্যৱহাৰ কৰে তেনে নহয়, শিক্ষাৰ্থীসকলেও সেই সঁজুলিবোৰ ব্যৱহাৰ কৰিব পাৰে।

**বাখৰ :** বৰ্তমান সময়ত ভাৰতবৰ্ষই বিজ্ঞানৰ গৱেষণা বা বিজ্ঞান শিক্ষাৰ কোনটো দিশত গুৰুত্ব দিয়া উচিত?

**ড° গোস্বামী :** ইংলণ্ড, জাপান, অষ্ট্ৰেলিয়া আদি দেশত উচ্চ শিক্ষাৰ বহুতো শিক্ষানুষ্ঠান আছে। সাধ্যানুযায়ী সেইবোৰ আমি চোৱা-মেলাৰ ব্যৱস্থা কৰা উচিত। নাছা, ইছৰ' আদি অনুষ্ঠানবোৰত বিজ্ঞানৰ গুৰুত্বপূৰ্ণ অধ্যয়ন কৰা হয়।

বৰ্তমান সময়ত বিজ্ঞানৰ যিবোৰ বিষয়ে সৰ্বাধিক গুৰুত্ব লাভ কৰিছে সেই বিষয়বোৰত শিক্ষাৰ্থী-সকলে মনোনিবেশ কৰা উচিত। শিক্ষাৰ্থীসকলে বিজ্ঞান বিষয়বোৰৰ তুলনামূলক অধ্যয়ন কৰাটো অত্যন্ত জৰুৰী। বাহিৰৰ দেশবোৰত বিজ্ঞানৰ ক্ষেত্ৰবোৰ কেনেকৈ আগ বাঢ়িছে সেই কথাবোৰ জানিবলৈ সেই দেশবোৰ ভ্ৰমণ কৰিব পাৰিলে অভিজ্ঞতা লাভ কৰিব পাৰি। এটা খুঁটাৰে যেনেকৈ ঘৰ এটা সাজিব নোৱাৰি, সেইদৰে এটা নিৰ্দিষ্ট বিষয়ৰ জ্ঞানেৰে এগৰাকী মানুহ সম্পূৰ্ণ হ'ব নোৱাৰে। সেইবাবে সকলো বিষয়ত গুৰুত্ব দিয়াটো প্ৰয়োজন।

**বাখৰ :** অসমত বিজ্ঞান শিক্ষা জনপ্ৰিয় কৰাৰ বাবে আপোনাৰ পৰামৰ্শ?

**ড° গোস্বামী :** আমি ভাৰতবৰ্ষৰ বিজ্ঞান ক্ষেত্ৰসমূহৰ লগতে দেশৰ অন্যান্য বিষয়েও অধ্যয়ন কৰিব লাগে। বিজ্ঞান শিক্ষা জনপ্ৰিয় কৰিবলৈ বিজ্ঞানাগাৰৰ অতি প্ৰয়োজন। সেই বিজ্ঞানাগাৰবোৰত শিক্ষাৰ্থী-সকলে বিজ্ঞানৰ পৰীক্ষা-নিৰীক্ষাবোৰ নিজে কৰিব পৰাকৈ প্ৰয়োজনীয় সা-সঁজুলি থাকিব লাগে। নতুন নতুন সা-সঁজুলি সংযোজন কৰাৰ এক ব্যৱস্থাও থাকিব লাগে। বিজ্ঞানৰ কথাবোৰ বুজিবলৈ সূক্ষ্ম দৃষ্টিভংগীৰ অতি প্ৰয়োজন। সৰুৰে পৰা শিক্ষাৰ্থীসকলক অতি সূক্ষ্ম দৃষ্টিভংগীৰে বিভিন্ন বিষয় চালি-জাৰি চাবলৈ অনুপ্ৰাণিত কৰিব লাগে।



নতুন নতুন বিজ্ঞানৰ আৱিষ্কাৰবোৰৰ লগত শিক্ষাৰ্থীসকলক যিমান পাৰি সোনকালে পৰিচয় কৰাই দিব লাগে। শিক্ষাৰ্থীসকলৰ দ্বাৰা বিজ্ঞানভিত্তিক পৰীক্ষা-নিৰীক্ষাৰ প্ৰদৰ্শনীৰ ব্যৱস্থা কৰি শিক্ষাৰ্থীসকলক বিজ্ঞান বিষয়ত আগ বঢ়াই নিয়াৰ বাবে চেষ্টা অব্যাহত ৰাখিব লাগে। বিজ্ঞান যিহেতু সত্যৰ ওপৰত প্ৰতিষ্ঠিত সেইবাবে প্ৰতিটো কথা যুক্তিসহকাৰে শিক্ষাৰ্থীসকলক বুজাই দিব পাৰিলে নিশ্চয় বিজ্ঞান শিক্ষাই জনপ্ৰিয়তা লাভ কৰিব পাৰিব।

**বাখৰ :** মাতৃভাষা মাধ্যমত শিক্ষা গ্ৰহণ কৰা শিক্ষাৰ্থীৰ সংখ্যা ক্ৰমান্বয়ে কমি আহিছে। ইয়াৰ কাৰণ আৰু ফলাফল আপুনি কি ধৰণে বিচাৰ কৰে?

**ড° গোস্বামী :** মই প্ৰাথমিক শিক্ষা অসমীয়া মাধ্যমতে পঢ়িছিলোঁ। বৰ্তমান ইংৰাজী ভাষাৰ প্ৰচলন বাঢ়িছে। ইয়াৰ প্ৰভাৱ আমাৰ অসমতো পৰিছে। আমাৰ ল'ৰা-ছোৱালীয়ে অসমীয়া আৰু ইংৰাজী দুয়োটা ভাষা শিকিব লাগে। অসমীয়া নিশিকিলে জাতিটোৱে হেৰাই যাব। আমাৰ ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিযোগিতামূলক পৰীক্ষাবোৰৰ লিখিত পৰীক্ষাত উত্তীৰ্ণ হয়, কিন্তু মৌখিক সাক্ষাৎকাৰত সেইসকল শিক্ষাৰ্থী ব্যৰ্থ হোৱা দেখা যায়। ইয়াৰ মূল কাৰণ ইংৰাজী ভাষাত থাকিবলগীয়া দখলৰ অভাৱ। সেয়ে শিক্ষাৰ্থীসকলৰ বাবে বিদ্যালয় পৰ্য্যায়ত স্প'কেন ইংলিছৰ শ্ৰেণী থাকিলে ভাল। প্ৰতিগৰাকী শিক্ষাৰ্থী মাতৃভাষাৰ ক্ষেত্ৰত চহকী হোৱাটো অত্যন্ত প্ৰয়োজনীয়।

**বাখৰ :** বৰ্তমান পদাৰ্থবিজ্ঞান পঢ়ি কেনেদৰে এই দিশত কেৰিয়াৰ গঢ়িব পাৰি সেই বিষয়ে অলপ ক'ব নেকি?

**ড° গোস্বামী :** পদাৰ্থবিজ্ঞানৰ বহুতো সুবিধা আছে। বিশেষকৈ অভিযান্ত্ৰিক আৰু ইন্সট্ৰুমেন্‌টেছ্‌নত ইয়াৰ ব্যাপক প্ৰভাৱ দেখা পোৱা যায়। পদাৰ্থবিজ্ঞান পঢ়ি ভাল শিক্ষকো হ'ব পাৰি। পদাৰ্থবিজ্ঞানৰ গৱেষণা ক্ষেত্ৰখন অতি বিশাল। পদাৰ্থবিজ্ঞান গভীৰভাৱে অধ্যয়ন কৰিবৰ বাবে কেইবাখনো অনুষ্ঠান আছে। যেনে—TIFR (Tata Institute of Fundamental Research), IIT আৰু BARC ইত্যাদি। গতিকে মই ভাবোঁ, পদাৰ্থবিজ্ঞানৰ শিক্ষাৰ্থী হৈও এগৰাকী সফল মানুহ হোৱাৰ সুযোগ আছে।

**বাখৰ :** আপোনাৰ সফল জীৱনৰ অনুপ্ৰেৰণাৰ উৎস কি?

**ড° গোস্বামী :** মোৰ জীৱনৰ অনুপ্ৰেৰণাৰ মূল উৎস হ'ল মোৰ পিতৃ আৰু মোৰ মামা। মোৰ মামা কটন মহাবিদ্যালয়ৰ এসময়ৰ অধ্যাপক আছিল। অধ্যক্ষ হিচাপে তেওঁ কাৰ্য্যনিৰ্বাহ কৰিছিল। তেওঁৰ নাম আছিল উমাকান্ত গোস্বামী। তদুপৰি মই কলিকতাত পঢ়া-শুনা কৰি থকা সময়ত অধ্যাপক মেঘনাদ চাহা, ড° জগদীশ চন্দ্ৰ বসুৰ লগতে বিদেশৰ পৰা অহা বিভিন্ন ভিজিটিং প্ৰফেছৰৰ সান্নিধ্য লাভ কৰাৰ লগতে তেওঁলোকৰ পৰা অনুপ্ৰেৰণাও পাইছিলোঁ। মোৰ জীৱনৰ ওপৰত এইসকল লোকৰ প্ৰভাৱ যথেষ্ট আছে।

**বাখৰ :** বৰ্তমান প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হৈ উত্তীৰ্ণ হ'ব নোৱৰা বহুতো শিক্ষাৰ্থী বিপথগামী হোৱা দেখা যায়। তেনে পৰীক্ষাত অনুত্তীৰ্ণ হোৱা শিক্ষাৰ্থীসকলৰ প্ৰতি আপোনাৰ পৰামৰ্শ কি?

**ড° গোস্বামী :** অভিভাৱকৰ পৰা শিক্ষাৰ্থীসকলৰ বিষয়ে ভালকৈ জনাটো খুব প্ৰয়োজন। শিক্ষাৰ্থীসকলৰ স্বভাৱ-চৰিত্ৰৰ বিষয়ে আনতকৈ অভিভাৱকে ভালদৰে জানে।

চিকিৎসক, অভিযন্তা, বিজ্ঞানী আদিৰ লগতে আন আন বৃত্তিধাৰী মানুহৰ ওপৰত সমাজৰ ডাঙৰ ভূমিকা আছে। অভিভাৱকে শিক্ষাৰ্থীসকলৰ মনৰ ইচ্ছা-অনিচ্ছা, দক্ষতা আদিৰ ওপৰত কোনো ধৰণৰ ধাৰণা নথকাকৈ সন্তানক চিকিৎসক, অভিযন্তা, বিজ্ঞানী আদি হিচাপে গঢ়ি তুলিব বিচাৰে। এই ক্ষেত্ৰত শিক্ষাৰ্থীসকলৰ ওপৰত এক অনাহক হেঁচা সৃষ্টি কৰা হয় বুলিও মোৰ ভাব হয়। এই ধৰণৰ প্ৰৱণতা ৰোধ কৰিবৰ বাবে সামাজিক সচেতনতাৰ প্ৰয়োজন। তেতিয়াহে সমাজৰ কল্যাণ হ'ব। শিক্ষাৰ্থীসকলক জোৰ কৰি তেনেকুৱা বিষয়বোৰত প্ৰতিষ্ঠা কৰাৰ যি প্ৰতিযোগিতা সেই প্ৰতিযোগিতাত তিষ্ঠি থাকিব নোৱাৰিয়েই শিক্ষাৰ্থীসকল বিপথগামী হোৱা যেন লগে। গতিকে শিক্ষাৰ্থীসকলেও তেওঁৰ নিজৰ ইচ্ছা-অনিচ্ছা, দক্ষতা, মানসিকতা আদি কথাবোৰ অভিভাৱকক অৱগত কৰাব লাগে। অভিভাৱক আৰু শিক্ষাৰ্থীসকল উভয়ে উভয়ক বুজি লৈ আগ বাঢ়ি গ'লে নিশ্চয় এক ভাল ফলাফল পোৱা যাব। মূল কথা হ'ল, মানুহে যি বৃত্তিয়েই গ্ৰহণ নকৰক কিয় তেওঁ সামাজিকভাৱে দায়বদ্ধ হৈ থকাটো প্ৰয়োজন।

**বাখৰ :** নতুন প্ৰজন্মৰ প্ৰতি আপোনাৰ উপদেশ কি?

**ড° গোস্বামী :** নৱপ্ৰজন্মই সমাজৰ সকলো ক্ষেত্ৰতে আগ-ভাগ লোৱাটো প্ৰয়োজন। নৱপ্ৰজন্মই সামাজিক দায়বদ্ধতাৰ মনোভাব গঢ়ি তুলিব লাগে। প্ৰত্যেকেই একোজন ভাল মানুহ হৈ সমাজলৈ অৱদান যোগোৱাৰ চিন্তা-চৰ্চা অব্যাহত ৰাখিব লাগে। নৱপ্ৰজন্মৰ ওপৰতেই দেশৰ ভৱিষ্যৎ নিৰ্ভৰশীল।

**বাখৰ :** অসম জাতীয় বিদ্যালয়ৰ শৈক্ষিক ধাৰাটোৰ প্ৰতি আপোনাৰ মতামত কি?

**ড° গোস্বামী :** মই বিশ্বাস কৰোঁ অসম জাতীয় বিদ্যালয়ে অসমৰ শৈক্ষিক সমাজখনত এক বিশেষ প্ৰভাৱ বিস্তাৰ কৰিছে। ইতিমধ্যে অসম জাতীয় বিদ্যালয়ৰ আৰ্হিত অসমৰ বিভিন্ন প্ৰান্তত বহুতো জাতীয় বিদ্যালয় গঢ়ি উঠিছে। অসম জাতীয় বিদ্যালয়ৰ লগতে আন আন জাতীয় বিদ্যালয়সমূহে অসমত এক শৈক্ষিক ধাৰা সৃষ্টি কৰিছে। এই শৈক্ষিক ধাৰাটো আন বিদ্যালয়েও গ্ৰহণ কৰাটো ভাল। বিদ্যালয়খনত এখনি সুন্দৰ বাগিচা আৰু ঔষধি উদ্ভিদৰ বাগান গঢ়ি তোলাৰ বাবে মই কৰ্তৃপক্ষক আহ্বান জনালোঁ। অসম জাতীয় বিদ্যালয়ে মাতৃভাষাৰ লগতে ইংৰাজী ভাষাতো সমানে গুৰুত্ব দিয়া কথাটো মই জানো। সেইবাবে অসম জাতীয় বিদ্যালয়ৰ শিক্ষাৰ্থীসকল আগুৱাই যাবলৈ সক্ষম হৈছে। অসম জাতীয় বিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ আৰু অধিক উজ্জ্বল ভৱিষ্যৎ কামনা কৰি মই শুভেচ্ছা জনালোঁ।

**বাখৰ :** চন্দ্ৰযান-৩ৰ সফল অৱতৰণৰ বিষয়ে আপোনাৰ মতামত কি?

**ড° গোস্বামী :** চন্দ্ৰযান-৩ৰ সফল অৱতৰণ আমাৰ গোটেই দেশৰ বাবে এক সফলতাৰ খবৰ। ই সকলোকে বৰ আনন্দ দিছে। বিজ্ঞান ক্ষেত্ৰখনৰ এনেবোৰ ঘটনাই নৱপ্ৰজন্মক উৎসাহিত কৰে। এনে কথাবোৰৰ লগত শিক্ষাৰ্থীসকলক সদায় সংপৃক্ত কৰি ৰাখিব লাগে। এই ঘটনাবোৰে শিক্ষাৰ্থীসকলক বিজ্ঞান বিষয়ৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ লগতে শিক্ষাৰ্থীসকলৰ মনত এনে ঘটনা এক স্মৃতি হিচাপে আজীৱন থাকি যায়।

**বাখৰ :** আপুনি আমাক ইমানখিনি সময় দি আমাৰ লগতে বিদ্যালয়ক কৃতাৰ্থ কৰিলে। আপোনাৰ লগত কটোৱা এই সময়কণ আমাৰ বাবে স্মৰণীয় হৈ ৰ'ব। আমাৰ তৰফৰ পৰা আপোনালৈ সেৱা আৰু আপোনাৰ দীৰ্ঘায়ু আৰু সুস্বাস্থ্য কামনা কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালোঁ।

**ড° গোস্বামী :** তোমালোকৰ লগত কটোৱা সময়খিনি মনত থাকিব। তোমালোকৰ সকলোৰে মংগল হওক। তোমালোক আটাইকে মোৰ শুভেচ্ছা আৰু আশীৰ্বাদ জনালোঁ। ♦

# হাফলঙৰ প্ৰাকৃতিক পৰিবেশৰ মাজত এটা দিন

■ ধৃতিমান ঠাকুৰীয়া
অষ্টম শ্ৰেণী

প্ৰত্যেকবাৰ বছৰেকীয়া পৰীক্ষাৰ অন্তত আমি বিভিন্ন ঠাইলৈ ফুৰিবলৈ যাওঁ। অসমৰ বাহিৰলৈ খুব কম যোৱা হয় যদিও অসমৰ ভিতৰতে আমি বিভিন্ন ঠাই নিৰ্বাচন কৰি লওঁ আৰু সেইবোৰৰ সৌন্দৰ্য্য উপভোগ কৰোঁ। এইবাৰো সপ্তম শ্ৰেণীৰ বছৰেকীয়া পৰীক্ষা শেষ হোৱাত আমি বিভিন্ন ঠাইলৈ ফুৰিবলৈ গ'লোঁ।

বন্ধৰ দিনত ফুৰিবলৈ যোৱা ঠাইসমূহৰ ভিতৰত আটাইতকৈ মনোমোহা ঠাইখন হৈছে হাফলং। আমি ২৯-৩-২০২৩ তাৰিখে ৰাতিপুৱা ৫:৩০ বজাতে ঘৰৰ পৰা গুৱাহাটী ৰেলৱে ষ্টেছনলৈ গ'লোঁ। তাৰ পৰা 'VISTADOME'ৰে ৬:৪৫ বজাত হাফলঙলৈ বুলি যাত্ৰা আৰম্ভ কৰিলোঁ। প্ৰায় ৫ ঘণ্টীয়া এই যাত্ৰা একেবাৰে আমনিদায়ক নাছিল। দুয়োকাষে মাথোঁ সেউজীয়া আৰু সেউজীয়া। বিশেষকৈ মাইবং পাৰ হোৱাৰ পাছত যেতিয়া পাহাৰীয়া এঁকা-বেঁকা পথেৰে, সুৰংগৰ মাজেৰে সম্পূৰ্ণ ধীৰ গতিৰে ট্ৰেইনখন আগ বাঢ়িছিল তেতিয়া যাত্ৰীসকলে নিজৰ আসনৰ পৰা উঠি ফটো লোৱাই ফটো লৈছিল, কোনোবাই ভিডিঅ' কৰিছিল, কিছুমানে আকৌ নয়ন ভৰাই প্ৰাকৃতিক সৌন্দৰ্য্য উপভোগ কৰিছিল আৰু আমি গাইছিলোঁ—

"অসম আমাৰ ৰূপহী গুণৰো নাই শেষ,
ভাৰতৰে পূৰ্ব দিশৰ সূৰ্য্য উঠা দেশ।"

এনেদৰে গৈ প্ৰায় ১২ বজাৰ আগে আগে আমি হাফলং ষ্টেছনত নামিলোঁ। তাৰ পৰা গাড়ী এখন ভাৰা কৰি প্ৰথমে গ'লোঁ এখন Ethnic Villageলৈ। তাত কুকি, জেমি নাগা, ডিমাচা আদি বিভিন্ন জনজাতীয় লোকৰ সাজ-পোছাক, বাসস্থানৰ আৰ্হি আদি সুন্দৰকৈ সজাই ৰখা হৈছে। তাৰ পৰা আমি জাতিংগালৈ গ'লোঁ। ইমানদিনে কিতাপৰ পাতত পঢ়ি থকা পৰিভ্ৰমী চৰাইৰ বাবে বিখ্যাত ঠাই জাতিংগা। আমি অৱশ্যে পৰিভ্ৰমী চৰাই নেদেখিলোঁ, কাৰণ পৰিভ্ৰমী চৰাইবোৰ আহে ছেপ্টেম্বৰৰ পৰা নৱেম্বৰৰ সময়তহে। পৰিভ্ৰমী চৰাই নেদেখিলেও বৰাইল পাহাৰৰ নান্দনিক সৌন্দৰ্য্য ইমান ওচৰৰ পৰা উপভোগ কৰিবলৈ পাই মনটো ভৰি পৰিল। তাৰ পৰা আমি গ'লোঁ পাৰ্কলৈ আৰু পাৰ্কৰ ঠিক সন্মুখতে আছিল এটা লেক। অৱশ্যে সেই লেকটোত পানী নাছিল। সম্পূৰ্ণ লেতেৰা জাবৰ-জোঁথৰ আৰু মাটিৰে ভৰি আছিল। পাছত গম পাইছিলোঁ যে যোৱা বছৰ হোৱা ভূমিস্খলনত মাটি খহি আহি সেই লেকটো পুতি পেলাইছিল। মাটি আৰু জাবৰ-জোঁথৰবোৰ আঁতৰালে লেকটো পুনৰ পানীৰে ভৰি ধুনীয়া হৈ পৰিব। তাৰ পাছত গাড়ী চালকজনে আমাক বিভিন্ন ভিউ পইণ্টলৈ লৈ গ'ল য'ৰ পৰা হাফলঙৰ প্ৰাকৃতিক সৌন্দৰ্য্য উপভোগ কৰিব পাৰি। শেষত তাৰ স্থানীয় বজাৰ পৰিদৰ্শন কৰিলোঁ। আমাৰ ইয়াৰ দৰেই বজাৰ যদিও দুই-এবিধ আমি চিনি নোপোৱা পাচলি, ফল-মূল দেখিবলৈ পালোঁ। আমি দিনটো খুব ধুনীয়াকৈ উপভোগ কৰিলোঁ যদিও আমাৰ দৰে ফুৰিবলৈ যোৱা দুই-চাৰিটা পৰিয়ালে "হাফলঙত চাবলগীয়া একো নাই, এনেয়ে আহিলোঁ" বুলি কৈ আক্ষেপ কৰি থকা শুনিছিলোঁ। আমি তেওঁলোকৰ সৈতে একমত নহওঁ। অৱশ্যে শ্বিলঙৰ দৰে বহু কিবাকিবি চাবলগীয়া হাফলঙত নাই, পৰ্য্যটনস্থলী হিচাপে বৰ বিশেষ উন্নতি এতিয়াও হোৱা নাই অথবা শ্বিলঙৰ চাবলগীয়া ঠাইসমূহত যিদৰে খাচী লোকসকলে তাৰ স্থানীয় সামগ্ৰীৰ ব্যৱসায়েৰে পৰ্য্যটকক আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে, হাফলঙৰ লোকসকল এই ক্ষেত্ৰত পিছপৰি আছে। কিন্তু তথাপি VISTADOMEৰ সুখকৰ যাত্ৰা, বৰাইলৰ বিশালতা, পাহাৰীয়া সেই স্বাস্থ্যকৰ জলবায়ু আৰু অনবৰতে বলি থকা এজাক মৃদু বতাহৰ মাজত কটোৱা সেই এটা দিনে আমাক কৃত্ৰিম আৰু যান্ত্ৰিক জীৱনৰ পৰা যে মুক্ত কৰি ৰাখিছিল, সেয়াই মোৰ বাবে যথেষ্ট। ♦

# মোৰ বৈষ্ণোদেৱী ভ্ৰমণ

■ প্ৰাযুক্ত সাই পৰাশৰ
চতুৰ্থ শ্ৰেণী



২০২৩ চনৰ এপ্ৰিল মাহৰ ৩ তাৰিখে দুপৰীয়া ২:১০ বজাত পল্টনবজাৰ ৰেলৱে ষ্টেছনৰ পৰা জম্মু তৱৈ নামৰ ট্ৰেইনখনত উঠি আমি আৰু আমাৰ জেঠীহঁত ৰাওনা হৈছিলোঁ জম্মুস্থিত বৈষ্ণোদেৱী মন্দিৰলৈ বুলি। এইটোৱে আছিল মোৰ জীৱনৰ প্ৰথম দীঘলীয়া ট্ৰেইন যাত্ৰা। বৈষ্ণোদেৱী মন্দিৰ আচলতে জম্মুৰ কাটৰা নামৰ চহৰখনত অৱস্থিত। জম্মু ৰেলৱে ষ্টেছনৰ পৰা কাটৰা প্ৰায় ৩০ কিমি. দূৰৈত। তাৰ পৰা আমি গাড়ী এখন লৈ কাটৰালৈ বুলি ৰাওনা হ'লোঁ। গাড়ীৰে গৈ থাকোঁতে আমি দূৰৰ পৰা মন্দিৰটো দেখা পালোঁ। মন্দিৰটো দেখা পোৱাৰ লগে লগে আমাৰ সকলোৰে মুখত হাঁহি বিৰিঙিল। প্ৰায় ৮ মান বজাত আমি হোটেল পালোঁ। ৬ এপ্ৰিল বৃহস্পতিবাৰে প্ৰায় ৭:৩০ মান বজাত মা বৈষ্ণোদেৱীৰ নাম লৈ আমি ৰাওনা হ'লোঁ। প্ৰথমে আমি মন্দিৰৰ প্ৰবেশ-পত্ৰ কাটিবলৈ গ'লোঁ। মন্দিৰলৈ গ'লে প্ৰথমে প্ৰবেশ-পত্ৰ কটাটো বাঞ্ছনীয়। বৈষ্ণোদেৱী মন্দিৰলৈ যোৱাৰ আধা বাটতে বাল গংগা নামৰ নদী এখন বৈ গৈছে। প্ৰায়ভাগ মানুহে তাত গা ধোৱে। জনবিশ্বাস মতে তাত মা বৈষ্ণোদেৱীয়ে গংগাক আহ্বান কৰিছিল আৰু তাত মা বৈষ্ণোদেৱীয়ে চুলি ধুইছিল আৰু বিশ্বাস মতে তাত গা ধুলে ছালৰ বেমাৰ ভাল হয়। মই আৰু মোৰ দাদাই তাত গা ধুই আমি আকৌ যাত্ৰা আৰম্ভ কৰিলোঁ। তলৰ পৰা মা বৈষ্ণোদেৱীৰ মূল মন্দিৰলৈ প্ৰায় ১৬ কিমি. ওপৰত তিনিখন পাহাৰৰ চূড়াত অৱস্থিত। ওখ ওখ পাহাৰৰ ৰাস্তাবোৰ বৰ ভাল। কিন্তু ভূমিস্খলন হোৱাৰ বাবে কিছুমান ৰাস্তা অলপ ভয় লগা ধৰণৰ। মন্দিৰৰ ওপৰলৈ যাবলৈ ঘোঁৰা, দোলা বা সৰু ল'ৰা-ছোৱালীৰ বাবে গাড়ী ব্যৱহাৰ কৰা হয়। আমি কিন্তু খোজ কাঢ়ি গৈ থাকিলোঁ। প্ৰায় ১০ ঘণ্টা খোজ কাঢ়ি জয় মাতাদি বুলি কৈ কৈ অৱশেষত মাতা বৈষ্ণোদেৱীৰ মুখ্য দুৱাৰ ৮:৪৫ বজাত পালোঁ। তাত আমি এজন ভাৰতীয় সেনাত কৰ্মৰত অসমীয়া জোৱানক লগ পালোঁ। আমি ডিঙিত গামোচা লৈ আছিলোঁ বাবে তেওঁ আমাৰ লগত চিনাকি হ'ল, লগতে তেওঁ আমাক আৰ্মিৰ কোটাৰ লাইনত সুমুৱাই দিলে। ১ ঘণ্টামান লাইন পতাৰ পাছত আমাৰ প্ৰতীক্ষাৰ অন্ত পৰিল। মাৰ মন্দিৰৰ সন্মুখ পাই তাত আৰতি হোৱা ডাঙৰ হলটো দেখি মোৰ চকু থৰ লাগি গৈছিল। প্ৰকাণ্ড এলেকাটো কেৱল ফুল আৰু ফল-মূলেৰে সজোৱা আছিল। তাত এটা গুহা আছে। সেই গুহাটোৰে মানুহ অহা-যোৱা কৰিব নোৱাৰে যদিও গুহাটো ফেব্ৰুৱাৰী মাহত ২ ঘণ্টাৰ বাবে খুলি দিয়ে। মা বৈষ্ণোদেৱীয়ে যেতিয়া ভৈৰোনাথক মাৰিছিল, ভৈৰোনাথৰ মূৰটো ৩.৩০ কিমি. দূৰত পৰিছিল আৰু গুহাটোত শৰীৰটো আজিও আছে বুলি বিশ্বাস কৰা হয়। গুহাৰ মুখখন গোটেই সোণেৰে বনোৱা। এনেদৰে গুহাৰ ভিতৰত থকা মা বৈষ্ণোদেৱীক দৰ্শন কৰিলোঁ। তাৰ পাছত আমি ৩.৩০ কিমি. ওপৰত থকা বাবা ভৈৰোক দৰ্শন কৰিবলৈ গ'লোঁ। ভৈৰো বাবাক দৰ্শন কৰিলে এই যাত্ৰাৰ অন্ত পৰে বুলি কয়। তেতিয়া ৰাতি প্ৰায় ১.৩০ বাজিছিল। ভৈৰো বাবাক দৰ্শন কৰি আমি পাছদিনা ৰাতিপুৱা ৭ বজাত হোটেল পালোঁ। সিদিনা ৰাতি কাটাৰাৰ পৰা দিল্লীলৈ ট্ৰেইনত গ'লোঁ আৰু দিল্লীৰ পৰা ট্ৰেইনত উঠি গুৱাহাটী আহি পালোঁ। বহুত ধুনীয়া অভিজ্ঞতা লৈ বৈষ্ণোদেৱীলৈ দৰ্শন কৰি গুৱাহাটীলৈ আহিলোঁ। ♦

# অমৃতসৰ দেখিলোঁ

■ **কুনাল কিশোৰ শৰ্মা**
পঞ্চম শ্ৰেণী

২০২২ চনৰ অক্ট'বৰ মাহৰ ৩ তাৰিখে আমি পাঞ্জাবৰ অমৃতসৰলৈ ৰাওনা হৈছিলোঁ। সেইদিনা ৰাতিপুৱা আমি ৫:০০ বজাত গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰৰ পৰা যাত্ৰা আৰম্ভ কৰি পাঞ্জাবৰ 'শ্ৰীগুৰু ৰাম দাস জী' আন্তৰ্জাতিক বিমান বন্দৰত উপস্থিত হৈছিলোঁ। আমি তাৰ পৰা টেক্সি লৈ এখন হোটেললৈ গৈছিলোঁ। হোটেলত আমি কিছু সময় জিৰণি লৈ তিনিমান বজাত স্বৰ্ণ মন্দিৰলৈ গৈছিলোঁ। মন্দিৰলৈ গৈ কিছুমান বেলেগ ধৰণৰ নিয়ম দেখা পালোঁ। মন্দিৰৰ ভিতৰলৈ সোমাওঁতে পুৰুষ-মহিলা, সৰু ল'ৰা-ছোৱালী সকলোৱে মূৰটো কাপোৰেৰে ঢাকি ৰাখিব লাগে আৰু সেইবাবে কিছুমান মানুহে কমলা ৰঙৰ কাপোৰ লৈ ৰৈ থাকে। আমাৰ মাহঁতৰ মূৰত ল'ব পৰাকৈ চুৰ্ণী আছিল যদিও মোৰ আৰু দেউতাৰ একো নথকাত আমিও দুখন কাপোৰ কিনি মূৰত বান্ধি ল'লোঁ। তাৰ পাছত অতি পৰিপাটিকৈ শাৰী পাতি থিয় হৈ অৱশেষত মূল মন্দিৰ পালোঁ আৰু সেৱা জনালোঁ। আমি মন্দিৰত সোমাই গম পালোঁ যে তাত নিৰ্দিষ্ট ঘৰত প্ৰায় ১ লাখ মানুহে বিনামূলীয়াকৈ সদায় আহাৰ গ্ৰহণ কৰিব পাৰে, আমিও সেই আহাৰৰ সোৱাদ ল'লোঁ। সঁচাকৈয়ে বহুত ভাল লাগিল। তাৰ পাছত হোটেললৈ আহি ৰাতি শুই থাকিলোঁ। তাৰ পাছদিনা আমি গ'লোঁ বিখ্যাত জালিৱানৱালাবাগৰ হত্যাকাণ্ড সংঘটিত হোৱা ঠাইখনলৈ, তাত মৃত্যু হোৱা লোকৰ ছবিবোৰ বেৰত আঁকি থোৱা আছে আৰু বন্দুকৰ গুলীবোৰ থৈ দিয়া আছে। কিতাপত পঢ়া কথাখিনি সঁচাকৈ দেখা পাই মোৰ খুব ভাল লাগিল। সেইদিনা আবেলি আমি গৈছিলোঁ ভাৰত-পাকিস্তান ব'ৰ্ডাৰলৈ, ঠিক ৫ বজাত পোৱাকৈ, কাৰণ ৫ বজাত দুয়োখন দেশৰ পেৰেড হয়। হাজাৰ হাজাৰ মানুহ ৰৈ আছিল পেৰেড চাবলৈ, আমিও কোনোমতে বহি ল'লোঁ। ইমান ভাল লাগিল যে সকলোৱে 'ভাৰত মাতা কী', 'বন্দে মাতৰম' ধ্বনি দি নাচিবলৈ ধৰিলে, আমিও সকলোৰে লগত সহযোগ কৰিলোঁ আৰু এঘণ্টা সময় কেনেকৈ পাৰ হৈ গ'ল গমেই নাপালোঁ। আমাৰ ভাৰতৰ হাজাৰ হাজাৰ মানুহ আছিল, কিন্তু পাকিস্তানৰ ২০০ মানুহো নাছিল। সেইদিনা ৰাতিটো হোটেলত কটাই পাছদিনা আমি গুচি আহিলোঁ। সঁচাকৈয়ে এই ভ্ৰমণটোৱে মোক বহু আনন্দ দিলে। ♦



**ধ্যানভি ডেকা**, প্ৰাক্-প্ৰাথমিক শ্ৰেণী



**ধ্ৰুৱিতা দাস**, প্ৰাক্-প্ৰাথমিক শ্ৰেণী

# মোৰ প্ৰিয় ঠাইখন

■ ৰাজদীপ শৰ্মা
ষষ্ঠ শ্ৰেণী



২০২২ চনৰ ১৪ জুলাই তাৰিখে গুৱাহাটীৰ পৰা দৰং জিলা, মঙলদৈৰ পথৰুঘাট অৰ্থাৎ আমাৰ গাঁৱলীয়া ভাষাত পাথৰিঘাট নামৰ ঠাইখনলৈ মোৰ দেউতা আৰু মাৰ লগত ৰাওনা হৈছিলোঁ। তাত মোৰ মামাৰ ঘৰ।

মোৰ মামাৰ ঘৰলৈ যাওঁতেই এখন ঐতিহাসিক ঠাই দেখিবলৈ পোৱা যায়। সেই ঠাইডোখৰ পোৱাৰ লগে লগে গাড়ীখন ৰখাই দিলে। য'ত আছিল এটা শ্বহীদ বেদী, তাত লিখা আছিল 'শ্বহীদ প্ৰণামো তোমাক'। লগতে আছিল এটা সৰু খাল অৰ্থাৎ এটা পুখুৰী। মোৰ দেউতাই যিখন ঠাইলৈ লৈ গৈছিল সেই ঠাইখনতেই ১৮৯৪ চনৰ ২৮ ফেব্ৰুৱাৰী তাৰিখে এখন ৰণ হৈছিল য'ত অসম বুৰঞ্জীত কৃষক বিদ্ৰোহ পথৰুঘাটৰ ৰণ হিচাপে উল্লেখ আছে।

এই ৰণখন কৃষক আৰু বৃটিছৰ মাজত হৈছিল মাটিৰ খাজনা বৃদ্ধি হোৱাৰ বাবে। সেই অঞ্চলৰ ৰাইজে ৰাইজমেলৰ দ্বাৰা প্ৰতিবাদ সাব্যস্ত কৰিছিল। কাৰণ বৃটিছে প্ৰতি ১০ বছৰৰ মূৰে মূৰে মাটিৰ খাজনা বৃদ্ধি কৰিছিল, সেই লৈ কৃষকসকল বৰ অতিষ্ঠ হৈ পৰিছিল। ইয়াৰ প্ৰতিকাৰ হিচাপে এদিন কৃষকসকলে উপায়ুক্ত আৰু পুলিচ থানা ঘেৰাও কৰিলে। কিন্তু কৃষকসকলৰ কোনো কথাই তেওঁলোকে গুৰুত্ব নিদিলে, বৰং দুগুণহে মাটিৰ খাজনা বৃদ্ধি কৰিলে। ৰাইজে এইবাৰ দুগুণ কৰাৰ বাবে অতিষ্ঠ হৈ পৰিল। শেষত ১৮৯৪ চনৰ ২৮ জানুৱাৰীত ছিপাঝাৰ অঞ্চলত এখন ৰাইজমেল অনুষ্ঠিত কৰা হৈছিল। যি ৰাইজমেলত ধৰ্ম, বৰ্ণ, জাতি নিৰ্বিশেষে সকলোৱে বৰ্ধিত খাজনা আদায় নিদিয়াৰ সপক্ষে মত আগ বঢ়াইছিল। সেই অনুসৰি ২৮ জানুৱাৰীত পথৰুঘাটত আন এখন ৰাইজমেল পাতিছিল। এই ৰাইজমেলৰ খবৰ পাই উপায়ুক্ত জে.ডি. এণ্ডাৰছন আৰু পুলিচ অধীক্ষক জে.আৰ. বেৰিংটনৰ লগত পুলিচ-মিলিটেৰী লৈ পথৰুঘাটৰ ডাক বঙলাত উপস্থিত হ'ল। পুলিচ আৰু কৃষকৰ মাজত প্ৰথমে বাকযুদ্ধ হৈছিল আৰু পাছলৈ এখন তয়ামৰা ৰণ হ'ল। এই ৰণত কৃষকসকলে বাঁহৰ লাঠী, দলি-চপৰা, শিলগুটি আদি পুলিচসকলৰ গালৈ মাৰি পঠিয়াইছিল আৰু তাৰ বিপৰীতে পুলিচ আৰু মিলিটেৰীবোৰে ধাৰাসাৰে গুলী চলাইছিল। ফলত ১৪০ জন কৃষকৰ মৃত্যু হয় আৰু ১৫০ জন আহত হয়। এই ৰণৰ বিশেষত্ব হ'ল মাটি-চপৰা আৰু বাঁহৰ লাঠীৰে আক্ৰমণ কৰাৰ বাবে বিদ্ৰোহৰ পৰিবৰ্তে ৰণলৈ পৰিণত হয়। এইখনেই হৈছে পথৰুঘাটৰ ৰণ। তাৰ গাতে লাগি থকা খালটোৰো এটা তাৎপৰ্য্য আছে। যিবোৰ কৃষকৰ মৃত্যু হৈছিল তেওঁলোক আছিল হিন্দু আৰু মুছলমান ভাই। এই গোটেইবোৰ কৃষককে একেলগ কৰি সেই খালটোতেই সমাধিস্থ কৰিছিল। তাতেই শ্বহীদ বেদীটো নিৰ্মাণ কৰিছিল। সেয়েহে প্ৰতি বছৰে ২৮ জানুৱাৰী তাৰিখে কৃষক দিৱস হিচাপে পালন কৰে।

আমি তাত গৈ ইতিহাসপ্ৰসিদ্ধ বহু কথাই জানিব পাৰিলোঁ। শেষত শ্বহীদ বেদীক প্ৰণাম জনাই সেই ঠাই এৰিলোঁ। ♦

# এটি স্মৰণীয় দিন

■ অভিৰূপ আকাশ শাণ্ডিল্য
ষষ্ঠ শ্ৰেণী



উত্তৰ-পূব ভাৰতৰ প্ৰতিখন ৰাজ্য প্ৰাকৃতিক সৌন্দৰ্য্যেৰে চহকী। পাহাৰ, নদী আৰু সেউজ অৰণ্যেৰে ভৰপূৰ এই ৰাজ্যসমূহ পৰ্য্যটকৰ অন্যতম আকৰ্ষণৰ কেন্দ্ৰ। আমাৰ চুবুৰীয়া এই ৰাজ্যকেইখনত কিমান যে চাবলগীয়া ঠাই আছে! তাৰ ভিতৰত অন্যতম অৰুণাচলৰ নামচাই জিলা। নামচাইত অৱস্থিত সোণালী পেগোডাটো পৰ্য্যটকসকলৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু। স্থানীয় টাই-খামটি ভাষাত ইয়াক 'কংমুখাম' বুলি কোৱা হয়। ই উত্তৰ-পূব ভাৰতৰ বৃহত্তম বৌদ্ধ-বিহাৰসমূহৰ ভিতৰত অন্যতম।

এতিয়ালৈকে মই দুবাৰ অৰুণাচললৈ গৈছোঁ। এবাৰ ৰেলেৰে মুৰ্ককচেলেঙলৈ গৈ তাৰ পৰা পাছিঘাটলৈ গৈছিলোঁ। তাৰ পাছৰবাৰ ৰেলেৰে তিনিচুকীয়ালৈ গৈ মটৰগাড়ীৰে অৰুণাচলৰ ৰয়িং, নামচাই আৰু চৌখামলৈ গৈছিলোঁ।

তিনিচুকীয়াৰ পৰা নামচাইলৈ ৬৮ কিল'মিটাৰ দূৰ। নামচাইলৈ যোৱা যাত্ৰাটো মোৰ ভাল লগাৰ কাৰণ আছিল গোটেই পথটোত থকা সেউজীয়া পথাৰবোৰ। কাকপথাৰ নামৰ ঠাইখনৰ কথা শুনি আছিলোঁ। সেইবাৰ কাকপথাৰৰ ধুনীয়া প্ৰাকৃতিক পৰিবেশৰ মাজেৰে গৈ বৰ ভাল লাগিছিল। গৈ গৈ আমি নামচাই পালোঁ। সোণালী পেগোডাৰে চৌহদটো চালে চকুৰোৱা। কাষেৰে বৈ যোৱা নৈখনো বৰ ধুনীয়া। আমি চাৰিওফালে ঘূৰি ঘূৰি চালোঁ। বৌদ্ধ মন্দিৰটোত সকলোৰে নীৰৱে প্ৰাৰ্থনা কৰি থকা দেখি বৰ ভাল লাগিল। তাত আমি বহুত সময় কটালোঁ। আহিবৰ মনেই নাযায়। পাছে আমি তাৰ পৰা আৰু কিছু দূৰৈত চৌখাম নামৰ ঠাইখনলৈও যোৱাৰ কথা আছিল। সেয়ে ওচৰতে থকা চিংফৌ হোটেল এখনত টোপোলা ভাত আৰু চিংফৌ আহাৰ খাই চৌখামলৈ ওলালোঁ। বাটতে জুবিন গাৰ্গৰ 'দিন জ্বলে, ৰাতি জ্বলে' গানটোত শুনা দীঘল দলংখনো দেখা পালোঁ।

চৌখামলৈ গৈ থাকোঁতে বাটত কেইবাখনো শিলেৰে ভৰা নদী পাৰ হ'লোঁ। চৌখাম অৰুণাচলৰ এখন ধুনীয়া সৰু নগৰ। নগৰ যদিও ঠাইখনৰ পৰিবেশ গাঁৱৰ নিচিনাই। লোহিত জিলাত অৱস্থিত এই পুৰণি নগৰখনৰ প্ৰাচীন বৌদ্ধমঠসমূহ দেখিলে বৰ ভাল লাগে। এখন শিলৰ পৰিষ্কাৰ নদী নগৰখনৰ মাজেৰে বৈ গৈছে। নদীখনত দেখা ধুনীয়া ধুনীয়া আকৃতিৰ শিলবোৰ বুটলি আনিবলৈ মন গৈছিল।

চৌখামৰ ঘৰবোৰো ধুনীয়া। চাফ-চিকুণ পৰিবেশ। ঠাইখনত জনবসতি কম। গোটেই ঠাইখন ঘূৰি ফুৰোঁতে বেছি মানুহ নেদেখিলোঁৱেই। আবেলি চৌখামৰ পৰা উভতি আহোঁতে নামচাইৰ সোণালী পেগোডাটোত লাইট জ্বলি থকা দেখিছিলোঁ। আন্ধাৰত দূৰৈৰ পৰা জিলিকি থকা সোণালী পেগোডাটো দেখিবলৈ ইমান যে ধুনীয়া হৈছিল! পাছে তিনিচুকীয়া পাওঁতে পলম হ'ব বুলি আমি তাত বেছি সময় নৰ'লোঁ। ♦

# দিল্লী দেখিলোঁ

■ ধান্যাতা তামুলী
চতুৰ্থ শ্ৰেণী

ভাৰতৰ ৰাজধানী দিল্লীৰ নাম শুনাৰে পৰাই তালৈ যাবলৈ মন গৈ আছিল, যেতিয়া ককাৰ অস্থি বিসৰ্জন দিবলৈ দেউতাই আইতাক লগত লৈ নৱেম্বৰ মাহৰ ২৪ তাৰিখে হৰিদ্বাৰ, দিল্লী আৰু আগ্ৰা ভ্ৰমণ কৰিব বুলি ঠিক কৰিলে, তেতিয়া মোৰ বাবেও এটা সুযোগ ওলাল। সমস্যা মাথোঁ এটাই আছিল, মাৰ পৰা কেনেকৈ অনুমতি লোৱা যায়? মোৰ ভাগ্য ভাল আছিল কিজানি! তৃতীয় গোট পৰীক্ষা ২২ তাৰিখে শেষ হোৱাৰ বাবে মাৰ পৰা অনুমতি পোৱাত অসুবিধা নহ'ল। সেইদিনা মই, দেউতা আৰু আইতা ৰাতিপুৱা ৭:০০ বজাত গুৱাহাটীত অৱস্থিত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমানবন্দৰত উপস্থিত হ'লোঁ। পুৱা ৯:০০ বজাত উৰাজাহাজত উঠিলোঁ আৰু ১২:০০ বজাত দিল্লী পালোঁগৈ। তাৰ পাছত নতুন দিল্লী ৰেল ষ্টেছনৰ পৰা শতাব্দী এক্সপ্ৰেছত উঠি হৰিদ্বাৰলৈ গ'লোঁ। এইটো যাত্ৰা মই কেতিয়াও পাহৰিব নোৱাৰোঁ, কাৰণ এইটোৱেই মোৰ জীৱনৰ প্ৰথম ৰেল ভ্ৰমণ। সন্ধিয়া প্ৰায় ৭:৩০ বজাত আমি হৰিদ্বাৰ পালোঁ আৰু ষ্টেছনৰ ওচৰতে এখন হোটেলত ৰাতিটো কটালোঁ। ২৫ তাৰিখে ৰাতিপুৱাই আমি ককাৰ অস্থি বিসৰ্জন দিবলৈ গংগা নদীৰ পাৰত উপস্থিত হ'লোঁ। প্ৰায় ১০ মান বজাত অস্থি বিসৰ্জন শেষ হোৱাৰ পাছত আমি ৰাতিপুৱাৰ আহাৰ খাই ঋষিকেশলৈ যাবলৈ ওলালোঁ। ঋষিকেশলৈ যোৱাৰ পথত হৰিদ্বাৰত দুখন পাহাৰৰ ওপৰত থকা মনসা আৰু চণ্ডী দেৱীৰ মন্দিৰ দুটা দূৰৰ পৰা দেখা পালোঁ। ঋষিকেশত আমি বহুতো মন্দিৰ দেখা পালোঁ। ঋষিকেশখন পাহাৰীয়া ঠাই। গংগা নদীখন ঋষিকেশত বহুত ধুনীয়া দেখি। আবেলি প্ৰায় ৫ বজাত আমি উভতি আহি হৰিদ্বাৰ পালোঁ আৰু তাৰ পৰা ৬:১৫ বজাত আকৌ শতাব্দী এক্সপ্ৰেছত উঠি দিল্লীলৈ উভতি আহিলোঁ। ২৬ তাৰিখে ৰাতিপুৱাই দেউতাই আমাক দিল্লী দেখুৱাবলৈ লৈ গ'ল। প্ৰথমে লালকিল্লা চালোঁ। লালকিল্লা ইমান ডাঙৰ যে তাত খোজ কাঢ়ি চাওঁতে মোৰ ভৰি বিষাই গৈছিল। তাৰ পাছত আমি কুটুবমিনাৰ চাবলৈ গ'লোঁ। বহুত ওখ কুটুবমিনাৰটো চাই মোৰ খুব ভাল লাগিল। দিল্লীৰ চুলতান কুটুবুদ্দিনে আৰম্ভ কৰা মিনাৰটোৰ কাম পাছত ইলটুটমিছে সমাপ্ত কৰিছিল বুলি দেউতাৰ পৰা জানিব পাৰিলোঁ। আবেলি আমি সৰোজিনী বজাৰলৈ গৈ অলপ বজাৰ কৰি পাছত সন্ধিয়া ইণ্ডিয়া গেট চাবলৈ গ'লোঁ। সন্ধিয়া সময়ত ইণ্ডিয়া গেটখন খুব ধুনীয়া দেখি। আমি ইণ্ডিয়া গেটৰ লগতে থকা ৰাজপথটোত অলপ খোজ কাঢ়িলোঁ। পাছদিনাখন ৰাতিপুৱা ৬ বজাত আমি তাজমহল চাবলৈ আগ্ৰালৈ ৰাওনা হ'লোঁ। দিল্লীৰ পৰা আগ্ৰালৈ যাবলৈ প্ৰায় ৪ ঘণ্টা সময় লাগে। আগ্ৰা গৈ পোৱাৰ পাছত প্ৰথমে তাজমহল চাবলৈ গ'লোঁ। তাজমহলটো যে ইমান ধুনীয়া দেখি। বাদশ্বাহ ছাহজাহানে ঘৈণীয়েক মমতাজৰ স্মৃতিত তাজমহল নিৰ্মাণ কৰিছিল বুলি দেউতাৰ পৰা জানিব পাৰিলোঁ। পাছত আমি আগ্ৰাতে দুপৰীয়াৰ আহাৰ খাই আবেলি মথুৰা আৰু বৃন্দাবন চাবলৈ গ'লোঁ। প্ৰথমে আমি মথুৰা পালোঁ। তাত মোৰ বৰ ভাল লাগিল। মথুৰাত মই শ্ৰীকৃষ্ণৰ জন্মস্থানখন দেখিলোঁ। মথুৰা চাই আমি বৃন্দাবন চাবলৈ গ'লোঁ। বৃন্দাবন গৈ পাওঁতে আমাৰ ৰাতিয়েই হৈছিল। তাত আমি ৰাধাবল্লভ মন্দিৰটো চালোঁ। বৃন্দাবনখনো মোৰ বৰ ভাল লাগিছিল। তাৰ পাছত ৰাতি ৮:৩০ বজাত আমি দিল্লীলৈ ঘূৰি আহিলোঁ। দিল্লী পাওঁতে আমাৰ প্ৰায় ১২:৩০ মান বাজিল। পাছদিনাখন ৰাতিপুৱাটো মই আইতাৰ লগত অলপ জিৰণি ল'লোঁ। দিনৰ ৩ বজাত ঘৰলৈ আহিবলৈ আমি আকৌ উৰাজাহাজত উঠিলোঁ। ♦

# দাৰ্জিলিং ভ্ৰমণ

■ কৃতী দাস
ষষ্ঠ শ্ৰেণী

যোৱা গ্ৰীষ্মৰ বন্ধত পাপা, মা আৰু আইতাৰ লগত দাৰ্জিলিঙলৈ ফুৰিবলৈ গ'লোঁ। সন্ধিয়া কামাখ্যা ৰেল ষ্টেছনৰ পৰা ৰেলেৰে গৈ পাছদিনা ৰাতিপুৱা জলপাইগুৰি পাওঁ। ৰাতিপুৱাৰ খোৱা-বোৱা জলপাইগুৰিতে কৰি দাৰ্জিলিঙলৈ বুলি গাড়ীত উঠিলোঁ। ৰাতিপুৱা প্ৰায় ন-মান বজাত আমি আহি দাৰ্জিলিং টয় ট্ৰেইন ষ্টেছনটো দেখিলোঁ। ইয়াতেই আমাৰ ল'জৰ ব্যৱস্থা কৰা হৈছিল। ল'জত কিছু সময় জিৰণি লৈ কিনকিনীয়া বৰষুণজাকৰ মাজেৰেই ওলাই আহিলোঁ দাৰ্জিলিং চহৰখন চোৱাৰ বাবে। খোজ কাঢ়ি বজাৰখন চাই দুপৰীয়াৰ আহাৰ খাই পুনৰ ল'জলৈ আহি অলপ জিৰণি লওঁ। ট্ৰেইনত ৰাতি টোপনি নোহোৱাৰ বাবে মই অলপ শুই ল'লোঁ। সন্ধিয়া খোজ কাঢ়ি ওলাই গৈ বজাৰবোৰ চালোঁ আৰু ৰাতিৰ ভাত খাই ল'জত আহি শুই থাকিলোঁ।

দ্বিতীয় দিনাখন আমি প্ৰথমতে জাপানীজ বুদ্ধ মন্দিৰ (পিছ পেগোডা) চালোঁ। ওখ পাহাৰৰ এক সুন্দৰ পৰিবেশত এই মন্দিৰ অৱস্থিত। ইয়াৰ পাছতে আহিলোঁ পদ্মজা নাইডু জিঅ'লজিকেল পাৰ্কলৈ। ইয়াতেই আছে মিউজিয়াম আৰু পৰ্বতাৰোহণ প্ৰশিক্ষণ প্ৰতিষ্ঠান। ইয়াৰ পাছতেই গ'লোঁ কাঞ্চনজংঘা ভিউ পইণ্টলৈ। ৰাতিপুৱাই ইয়ালৈ অহাৰ কথা আছিল, কিন্তু বতৰ বেয়া বাবে পলমকৈ আহিলোঁ। সূৰ্য্যোদয় নেদেখিলোঁ যদিও তাৰ মনোমোহা সৌন্দৰ্য্য দেখি বহুত ভাল লাগিল। তাৰ পৰা উভতি আহি চালোঁ বাতাছিয়া লেক, এটা বুদ্ধ মন্দিৰ আৰু ৰ'ক গাৰ্ডেন। ৰ'ক গাৰ্ডেন পাহাৰৰ নামনিত এক সুন্দৰ পৰ্য্যটন স্থান। এইদৰে দিনটোৰ ভ্ৰমণ সামৰি আহি ল'জত অলপ জিৰণি লৈ সন্ধিয়া খোজ কাঢ়ি ওলাই গৈ ৰাতিৰ আহাৰ খাই আহিলোঁ।

এইদৰেই আমাৰ ভ্ৰমণৰ শেষ দিনটো আহি পালে। ৰাতিপুৱাৰ সময়, অলপ বজাৰ-সমাৰ কৰি দুপৰীয়া ১২ মান বজাত জলপাইগুৰিলৈ বুলি গাড়ীত উঠিলোঁ। আহোঁতে নেপাল আৰু ভাৰতৰ সীমামূৰীয়া পথেৰে আহি তাত অলপ বৈ তাৰ পৰা মিৰিকলৈ আহিলোঁ। মিৰিক হ্ৰদক কেন্দ্ৰ কৰি মিৰিক এখন সুন্দৰ পৰ্য্যটন থলী হিচাপে গঢ়ি উঠিছে। মিৰিকত আমি ঘোঁৰাত উঠিলোঁ, ব'টিং কৰিলোঁ। বহুত ভাল লাগিল। তাৰ পৰা আহি জলপাইগুৰি পাওঁতে ৰাতি হৈ গ'ল আৰু ৰাতিয়েই আমি ঘৰমুৱা ৰেলত উঠিলোঁ। ♦



**কুঁহি কলিতা**, প্ৰাক্-প্ৰাথমিক শ্ৰেণী



**জেচিকা মেধি**, প্ৰাক্-প্ৰাথমিক শ্ৰেণী

# মোৰ কোচবিহাৰ ভ্ৰমণ

■ দেৱাংগনা বৰঠাকুৰ
চতুৰ্থ শ্ৰেণী

২০২২ চনৰ ৩ অক্ট'বৰ, দুৰ্গা পূজাৰ সময়ত মই, মা, দেউতা, ভণ্টি, মহা আৰু মাহী কোচবিহাৰলৈ গৈছিলোঁ। আমি সেইদিনা পুৱা ৫ বাজি ৩০ মিনিটত ঘৰৰ পৰা গাড়ীৰে কোচবিহাৰলৈ বুলি ৰাওনা হ'লোঁ। আমি গৈ গৈ মাজতে পাঠশালাত থকা মোৰ জেঠাইৰ ঘৰত সোমাই অলপ চাহ-পানী খাই ল'লোঁ। এনেদৰে গৈ থাকোঁতে অসমৰ সীমা পাৰ হৈ পশ্চিমবংগ পালোঁ। আলিপুৰদুৱাৰ পাৰ হৈ আমি যেতিয়া কোচবিহাৰ পাওঁ সেই সময়ত দুপৰীয়া ২ মান বাজিছিল। কোচবিহাৰৰ মুখ্য পৰ্য্যটনস্থল 'কোচবিহাৰ পেলেচ'ৰ ওচৰতে আমি এখন হোটেলত ৰাতি থাকিবলৈ লওঁ। তাত হাত-মুখ ধুই, অলপমান জিৰণি লৈ আহি তাৰ কাষৰ হোটেলত আহাৰ গ্ৰহণ কৰিলোঁ।

সেইদিনা যিহেতু দুৰ্গা পূজাৰ অষ্টমী পূজা আছিল আমি ঠায়ে ঠায়ে পূজা মণ্ডপবোৰত পূজা-অৰ্চনা কৰা স্থানীয় মানুহ দেখিবলৈ পালোঁ। সকলো পুৰুষ-মহিলাই তেওঁলোকৰ পৰম্পৰাগত সাজ-পাৰ পৰিধান কৰা দেখিলোঁ। কোচবিহাৰ প্ৰাসাদত মানুহৰ লানি নিছিগা সোঁত বৈছিল। আমি তাৰ পৰা ৮ কিল'মিটাৰ আঁতৰত অৱস্থিত মধুপুৰ সত্ৰ দৰ্শন কৰিবলৈ যাওঁ। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ বৈকুণ্ঠপ্ৰয়াণ হৈছিল এই মধুপুৰ সত্ৰতে। এই সত্ৰৰ ভিতৰত মণিকূট আৰু নামঘৰৰ লগতে 'বৃন্দাবনী বস্ত্ৰ'ৰ আৰ্হি প্ৰদৰ্শন কৰি থোৱা হৈছে। বিভিন্ন সৰু-বৰ গছেৰে এই সত্ৰখন শুৱনি হৈ পৰিছে। ইয়াত ৰাতি থাকিবলৈ অতিথিশালাও আছে।

মধুপুৰ সত্ৰৰ পৰা ঘূৰি আহি আমি ওচৰৰে মদন মোহন মন্দিৰলৈ গ'লোঁ। বগা ধুনীয়া মন্দিৰটো দুৰ্গা পূজাৰ বাবে আটক ধুনীয়াকৈ সজোৱা হৈছে। ইয়াত 'ৰাস উৎসৱ' আৰু 'ৰাস মেলা' পতা হয়। খোজ কাঢ়ি কোচবিহাৰ চহৰৰ মাজে মাজে আমি বহুতো দুৰ্গা পূজা মণ্ডপত পূজা চালোঁ। তাৰ পূজা মণ্ডপবোৰ বিয়া ঘৰৰ দৰে আছিল আৰু কিছুমান পূজা মণ্ডপ জাহাজ, পখিলা আদিৰ আৰ্হিত সজা হৈছিল। জঁপিয়াব পৰা পুতলা, গাড়ী, ঝুলনা, বেলুন, চেইন, গহনা, জুনুকা আদিৰে মণ্ডপৰ দোকানবোৰ ভৰি আছিল। আমি ৮ বজাত ৰাতিৰ আহাৰ গ্ৰহণ কৰি হোটেললৈ ঘূৰি আহোঁ।

৪ অক্ট'বৰ, মঙলবাৰে পুৱাই আমি আহাৰ গ্ৰহণ কৰি হোটেলৰ সমীপত থকা বিখ্যাত 'ৰাজবাৰী' অৰ্থাৎ কোচবিহাৰৰ প্ৰাসাদ চাবলৈ গ'লোঁ। ৯ বজাৰ পৰা প্ৰাসাদৰ বাহিৰতে বাগিচাত ফুৰিলোঁ। দহ বজাত প্ৰাসাদৰ ভিতৰত প্ৰবেশ কৰিবলৈ দুৱাৰ খুলি দিয়াত ভিতৰলৈ গ'লোঁ। প্ৰাসাদটো ১৮৮৭ খৃষ্টাব্দত কোচ ৰজা নৃপেন্দ্ৰ নাৰায়ণৰ দিনত ইংলণ্ডৰ 'বাকিংহাম পেলেচ'ৰ আৰ্হিত সজা হৈছিল। বৰ্তমান এটা সংগ্ৰহালয় হিচাপে কোচবিহাৰ প্ৰাসাদটো পৰ্য্যটকৰ বাবে মুকলি কৰি দিয়া হৈছে।

কোচবিহাৰৰ পৰা ঘূৰি আহি আমি ধুবুৰীৰ মহামায়া মন্দিৰলৈ গ'লোঁ। ধুবুৰীত থকা নেতাই ধুবুনী ঘাট আৰু প্ৰতিমা পাণ্ডে বৰুৱাৰ ঘৰটোও দেখিলোঁ। সিদিনা ৰাতি আহি আমি পাঠশালাত থকা আৰতি জেঠাইৰ ঘৰতে ৰাতিটো কটালোঁ। মাহীহঁতে তেওঁলোকৰ টিঙ্কুৰ ঘৰতে ৰাতি থাকিল। পুৱা বিজয়া দশমীৰ ভিৰ পাম বুলি সোনকালে গুৱাহাটীলৈ ঘূৰি আহিলোঁ।

কোচবিহাৰৰ দুৰ্গা পূজাৰ স্মৃতি আমাৰ মনত সদায়ে থাকি যাব। ♦

# বাৰ বছৰীয়া সোণালী যাত্ৰা

■ প্ৰাৰ্থনা শৰ্মা
দশম শ্ৰেণী

১ জানুৱাৰী, ২০১২...

এপাহ ফুলেৰে আৰম্ভ হোৱা মোৰ অসম জাতীয় বিদ্যালয়ৰ যাত্ৰাৰ অন্তিমটো বছৰত আহি থিয় হৈছোঁ। বুকুখনৰ ক'ৰবাত নহয় ক'ৰবাত এটা দুখে যেন অনবৰতে খুন্দা মাৰি থাকে ! যাবৰ হ'ল, এৰিবৰ হ'ল আৰু এই সোণোৱালী যাত্ৰা। অংকুৰ শ্ৰেণীৰ পৰা আহি কেতিয়া দশম শ্ৰেণী পালোঁ, কেতিয়া এই সুদীৰ্ঘ ১২ বছৰ অতিক্ৰম কৰিলোঁ, ধৰিবই নোৱাৰিলোঁ দেখোন। এতিয়া অংকুৰ শ্ৰেণীৰ সেই কণ-কণ ল'ৰা-ছোৱালীবোৰক দেখিলে এনেকুৱা লাগে—অহ ! সেই সময়ত আমিও এনেকুৱাই আছিলোঁ। খেলপথাৰখনৰ মাজৰ সেই ডাঙৰ গছজোপাৰ তলত আমিও মাটিৰে ঘৰ বনাইছিলোঁ, পাহাৰ, ৰেলগাড়ী, ৰেললাইন এইবোৰ সাজিছিলোঁ। কেনেকৈনো পাৰ হৈ গ'ল সেই মধুৰ সময়কণ গমেই নাপালোঁ। কিবা দুষ্টামি কৰিলেই ভয় লাগিছিল—কিজানিবা আন্ধাৰ ৰুমত ভৰাই থয় ! আজিলৈ কিন্তু সেই আন্ধাৰ ৰুমটো ক'ত আছে মই ধৰিবই নোৱাৰিলোঁ। কেতিয়াও প্ৰয়োজনেই নহ'ল আন্ধাৰ ৰুমৰ। অংকুৰ-প্ৰাথমিক শ্ৰেণীৰ পৰা প্ৰথম শ্ৰেণীলৈ উত্তীৰ্ণ হওঁতে বৰ ভাল লাগিছিল। প্ৰথমবাৰৰ বাবে যেতিয়া প্ৰথম শ্ৰেণীত 'কেপ্টেইন' হৈছিলোঁ—তেতিয়া কেনেকুৱা লাগিছিল বুজাব নোৱাৰোঁ। তৃতীয় শ্ৰেণীত 'পাঁচটা অংকৰ বহী'খন স্কুললৈ নিবলৈ পাহৰোঁতে বাইদেৱে দিয়া কাণ চেপাটো আজিও মনত আছে। তেতিয়া বাইদেউৰ ওপৰত বহুত বেছি খং উঠিছিল। কিন্তু এতিয়া ভাবি চালে হাঁহিহে উঠে। পঞ্চম শ্ৰেণীত যেতিয়া পোনপ্ৰথমবাৰৰ বাবে শিক্ষক দিৱসত গান গাবলৈ মুকলি মঞ্চত উঠিছিলোঁ, তেতিয়া এই মঞ্চখন ইমান অচিনাকি লাগিছিল ! কিমান যে ভয় লাগিছিল গোৱাৰ সময়ত। কিন্তু এতিয়া দেখোন এই মঞ্চখনত উঠাটোৱে এটা অভ্যাসত পৰিণত হ'ল। সঁচাই স্কুলীয়া জীৱনৰ এটা অবিচ্ছেদ্য অংগ—'মুকলি মঞ্চ'। পঞ্চম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ কিমান যে অনুষ্ঠান কৰিলোঁ হিচাপ নাই। অনুষ্ঠানবোৰৰ আখৰাৰ সময়ত কৰা সেই ধেমালিবোৰো কেতিয়াও পাহৰিব নোৱাৰোঁ। অসম জাতীয় বিদ্যালয়ৰ আন এটা পাহৰিব নোৱৰা অংগ, অজাবিৰ শিক্ষাৰ্থীসকলৰ প্ৰাণ... 'গীত-মাতৰ গধূলি'। কিমান যে স্ফূৰ্তি, কিমান ধেমালি...। আখৰাৰ দিনকেইটা যে কি ভাল লগা আছিল ! ৰাতিপুৱাৰ পৰা বিদ্যালয় ছুটী হোৱা সময়লৈকে কেৱল মাথোঁ আখৰা। তাৰ মাজত কত ধেমালি, নাচ-গান। প্ৰাক্-প্ৰাথমিকত থাকোঁতে প্ৰথমবাৰ যেতিয়া গীত-মাতৰ গধূলিত অনুষ্ঠান পৰিবেশন কৰিছিলোঁ, তেতিয়া পিন্ধা ৰঙা-বগা সৰু ফ্ৰকটো এতিয়াও ভালদৰে মনত আছে। চতুৰ্থ শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীলৈ উত্তীৰ্ণ হওঁতে জীৱনত প্ৰথমবাৰ বৃত্তি পোৱাৰ বাবে যেতিয়া গীত-মাতৰ গধূলিৰ মঞ্চত মাতিছিল...কেনে এটা গৌৰৱ অনুভৱ হৈছিল বুজাব নোৱাৰোঁ। শাৰীৰিক শিক্ষাৰ শ্ৰেণী, শিল্পকলাৰ শ্ৰেণী, এইবোৰেই বহুত শিকালে। বিদ্যালয়ৰ গেটত সদায় সোমোৱাৰ লগে লগে ফুলা দাদাই যে কয়—"আমি নমো কৰিম।" দশম শ্ৰেণী পালোঁ, তথাপি তেওঁ এইষাৰ কথা আজিলৈ ক'বলৈ নাপাহৰিলে। কাৰণ মোৰ নামটো যে প্ৰাৰ্থনা। আজি ভাবিলে এনেকুৱা লাগে যেন সৰু থাকোঁতে আমি কেনেকুৱা এখন বিদ্যালয়ত পঢ়ি আছিলোঁ তাৰ মূল্যই বুজি নাপালোঁ। খেল-ধেমালি, বাৰ্ষিক সাহিত্য প্ৰতিযোগিতা, এইবোৰেইটো বাহিৰত প্ৰতিযোগিতা কৰাত সাহস দিলে। সঁচাই বহুত ভাল লাগিছিল বিদ্যালয়ৰ সেই মুহূৰ্তবোৰ। বিদ্যালয় প্ৰাংগণত হোৱা ভোগালী চ'ৰা, টেকেলি ভঙা, কণী যুঁজ এইবোৰো বৰ ভাল লাগিছিল। প্ৰতিটো দিৱস আহিল

অসম জাতীয় বিদ্যালয়ে সঁচাই বহুত শিকালে, মানুহৰ আগত কথা ক'ব পৰাকৈ আত্মবিশ্বাস জগাই তুলিলে। এজন ভাল মানুহ হ'বলৈ শিকালে আৰু যে কত কি...। কৈ শেষ কৰিব নোৱাৰি। বিদ্যালয়ৰ বাহিৰত যদি কোনোবাই সোধে—"তুমি কোন স্কুলত পঢ়া?" গৌৰৱেৰে মূৰ দাঙি ক'ব পাৰোঁ—"অসম জাতীয় বিদ্যালয়ত।"

মোৰ স্কুলীয়া জীৱনৰ এই বাৰ বছৰৰ সোণোৱালী যাত্ৰাৰ বাবে অসম জাতীয় বিদ্যালয়ক মোৰ প্ৰণাম আৰু কৃতজ্ঞতা জনালোঁ। অসম জাতীয় বিদ্যালয়ে এনেদৰেই নিজৰ যাত্ৰা অক্ষুণ্ণ ৰাখক—তাৰেই কামনা কৰিলোঁ।

*"জীৱনৰে আজীৱন ঘূৰণীয়া এই আলয়*
*উশাহৰে চুকে-কোণে সাঁচি থোৱা সেই সময়...*
*অসম জাতীয় বিদ্যালয়...।"* ♦

মানেই অনুষ্ঠানৰ বাবে সাজু হ'ব লাগিছিল। তদুপৰি জীৱনত পাহৰিব নোৱৰা স্মৰণীয় কেইটিমান দিন অজাবিয়ে আমাক দিলে। সেয়া হ'ল—জাতীয় বিদ্যালয় ৰাজ্যিক সমাৰোহ-২০২৩। দশম শ্ৰেণীত পঢ়ি থকা বছৰটোত এইটো আমাৰ বাবে কম ডাঙৰ কথানে! বাছত লগ-বন্ধুৰ লগত একেলগে নাচ-গান কৰি, স্ফূৰ্তি কৰি যোৰহাটলৈ যোৱা, তাত ৩-৪ দিন ৰাতি শিবিৰত থকা, ৮-১০ হাজাৰ মানুহৰ আগত অনুষ্ঠান পৰিবেশন কৰা আৰু পুনৰ সমাৰোহ শেষ কৰি গৃহ অভিমুখী আমাৰ যাত্ৰা—সঁচাকৈয়ে পাহৰিব নোৱৰা কথা! এনে ধৰণৰ অভিজ্ঞতা আমাক ল'বলৈ দিয়াৰ বাবে তদুপৰি বিদ্যালয়ত পঞ্চম শ্ৰেণীত পঢ়ি থাকোঁতে অনুষ্ঠিত হোৱা 'ৰূপালী জয়ন্তী' বৰ্ষটো উদ্‌যাপন কৰি অনুষ্ঠান কৰিবলৈ পোৱাটো আমাৰ বাবে বৰ সৌভাগ্যৰ কথা।

# নৱৰত্ন তেল

**■ মনমঞ্জুৰী মেধি**
তৃতীয় শ্ৰেণী



আজি কেইদিনমান ধৰি মাৰ গাটো অলপ বেয়া। ভৰি দুখন বোলে বিষাই আছে। যোৱা বৃহস্পতিবাৰে মায়ে ঘৰুৱা কাম-কাজ সমাপ্ত কৰি বিছনাত শুই পৰিল। মোক ক'লে, "ড্ৰেছিং আইনাখনত নৱৰত্ন তেলৰ বটলটো আছে, মোক অলপ দিয়াচোন।" তেতিয়া মোৰ ভণ্টিয়ে মোৰ হাতত নৱৰত্ন তেলৰ বটলটো দিলে। মায়ে অলপ তেল লৈ ভৰি দুখনত ঘঁহি দিলে। হঠাৎ মোৰ আইতালৈ মনত পৰিল আৰু মই মাক ক'লোঁ, "মা, আইতা আইতা গোন্ধাইছে।" আইতা ঢুকোৱা দুবছৰ পাৰ হৈ গ'ল। মাজে-সময়ে মোৰ আইতালৈ মনত পৰিয়ে থাকে। কিন্তু সিদিনা নৱৰত্ন তেলৰ গোন্ধটো পাই মোৰ আইতালৈ বেছি মনত পৰিছিল। কিয়নো নৱৰত্ন তেলৰ লগত আইতাৰ ঘনিষ্ঠ সম্পৰ্ক আছিল। আইতাই সদায় নৱৰত্ন তেল ঘঁহিছিল আৰু আইতাৰ গাটো নৱৰত্ন তেলৰ দৰে সদায় গোন্ধাইছিল। ♦

# উভতি চোৱা ধূলিয়ৰি বাটে... চাৰি বছৰীয়া এক অবিৰত যাত্ৰা...

■ উৎকলিকা ডেকা
দশম শ্ৰেণী

চাৰি বছৰীয়া এক অবিৰত যাত্ৰা...। এই যাত্ৰাৰ অন্তিম পৰ্য্যায়ত আজি মই উপস্থিত। সময়বোৰোচোন আজিকালি তীব্ৰ গতিৰেহে যোৱা হ'ল। অলপ ধীৰে-সুস্থিৰে গ'লে তাতনো অসুবিধা কি?

: কি নাম তোমাৰ?

: নমস্কাৰ মো... মোৰ নাম উৎকলিকা ডেকা।

: কি কলিকা? উৎপলিকা নে কি বুলি ক'লা জানো?

: নহয়, উৎকলিকা।

: বহুত আনকমন নাম।

: হম্...।

এয়াই আছিল যাত্ৰাৰ আৰম্ভণি। আনকমন নামেৰে সৈতে শান্ত-শিষ্ট কণমানিটোৰ দৰেই পদাৰ্পণ কৰিছিলোঁ অসম জাতীয় বিদ্যালয়ৰ বাকৰিত। ভয় খাইছিলোঁ কিন্তু দেখুওৱা নাছিলোঁ। ইফালে-সিফালে ৰ লাগি চাই গৈ থাকোঁতেই কেতিয়ানো শ্ৰেণীকোঠা পালোঁ গমেই নাপালোঁ। 'ষষ্ঠ-ঘ'।

'ঘ' শাখাত পৰিছোঁ আমি? চিনি-জানি নোপোৱা এজনীক সুধিলোঁ।

: উম্... হয় চাগে'। ময়ো নতুন মানে।

প্ৰথম বেঞ্চতে বেগটো থৈ বাহিৰলৈ ওলাই আহিলোঁ।

: কি নাম তোমাৰ?... বুৰ্বকৰ দৰে এজনী ছোৱালীক সুধিলোঁ।

তাই অতি সন্তৰ্পণে নামটো ক'লে। ভাল আছিল ছোৱালীজনী। দেখাতো শান্ত যেনেই লাগিছিল !

গ'ল কথা গুচিল...

নাম নজনা শিক্ষকৰ দ্বাৰা শ্ৰেণীবোৰ আগুৱাই গ'ল। ছাৰ-বাইদেউহঁতে তেওঁলোকৰ নামবোৰ কৈছিল



যদিও মোৰ আঁকৰীৰ নামটো ক'তনো মনত থাকিব? দুই-এজনৰ নামবোৰ মনত ৰ'ল আৰু কিবাকৈ...।

ভাল লাগিল দিনটো আজিৰ। নতুন বিদ্যালয়, নতুন সংগী, নতুন কথা-বতৰা। বৰ ৰোমাঞ্চকৰ দিন আছিল।

**যাত্ৰা : ২**

এনেদৰে এসপ্তাহমান উকলি যোৱাত ভাল লাগিবলৈ ধৰিলে। পুৰণি কথাবোৰে, পুৰণি স্মৃতিবোৰে যেন আমনি নকৰা হ'ল। বন্ধু-বান্ধৱীৰ সংখ্যাও বাঢ়িল। অকলশৰীয়া অনুভৱ যেন দূৰ হ'ল। এসপ্তাহতে যেন সকলো সলনি হৈ গ'ল। সেয়া বাৰু কম সময় হোৱা নাইনে?

কিন্তু এই ভাল লগা বেছিদিন তিষ্ঠি নাথাকিল। আমাক সকলোকে সলনি কৰাই দিলে। এইবাৰৰ মোৰ নতুন শ্ৰেণীকোঠা হ'ল 'ষষ্ঠ খ'।

লাজে, ভয়ে বেঙাৰ দৰে নতুন শ্ৰেণীকোঠাত এণ্ট্ৰি মাৰিলোঁ। ভয়ত মৰি যাওঁ যাওঁ অৱস্থা।

: হে ভগৱান ! বচাবা আৰু।

য'তে পালোঁ তাতে বহিলোঁ। বাইদেৱে আকৌ সলনি কৰাই বেলেগৰ লগত বহুৱালে।

গ'ল সময় গুচিল...। তাৰ পাছতেই আৰম্ভ হ'ল চিনাকি পৰ্ব।

: উৎকলিতা...

: উৎপলিকা...

: উৎকণিকা...

ধ্যেৎ নহয় ওহঃ উৎকলিকা।

: আনকমন নাম। ইণ্টাৰেষ্টিং...।

: উৎকলিকা শব্দৰ অৰ্থনো কি?

: ঝৰণা, ফুলি থকা ফুল, উৰিষ্যাৰ পুৰণি নাম তিনিওটাই।

: আচ্ছা অ'কে...।

: উমম্...।

মোৰ এই নামটোৰ বাবেই মোৰ ক্ৰমিক নম্বৰ (ৰোল নম্বৰ) হৈ পৰিল ১৬...। বাৰু... চলি যাব।

**যাত্ৰা : ৩**

এটি-দুটিকৈ বাৰটি মাহ, দুটা বছৰ পাৰ হৈ গ'ল। সেই দুই বছৰৰ যাত্ৰা অতি দীঘলীয়া। AJBIAN হিচাপে লিখিবলৈ গ'লে ক'ত শেষ হ'ব তাৰ কোনো ঠিকনাই নাই। তিনিটি বছৰ পাৰ হ'ল পাছলৈ।

: ঐ ঐ চাবি আকৌ...।

: মাৰ খাবি দে তই...।

: বাইদেউ, আপোনাক আজি বহুত ধুনীয়া লাগিছে।

: কি যে হ'ব এইজনীৰ?

: আপোনাক পাই আমি অতি ভাগ্যৱান।

: অ'ই বান্দৰী শুন।

: হ'ব দে অ' ধেমালিহে কৰিছিলোঁ। কেনে কৰাচোন?

: কি এ মাই?

: আপুনি কিয় ইমান ভাল মানে বাইদেউ?

: ঐ বাইদেউক আজি ক্লাছ নকৰোঁ বুলি ক'ম দেই।

: ব'ল ক্লাছ আৰম্ভ হয় মানে বাথৰুম যাম বুলি কৈ এপাক ঘূৰি আহোঁ।

: এই নাহিলে বেয়াও লাগে।

: অ'ই শুন না, আজি তোৰ বহীখনত মই লিখোঁ মোৰখনত তই লিখ।

: উৎকলিকা...।

আৰু ক'ত যে কি? বহুত স্মৃতি... হাজাৰ-বিজাৰ...অযুত... অসম জাতীয় বিদ্যালয়... নীলা আকাশখনত ৰং-বিৰঙী ৰামধেনু আঁকি দিয়া আমাৰ বিদ্যালয়। অসংখ্য তৰাৰ মাজত জোনবাইটোৰ দৰে জিলিকি থকা আমাৰ বিদ্যালয়। অসমৰ হাজাৰ হাজাৰ শিক্ষাৰ্থীক উজ্জ্বল ভৱিষ্যতৰ সপোন বাস্তৱ কৰা আমাৰ বিদ্যালয়। শিশুসুলভ স্মৃতিৰ চাদৰেৰে আমাক আৱৰি ৰখা বিদ্যালয়।

আশা কৰোঁ কেতিয়াবা সময়বোৰ ঘূৰি আহক। জীৱনৰ কঠিনতকৈও কঠিনতম বাটৰ পথিক হৈ আকৌ উভতি চাম ধূলিয়ৰি বাটবোৰ, আমাৰ স্মৃতিবোৰ আৰু ৰঙা ফুলে আৱৰি ৰখা সেই কৃষ্ণচুড়াজোপালৈ। ♦



**পণৱী ৰাণা ভূঞা**, প্ৰাক্-প্ৰাথমিক শ্ৰেণী



**ময়ূৰিকা মজুমদাৰ**, প্ৰাক্-প্ৰাথমিক শ্ৰেণী

# প্ৰথম অনুভৱ

■ নিৰ্মালী কাজী
শিক্ষয়িত্ৰী, প্ৰাক্-বিদ্যালয়

"তুমি তৰা হ'লে কি কৰিলাহেঁতেন?"

মাক-দেউতাকৰ সহজাত আৰেষ্টনীৰ পৰা হঠাতে অচিনাকি বিদ্যালয় চৌহদত নিজকে আৱিষ্কাৰ কৰি অসহায় হৈ পৰা কণমানিটোৰ মনৰ সুঁতি সলাবলৈ মই সুধিছিলোঁ। কণমানিটোৱে এপলকৰ বাবে মোৰ মুখলৈ চাইছিল, মাত্ৰ এক নিমিষৰ বাবে, তাৰ পাছত আকৌ কান্দি কান্দি নিজৰ অসন্তুষ্টি সজোৰে ঘোষণা কৰিছিল। মোৰো নিজকে কণমানিটোৰ দৰেই অনুভৱ হৈছিল। কণমানিটোৰ দৰে মোৰো এই বিদ্যালয়ত শিক্ষয়িত্ৰী হিচাপে প্ৰথম দিন। মনৰ মাজত হাজাৰ ভাবৰ অগা-ডেৰা। বিশ্বৰ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ সাহিত্যিক শ্বেক্সপীয়েৰৰ হেমলেট চৰিত্ৰৰ সেই বিখ্যাত ৰচনাফাকিয়ে মোৰ মনত খুন্দিয়াইছিল— "To be or not to be, that is the question"। হয়, এইটো কৰিম নে সেইটো কৰিম, সেয়াই মোৰ বাবে ডাঙৰ প্ৰশ্ন, মই যেন দোধোৰ-মোধোৰত পৰিছিলোঁ।

কণ কণ ল'ৰা-ছোৱালীবোৰৰ মনৰ সীমা, কল্পনাৰ ৰং, চিন্তাৰ চাকনৈয়া বিচাৰি পোৱা আৰু মহাসাগৰৰ বুকুত ডুব মাৰি মাণিক বুটলি অনা যেন একে কথা। প্ৰত্যেকজন শিশুৰ মনেই সীমাহীন মহাকাশৰ দৰে ৰহস্যঘন। এই বয়সত শিশুৰ মনটো বৰ চঞ্চল হৈ থাকে। কোন মুহূৰ্তত কি ভাবি কি কৰে তাক পূৰ্বানুমান কৰা কঠিন কাম। মন সাগৰত হাজাৰ ভাবৰ বুৰবুৰণি। কোনো এটা ভাবেই এক নিৰ্দিষ্ট লক্ষ্য বা উদ্দেশ্যত পৰিচালিত নহয়। প্ৰত্যেকটো ভাব-চিন্তাই গাইগুটীয়া, যেন কুমাৰৰ মাটিৰ লদা, কোনো নিৰ্দিষ্ট আকাৰ নাই। এই আকাৰহীন মাটিৰ পৰাই কুমাৰে সুন্দৰ পাত্ৰ গঢ় দিয়াৰ দৰে, বিদ্যালয়ৰ চাৰিবেৰৰ মাজত কণমানিবোৰৰ চিন্তা-চেতনাক গঢ় দিব লাগিব।

বিদ্যালয়ত মোৰ প্ৰথম দিনটোত ত'ত্ত'চ্চানলৈ মনত পৰিছিল। দ্বিতীয় বিশ্বযুদ্ধৰ সময়ৰ জাপানী লেখিকা তেৎছুকো কুৰ'য়ানাগিয়ে ৰচনা কৰা আত্মজীৱনীমূলক শিশু উপন্যাস 'ত'ত্ত'চ্চান'। উপন্যাসখনৰ মূল চৰিত্ৰ ত'ত্ত'চ্চান আছিল শিক্ষকৰ অবাধ্য কণমানি। পঢ়া-শুনাৰ সলনি খিৰিকীমুখত ৰৈ বাহিৰৰ গাড়ী, বাজনা-পাৰ্টি চাই আপোনপাহৰা হৈ থকা ছোৱালী। অতিষ্ঠ হৈ প্ৰধান শিক্ষয়িত্ৰীয়ে ত'ত্ত'চ্চানৰ মাকক মাতি আনি কণমানিজনীক স্কুলৰ পৰা বাহিৰ কৰি দিয়ে। ত'ত্ত'চ্চানৰ মাক কিন্তু হতাশ হোৱা নাছিল। এইবাৰ নিজৰ ছোৱালীজনীক লৈ যায় এখন অগতানুগতিক স্কুললৈ। ৰেল ষ্টেছনৰ সমীপৰ পৰিত্যক্ত ৰেলৰ ডবাত বিদ্যালয়খন স্থাপন কৰা হৈছিল। বিদ্যালয়খনৰ নাম ত'মৈ গাকুৱেন। প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক ছ্ছাকু ক'বায়াশ্বি। এই বিশেষ স্কুলখনৰ প্ৰধান বিশেষত্ব হ'ল এয়ে যে বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলৰ মানসিকতাৰ ওপৰত গুৰুত্ব দি তেওঁলোকৰ ৰুচি আৰু সক্ষমতাৰ আধাৰত শিক্ষা প্ৰদান কৰা হয়। প্ৰতিষ্ঠাপক ক'বায়াশ্বিয়ে বিশ্বাস কৰিছিল যে সকলো ল'ৰা-ছোৱালীয়ে সহজাত ভাল প্ৰবৃত্তি লৈ জন্মগ্ৰহণ কৰে। পৰিবেশ আৰু প্ৰাপ্তবয়স্ক মানুহৰ কুপ্ৰভাৱেহে সিহঁতক নষ্ট কৰে। শিশুক বুজিবলৈ ধৈৰ্য্যৰ প্ৰয়োজন। প্ৰথম সাক্ষাতত ত'ত্ত'চ্চানে প্ৰধান শিক্ষক ক'বায়াশ্বিৰ লগত ডেৰ ঘণ্টা ধৰি কথা পাতিছিল। আৰু প্ৰধান শিক্ষকে শান্ত-সমাহিত আৰু একাগ্ৰতাৰে শুনি গৈছিল। শিশু ত'ত্ত'চ্চানে ইয়াৰ মাজত আত্মিকতা বিচাৰি পাইছিল। গুৰু-শিষ্যৰ এই আত্মিকতাই, ত'ত্ত'চ্চানক লৈ গৈছিল সফলতাৰ শীৰ্ষলৈ।

বিদ্যালয়ত প্ৰথম খোজ দিওঁতে, মোৰ মনত এক শংকাই ঠাই লৈছিল—ক'বায়াশ্বিৰ দৰে মোৰ ইমান ধৈৰ্য্য হ'বনে কণমানিকেইটাক বুজি শিক্ষা দিবলৈ!

তথাপি আত্মবিশ্বাসেৰে খোজ থৈছিলোঁ। শ্ৰেণীকোঠাত এক অভূতপূৰ্ব অভিজ্ঞতাৰ সন্মুখীন হৈছিলোঁ। কোনোবাটোৱে আহি কাপোৰত ধৰি কান্দি কান্দি সুধিছিল, "আণ্টি মা ক'ত! মই মা যাম।" কোনোবাজনে আকৌ 'মা' বুলি মাতিছিল। কাক ল'ম, কাক থ'ম এনে এক অৱস্থা।

অবোধ শিশুৰ চঞ্চলা জুৰিৰ দৰে মনটোক সু-শৃংখলিত কৰি গঢ় দিয়া সঁচাই কঠিন কাম। বুজিছিলোঁ যে মই যেনে আচৰণ কৰিম, সিহঁতেও তেনে আচৰণকেই শিকিব। শিশু অনুকৰণপ্ৰিয়, সেয়ে মোৰ মাত-কথা, আচৰণত সাৱধান হ'ব লাগিব। শিক্ষকতা এনে এক দায়িত্ব, য'ত এক বহল মন লৈ সচেতনতাৰে কাম কৰিব লাগে। শ্ৰেণীকোঠাত কোনোবাজনে যদি দৌৰি আছে, কোনোবাজনে আন এজনৰ গাত খাবলৈ অনা পানী ঢালি দিছে। কোনোবাজনে আকৌ এচুকত আমন-জিমনকৈ বহি আছে। শ্ৰেণীকোঠা নহয়, যেন এখন খেলপথাৰহে। এইকেইজন খেলুৱৈ নহয়, যেন অনিয়ন্ত্ৰিত দৰ্শক। এইসকলক খেলুৱৈসকলৰ দৰে সু-শৃংখলিত কৰিব লাগিব। এনেদৰে বৈচিত্ৰ্যতাৰ মাজেৰে আৰম্ভ হ'ল মোৰ আন এক আলোকসন্ধানী যাত্ৰা।

শিক্ষাতত্ত্ববিদসকলে কয় যে এবাৰ গঢ় লোৱা আচাৰ-আচৰণ, অভ্যাস আৰু চিন্তা-চৰ্চাৰ গতিশীলতা পাছৰ বয়সত সলনি কৰা সহজ নহয়। ঊনৈছ শতিকাৰ হাৰ্ভাৰ্ডৰ শিক্ষক-দাৰ্শনিক উইলিয়াম জেমছৰ ভাষাত ক'বলৈ মন গৈছে—

"Sow an action, and  
You reap a habit; sow  
a habit and you reap a  
character.  
sow a character and reap  
a destiny." ♦

# এই দুবছৰ

**■ আনতাৰা মুবাছছিৰা হক খন্দকাৰ**  
প্ৰাক্তন শিক্ষাৰ্থী




সপোন ধুনীয়া হয়, কিন্তু ইমান ধুনীয়া হয় বুলি ভবা নাছিলোঁ। এয়াতো সপোনেই হয়, নহয়নে! চিকুটি চাম নেকি এবাৰ নিজকে; আই ঔ! এয়া সপোন নহয়। এয়া সঁচা, সকলোবোৰ সঁচা। এই দৃশ্য, এই পৰিবেশ, এই সুৰ, সকলোবোৰ সঁচা। মঞ্চত শুনা গৈছে কাৰোবাৰ আৱেগ ভৰা কণ্ঠ—

"এই বাকৰিৰে ধূলি-বালি আছে তেজে তেজে..."

"অসম জাতীয় বিদ্যালয়"—গেটখনৰ ওপৰত ডাঙৰকৈ লিখা আছে এয়া। অকণমান আচহুৱা যেন লাগিছে সকলো। লাহে লাহে সোমাই গৈছোঁ ভিতৰলৈ। গেটৰ সন্মুখতে ৰৈ থকা

মানুহজনক দেখি গাটো শিয়ৰি উঠিছে আকৌ এবাৰ। এয়া কি, মোকেই মাতিছে নেকি তেওঁ !

"তোমাৰ নামটো কি আছিল?"

"ইমান দীঘল নাম। ঘৰত কি বুলি মাতে?"

"অ'! আজিৰ পৰা আমিও তোমাক এই নামেৰেই মাতিম দিয়া।"

শ্ৰেণীকোঠালৈ সোমাই আহিছোঁ, কিন্তু গাটো এতিয়াও কঁপিয়ে আছে। পিন্ধি থকা নীলা ৰঙৰ চাৰ্টটো এবাৰ চুই চাইছোঁ...।

আজিও সেই একে চাৰ্টেই পিন্ধি আছোঁ। মাথোঁ, সেই চাৰ্টটো আজি ভৰি পৰিছে অজস্ৰ স্মৃতিৰে। নীলা-ক'লা নানা ৰঙৰ স্মৃতিৰ আখৰেৰে ভৰি আছে এই চাৰ্টটো—"You are the best person I have met in these two years." –Himi.

দুবছৰ, এই দুবছৰতে বহুত কিবাকিবি সলনি হৈ গ'ল। মঞ্চত অধ্যক্ষ ছাৰ বহি আছে, ছাৰে মোৰ ঘৰত মতা নামটো পাহৰি গ'ল, কিন্তু ঘটনাটো হয়তো মই পাহৰিব নোৱাৰিম কেতিয়াও।

...কাষৰ ৰেলআলিৰে পাৰ হৈ যোৱা ৰেলৰ শব্দই আমাক সকলোকে জোকাৰি থৈ গ'ল। প্ৰথমদিনা এই ৰেলৰ শব্দতে মই চঁক খাই উঠিছিলোঁ। কিন্তু আজি এই শব্দও আপোন যেন লাগিছে। মনৰ মাজতে এই শব্দ বাৰে বাৰে বাজি উঠিছে, এয়া লিপিমণি বাইদেউৰ ক্লাছত, এই চন্দনা বাইদেউৰ ক্লাছত, পংকজ ছাৰ, অমৰ ছাৰৰ ক্লাছত আমাৰ হাঁহিৰ শব্দত ৰেলৰ শব্দও তল পৰি গৈছে। আকৌ সেই একেই শব্দ গুৰু-গম্ভীৰ ৰূপত শুনা গৈছে অধ্যক্ষ ছাৰৰ ক্লাছত, একেই শব্দই ৰোহিণী ছাৰকো আমনি কৰিছে, সেই শব্দ আকৌ শুনিবলৈ পাইছোঁ, সেই শব্দই কিন্তু এইবাৰ মোক বাধা দিছে এইখন বিদ্যালয়ৰ শেষৰটো দিনৰ শেষৰটো শ্ৰেণীত কোৱা মোৰ শেষ বাক্যশাৰী সম্পূৰ্ণ কৰিবলৈ—"For me these memories are like chocolates, with a little touch of bitterness it's sweet."—এইষাৰেই আছিল বিনয় ছাৰৰ 'Spoken English'ৰ ক্লাছত কোৱা মোৰ শেষৰটো বাক্য।

মোৰ চাৰ্টত জিলিকি থকা শব্দ দুটা আকৌ এবাৰ পঢ়ি চাইছোঁ। "in these last two years" আগতে প্ৰায়ে আমনি কৰা শব্দ দুটাই আজি মোক অকণো আমনি কৰা নাই। এক অদ্ভুত আনন্দ, এক অদ্ভুত বেদনা। মই জানো, আৱেগৰ ঢৌ হয়তো আজি আমাৰ সকলোৰে মনত খেলি গৈছে। কিন্তু মোৰ এই অনুভৱ হয়তো কাৰো লগত নিমিলিব। চাৰিবাৰ স্কুল সলনি কৰাৰ পাছত শেষৰ দুবছৰ এইখন বিদ্যালয়ত। কোনোবাই মোৰ হাতত কাৰ্ড এখন গুঁজি দিছে—

"To Antara Baa

.........................

From the students
of class IX"

দুবছৰ, কিন্তু বাৰ বছৰত পোৱা মৰমতকৈও অধিক মৰম মই এই দুবছৰতে পাইছোঁ। চাৰিওফালে আকৌ এবাৰ চাইছোঁ, এয়া আমি সকলো মুকলি মঞ্চত বহি আছোঁ, খেলপথাৰৰ প্ৰহৰীস্বৰূপে মেদেলুৱাজোপা থিয় দি আছে, এয়া আমাৰ শ্ৰেণীকোঠাবোৰ, এসময়ৰ অচিনাকি এই বিদ্যালয়খনত আজি মই নতুন ঘৰৰ ঠিকনা বিচাৰি পাইছোঁ।

"এক বাজিবলৈ আৰু কিমান সময় আছে?"

অন্যমনস্ক হৈ হাতত পিন্ধা ঘড়ীটোলৈ চাইছোঁ, মঞ্চত এতিয়া বহুতেই এৰি অহা দিনবোৰৰ ছবি আমাৰ আগত দাঙি ধৰিবলৈ বিচাৰিছে।

"দহ মিনিট।"—সময়টো যেন মই আনক নহয় নিজকহে কৈছোঁ, দহ মিনিটৰ পাছত আজিৰ এই 'বিদায় সভা' শেষ হ'ব। এই দহ মিনিটৰ পাছত মুকলি মঞ্চত আকৌ এনেদৰে বহাৰ সুযোগ পাম নে নাপাম নাজানো। বহাৰ পৰা উঠি লাহে লাহে মঞ্চখনৰ পিনে আগ বাঢ়িছোঁ, সদায়ে কৰি অহাৰ দৰে প্ৰথমে মাইকটো ঠিক কৰি লৈছোঁ, নিজৰ মাতটো আজি যেন মই নিজেই বিচাৰি গৈছোঁ—

"সম্পৰ্কবোৰ হয়তো এনেদৰেই গঢ়
লয় আৰু এনেদৰেই এদিন গাঢ় হয়।" ♦

# চৈয়দ আব্দুল মালিকৰ নদীকেন্দ্ৰিক উপন্যাস
# সূৰুযমুখীৰ স্বপ্ন

■ কৰিতা পাটগিৰি
শিক্ষয়িত্ৰী, অসমীয়া বিভাগ




উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈৰ পাছতে প্ৰকৃততে চৈয়দ আব্দুল মালিকেই অসমীয়া উপন্যাসৰ মুকুটবিহীন সম্ৰাট। আধুনিক অসমীয়া কথা-সাহিত্যৰ ইতিহাসত চৈয়দ আব্দুল মালিকৰ এখন সুকীয়া আসন আছে। বাঁহী, আৱাহন, সুৰভি, জয়ন্তী, ৰামধেনুত তেওঁ প্ৰতিষ্ঠা লাভ কৰিছিল শক্তিশালী গল্পকাৰ হিচাপে। বিপুল ৰচনা সম্ভাৰেৰে অসমীয়া সাহিত্যক ধন্য কৰা গ্ৰাম্য জীৱনৰ নিভাঁজ ছবি ফুটাই তোলা এইগৰাকী কথা-সাহিত্যিকে ৬০খনতকৈও অধিক উপন্যাস ৰচনা কৰি থৈ গৈছে। তেওঁৰ উপন্যাসসমূহৰ ভিতৰত 'সূৰুযমুখীৰ স্বপ্ন' নদীকেন্দ্ৰিক জনপ্ৰিয় উপন্যাস। 'সূৰুযমুখীৰ স্বপ্ন' চৈয়দ আব্দুল মালিকৰ সৃষ্টিশীল জীৱনৰ অন্যতম শ্ৰেষ্ঠ কৰ্ম।

'সূৰুযমুখীৰ স্বপ্ন' ধনশিৰিপৰীয়া এখন অসমীয়া মুছলমান গাঁৱৰ সুখ-দুখৰ কাহিনী। এই উপন্যাসখন ৰচনা কৰা হৈছিল ১৯৫৮ চনত। মাটি আৰু মানুহৰ লগত মালিকৰ সম্পৰ্ক অতি গাঢ়। সেয়ে, তেওঁৰ এই উপন্যাসখনতো গ্ৰাম্য জীৱনৰ সৰল, নিভাঁজ ৰূপ সুন্দৰভাৱে প্ৰকাশ পাইছে। যদিও এই উপন্যাসখনৰ পটভূমি উজনি অসমৰ এখন গাঁৱলীয়া মুছলমান সমাজ, কিন্তু সমাজখন ধৰ্মৰ দ্বাৰা পৰিচালিত হোৱা নাই। ইয়াত জাত-পাত-ধৰ্মৰ বিচাৰ নাই—ইয়াৰ সমস্যা তথা সংঘাতবোৰ হ'ল আৰ্থিক, প্ৰেমজনিত আৰু মানৱীয়।

উপন্যাসখনৰ নায়ক গুলছ সেই ধনশিৰিৰ পাৰত মুছলমানৰ ঘৰত জন্মহে হৈছে, সি আনকি নামাজ পঢ়িবও নাজানে, তাৰ জীৱন-যাত্ৰাত সেইবোৰ সমস্যা হোৱা নাই, খেতি-বাতি কৰি জীৱন-সংগ্ৰাম চলাই যোৱাতহে সি অভ্যস্ত। এই সহজ-সৰল মানুহৰ জীৱন যাত্ৰাৰ যোগেদি এটা সত্যই প্ৰতিপন্ন হৈছে—মানুহৰ মৌলিক সমস্যাবোৰ এমুঠি ভাতৰ, এসাঁজ কাপোৰৰ, প্ৰেম-প্ৰীতিৰ, বন্ধুত্বৰ-মানৱীয় সম্পৰ্কৰ। সেইবোৰৰ মাজত মুছলমান সমাজখনৰ কাষতে বাস কৰা কেইঘৰমান অসমীয়া হিন্দু, নেপালী আৰু কাৰ্বি সম্প্ৰদায়ৰ মানুহৰ ভাগ্য একাকাৰ হৈ পৰিছে। চন্দ্ৰ, ভীম আদিৰ চৰিত্ৰক গুলছৰ পৰা বিচ্ছিন্ন কৰি চাব নোৱাৰি।

উপন্যাসখনৰ এটা উল্লেখযোগ্য দিশ হ'ল ইয়াৰ পটভূমি। পটভূমিৰ এনে নিখুঁত চিত্ৰ খুব কম অসমীয়া উপন্যাসতহে পোৱা যায়। ইয়াৰ পটভূমি ঔপন্যাসিকৰ ওপজা গাঁও নাহৰণি। চৰিত্ৰবোৰ তাৰেই চিনাকি সাধাৰণ মানুহ, প্ৰধানকৈ সেই অঞ্চলৰে কৃষক পৰিয়ালৰ ল'ৰা-ছোৱালী, পুৰুষ-তিৰোতা।

উপন্যাসখনৰ নায়ক গুলছ কাহিনীৰ আৰম্ভণিতে সি একুৰি তিনি বছৰীয়া ডেকা। প্ৰাচীন ধনশিৰিৰ লগত তাৰে খুবেই আত্মীয়তা। এটা উন্মুক্ত ডেকাৰ দৰে তাৰ কল্পনা আছে, স্বপ্ন আছে, কিন্তু পাৰ্থিৱ জগতখনৰ দায়িত্ব ল'ব পৰা সি হোৱা নাই। পুৰণি ডালিম গাঁৱৰ ছোৱালী চেনীমাই এদিন গুলছৰে সৈতে চিনাকি হৈছিল। এদিন সি চেনীমাইক পলুৱাই নিলে, কিন্তু বাপেকে ককৰ্থনা কৰি ঘৰৰ পৰা খেদি দিলে। মাত্ৰ কেইদিনমান গুলছৰ লগত পলাই থকাৰ পাছতেই চেনীমাইৰ প্ৰণয়ৰ সম্পৰ্ক তাতেই ওৰ পৰে। উপন্যাসখনত চিত্ৰিত কপাহী, তৰা, চেনীমাই আদি চৰিত্ৰবোৰে নগৰ-চহৰৰ ভু নোপোৱা

অসমীয়া গাঁৱলীয়া নাৰী সমাজক প্ৰতিনিধিত্ব কৰিছে। লেখকৰ উদ্দেশ্য হ'ল এখন নিটোল কৃষিপ্ৰধান গাঁৱলীয়া সমাজক পোহৰলৈ অনা। অৱশ্যে লেখকৰ সামাজিক দায়বদ্ধতা চন্দ্ৰ নামৰ চৰিত্ৰটোৰ মাজেৰে বিকশিত হৈছে। এই চৰিত্ৰটোৰ যোগেদি নগৰৰ জীৱনৰ পৰা পৰিবৰ্তনৰ বতাহ লেখকে ডালিম গাঁৱলৈ লৈ আহিছে। তদুপৰি আধুনিক জীৱনধাৰাৰ প্ৰয়োজনীয় বিষয়বোৰৰ অভাৱ গাঁৱত উপলব্ধি কৰোৱাতো চন্দ্ৰই আগভাগ লৈছে।

'সূৰুযমুখীৰ স্বপ্ন' বহু বিচিত্ৰ কথাৰ এক মনোৰম সৃষ্টি। নদী আৰু আকাশ, মাটি আৰু মানুহৰ চিৰন্তন ছবি অংকন হৈছে এই উপন্যাসত। জন্ম-মৃত্যু, প্ৰেম-ঘৃণা, বাসনা আৰু ব্যৰ্থতা এইবোৰ ধনশিৰিৰ দৰেই চিৰপ্ৰবাহমান। মুঠৰ ওপৰত ক'ব পাৰি যে চৈয়দ আব্দুল মালিকৰ 'সূৰুযমুখীৰ স্বপ্ন' অসমীয়া উপন্যাসৰ বুৰঞ্জীৰ এক অপূৰ্ব সৃষ্টি। ♦

# মই ভালপোৱা এখন কিতাপ

■ মৈত্ৰেয় আহোম
পঞ্চম শ্ৰেণী

'অন্ধ সাক্ষী' গ্ৰন্থখনৰ লেখক অৰূপ কুমাৰ দত্ত। কিতাপখনৰ কাহিনীটো অতি মনোৰম। এজন অন্ধ ল'ৰাৰ জীৱনৰ দুখ-কষ্ট, সাহস-বুদ্ধি আদিৰ কথা অতি মনোমোহাকৈ কাহিনীৰ ৰূপ দিয়া হৈছে। কিতাপখনত বৰ্ণনা কৰা অন্ধ ল'ৰাটোৰ নাম ৰামু। অন্ধ হ'লেও যে বাহিৰৰ পৃথিৱীখনৰ সকলো বস্তুৰ উমান লোৱাৰ উপৰি অন্তৰেৰে সকলো উপলব্ধি কৰিব পাৰে আৰু সকলো মানুহকে অনুভৱ কৰিব পাৰে সেই কথা ৰামুৰ চৰিত্ৰৰ জৰিয়তে লেখকে প্ৰকাশ কৰিছে। কাহিনীটোত গোপালন নামৰ ল'ৰাজনে ৰামুক সকলো ক্ষেত্ৰতে সহায় কৰিছিল। ৰামুৱেও গোপালনক খুব ভাল পাইছিল আৰু অন্তৰংগ হৈ পৰিছিল। হঠাত গোপালনৰ মৃত্যুৰ বাতৰিয়ে ৰামুক দুঃখিত কৰি তুলিছিল। গোপালনৰ যে মৃত্যু হৈছিল ৰামুৱে বিশ্বাস কৰিবলৈ টান পাইছিল। গোপালনৰ মৃত্যুৱে তাক বৰ কষ্ট দিলে। সেই মৃত্যু যে আচল মৃত্যু নহয়, এইটো যে এটা হত্যাকাণ্ডহে সেই কথা ৰামুৱে অন্ধ হ'লেও বুজি পাইছিল। গোপালনক ঠগ, প্ৰবঞ্চক, চোৰ, ডকাইত বুলি মানুহে আলোচনা কৰিলেও ৰামুৱে সেই কথা কেতিয়াও মানি নলয়। গতিকে সি সাহসেৰে সেই হত্যাকাণ্ডৰ সন্ধান কৰিবলৈ চেষ্টা কৰিলে আৰু সি সফলতা লাভ কৰিলে।

কাহিনীটোৰ পৰা জানিব পাৰিলোঁ যে চকুৰে দেখা নোপোৱাটো কোনো বেমাৰ নহয়, মাত্ৰ এটা ইন্দ্ৰিয়ৰ শক্তি অলপ কম। লগতে কোনো মানুহ অন্ধ হ'লেও বা বিপদত পৰিলে তেওঁক আমি যিমান পাৰোঁ সিমান সহায় কৰিব লাগে আৰু সাহস দিব লাগে। তেতিয়াহে আমি নিজকে এজন সৎ মানুহ বুলি জগতৰ আগত প্ৰকাশ কৰিব পাৰিম। ৰামুৱে যেতিয়া গুপ্ত অনুসন্ধানকাৰীজনৰ ওচৰলৈ গৈছিল তেতিয়া ৰামু অন্ধ হ'লেও ৰামুতকৈ তাক সংগ দিয়া সুনীলৰ বেছি ভয় লাগিছিল। কাহিনীটোত উল্লেখ আছিল যে ৰামুৰ মৃত্যুৰ কথা বাতৰিকাকতত লিখা আছিল আৰু সৰু ফটো এখন দিয়া হৈছিল। এদিন ৰামুৰ স্কুলত ৰামুৰ শিক্ষয়িত্ৰীয়ে সি অন্ধ হোৱাৰ বাবে তাৰ পঢ়াত অসুবিধা হোৱা বুলি তেওঁ প্ৰধান শিক্ষকক জনাইছিল। এই কিতাপখনত নীতি শিক্ষা হিচাপে গোটেই কিতাপখনৰ কথাকে নীতিশিক্ষা বুলি গ্ৰহণ কৰিব পাৰি। ৰামু অন্ধ হ'লেও সি সাহসেৰে গোপালনৰ হত্যাকাণ্ডৰ বিষয়ে সন্ধান কৰিছিল। যি কাম আন মানুহে কৰিব পাৰে সেই কাম এজন অন্ধ মানুহেও কৰিব পাৰে। অৰ্থাৎ আমি কোনো কাম কৰিব নোৱাৰোঁ বুলি নিজকে দুৰ্বল বুলি ভাবিব নালাগে। কোনো মানুহ অন্ধ হ'লেও তেওঁক আমি নিজৰ দৰে ভাবিব লাগে। কেতিয়াও হেয় জ্ঞান কৰিব নালাগে। ♦

# জোন বেলি তৰা গ্ৰহ মেঘে ভৰা

■ দোকমোকালি গোস্বামী
চতুৰ্থ শ্ৰেণী

গ্ৰহ, নক্ষত্ৰ, মহাকাশ আদিৰ বিষয়ে জানিবলৈ মই বৰ ভাল পাওঁ। এইবোৰৰ বিষয়ে জানিবলৈ মই বৰ আগ্ৰহ অনুভৱ কৰোঁ। তেনেকুৱা বিষয়ৰ কিতাপ এখন মই গুৱাহাটীত অনুষ্ঠিত হোৱা অসম গ্ৰন্থমেলাত পালোঁ। সেই কিতাপখন হৈছে প্ৰসিদ্ধ বিজ্ঞানী আৰু লেখক ড° দীনেশ চন্দ্ৰ গোস্বামীদেৱৰ 'জোন বেলি তৰা গ্ৰহ মেঘে ভৰা'। মোৰ পৰম সৌভাগ্য যে এই কিতাপখনৰ লেখক ড° দীনেশ চন্দ্ৰ গোস্বামীদেৱক মই উক্ত গ্ৰন্থমেলাতে লগ পাইছিলোঁ আৰু তেখেতৰ লগত কথা পতাৰ সুযোগ পাইছিলোঁ।

কিতাপখনত ভাবিত, বকুল, পলি, লাটু আদি চৰিত্ৰৰে কাহিনীৰূপত ৬টা অধ্যায় আছে। সেইকেইটা হ'ল—'আকাশ, আমাক অকণি আকাশ দিয়া', 'জোনবাই এ বেজি এটা দিয়া', 'সূৰুয ককাই, সূৰুয ককাই', 'জিকমিকি জিকমিকি হেৰা সৰু তৰা', 'বেলিৰ ঘৰত কোন আছে' আৰু 'হাতীপটি চিকিমিকি নাচি নাচি যায়'।

'আকাশ, আমাক অকণি আকাশ দিয়া' শীৰ্ষক অধ্যায়ত আমাৰ প্ৰত্যেকৰে মনত সদায়ে খুদুৱনি লগাই থকা কিছুমান প্ৰশ্ন আৰু তাৰ উত্তৰ দিছে। দুটামান অন্ধবিশ্বাসৰ বিষয়ে দি তাৰ বিষয়ে বুজাই দিছে।

ইয়াৰ পাছৰটো অধ্যায়ত আমাৰ জোন বা চন্দ্ৰটোৰ বিষয়ে লিখিছে। আমি কোনো ঠাইলৈ গৈ থাকিলে কিয় জোনটোও লগত গৈ থকা যেন লাগে, জোনটো আমাৰ পৰা কিমান দূৰত আছে, জোনটোৰ যে নিজা পোহৰ নাই, আমি চন্দ্ৰৰ এটা ফালহে কিয় দেখোঁ আদি কথাবোৰ বৰ সুন্দৰকৈ বুজাই দিছে।

তৃতীয়টো অধ্যায়ত আমাৰ সৌৰজগতৰ নক্ষত্ৰ সূৰ্য্যৰ বিষয়ে লিখিছে। বেলিটোৱে কিদৰে তাপ আৰু পোহৰ দিয়ে, সূৰ্য্যটো পৃথিৱীৰ পৰা কিমান দূৰত আছে আদি কথাবোৰো বুজাই লিখিছে। সূৰ্য্যটোৱে আৰু কিমানদিন পোহৰ আৰু তাপ দি থাকিব সেই বিষয়েও বুজাই লিখিছে।

চতুৰ্থ অধ্যায়টো হৈছে 'জিকমিক জিকমিক হেৰা সৰু তৰা'। এই অধ্যায়ত তৰা বা নক্ষত্ৰবোৰৰ বিষয়ে আলোচনা কৰিছে। ইয়াত তৰাবোৰক বৃদ্ধ অৱস্থাত কি বোলা হয়, কৃষ্ণ গহ্বৰ কেনেদৰে সৃষ্টি হয় আদি বিভিন্ন প্ৰশ্নৰ উত্তৰ পোৱা গৈছে।

পঞ্চম অধ্যায়ত বেলিৰ পৰিয়াল অৰ্থাৎ সৌৰজগতৰ কথা বুজাইছে। গ্ৰহ-উপগ্ৰহ, সূৰ্য্য সকলোৰে কথা ইয়াত বিতংকৈ আলোচনা কৰিছে। বেলিৰ পৰিয়ালৰ ভিতৰত যে গ্ৰহাণু, গ্ৰহাণুপুঞ্জ আদিও পৰে সেই কথাও ইয়াত লিখা হৈছে।

ইয়াৰ পাছৰটো অধ্যায় অৰ্থাৎ অন্তিম অধ্যায়টো হ'ল হাতীপটিৰ বিষয়ে। এই অধ্যায়টো মোৰ আটাইবোৰ কাহিনীৰ ভিতৰত আটাইতকৈ বেছি ভাল লাগিল। কিয়নো মই কৃষ্ণ গহ্বৰ, হাতীপটি, নক্ষত্ৰপুঞ্জ আদিৰ বিষয়ে জানি বৰ ভাল পাওঁ। এই অধ্যায়ত পোহৰে এবছৰত কিমানদূৰ গতি কৰে জানিব পাৰিলোঁ। লগতে আমি বাস কৰা হাতীপটিটোত মুঠ কিমান তৰা আছে সেই বিষয়েও জানিব পাৰিলোঁ।

এনে এখন সুন্দৰ, শিশুৰ লগতে ডাঙৰৰ বাবেও উপযোগী আৰু বহুতো জ্ঞান লাভ কৰিব পৰা কিতাপ সকলোৱে পঢ়া উচিত আৰু মই যেনেকৈ এই কিতাপখন পঢ়ি বহুতো নজনা কথা জানিব পাৰিলোঁ লগতে ইমান নতুন জ্ঞান অৰ্জন কৰিলোঁ, সেইদৰে যদি আন ছাত্ৰ-ছাত্ৰী আৰু পঢুৱৈসকলেও পঢ়ে, তেওঁলোকৰো নিশ্চয় জ্ঞান বৃদ্ধি পাব। আলোচিত কিতাপখনে বিজ্ঞান বিষয়ৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ নিশ্চয় আগ্ৰহ বঢ়াব। ♦

# আমিও ডাঙৰ মানুহ হ'মনে

■ প্ৰজ্বলিতা বড়া
নৱম শ্ৰেণী

[মঞ্চত এটা ধুনীয়া ঘৰ দেখা যাব। ঘৰৰ বাঁওফালে বেলকনি। চোতালৰ কাৰণে অলপ জেগা এৰি বাঁওফালেই গেটখন থাকিব। ঘৰটোৰ সোঁদিশে পিছফাললৈ এটা কুঁৱা দেখা যাব। কুঁৱাৰ পাৰত ৮-৯ বছৰীয়া ল'ৰা যতীনে কাপোৰ থুকুচি আছে। ডাঙৰ চৰিয়া এটাত ভালেমান কাপোৰ তিয়াই থোৱা আছে।]

**শইকীয়ানী** : [কুঁৱাৰ পাৰলৈ আহি যতীনক উদ্দেশ্যি কয়] ঐ, এতিয়ালৈকে তোৰ কাপোৰ ধোৱা শেষেই হোৱা নাই। আজি দেওবাৰ। কত কাম পৰি আছে ঘৰত। ৰণ্টুক আৰ্ট স্কুলতো থ'ব লাগিব। দেউতাক নাই। ড্ৰাইভাৰ লৈ ওলাই গৈছে।

**যতীন** : বাইদেউ, অলপ বাকী আছে। আজি মোৰ গাটো ভাল নহয়। অলপ জ্বৰ জ্বৰ লাগি আছে।

**শইকীয়ানী** : অ' হয় নেকি? দিনে দিনে তোৰ বাহানাবিলাক বাঢ়িহে গৈ আছে। কামত মন নাই? কিন্তু খোৱাৰ সময়ত বস্তুবোৰ দেখোন গো-গ্ৰাসে গিল। কামৰ সময়ত হ'লে এদিন জ্বৰ, এদিন মূৰৰ বিষ, এদিন কাহ। [যতীনক এটা চৰ মাৰে আৰু ঘৰৰ ভিতৰলৈ গুচি যায়।]

**যতীন** : [কান্দিবলৈ ধৰে আৰু কান্দি কান্দি গেটৰ ফালে যাবলৈ ধৰে। গেটৰ মুখত ৰণদীপ, মেঘা আৰু জুনজুনে খেলি আছে।]

**ৰণদীপ** : ৰজাই হুকুম দিছে, এদিম চেদিম বাই... বাকীখিনি কি আছিল মেঘা... জুনজুন?

**মেঘা, জুনজুন একেলগে** :

ৰজাই হুকুম দিছে
এদিম চেদিম বাই
কি হুকুম দিছে
এদিম চেদিম বাই
ছোৱালী এজনী খুজিছে
এদিম চেদিম বাই
কোন ছোৱালী খুজিছে
এদিম চেদিম বাই
মইনাক খুজিছে
এদিম চেদিম বাই
লৈ যোৱা লৈ যোৱা
এদিম চেদিম বাই

[ৰণদীপৰ লগতে মেঘা আৰু জুনজুনেও একেলগে গাই তাল মিলাই যতীনৰ ফালে আগ বাঢ়ি আহে। নেপথ্যত সংগীত বাজে। সংগীতৰ সুৰত কৰবী ডেকা হাজৰিকাৰ 'দেওবাৰ দেওবাৰ' কবিতাটো গাই গাই তিনিও নাচিবলৈ ধৰে।]

দেওবাৰ দেওবাৰ কিযে ভাল দিন !
ক'তোৰেই কাৰো নাই বেজাৰৰ চিন।
লাহে-ধীৰে শুই উঠা লৰালৰি নাই,
উঠিয়েই খেলিলেও নবকে যে মাই।

ফুটবল, মাৰবল আৰু কিৰকেট;
খেলি খেলি ধূলি লাগি হ'ল লেট-পেট,
আমলখি জলফাই ফুৰোঁতে বিচাৰি,
ক'ৰবাত কেনেবাকৈ কাটে যদি ভৰি।

তথাপিতো ভয় নাই কৰি থাকা ৰং
দেওবাৰ, আজি নাই দেউতাৰো খং।
দেওবাৰ দেওবাৰ যাদু লগা দিন
ক'তোৰেই কাৰো নাই বিষাদৰ চিন।

**ৰণদীপ** : [যতীনৰ হাতত ধৰি] আমাৰ লগত খেলিবা নেকি? তুমি আক' কান্দিছা কিয়?

**যতীন** : মোক মাৰিছে বুজিছা! খেলিবলৈতো মন আছেই। কিন্তু মোৰ বহুত কাম আছে। খেলিবলৈ গ'লে বাইদেৱে মোক আৰু মাৰিব।

**ৰণদীপ** : নামাৰে নহয়! আহা আমাৰ লগত খেলাহি। বাইদেৱে মাৰিবলৈ ল'লে আমি বচাম নহয়।

**যতীন** : ব'লা তেন্তে খেলোঁগৈ।

**জুনজুন** : ঐ কি খেলিবা আজি?

**ৰণদীপ** : ব'লা লুকাভাকু খেলোঁগৈ।

**জুনজুন** : অ' ব'লা খেলোঁগৈ।

**মেঘা** : মই আজি কাউণ্ট কৰিব নোৱাৰোঁ দেই। সদায় ময়েই কাউণ্ট কৰিবলগীয়া হয়।

**ৰণদীপ** : আহা 'ষ্টন, পেপাৰ ছিজৰ কাট্' কৰি চাওঁ, কোনে কাউণ্ট কৰিবলগীয়া হয়।

**যতীন** : য়ে...এ...এ...

**জুনজুন, মেঘা একেলগে** : অ'কে।

**যতীন, ৰণদীপ, জুনজুন, মেঘা একেলগে** : [হাতৰ ভংগিমা কৰি] ষ্টন পেপাৰ, ছিজৰ কাট্।

**মেঘা** : য়ে... যতীন হাৰিলে। যোৱা যোৱা তুমিয়েই কাউণ্ট কৰাগৈ।

**যতীন** : হ'ব বাৰু! তোমালোকে লুকোৱা এতিয়া। মই দহলৈকে গণিম হ'বনে?

**জুনজুন, ৰণদীপ, মেঘা একেলগে** : হ'ব হ'ব।

**যতীন** : এক, দুই, তিনি, চাৰি, পাঁচ, ছয়, সাত, আঠ, ন, দহ। [সকলোৱে লুকাই শেষ হোৱাৰ পাছত] মই আহিছোঁ দেই। য়ে জুনজুন আউট, ৰণদীপ আউট। মেঘা বা ক'লৈ গ'ল! [এইবুলি যতীনে মেঘাক বিচাৰিবলৈ ধৰিলে। পোহৰ কুঁৱাৰ পাৰত পৰে। শইকীয়ানীক কুঁৱাৰ পাৰলৈ অহা দেখা যায়।]

**শইকীয়ানী** : ই ক'লৈ গ'ল অ'। ৰণ্টুৰ যোৱাৰ সময় হ'লেই।

**ৰণ্টু** : [কুঁৱাৰ পাৰলৈ দৌৰি আহে। তাৰ চাৰ্টৰ বুটাম আধালৈকে মৰা। পেণ্টৰ বেল্ট ওলমি আছে।] মম, ডেডী তোমালোকে খৰধৰ নকৰা কিয়? মোৰ আৰ্ট স্কু...আৰ্ট স্কুল...

**মিঃ শইকীয়া** : ড্ৰাইভাৰে তোমাক থৈ আহকগৈ। মোৰ বেলেগ এটা ছাইডত কাম আছে। সি খৰধৰকৈ থৈ আহিব।

**শইকীয়ানী** : এহ্ ক'লৈই হ'বনে তেওঁ! ৰহ আজি ইয়াক ভালকৈ এসেকা দিব লাগিব। চাওঁচোন ক'লৈ গ'ল সি [গেটৰ ফালে আগ বাঢ়ি যায়। পোহৰ গেটৰ ফালে পৰে।]

**যতীন** : য়ে মেঘাও আউট।

**শইকীয়ানী** : ঐ, তই ইয়াত খেলি আছ। ৰণ্টুক যে থৈ অহাৰ কথা কৈছিলোঁ, তোৰ কাণ্ডজ্ঞান নোহোৱা হ'ল নেকি?

**যতীন** : বাইদেউ মানে মই...।

**শইকীয়ানী** : কি মানে মানে কৰি আছ। ৰহ আজি। [কাষত পৰি থকা লাঠী এডাল তুলি লৈ মাৰিবলৈ ধৰে।]

**ৰণদীপ** : আণ্টি, ইয়াক নামাৰিবচোন।

**যতীন** : বাইদেউ, বাইদেউ, মোক নামাৰিব। আ...আ...আ... আঐ, মোক নামাৰিব।

[দেউতাকে ৰণ্টুক হাতত ধৰি মাকৰ ওচৰলৈ লৈ আহে আৰু শইকীয়ানীক উদ্দেশ্যি কয়]—

**মিঃ শইকীয়া** : এটা জৰুৰী ফোন আহিলে বুজিছা। ইয়াক ময়ে থৈ যামগৈ। ড্ৰাইভাৰ, গাড়ী ষ্টাৰ্ট দিয়া।

**ৰণ্টু** : বাই মা। (প্ৰস্থান) [শইকীয়ানীয়ে পুনৰ যতীনক পিটিবলৈ ধৰে।]

[জাহ্নৱী নামৰ এগৰাকী NGO কৰ্মী বাটেৰে আহি থাকোঁতে যতীনক মাৰি থকা দেখা পাই আগ বাঢ়ি আহে।]

**জাহ্নৱী** : হেৰি হেৰি হেৰি! এই সৰু ল'ৰাটোক কিয় এনেকৈ মাৰিছে?

**শইকীয়ানী** : ই মোৰ ঘৰৰ কাম কৰা ল'ৰা। ইয়াক মই মাহে মাহে দৰমহা দি ৰাখিছোঁ। কিন্তু ইয়াৰ কামত মন নাই। খেলাত আৰু খোৱাতহে বেছি মন। মোৰ ল'ৰাটোক যে স্কুলত থ'ব লাগে তাৰ সময়জ্ঞান নোহোৱা হ'ল। মহা বদমাচ ই।

**জাহ্নৱী** : ডাঙৰীয়ানী। ইয়াক নামাৰিবচোন। [শইকীয়ানীৰ হাতৰ পৰা লাঠীডাল কাঢ়ি ল'বলৈ চেষ্টা কৰে।] ইহঁত হৈছে সৰু ল'ৰা। ইহঁতেই যদি নেখেলে আৰু কোনে খেলিব ! আৰু আপুনি যে ইয়াক কামত লগাইছে আপুনি জানেনে ইয়াৰ কাম কৰাৰ বয়স হৈছে নে নাই?

**শইকীয়ানী** : ইয়াৰ বয়স ৯ বছৰ। ইহঁতৰ কামৰ ক্ষেত্ৰত বয়সৰ কি কথা আছে?

**জাহ্নৱী** : আৰু আপোনাৰ ল'ৰাটোৰ?

**শইকীয়ানী** : তাৰ ১০ বছৰ।

**জাহ্নৱী** : আপুনি আপোনাৰ ল'ৰাটোকো কামত নলগায় কিয়?

**শইকীয়ানী** : মই আৰু তাক কিয় কামত লগাম? সি কিবা কাম কৰি পাইছে নেকি? সি মোৰ নয়নৰ মণি।

**জাহ্নৱী** : আপুনি আপোনাৰ ল'ৰাটোক খেলিবলৈ নিদিয়ে নেকি?

**শইকীয়ানী** : কিয় নিদিম ! তাক মই ফুটবল, ক্ৰিকেট, টেনিছ আদি শিকাবলৈ ভাল ভাল এক্সপাৰ্টৰ ওচৰত দিছোঁ।

**জাহ্নৱী** : তেতিয়াহ'লে ! ইয়াৰতো এটা শিশুসুলভ মন আছে। ইয়োতো খেলিবলৈ বিচাৰিব ! আৰু ইয়াৰ বয়স ১৮ বছৰতকৈ কম। ইয়াক আপুনি জোৰ-জবৰদস্তি কাম কৰাব নোৱাৰে নহয়। আপুনি আইনমতে দণ্ডনীয় কাম কৰিছে।

**শইকীয়ানী** : মোক এইবোৰ বুজাই লাভ নাই। মই ইয়াক দৰমহা দিছোঁ। ই মোৰ ঘৰত কাম কৰিব লাগিব। নহ'লে নহ'ব নহয়।

**জাহ্নৱী** : হ'ব। আপুনি নুবুজে নহয়। এতিয়া মই আইনৰ সহায় ল'ম। [এইবুলি কৈ ম'বাইল ফোন টিপিবলৈ আৰম্ভ কৰে।]

**অ'চি** : হেল্ল' নুনমাটি পুলিচ ষ্টেছন। মই OC প্ৰীতম। কোনে কৈছে? মই কি সহায় কৰিব পাৰোঁ?

**জাহ্নৱী** : হয় ছাৰ। মই জাহ্নৱী শৰ্মা। এনজিঅ' 'চাইল্ড লাইন'ৰ কৰ্মী। ছাৰ, বামুণীমৈদামৰ আনন্দনগৰ, হাউছ নম্বৰ ৬৯১। এটি শিশুক জোৰ-জবৰদস্তি কাম কৰাইছে। শাৰীৰিক অত্যাচাৰো কৰিছে। মই বুজাবলৈ চেষ্টা কৰিছোঁ। কিন্তু নুবুজে। আপুনি এতিয়াই আহিলে ভাল পাম।

**শইকীয়ানী** : আপুনি পুলিচ মাতিছে। মাতক। ময়ো মোৰ পাৱাৰ দেখুৱাই দিম। [কৈয়েই গেটেদি ভিতৰলৈ সোমাই গ'ল। জাহ্নৱীয়ে যতীনৰ হাতত ধৰিলেগৈ।]

**জাহ্নৱী** : চাওঁ, ক'ত দুখ পালা? [যতীনে হাত, পিঠি আদিত সেৰা পাতি থকা চিনবোৰ দেখুৱাবলৈ ধৰিলে।]

**যতীন** : বহুত দুখ পাইছোঁ বাইদেউ। মোক অকল মাৰিয়েই থাকে।

**জাহ্নৱী** : কি নাম তোমাৰ? ঘৰ ক'ত?

**যতীন** : মোৰ নাম যতীন বাইদেউ। বাইহাটা চাৰিআলিত বাইদেউ।

[গাড়ীৰ শব্দ শুনা গ'ল। অ'চিসহ এজন পুৰুষ পুলিচ আৰু এগৰাকী মহিলা পুলিচ হাজিৰ হ'লহি।]

**পুৰুষ পুলিচ** : ইয়েই নেকি ল'ৰাটো?

**জাহ্নৱী** : হয় ছাৰ। এইটো ঘৰতে থাকে। ইয়াক অত্যাচাৰ কৰা মহিলাগৰাকী ভিতৰতে আছে। হেৰি ঘৰৰ ভিতৰৰ পৰা ওলাই আহক। [অ'চি, পুলিচ আৰু যতীন গেটৰ ভিতৰলৈ সোমাই গ'ল। শইকীয়ানী ঘৰৰ ভিতৰৰ পৰা ওলাই আহিল।]

**অ'চি** : হেৰি ডাঙৰীয়ানী। আপুনি কিন্তু শিশু শ্ৰমিক ৰাখিছে। অত্যাচাৰ চলাইছে। আপুনি জানেনে এইটো এটা ডাঙৰ অপৰাধ?

**শইকীয়ানী** : আপুনি তেনেকৈ ক'লেই নহ'ব নহয়। মোৰ ঘৰ, মোৰ কথা।

**অ'চি** : আপুনি, আপোনাৰ ঘৰখন সমাজৰ বাহিৰত নহয়। সমাজত থাকিলে সামাজিক হ'বই লাগিব। আইন-আদালত, নিয়ম-কানুন আদি চলিব লাগিব। সমাজৰ নিয়ম-শৃংখলা বজাই ৰাখিব লাগিব। নহ'লে এইখন মানুহৰ সমাজ হৈ নাথাকিব।

**পুৰুষ পুলিচ :** আপোনালোকৰ দৰে মানুহবোৰৰ বাবেই আজি যত অশান্তি।

**মহিলা পুলিচ :** কলেজ-ইউনিভাৰ্ছিটিৰ ডিগ্ৰী ল'লেই মানুহ শিক্ষিত নহয়; যদিহে আপুনি আইন-কানুনক শ্ৰদ্ধা কৰিবলৈ শিকা নাই।

**শইকীয়ানী :** আপোনালোকে মোক আইন-কানুনৰ ভয় নুখুৱাব। আপোনালোকে জানেনে SP, DIG লেভেলত মোৰ নিজৰ মানুহ আছে।

**জাহ্নৱী :** আপোনালোকৰ দৰে মানুহেই ডাঙৰ মানুহৰ ভয় দেখুৱাই ডাঙৰ অপৰাধ কৰি আহিছে। সেয়ে আজি চৌদিশে ইমান নৈৰাজ্য।

**অ'চি :** ডাঙৰ মানুহৰ ভয় দেখুৱাইছে। You are arrested. (মহিলা পুলিচৰ ফালে চাই) হেণ্ডকাফ।

**মহিলা পুলিচ :** SP, DIG লেভেলত নিজৰ মানুহ আছে। গতিকে মই এগৰাকী সাধাৰণ কনিষ্টবলে আপোনাক হেণ্ডকাফ লগাবলৈ ভাল পাম।

[মহিলা পুলিচগৰাকীয়ে হেণ্ডকাফ লগাই গাড়ীৰ ফালে লৈ যায়।]

**অচি :** মিছ জাহ্নৱী, আপুনি ল'ৰাটোৰ ব্যৱস্থা কৰক।

**জাহ্নৱী :** হ'ব ছাৰ, মই ব্যৱস্থা কৰি আছোঁ।

[পুলিচৰ প্ৰস্থান। যতীনৰ ফালে চায়।] তুমি ইয়াত কিয় কাম কৰা?

**যতীন :** (কান্দি কান্দি) মোৰ মাৰ অসুখ। দেউতা নাই। দাদাই ঘৰত একো কাম নকৰে। সি লগৰীয়াৰ লগত মদ, ভাং, ড্ৰাগছ আদি খায়। সিয়েই মোক ইয়াত কাম কৰিবলৈ থৈ গৈছে। মই কাম কৰোঁ মাৰ চিকিৎসাৰ কাৰণে। কিন্তু দাদাই মোৰ পইচাখিনিৰে বেয়া বস্তুহে খায়। সেয়ে উপায় নাপাই...।

**জাহ্নৱী :** [যতীনক সাবটি ধৰি] একো নহয় দিয়া। আমি আছোঁ নহয়। আমি তোমাৰ মাৰ চিকিৎসা কৰিম। তোমাৰ মা সম্পূৰ্ণ সুস্থ হৈ উঠিব। তোমাৰ দাদাকো আমি লৈ আহিম। তাৰ চিকিৎসাৰ সম্পূৰ্ণ ব্যৱস্থা কৰিম। তুমিও এখন স্কুলত পঢ়িবলৈ পাবা।

**যতীন :** আমিও ডাঙৰ মানুহ হ'মনে?

**জাহ্নৱী :** তোমালোকো ডাঙৰ মানুহ হ'ব পাৰিবা। ব'লা, এতিয়া তোমালোকৰ ঘৰলৈ যাওঁ।

**নেপথ্য কথা :** এনেদৰে গোটেই বিশ্বতে প্ৰায় ১৬০ মিলিয়ন শিশুৱে শ্ৰমিক হিচাপে কাম কৰি আছে। শিশুৰ কোমল হাত দুখনিত কলম, পেঞ্চিল তুলি নিদি দিয়া হৈছে হাতুৰী, বটালি ইত্যাদি। আমি কি এখন পৃথিৱীত বাস কৰিছোঁ! আমি যে ধ্বংস কৰি গৈ আছোঁ এই শিশুসকলৰ ভৱিষ্যৎ—ক'ত পালোঁ এই অধিকাৰ আমি! সিহঁতো যে আমাৰ মানৱ সম্পদ হ'ব, সেই কথা আমি পাহৰিছোঁ কিয় !! ♦



**ৰিয়া শৰ্মা**, প্ৰাক্-প্ৰাথমিক শ্ৰেণী



**প্ৰীতিদৰ্শনা শৰ্মা**, প্ৰাক্-প্ৰাথমিক শ্ৰেণী

# আহুতি

■ বাস্তৱ দাস
ষষ্ঠ শ্ৰেণী



**এন্ধাৰ :** বহুবাৰ সুধিলোঁ ইতিমধ্যে। এয়া শেষবাৰৰ বাবে সুধিছোঁ। চাকি, মোক ভিতৰলৈ সোমাব দিবিনে?

**চাকি :** উত্তৰটোচোন তোক অলপ আগতে কৈ দিলোঁৱেই। মোক আৰু আমনি কৰি নাথাকিবি এন্ধাৰ। মই তোক কোনো কাৰণতে সোমাবলৈ নিদিওঁ।

**এন্ধাৰ :** ধেমালি কৰি লাভ নাই, চাকি। তইচোন নিজেও জান যে মই তোতকৈ বেছি ক্ষমতাশালী।

**চাকি :** ওঁহোঁ, এয়া ধেমালি নহয়। এয়া মোৰ কৰ্তব্যনিষ্ঠা। মোৰ কৰ্তব্য হ'ল তোৰ দৰে ক'লা এন্ধাৰক দূৰলৈ খেদি পঠিওৱা। গতিকে মোক মোৰ কাম কৰিবলৈ দে।

**এন্ধাৰ :** হাঃ হাঃ হাঃ... কৰ্তব্যনিষ্ঠা? হেৰৌ মূৰ্খ! কৰ্তব্য পালন কৰিবলৈ যাওঁতে যে তোৰ জীৱনৰ যৱনিকা পৰিব, তাৰে খবৰ আছেনে নাই?

**চাকি :** মোৰ জীৱন বিসৰ্জনে যদি আন দহজনৰ উপকাৰ সাধে, তেন্তে সেই বিসৰ্জন মোৰ মঞ্জুৰ। মোৰ সামান্য ত্যাগে যদি তোৰ দৰে এন্ধাৰৰ বাট ভেটিব পাৰে, তেন্তে সেই ত্যাগ মোৰ কাম্য।

**এন্ধাৰ :** তইচোন বৰ ডাঙৰ ডাঙৰ কথা ক'ব পৰা হ'লি। তইচোন ইয়াত নিজকে নিঃশেষ কৰি আনক পোহৰাই আছ। কিন্তু সকলোচোন নিজৰ লগতে ব্যস্ত। জীৱনৰাগিত মত্ত। তোৰ ফালে কোনোবাই চাইছেনে এবাৰ?

**চাকি :** নাই (লাহেকৈ)।

**এন্ধাৰ :** নাই চোৱা আৰু নাচায়ো। তোলৈ সিহঁতৰ কেতিয়া মনত পৰিব জান? যিদিনা তোৰ মৃত্যু হ'ব। যিদিনা আমি এন্ধাৰবোৰে সোপাসোপে গৈ গ্ৰাস কৰিম সিহঁতক। সেইদিনা তোক সকলোৱে বিচাৰি হাঁহাকাৰ কৰি উঠিব। কিন্তু তেতিয়ালৈকে শূন্যতাত বিলীন হৈ যাব তোৰ সমস্ত সত্তা।

চাকি, মই তোৰ ভালৰ কাৰণে কৈছোঁ, এৰি দে সিহঁতৰ কথা ভাবিবলৈ যিয়ে তোৰ মূল্যক স্বীকৃতি নিদিয়ে।

**চাকি :** (অকণমান হাঁহি) এন্ধাৰ, মই আজিহে গম পালোঁ যে তই কিয় ইমান ক'লা। মনটো ঠেক বুলি ভাবিছিলোঁ, কিন্তু তই যে নেতিবাচক সেই কথা ভবা নাছিলোঁ। আৰু এটা কথা, সেৱাক কেতিয়াও স্বীকৃতিৰে নুজুখিবি। কাৰণ স্বীকৃতি, প্ৰশংসা আৰু হাত-চাপৰিতকৈ ত্যাগৰ পৰা পোৱা সুখ বহু ওপৰত।

**এন্ধাৰ :** কিন্তু এতিয়া চুটি হৈ আহিছে তোৰ উশাহৰ শলিতাডাল। আৰু কেইটামান মুহূৰ্তৰ পাছতেই মই তোক গিলি পেলাম।

**চাকি :** কোনো কথা নাই। মোৰ জীৱনৰ ওৰ পৰিব, সঁচা। কিন্তু তই চাই থাক, মোৰ মৃত্যুৰ লগে লগেই জ্বলি উঠিব আন কোনোবা চাকি, চলাই নিবলৈ পোহৰৰ যুঁজখন। ♦

# দৰঙৰ চৈতালী আৰু মালচী গীত

■ দ্ৰুপদ নৃপতি কাশ্যপ
পঞ্চম শ্ৰেণী



বিভিন্ন জাতি-উপজাতিৰ মিলনভূমি অসম দেশ অতীজৰে পৰা সাংস্কৃতিক সম্পদত অতি চহকী। এই বাৰেৰহণীয়া সাংস্কৃতিক ক্ষেত্ৰখনলৈ পুৰণি দৌৰংগ দেশ বা বৰ্তমানৰ দৰং জিলাৰ অৱদান লেখত ল'বলগীয়া। অতি প্ৰাচীন কালৰ পৰাই এই অঞ্চলত নাগাৰা নাম, ওজাপালি, খুলীয়া, ভাৱৰীয়া, ঢেপা-ঢুলীয়া, কালীয়া, বিহু-হুঁচৰি, চৈতালী, সংকীৰ্তন, মালচী, থিয় নাম, চেৰা ঢেক, মহৌ খুন্দা আদি কৃষ্টি-সংস্কৃতিসমূহ বহুলভাৱে প্ৰচলিত হৈ আছে। এই লেখনীটিত দুটি মনোমোহা সংস্কৃতি চৈতালী আৰু মালচী গীতৰ বিষয়ে চমু আভাস আগ বঢ়োৱা হ'ল।

**চৈতালী গীত :** চৈতালীসমূহৰ সম্পৰ্ক আছিল পুৰণি সংস্কৃত টোলৰ সৈতে। পুৰণি কালত শিক্ষাৰ্থীসকলে গুৰুৰ আশ্ৰমত থাকি শিক্ষা গ্ৰহণ কৰিছিল। কিন্তু এই শিক্ষাৰ বিনিময়ত গুৰুসকলে কোনো ধৰণৰ পাৰিশ্ৰমিক শিষ্যসকলৰ পৰা নলৈছিল। ফলস্বৰূপে শিষ্যসকলেও গুৰু আৰু গুৰু-পত্নীক যথাযথ ভক্তি আৰু সেৱা-শুশ্ৰূষা কৰিছিল। প্ৰতিবছৰে চ'ত মাহৰ আৰম্ভণিতে এই গুৰুভক্ত শিষ্যসকলে বহু দূৰ-দূৰণিলৈ খোজ কাঢ়ি গৈ মানুহৰ ঘৰে ঘৰে গুৰুৰে শিকাই দিয়া কিছুমান মাংগলিক শ্লোক গাই ৰাইজৰ মংগল কামনা কৰিছিল আৰু আশীৰ্বাদ দিছিল। এই আশীৰ্বাদৰ বিনিময়ত মানুহৰ পৰা শিষ্যসকলে মাননি স্বৰূপে যি টকা-পইচা, বয়-বস্তু পাইছিল, সেই সকলোবোৰ গুৰুৰ চৰণত দক্ষিণাৰূপে অৰ্পণ কৰিছিল। সময় বাগৰাৰ লগে লগে অসমৰ বিভিন্ন ঠাইৰ লগতে দৰং জিলাৰ দিপীলা, পাতিদৰং, হাজৰিকাপাৰা আদিত সংস্কৃত টোল প্ৰতিষ্ঠা হ'ল য'ত প্ৰতিবছৰৰ চ'ত মাহৰ আদিভাগত চৈতালী গোৱা প্ৰথা প্ৰচলিত আছিল বুলি প্ৰমাণ পোৱা গৈছে। আনুমানিক ১৯৩৫-৪৫ চন মানলৈ দিপীলাৰ বাণীপ্ৰিয়া সংস্কৃত টোলৰ শিষ্যসকলে দৰং জিলাৰ বিভিন্ন ঠাইত চৈতালী পৰিবেশন কৰিছিল বুলি জনা যায়। কিন্তু কালক্ৰমত শিক্ষা ব্যৱস্থাৰ পৰিবৰ্তনৰ ফলত বিভিন্ন পৰিস্থিতিত চৈতালী গীতে গোৱা প্ৰথা বন্ধ হৈ পৰিল।

**মালচী গীত :** দৰঙী কলা-কৃষ্টিৰ আন এক প্ৰাচীন তথা অমূল্য সম্পদ হ'ল—মালঞ্চ বা মালচী গীত। মালচীসমূহৰ প্ৰচলন দৰঙী ৰজাসকলৰ পৃষ্ঠপোষকতাত দেৱীস্তুতিৰ উদ্দেশ্যে কৰা হৈছিল। মনোমুগ্ধকৰ সুৰ, তাল, লয় সম্বলিত এই গীতবোৰ দৰঙী ৰজাৰ আজ্ঞাত সেই সময়ৰ ব্ৰাহ্মণ পণ্ডিতসকলে ৰচনা কৰা বুলি জনা যায়। মন্দিৰত উদ্‌যাপিত দুৰ্গা পূজা, মনসা পূজা আদিৰ সময়ত ছয়-সাতজনমান শিল্পীয়ে মন্দিৰৰ সমীপত ঢাৰি-কঠত বহি সম্পূৰ্ণ ভক্তিসহকাৰে এই গীতবোৰ পৰিবেশন কৰিছিল। দৰঙী ৰজাঘৰৰ উপৰি দৰঙৰ দিপীলা, ব্যাসপাৰা, পাতিদৰং আদি ঠাইত মালচী গীতৰ চৰ্চা বহুদিনৰ পৰাই চলি আহিছে। সাংস্কৃতিক দিশত চহকী অসম দেশৰ চুকে-কোণে সৃষ্টি হোৱা এনে ধৰণৰ বহু অমূল্য কৃষ্টি কিছুমান সময়ৰ সোঁতত লুপ্ত হৈছে যদিও আন কিছুমান কম-বেছি পৰিমাণে এতিয়াও প্ৰচলিত হৈ আছে। নতুন প্ৰজন্মই এই কৃষ্টিসমূহৰ চৰ্চা তথা প্ৰসাৰ কৰিলে অসমৰ সংস্কৃতিৰ পথাৰখন আৰু চহকী হৈ ৰ'ব বুলি আশা কৰিব পাৰি। ♦

**উৎস :** *দৰঙৰ চৈতালী, মালচী গীত আৰু প্ৰসংগ, লেখক— পূৰ্ণানন্দ শৰ্মা, ৰূপোৱালী বহ্নিমান, স্মৃতিগ্ৰন্থ*

# ব্যক্তিগত পুথিভঁৰাল কিদৰে গঢ়িম

■ প্ৰাঞ্জনা গোস্বামী
অষ্টম শ্ৰেণী

মানুহৰ বাবে এখন ভাল কিতাপৰ সমান ভাল উপকাৰী বন্ধু আন একো হ'ব নোৱাৰে। বহুতো মানুহে কিতাপ পঢ়ি আৰু সংগ্ৰহ কৰি ভাল পায়। নিজৰ মন পছন্দৰ কিতাপ সংগ্ৰহ কৰিবলৈ বিচাৰে। এনেদৰে কিতাপ পঢ়া আৰু সংগ্ৰহ কৰাটোও বহু মানুহৰ অভিৰুচি (Hobby)। সৰুৰে পৰা আমি এনে ধৰণৰ ইতিবাচক অভিৰুচিসমূহ গ্ৰহণ কৰিব লাগে। কিতাপ পঢ়ি ভাল পোৱা বেছিসংখ্যক মানুহে কিতাপ নিজাকৈ সংগ্ৰহ কৰি এটা ব্যক্তিগত পুথিভঁৰাল গঢ়িব বিচাৰে। কিন্তু টকা-পইচা বেছি নথকাৰ বাবে এনে ইচ্ছা সম্পূৰ্ণ নহয়। কিন্তু আমি অলপ পৰিকল্পনা কৰি আগ বাঢ়িলে নিজৰ বাবে পুথিভঁৰাল এটা গঢ়িব পাৰিম।

ধৰা হ'ল, এজন ল'ৰা বা এজনী ছোৱালীয়ে প্ৰতি মাহতে এখন নিজৰ মনে বিচৰা কিতাপ কিনে। এনেদৰে এবছৰত বাৰখন কিতাপ জমা হ'ব। যদি একেলগে বাৰখন কিতাপ কিনিব খোজে তেন্তে বহু টকাৰ প্ৰয়োজন হ'ব। কিন্তু প্ৰতিমাহে একোখনকৈ কিনিলে এনে অসুবিধা নহ'ব। তাৰ বাবে অৱশ্যে কিনিব বিচৰা কিতাপৰ এখন তালিকা কৰি ৰাখিব লাগে। সেই তালিকা চাই কিতাপ কিনিলে নিজৰ পছন্দৰ কিতাপ কিনা আৰু সংগ্ৰহ কৰিব পৰা যায়।

তদুপৰি জন্মদিন, নৱবৰ্ষ, অন্য কোনো বিশেষ দিনত বা উৎসৱত মা-দেউতা আৰু অন্য আত্মীয় লোকে আমাক উপহাৰ দিব বিচাৰে। এনে সময়ত আগতীয়াকৈ কিনিব বিচৰা কিতাপখনৰ কথা যদি কৈ থওঁ, তেন্তে সেই কিতাপখনকে আমি উপহাৰ হিচাপে পাম। এনেদৰেও আমি কিতাপ সংগ্ৰহ কৰিব পাৰোঁ। আকৌ কেতিয়াবা মা-দেউতা আৰু আন আত্মীয়সকলে মৰমেৰে দিয়া টকা অবাবত খৰচ নকৰি সেই টকাৰেও কিতাপ কিনিব পাৰোঁ। যি মাহত হাতত যিমান টকা জমা হ'ব সিমান দামৰ কিতাপ এখন চাই আমি কিনিব পাৰোঁ। কেতিয়াবা বজাৰলৈ যাওঁতে মাহঁতে কিবা লাগিব নেকি সোধে। এনে সময়তো আমি মন পছন্দৰ কিতাপ এখন কিনিব পাৰোঁ।

কিন্তু কিতাপ সংগ্ৰহ কৰিবৰ বাবে আমি মা-দেউতাৰ পৰা জোৰ কৰি বা টকা চুৰি কৰি নিয়া, দোকান বা বিদ্যালয়ৰ পুথিভঁৰালৰ পৰা মনে মনে কিতাপ ওভতাই নিদিয়াৰ দৰে বেয়া কাম কৰিব নালাগে। বৰং পঢ়িবলৈ আনৰ পৰা অনা কিতাপৰ ভাল লগা বা দৰকাৰী বুলি ভবা কথাবোৰ এখন টোকাবহীত লিখি থ'ব লাগে। লগতে লেখক-প্ৰকাশকৰ নামো লিখি থ'লে পাছত কিতাপ কিনাৰ বাবে সহায়ক হয়। টোকা লিখি থোৱা অভ্যাসে মানুহক বহু বিষয়ৰ তথ্য সংগ্ৰহত সহায় কৰে। এইটো এটা ভাল অভ্যাস।

গ্ৰন্থ হ'ল জ্ঞানৰ ভাণ্ডাৰ। সেয়েহে আমি যিমানেই কিতাপ পঢ়িম সিমানেই নতুন নতুন অভিজ্ঞতা লাভ কৰিম। এইবোৰে আমাক জীৱনত সুপথে আগ বঢ়াত সহায় কৰিব। সেয়ে কিতাপতকৈ ভাল বন্ধু, পথ-প্ৰদৰ্শক আন একোৱেই হ'ব নোৱাৰে।

"কিতাপ নথকা ঘৰ খিৰিকী নথকা কোঠালিৰ দৰে"— এইচ মেননে কৈছিল। পৃথিৱীৰ বহুতো গুণী-জ্ঞানী ব্যক্তিৰ ব্যক্তিগত পুথিভঁৰাল থকাৰ কথা আমি জানো। ভাল কিতাপ অধ্যয়ন আৰু সংগ্ৰহ কৰাৰ চেষ্টা কৰিব লাগে। ভাল কিতাপৰ অধ্যয়নে ভৱিষ্যৎ জীৱনত মানুহক সৎ পথত ৰাখে। শেষত যদি কোনোৱে ব্যক্তিগতভাৱে পুথিভঁৰাল গঢ়িব বিচাৰে, তেন্তে এই সজ কামৰ বাবে সৰুৰে পৰা চেষ্টা কৰিব লাগে।

উল্লেখযোগ্য যে, কেৱল কিতাপ কিনিলেই নহ'ব, সেইবোৰ ভালদৰে সংগ্ৰহ তথা সংৰক্ষণ কৰি ৰাখিবও লাগিব। প্ৰথমে আমি কিতাপ থ'বলৈ ডাঙৰ বাকচ বা আলমাৰীৰ ব্যৱস্থা কৰিব পাৰোঁ। বেছি কিতাপ সংগ্ৰহ হ'লে আমি ডাঙৰ আলমাৰী আৰু 'বুকশ্বেল্ফ' বনাই তাত সজাই ৰাখিব পাৰিম। এনেদৰে আমি আমাৰ ব্যক্তিগত পুথিভঁৰাল এটা গঢ়িব পাৰিম। ♦

# জেচিণ্টা কেৰকেটা

■ নিষ্ঠা বৰগোহাঁই
সপ্তম শ্ৰেণী

জেচিণ্টা কেৰকেটা সাম্প্ৰতিক সময়ত ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত এক চিনাকি নাম। ৰাষ্ট্ৰভাষাত সাংবাদিকতাৰ ক্ষেত্ৰখনত জড়িত থকাৰ লগতে কাব্য-সাহিত্য চৰ্চা আৰু বিভিন্ন ক্ষেত্ৰত সক্ৰিয়তা প্ৰদৰ্শন কৰি উজলি উঠা জেচিণ্টা এগৰাকী উদীয়মান মহিলা। ১৯৮৩ চনৰ ৩ আগষ্টত ঝাৰখণ্ডৰ খোদাপোশ গাঁৱত তেওঁৰ জন্ম হয়। পিতৃ-মাতৃ ক্ৰমে জয়প্ৰকাশ কেৰকেটা আৰু অনিমা কেৰকেটা। এওঁলোক ঝাৰখণ্ড-উৰিষ্যাৰ সীমান্তৱৰ্তী বনাঞ্চলৰ অ'ৰাঅন নামৰ আদিবাসী গোষ্ঠীৰ লোক।

জেচিণ্টাৰ প্ৰাথমিক আৰু হাইস্কুলীয়া শিক্ষা বেলেগ বেলেগ শিক্ষানুষ্ঠানত সমাপন হয়। ৰাঁচীৰ চেইণ্ট জেভিয়াৰ কলেজৰ পৰা ২০০৬ চনত তেওঁ গণ সংযোগ (Mass Communication) আৰু ভিডিঅ' প্ৰডাকছন বিষয়ত স্নাতক আৰু ২০১৬ চনত একেখন ঠাইৰ অৰ্থাৎ ৰাঁচী বিশ্ববিদ্যালয়ৰ পৰাই গণ সংযোগ বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে।

শিক্ষাৰ্থী জীৱনত জেচিণ্টাই নিজৰ অঞ্চলত হোৱা হিংসা আৰু সংঘৰ্ষৰ সাক্ষী হোৱাৰ লগতে এই ঘটনাবোৰৰ প্ৰতি স্থানীয় সংবাদ প্ৰতিষ্ঠান আৰু প্ৰশাসনৰ উদাসীনতা দেখি সাংবাদিকতাৰ বৃত্তি ল'বলৈ মন বান্ধিছিল। ২০১০ চনৰ পৰা ২০১৩ চনলৈ তেওঁ দৈনিক জাগৰণ কাকতত সংবাদদাতা হিচাপে কাৰ্য্যনিৰ্বাহ কৰে। ২০১৪ চনত তেওঁ ঝাৰখণ্ডৰ পাঁচখন জিলাত হোৱা খনন আৰু তাৰ আদিবাসীসকলৰ ওপৰত এক সমীক্ষা চলাই সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছিল আৰু UNDP (United Nations Development Programme) ৰ দ্বাৰা পুৰস্কৃত হৈছিল। ২০১৯ চনৰ পৰা তেওঁ বৈদ্যুতিন মাধ্যমৰ পৰ্টেল 'দ্যা ৱায়াৰ'ৰ লগত ৰাঁচীৰ পৰা প্ৰকাশিত 'প্ৰভাত খবৰ' কাকতৰ লগতে জড়িত হৈ আছে। সাংবাদিকতাৰ ক্ষেত্ৰখনৰ লগত জেচিণ্টাই ঝাৰখণ্ডৰ আদিবাসী গাঁওসমূহত নাৰী শিক্ষাৰ প্ৰসাৰৰ বাবে সক্ৰিয়ভাৱে কাম কৰি আহিছে।

জেচিণ্টাৰ গৃহৰাজ্য ঝাৰখণ্ড ২০০০ চনত বিহাৰৰ পৰা বিভাজিত হৈ গঠন হৈছিল। নতুনকৈ গঠন হোৱা ৰাজ্যখন ঠন ধৰি গঢ়ি তুলিবলৈ বৃহৎ পৰিমাণৰ ঔদ্যোগীকৰণৰ ব্যৱস্থা চৰকাৰে হাতত লৈছিল, যিটোৱে ইয়াৰ অধিবাসী আদিবাসীসকলৰ জীৱন আৰু জীৱিকালৈ অশনি সংকেত কঢ়িয়াই আনিছিল। আদিবাসীসকললৈ অহা এই সংকটৰ বিৱৰণ তেওঁ দেশৰ আগত দাঙি ধৰাৰ লগতে আদিবাসী আৰু চৰকাৰী পক্ষৰ সংঘাতৰ প্ৰতি চৰকাৰৰ কঠোৰ দৃষ্টিভংগীক সমালোচনা কৰি আহিছে।

সংবাদিকতাৰ লগতে কাব্যচৰ্চাৰ ধাৰা অব্যাহত ৰখা জেচিণ্টাৰ দুখন উল্লেখনীয় কবিতা সংকলন হ'ল 'অংগুৰ' আৰু 'জোড়ো কী জমীন'। আদিবাসী যুৱ প্ৰজন্মৰ পৰিচয় আদিবাসীসকলৰ ওপৰত শাসনতন্ত্ৰৰ শোষণ, লিংগবৈষম্য আৰু আদিবাসীসকলৰ মৌলিক সমস্যাসমূহৰ প্ৰতি চৰকাৰৰ উদাসীনতা এয়াই হ'ল জেচিণ্টাৰ কৰ্মৰাজিৰ বিষয়বস্তু।

নিজ কৰ্মস্থানত বলিষ্ঠ ৰূপত আত্মপ্ৰকাশ কৰা জেচিণ্টা কেৰকেটাক দেশে-বিদেশে যথোচিতভাৱে সন্মানিত কৰা হৈছে। শেহতীয়াকৈ ২০২২ চনৰ ফৰ্বচ ইণ্ডিয়াৰ সমীক্ষাত ভাৰতৰ ২০ গৰাকী আত্মপ্ৰতিষ্ঠা লাভ কৰা প্ৰভাৱশালী মহিলাৰ তালিকাত স্থান লাভ কৰি প্ৰশংসিত হৈছে। বৰ্তমানৰ পৰিপ্ৰেক্ষিতত জেচিণ্টা কেৰকেটাই সাহস, আপোচবিহীনতা আৰু বলিষ্ঠতাৰে সংবাদ পৰিৱেশন কৰি গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰ প্ৰতি দায়িত্ব পালন কৰি নৱপ্ৰজন্মৰ বাবে অনুকৰণীয় ব্যক্তি হৈ পৰিছে। ♦

# কলোছিয়াম

■ দেবাংগ কলিতা
অষ্টম শ্ৰেণী



ৰোমান সভ্যতাত নিৰ্মিত এক প্ৰেক্ষাগৃহ হ'ল কলোছিয়াম। ৬৯ খৃষ্টাব্দত ৰোম চহৰত এই প্ৰেক্ষাগৃহ নিৰ্মাণ কৰা হৈছিল। সুদীৰ্ঘ ১৩ বছৰ ধৰি নিৰ্মাণ কাৰ্য্য চলা এই কলোছিয়ামৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ হয় ৮২ খৃষ্টাব্দত। এনে ধৰণৰ ৰোমান সৌধক ইংৰাজীত এম্ফিথিয়েটাৰ বোলে। আধুনিক অলিম্পিক তথা ক্ৰিকেট ষ্টেডিয়ামৰ লগত ইয়াৰ আকাৰ আৰু ব্যৱহাৰৰ ভালেখিনি সাদৃশ্য আছে। কলোছিয়ামৰ আকৃতি অৰ্ধ-বৃত্তাকাৰ, ওপৰত কোনো ছাদ নাই, মুকলি আকাশ। সোঁমাজত অৱস্থিত ৰংগমঞ্চৰ কেউকাষে আজিকালিৰ ষ্টেডিয়ামৰ দৰে ঢাপে ঢাপে শাৰী শাৰী দৰ্শকৰ আসন। শিল, কংক্ৰিট আদিৰে নিৰ্মিত কলোছিয়ামাৰ দৈৰ্ঘ্য ১৯০ মিটাৰ (প্ৰায় ৩৫৩ ফুট) আৰু প্ৰস্থ ১৫৫ মিটাৰ (৫০৯ ফুট)। কলোছিয়ামৰ কেন্দ্ৰস্থ ৰংগমঞ্চ বা ৰংগভূমিত বন্দী অথবা দাস যোদ্ধাৰ দ্বন্দ্বযুদ্ধ অথবা মল্লযুঁজ চলিছিল। আমৃত্যু অৰ্থাৎ, যোদ্ধা দুজনৰ এজনৰ মৃত্যু নোহোৱালৈকে এই যুদ্ধ চলি আছিল। কেতিয়াবা যোদ্ধাসকলে বাঘ, ভালুক, সিংহৰ দৰে হিংস্ৰ জন্তুৰ লগতো যুদ্ধ কৰিব লাগিছিল। এই নিষ্ঠুৰ বিনোদনে সেই সময়ত ৰোমৰ প্ৰভূত জনপ্ৰিয়তা অৰ্জন কৰিছিল, যাৰ বাবে কলোছিয়ামত বছৰৰ ২০০ তকৈও অধিক দিন এনে 'মৃত্যু উৎসৱ' উদ্‌যাপিত হৈছিল। যুঁজত অংশ লোৱা যোদ্ধাসকলক 'গ্লেডিয়েটৰ' বোলা হৈছিল।

কলোছিয়ামৰ কেন্দ্ৰস্থলত থকা ৰংগমঞ্চ বা ৰংগভূমিৰ নাম এৰিনা (arena)। ই এটা লেটিন শব্দ। ইয়াৰ অৰ্থ বালি বা বালিময় ভূমি। হিংস্ৰ জন্তুৰ আক্ৰমণত ক্ষত-বিক্ষত, নিহত যোদ্ধাৰ শৰীৰৰ পৰা ওলোৱা তেজ যাতে শুকান বালিত সহজে শুকাই যায় তাৰ বাবে ৰংগভূমি বালিময় কৰা হৈছিল। তাৰ পৰাই ইয়াৰ নাম এৰিনা হয়। প্ৰেক্ষাগৃহৰ দৰে এৰিনাও উপ-বৃত্তাকাৰ। ইয়াৰ দীঘ প্ৰায় ৮৭ মিটাৰ (২৮৭ ফুট) আৰু বহল প্ৰায় ৬০ মিটাৰ (১৮০ ফুট)। এৰিনাৰ কাষৰ পৰা ক্ৰমে ওপৰলৈকে গেলাৰীৰ দৰে দৰ্শকৰ আসনসমূহ সজোৱা আছিল। কলোছিয়ামত একেলগে ৫০ হাজাৰ দৰ্শক বহাৰ ব্যৱস্থা আছিল। বাহিৰৰ পৰা দেখিলে কলোছিয়ামটো চাৰি মহলীয়া যেন লাগে যদিও ভিতৰত ই তিনিমহলীয়াহে। বাহিৰৰ পৰা হিংস্ৰ জীৱ-জন্তু এৰিনাত ভৰাই দিবৰ বাবে ইয়াত এটা সুৰংগ পথ আছিল।

দীৰ্ঘদিন সেই বীভৎস আনন্দৰ সাক্ষী হৈ মধ্যযুগত ৰোমৰ কলোছিয়াম ধ্বংস হয়। বৰ্তমান ইয়াৰ ধ্বংসাৱশেষহে ৰৈছেগৈ। নিৰ্মাণ কৌশল আৰু প্ৰযুক্তিৰ বিস্ময়কৰ স্থাপত্য ৰোমৰ কলোছিয়াম আজিও ইটালীৰ অন্যতম পৰ্য্যটকৰ আকৰ্ষণৰ ক্ষেত্ৰ। ♦

# অংকীয়া নাটত ব্যৱহৃত মুখা

■ দেৱশংকৰ বৰ্মন
অষ্টম শ্ৰেণী



মুখা মানৱ সংস্কৃতিৰ আদিম কলা। মানৱ সংস্কৃতিৰ ক্ৰমবিকাশৰ প্ৰাক্‌কালত মানুহে বন্যপ্ৰাণীৰ দৰেই হাবি-জংঘল, গছৰ খোৰোং, পৰ্বতৰ গুহা আদি স্থানত বাস কৰিছিল। গছৰ ফল-মূল, জীৱ-জন্তুৰ মাংস আদিয়েই আছিল তেওঁলোকৰ আহাৰ। কিছুমান সৰু অস্ত্ৰ-শস্ত্ৰ, গছৰ ঠাল, শিলাখণ্ড আদিৰ সহায়ত জীৱ-জন্তু চিকাৰ কৰাৰ সময়ত সিহঁতৰ কাষ চাপিবৰ বাবে গছৰ ডাল-পাত, অন্যান্য প্ৰাকৃতিক উপাদানেৰে নিজক ঢাকি ৰাখিবৰ কাৰণে সৃষ্টি কৰি লোৱা আবৰণকে মুখাৰ আদিম অৱস্থা বুলি ঠাৱৰ কৰিব পাৰি। অসমতো মুখাৰ ব্যৱহাৰ অতি প্ৰাচীন কালৰ পৰাই আছে। প্ৰাচীন কালৰ মুখাবোৰ সাধাৰণতে কাঠৰ পৰাই তৈয়াৰ কৰা হৈছিল। জীৱ-জন্তুৰ ছাল আৰু অন্যান্য প্ৰাকৃতিক সামগ্ৰীৰে তৈয়াৰ কৰা মুখাৰ বাদে অন্য ধৰণেৰে তৈয়াৰ কৰা মুখা কম দেখা যায়। মহাপুৰুষ শ্ৰীমন্ত শংকৰ গুৰুজনাৰ অংকীয়া ভাওনা, গীত, বাদ্য, নৃত্য, স্থাপত্য আদি চাৰুকলাৰে নিৰ্মিত এক শিল্প ৰূপেই নহয়, ইয়াৰ মাজেদি অনাখৰী লোকৰ মাজত আখৰ চিনাৰ প্ৰতি ধাউতি বঢ়োৱা হৈছিল। বচন, গীত, লেচাৰী, বিলাপ, মধ্যাৱলী, ত্ৰিপদী, ঝুমুৰা আদিৰ সঠিক সুৰ, তাল-মান আদি দেখুৱাই শিল্পীসকলক গোৱাৰ সাহস যোগাই চাৰু শিল্পৰ বিকাশ ঘটালে। খোল, সিংহাসন, গদা-মুদগৰ, ধনু, শৰাই, থাপনা, আৰিয়া, ফুলজাৰি আদি প্ৰস্তুতকৰণৰ মাজেদি জনতাৰ মাজত এক শ্ৰেণীৰ কাৰিকৰ, বাঢ়ৈ আৰু ভাৱৰীয়াৰ মুখত ৰং ঘঁহিবলৈ, মুখা, পোছাক, জলম আদি নিৰ্মাণ কৰিবলৈ এক শ্ৰেণীৰ শিল্পী খনিকৰ আৰু নাট-পদবোৰ নকল কৰিবলৈ এক শ্ৰেণীৰ লিখাৰু তৈয়াৰ কৰা হৈছিল। গায়ন-বায়ন, নটুৱা, সূত্ৰধাৰৰো সৃষ্টি কৰা হৈছিল।

চিহ্নযাত্ৰা নাটত ব্যৱহাৰ কৰা মুখাসমূহৰ উপৰি পৰৱৰ্তী কালত সত্ৰসমূহত কৰা ভাওনাসমূহত মুখাৰ ব্যৱহাৰ কৰি অহা হৈছে। গুৰুজনাই কৰা কেইবাখনো নাটতেই মুখা ব্যৱহাৰ কৰিব পৰা অনেক থল আছে। ৰামবিজয় নাট ভাওনাত তাড়কা, মাৰীচ আৰু সুবাহু মুখাৰ ব্যৱহাৰ কৰাৰ লগতে সীতাৰ সয়ম্বৰ সভাত সমবেত ৰজাসকলকো একোটা মুখা দিয়া হয়। বীভৎস চৰিত্ৰ ৰূপায়ণ কৰিব লগা ৰজাসকলক মুখা পিন্ধাই অভিনয় কৰালে দৃশ্যটি অধিক মনোগ্ৰাহী হৈ পৰে। নৃসিংহ যাত্ৰা ভাওনা কৰোঁতে হিৰণ্যকশিপু, বৰাহ, নৰসিংহ, গৰুড় পক্ষী, ব্ৰহ্মা, হংসজান, সাপ, হাতী, দানৱ, ৰাক্ষস আদি মুখাৰ প্ৰয়োজন হয়। স্যমন্তক হৰণ ভাওনা কৰোঁতে সিংহ, জাম্বৱন্ত, জাম্বৱন্তী, ধাই, ধাই শিশু, প্ৰসেনৰ ঘোঁৰা, বাঘ, হৰিণ, গাহৰি, শিয়াল আদিৰ উপৰি অন্যান্য ৰজা আৰু সৈন্য-সামন্তসকলক একোটা এফলীয়া মুখা পিন্ধাই ভাও দিয়াব পৰাটো এক কৃতিত্ব। গজেন্দ্ৰ উপাখ্যান ভাওনাত গ্ৰাহ, গজেন্দ্ৰ, গৰুৰ মুখা আদি প্ৰয়োগ হয়।

মুখা সজা শিল্পীজন নাট্য শাস্ত্ৰত অভিজ্ঞ হ'ব লাগে। 'নৃসিংহ যাত্ৰা' ভাওনাৰ 'নৃসিংহ' মুখা ভাগৰ ৰূপ শাস্ত্ৰত এনেদৰে বৰ্ণনা কৰিছে :

তপ্ত সুৱৰ্ণৰ বৰ্ণ জ্বলে চক্ষু দুই।
পৰ্বত সমান কায়া আছে স্বৰ্গ চুই।।
শৰীৰৰ লোম চন্দ্ৰসম শুক্ল বৰ্ণ।
তুলি আছে উৰ্দ্ধক স্তৱধ দুই কৰ্ণ।।
লহ লহ কৰে জিহ্বা যেন ক্ষুৰ ধাৰ।
জ্বলে বাহু শততীক্ষ্ণ নখে চমৎকাৰ।। ♦

# দীপৰ বিল— অসমৰ এক সম্পদ

■ সমৃদ্ধি শৰ্মা
সপ্তম শ্ৰেণী



দীপৰ বিল। গুৱাহাটী মহানগৰৰ সমীপত সংলগ্ন হৈ থকা এক বিশাল জলাশয়। জৈৱ-বৈচিত্ৰ্যেৰে পৰিপূৰ্ণ এই বিশাল জলাশয়টো বৰ্তমান কেৱল অসমৰে সম্পদ নহয়, এই বিলখন হৈ পৰিছে আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত স্বীকৃতি লাভ কৰা এক জলাশয়। গুৱাহাটী মহানগৰৰ পৰা দক্ষিণ-পশ্চিম দিশত এই বিলখন অৱস্থিত। এক বিশাল অঞ্চল আগুৰি থকা দীপৰ বিলৰ চাৰিসীমাত আছে ক্ৰমে বশিষ্ঠ বাহিনী নৈ আৰু ভৰলু নৈ, জালুকবাৰী, কলামণি নৈ আৰু খাচি-জয়ন্তীয়া পাহাৰ।

জৈৱ-বৈচিত্ৰ্যৰ বাবে অতি গুৰুত্বপূৰ্ণ এই বিলখনত বিভিন্ন প্ৰকাৰৰ দুৰ্লভ জলজ উদ্ভিদ আছে। লগতে আছে অসংখ্য প্ৰজাতিৰ মাছ-পুঠি আৰু দুশৰো অধিক স্থানীয় পক্ষী। বিলখনৰ সকলোতকৈ আকৰ্ষণীয় বিষয় এয়ে যে ইয়াত বছৰি একোটা নিৰ্দিষ্ট সময়ত পৃথিৱীৰ বিভিন্ন দেশৰ পৰা প্ৰায় ৭০ বিধমান প্ৰজাতিৰ পৰিভ্ৰমী চৰাই জিৰণি ল'বলৈ আহে। বিশ্বৰ পক্ষীবিদসকলে কয়— পৰিভ্ৰমী চৰাইবোৰে এনেদৰে কোনো উপযুক্ত জলাশয়ত জিৰণি ল'ব পাৰিলেহে এক নতুন জীৱনী শক্তি লাভ কৰে। অন্যথা এই পক্ষীসমূহৰ কিছু প্ৰজাতি এদিন বিলুপ্ত হৈ গ'লহেঁতেন। দেশ-বিদেশৰ এই চৰাইবোৰ সংৰক্ষণ হ'ব লাগিলে দীপৰ বিলৰ দৰে জলাশয়ৰ প্ৰয়োজন আছে। সেয়েহে ২০০২ চনত Ramsar Convocation নামৰ এখন আন্তঃৰাষ্ট্ৰীয় সভাত দীপৰ বিলক Ramsar siteৰ দৰে এক সন্মানীয় স্বীকৃতি প্ৰদান কৰিছে। এনে স্বীকৃতি ভাৰতবৰ্ষত প্ৰায় ৭৫টা জলাশয়কহে দিয়া হৈছে। সেইসমূহৰ ভিতৰত 'দীপৰ বিল' অন্যতম।

দীপৰ বিলৰ পানীৰ মূল উৎস হ'ল বাহিনী নদী আৰু কলামণি নদী। তাৎপৰ্য্যপূৰ্ণ কথা এইটো যে— এই বিলখন খানজান নামৰ সৰু নৈ এখনেৰে আন এটা অংশত ব্ৰহ্মপুত্ৰৰ লগত সংযোজন ঘটিছে। যাৰ বাবে বিলখন কিছু পৰিষ্কাৰ হৈ থাকে।

যেতিয়াই দীপৰ বিলৰ চৌপাশ চকুত পৰে, আমি দেখিবলৈ পাওঁ কেৱল চৰাই আৰু চৰাই। পৰ্য্যটকসকলৰ বাবেও ই এক প্ৰধান আকৰ্ষণ। ৰাণী বনাঞ্চলৰ পৰা নামি অহা জাক জাক হাতীয়ে বিলৰ পানীত গা ধুই অৱসাদ দূৰ কৰাৰ এক সুকীয়া দৃশ্যও দেখা যায়।

দীপৰ বিল সংৰক্ষণৰ বাবে চৰকাৰৰ সংশ্লিষ্ট বিভাগ আৰু প্ৰাকৃতিক সংগঠনসমূহে নিয়মীয়াকৈ বিলখনৰ পৰিৱেশৰ প্ৰতি সজাগ দৃষ্টি ৰখাটো অতি প্ৰয়োজন। জনসাধাৰণকো বিভিন্ন মাধ্যমৰ যোগেৰে বিলখনৰ বিষয়ে আকৰ্ষিত কৰি ৰখাৰ লগতে সজাগ কৰি ৰাখিব লাগে।

শেষত উল্লেখ কৰিব খোজোঁ, দীপৰ বিলৰ সুৰক্ষা মানে এক বৃহৎ পক্ষীকুলৰ সুৰক্ষা, গুৱাহাটীবাসীৰো সুৰক্ষা। দীপৰ বিলক বচাই ৰাখোঁ আহক। ♦

# ঢকুৱাখনাৰ ফাট বিহু

■ নিবিৰ নয়ন গগৈ
সপ্তম শ্ৰেণী



অসমৰ লখিমপুৰ জিলাৰ দক্ষিণ-পূব প্ৰান্তৰৰ এখন আছুতীয়া ঠাই ঢকুৱাখনা। অসমৰ ভিতৰত কেৱল ঢকুৱাখনাতহে অনুষ্ঠিত হোৱা ফাট বিহু নামৰ প্ৰাচীন ঐতিহ্য আধাৰিত উৎসৱটি কৃষিজীৱী ঢকুৱাখনাবাসীৰ বাপতি-সাহোন। সাংস্কৃতিক দিশৰ পৰা ই অসমৰ প্ৰাচীন বিহু পৰম্পৰাৰ ধাৰক। কুৰি শতিকাৰ নব্বৈ দশকৰ আৰম্ভণিৰে পৰা ঢকুৱাখনা উচ্চতৰ মাধ্যমিক খেল-পথাৰত আৰু ঢকুৱাখনা মহাবিদ্যালয়ৰ সন্মুখৰ মুগা ফাৰ্মৰ চোমনিত দুবাৰকৈ 'ফাট বিহু' অনুষ্ঠিত হয়। ১৯৯৬ চনৰ পৰা ঢকুৱাখনাৰ চাৰিকড়ীয়া নৈৰ ম'হঘূলি চাপৰিত ফাট বিহু অনুষ্ঠিত হৈ আহিছে। পূৰ্বতে ব'হাগৰ সাতবিহু যোৱাৰ পাছত ঢকুৱাখনা (পূৰ্বতে হাবুং) হাৰ্হি দেৱালয়ত কেইবাটাও জনগোষ্ঠীয় লোক একেলগ হৈ এই ঠাইত বিহু মাৰিছিল। বৰ্তমান ফাট বিহু ব'হাগ মাহৰ শেষৰটো শুক্ৰবাৰ, শনিবাৰ আৰু দেওবাৰে তিনি-দিনীয়াকৈ পতা হয় আৰু বিভিন্ন প্ৰতিযোগিতামূলক কাৰ্য্যসূচী, যেনে—মুকলি বিহু, জেং বিহু, টকা বিহু, মহিলা বিহু, মিচিং বিহু, চেমনীয়া বিহু আদিবোৰ ফাট বিহুৰ অন্তৰ্ভুক্ত হৈ পৰিছে। ইয়াৰে কেতবোৰ কাৰ্য্যসূচী পৰিবেশনৰ বাবে স্থায়ীকৈ সুদৃশ্য মঞ্চ সাজি উলিওৱা হৈছে। ফাট বিহুত নচা নাচনীসকলৰ প্ৰায় সকলোৰে ঘৰতে বোৱা মুগাৰ ৰিহা-মেখেলা পৰিধান কৰে। খোপাত কৃত্ৰিম ফুলৰ পৰিবৰ্তে কপৌফুল, ভাটৌফুল, চম্পাফুল, তগৰফুল গুঁজি লয়। নাচনীয়ে পৰিধান কৰা ৰিহাবোৰ কেচ বছা আৰু মেখেলাবোৰ ফুলাম নাইবা উকা হয়। উল্লেখযোগ্য যে ফাট বিহুতলীৰ মূল মঞ্চত উদ্‌যাপন সমিতিৰ বিষয়ববীয়া অথবা অতিথি শিল্পীক ধুতি-পাঞ্জাবী আৰু মেখেলা-চাদৰ পৰিধান নকৰাকৈ প্ৰৱেশ কৰিবলৈ দিয়া নহয়। ফাট বিহুৰ অন্তিম দিনা গছৰ তলে তলে বিহুদলবোৰে অৱস্থান কৰি পৰিবেশন কৰা জেং বিহু আৰু মুকলি বিহু ফাট বিহুৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু। বিহু চলি থকা অৱস্থাত জাকৈ-খালৈ, নাঙল-যুঁৱলি, জাল-জুলুকি, কাঁচি আদি লৈ কিছুমান ডেকা-গাভৰু হঠাতে কোনো দলৰ মাজত সোমাই বিহু নাচে। তেওঁলোকৰ সাজ-পোছাক লক্ষ্য কৰিলে পথাৰত কাম কৰি থকা বা মাছ মৰা অৱস্থাতে ঢোল, পেঁপা, গগনা আদিৰ মাত শুনি উদ্‌গ্ৰীৱ হৈ বিহু মাৰিবলৈ ঢপলিয়াই অহা যেন লাগে। কোনো কোনো ডেকাই ম'হৰ পিঠিত পেঁপা বজাই থকা ভংগিৰেও বিহুদলত প্ৰৱেশ কৰি ফাট বিহুৰ থলীখনৰ মনোৰম সৌন্দৰ্য্য দুগুণে চৰায়। চাৰিকড়ীয়াৰ পাৰৰ ম'হঘূলি চাপৰিৰ প্ৰাকৃতিক পৰিৱেশ মনোৰম। ম'হঘূলি চাপৰিৰ চিচু গছবোৰে পৰিৱেশটো সেউজ সজীৱ আৰু সুন্দৰ কৰি তোলে। ফাট বিহু থলী বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলনভূমি। বিস্তীৰ্ণ ঢকুৱাখনা অঞ্চলৰ বিভিন্ন গাঁৱৰ লোকে দলে-বলে আহি একেখন বিহুতলীতে বিহু মাৰে। সম্প্ৰতি অসমৰ উপৰি ভাৰতৰ বিভিন্ন প্ৰান্তৰ লোক ফাট বিহু চাবলৈ অহা পৰিলক্ষিত হৈছে।

ফাট বিহু সঁচাকৈয়ে ঢকুৱাখনাৰ সাংস্কৃতিক ঐতিহ্য। এই বিহুৱে ব'হাগ বিহুৰ বৈশিষ্ট্যক উজ্জীৱিত কৰি ৰাখিছে। ফাট বিহুৰ ঐতিহ্য আৰু বৈশিষ্ট্য সদায় অটুট থাকক, ই ঢকুৱাখনাৰ লগতে অসমৰ গৌৰৱ হৈ উজলি থাকক। ♦

# সত্ৰৰ মিলনভূমি বৰপেটা

■ **মেধাজ্যোতি নাথ**
অষ্টম শ্ৰেণী



বৰপেটাক অসমৰ সত্ৰৰ মিলনভূমি বুলি জনা যায়। বৰপেটাত থকা সত্ৰসমূহে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱৰ কৰ্মৰাজিৰ স্বাক্ষৰ বহন কৰি আহিছে। মহাপুৰুষকেইজনাৰ অক্ষয় কীৰ্তিস্বৰূপ এই সত্ৰসমূহে অসমীয়া সমাজ-সংস্কৃতিক সুসংগঠিত কৰাৰ লগতে পৰিশীলিত ৰূপ প্ৰদান কৰিছে। যোল্ল শতিকাত মহাপুৰুষ মাধৱদেৱ উজনি অসমৰ পৰা ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে লগতে অসমীয়া সংস্কৃতিৰ ভেটি টনকিয়াল কৰিবলৈ বৰপেটা নগৰলৈ আহিছিল। বৰপেটা নগৰখন ২২ টা হাটীত বিভক্ত, য'ত ভক্তসকলে সপৰিয়ালে বাস কৰে। এই বিশেষত্ব অসমৰ আন কোনো ঠাইতে দেখা নাযায়। বিভিন্ন সত্ৰ আৰু মঠসমূহ বৰপেটা জিলাৰ বিভিন্ন ঠাইত সিঁচৰতি হৈ আছে, যিবোৰ অসমৰ চুকে-কোণে থকা ধাৰ্মিক লোকসকলৰ আকৰ্ষণৰ কেন্দ্ৰ হৈ আছে। বৰপেটাৰ কেইখনমান উল্লেখযোগ্য সত্ৰ হ'ল— বৰপেটা সত্ৰ, পাটবাউসী সত্ৰ, সুন্দৰীদিয়া সত্ৰ, চুণপোৰা সত্ৰ, গণককুছি সত্ৰ, কনৰা সত্ৰ, জনীয়া সত্ৰ আদি।

এতিয়া প্ৰশ্ন হ'ল সত্ৰ মানেনো কি? অসমীয়া সত্ৰ শব্দটো সংস্কৃতৰ পৰা অহা। ইয়াৰ অৰ্থ হ'ল দীৰ্ঘকালীন যজ্ঞ। বাৰ দিনতকৈ অধিক কাল ব্যাপি অনুষ্ঠিত হোৱা যজ্ঞৰ নাম সত্ৰ যজ্ঞ।

দৰাচলতে যি স্থান দেৱতা আৰু বৈষ্ণৱসকলৰ দ্বাৰা বন্দিত, যি স্থানত একান্ত ভকতসকলে ঈশ্বৰৰ প্ৰিয়কাৰ্য্য সাধন কৰে আৰু যি স্থানত দৈনিক নৱধা ভক্তি বিৰাজ কৰে, সেই শ্ৰেষ্ঠ স্থানকেই সত্ৰ বুলি কোৱা হয়।

এতিয়া বৰপেটাৰ কেইখনমান উল্লেখযোগ্য সত্ৰৰ বিষয়ে তলত উল্লেখ কৰা হ'ল—

**পাটবাউসী সত্ৰ :** পাটবাউসী সত্ৰ শ্ৰীমন্ত শংকৰদেৱে প্ৰতিষ্ঠা কৰিছিল। এই সত্ৰ বৰপেটাৰ মূল নগৰৰ পৰা ২ কিল'মিটাৰ আঁতৰত অৱস্থিত। শ্ৰীমন্ত শংকৰদেৱে এই সত্ৰৰ পৰাই ধৰ্মীয় আদৰ্শ, সাহিত্য, কলা-সংস্কৃতি আৰু কৰ্ম-সংস্কৃতিৰ প্ৰসাৰ কৰিছিল। এই সত্ৰতে তেওঁ জীৱনৰ অতি গুৰুত্বপূৰ্ণ ১৮ বছৰ কটাইছিল যিখিনি সময়ত কীৰ্তন ঘোষা ৰচনা কৰাৰ উপৰি ২০টাকৈ বৰগীত ৰচনা কৰিছিল। পাছলৈ এই সত্ৰৰ পৰাই শ্ৰীমাধৱদেৱ, শ্ৰীদামোদৰদেৱ আৰু শ্ৰীহৰিদেৱে বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিছিল। মহাপুৰুষসকলে ব্যৱহাৰ কৰা কিছুমান আচবাব, সাঁচিপাত আদি এতিয়াও এই সত্ৰত সংৰক্ষিত হৈ আছে।

**গণককুছি সত্ৰ :** এই সত্ৰ বৰপেটা এলেকাৰ ভিতৰতে

অৱস্থিত। শ্ৰীমাধৱদেৱে এই সত্ৰ প্ৰতিষ্ঠা কৰিছিল। সত্ৰ প্ৰতিষ্ঠাৰ উদ্দেশ্যে শ্ৰীমন্ত শংকৰদেৱে এতোলা সোণৰ বিনিময়ত এই সত্ৰৰ মাটি ক্ৰয় কৰিছিল আৰু শ্ৰীমাধৱদেৱক উক্ত সত্ৰৰ সত্ৰাধিকাৰ হিচাপে মনোনীত কৰিছিল। শ্ৰীমাধৱদেৱে ১৮ বছৰ ধৰি উক্ত সত্ৰৰ সত্ৰাধিকাৰ হৈ আছিল। মহাপুৰুষজনাই ব্যৱহাৰ কৰা কিছুমান আচবাব, সাঁচিপাত আদি এতিয়াও এই সত্ৰত সংৰক্ষিত হৈ আছে।

**জনীয়া সত্ৰ :** বৰপেটা-জনীয়া পথত বৰপেটা নগৰৰ পৰা ৮ কিল'মিটাৰ দূৰত্বত এই সত্ৰ অৱস্থিত। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ভক্ত শ্ৰীনাৰায়ণ দাস ঠাকুৰ আতাই এই সত্ৰ প্ৰতিষ্ঠা কৰিছিল। তেওঁ ইয়াত বহুসংখ্যক ভক্তিমূলক গীত ৰচনা কৰিছিল।

**সুন্দৰীদিয়া সত্ৰ :** গণককুছি সত্ৰ এৰাৰ পাছত মাধৱদেৱে এই সত্ৰ স্থাপন কৰিছিল। বৰপেটা সত্ৰৰ প্ৰথম সত্ৰাধিকাৰ শ্ৰীমথুৰা দাস বুঢ়া আতাই আদিতে এই সত্ৰতেই আহি মাধৱদেৱৰ শৰণ লৈছিল। এই সত্ৰতে শ্ৰীমাধৱদেৱে পালনাম আৰু বীৰনাম বা থিয়নামৰ শুভাৰম্ভ কৰিছিল। মহাপুৰুষজনাই ব্যৱহাৰ কৰা বহুসংখ্যক আচবাব, সাঁচিপাত আদি এতিয়াও এই সত্ৰত সংৰক্ষিত হৈ আছে।

**বৰপেটা সত্ৰ :** শ্ৰীমাধৱদেৱে বৰপেটা সত্ৰ প্ৰতিষ্ঠা কৰিছিল আৰু তাত তেওঁ ৮ বছৰ ধৰি আছিল। ইয়াতেই তেওঁ মথুৰা দাস বুঢ়া আতাক সত্ৰৰ প্ৰথম সত্ৰাধিকাৰ হিচাপে নিযুক্তি দিছিল। এই বুঢ়া আতায়েই সত্ৰৰ প্ৰশাসনিক দিশটো শক্তিশালী কৰি বৰপেটাৰ আঞ্চলিক আৰু প্ৰতিষ্ঠানিক উন্নয়ন সাধন কৰিছিল।

**বাৰাদি সত্ৰ :** বৰপেটা নগৰৰ পৰা ইয়াৰ দূৰত্ব প্ৰায় ২ কিল'মিটাৰ। শ্ৰীমাধৱদেৱে এই সত্ৰ প্ৰতিষ্ঠা কৰিছিল আৰু অতি কম সময়ৰ বাবে তেওঁ ইয়াত আছিল। বাৰাদি সত্ৰ মাধৱদেৱৰ আদি সত্ৰ। শিক্ষাৰ কেন্দ্ৰ হিচাপে লৈ বাৰাদি সত্ৰৰ পৰাই দশোদিশে শংকৰী কৃষ্টিয়ে প্ৰসাৰ লাভ কৰিছিল। হোলী বা ফাকুৱা উৎসৱ এই সত্ৰৰ প্ৰধান উৎসৱ। ♦



**সোণমণি কলিতা**, প্ৰাক্-প্ৰাথমিক শ্ৰেণী



**তনবীৰ হুছেইন**, প্ৰাক্-প্ৰাথমিক শ্ৰেণী

# পৰিবেশ ৰক্ষাৰ আন্দোলন আৰু ছাত্ৰ সমাজ

■ ৰাগিনী সংস্কৃতি বৰ্মন
নৱম শ্ৰেণী

*“পৃথিৱীয়ে মানুহৰ প্ৰয়োজন পূৰণৰ বাবেহে অলেখ সম্পদ সৃষ্টি কৰিছে। মানুহৰ লোভ পূৰণৰ বাবে নহয়। আমি পৃথিৱীৰ বনাঞ্চল ৰক্ষাৰ বাবে যি কৰিছোঁ সিয়েই প্ৰতিফলিত কৰিছে আমি আমাৰ বাবে আৰু অইনৰ বাবে কি কৰিছোঁ।”*

—মহামানৱ মহাত্মা গান্ধী

হয়, মহামানৱ মহাত্মা গান্ধীয়ে সঠিকভাৱেই কৈছে যে আমাৰ বিনন্দীয়া পৃথিৱীখনে আমাৰ প্ৰয়োজনৰ বাবে সকলো প্ৰয়োজনীয় সম্পদৰাজি সৃষ্টি কৰিছে। আমাৰ মাতৃয়ে আমাক জন্মহে দিছে, কিন্তু সৰ্বশক্তিমান প্ৰকৃতিয়ে তেওঁৰ কোলাত তুলি-তালি আমাক ডাঙৰ-দীঘল কৰিছে। প্ৰকৃতিয়ে আমাক খাদ্য দিছে, আশ্ৰয় দিছে। প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰিয়েই পৃথিৱীৰ সকলো প্ৰাণী জীয়াই থাকে। প্ৰকৃতিয়ে নিজেই গছ-লতা, তৰু-তৃণ, জীৱ-জন্তুৰ লগতে সকলো ধৰণৰ সম্পদ, যেনে—বায়ু, পানী, সূৰ্য্যৰ পোহৰ, খনিজ পদাৰ্থ, খাৰুৱা তেল ইত্যাদিৰ সৃষ্টি কৰিছে আৰু নিজেই ইয়াৰ ভাৰসাম্যতা ৰক্ষা কৰি আছে। প্ৰকৃতিয়ে সৃষ্টি কৰা সকলো প্ৰাণীৰ ভিতৰত মানুহকেই জীৱশ্ৰেষ্ঠ বুলি কোৱা হয়। কিন্তু দুৰ্ভাগ্যজনকভাৱে এই জীৱশ্ৰেষ্ঠ মানুহেই নিজৰ অত্যধিক লাভ আৰু লোভৰ বাবে, আমোদ-প্ৰমোদৰ বাবে পৃথিৱীখন ধ্বংস কৰিবলৈ ধৰিছে। তেওঁলোকে পাহৰি গৈছে যে প্ৰকৃতিৰ ওপৰত কৰা এই ধ্বংস কাৰ্য্যই তেওঁলোকৰ বাবেই অদূৰ ভৱিষ্যতে বিপদ কঢ়িয়াই আনিব। মানৱ সভ্যতাৰ অগ্ৰগতিৰ লগে লগে জনসংখ্যাৰ বিস্ফোৰণ, বিজ্ঞান-প্ৰযুক্তিৰ উন্নতি, ব্যাপক ঔদ্যোগীকৰণ আদিৰ বাবে মানৱ জাতিয়ে প্ৰাকৃতিক সম্পদ ধ্বংস আৰু অপব্যৱহাৰ কৰিছে। গছ-গছনি কাটিছে, বনাঞ্চল ধ্বংস কৰাৰ লগতে বিভিন্ন প্ৰকাৰে প্ৰকৃতিৰ ধ্বংস কাৰ্য্য অব্যাহত ৰাখিছে। ফলস্বৰূপে পৰিবেশ প্ৰদূষণ দ্ৰুতগতিত বৃদ্ধি পাব ধৰিছে। সেয়ে আজি আমাৰ ভৱিষ্যতৰ সুৰক্ষাৰ স্বাৰ্থত পৰিবেশ সুৰক্ষা অতীৱ প্ৰয়োজনীয় হৈ পৰিছে। প্ৰতিজন ব্যক্তিৰে আজি এয়া প্ৰাথমিক দায়িত্ব আৰু কৰ্তব্য হৈ পৰিছে। বিশেষকৈ আমি ছাত্ৰ সমাজে পৰিবেশ সুৰক্ষাৰ ক্ষেত্ৰত মুখ্য ভূমিকা পালন কৰা দৰকাৰ। এই ক্ষেত্ৰত পৰিবেশ কৰ্মী ছাত্ৰী ‘গ্ৰেটা থুনবাৰ্গ’ আমাৰ সকলোৰে আদৰ্শ হোৱা উচিত যিয়ে পৰিবেশ সুৰক্ষাৰ বাবে ‘ফ্ৰাইডে ফ’ৰ ফিউচাৰ’ আন্দোলন আৰম্ভ কৰিছে। আনহাতে আমি আমাৰ অসমৰে অৰণ্য মানৱ খ্যাত বিশ্ব বৰেণ্য পদ্মশ্ৰী যাদৱ পায়েঙৰ নাম নিশ্চয় ল’ব লাগিব। তেখেতে যদি একক প্ৰচেষ্টাৰেই ৫৫০ হেক্টৰ মাটিত গছপুলি ৰোপণ কৰি বিখ্যাত ‘মুলাই কাঠনি’ অৰণ্য গঢ়ি তুলিব পাৰে, তেনেহ’লে ইয়াতকৈ ডাঙৰ উদাহৰণ আৰু আমাক কি লাগে।

আনহাতে দেখা গৈছে যে পৃথিৱীব্যাপী গোলকীয় উষ্ণতা অস্বাভাৱিকভাৱে বৃদ্ধি পাব ধৰিছে আৰু মেৰু অঞ্চলৰ বৰফ গলিবলৈ আৰম্ভ কৰিছে। ভূগৰ্ভস্থ পানীৰ স্তৰ বহু তললৈ নামি গৈছে আৰু ভূপৃষ্ঠৰ নদ-নদীৰ পানী প্ৰদূষিত হৈ জীৱকুলৰ ব্যৱহাৰৰ অনুপযোগী হৈ পৰিছে। প্ৰদূষণ বৃদ্ধিৰ ফলত অ’জ’ন স্তৰ ক্ষতিগ্ৰস্ত হৈ পৃথিৱীত অতিবেঙুনীয়া ৰশ্মিৰ কুপ্ৰভাৱত মাৰাত্মক ৰোগ সৃষ্টি হ’ব

ধৰিছে। এইক্ষেত্ৰত ছাত্ৰ সমাজে নিশ্চয় গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে।

পৰিবেশ সংৰক্ষণৰ বাবে প্ৰথম আৰু প্ৰধান কৰণীয় হ'ল সজাগতামূলক কাৰ্য্যসূচী গ্ৰহণ কৰা। ছাত্ৰ-ছাত্ৰীসকলে পৰিবেশ ৰক্ষাৰ ক্ষেত্ৰত প্ৰথমে নিজকে সজাগ কৰি তুলিব লাগিব। এই কাম প্ৰথমে আমি বিদ্যালয়খনৰ চৌহদতে আৰম্ভ কৰিব লাগিব। ইয়াৰ বাবে বিদ্যালয়ৰ চৌহদ পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰখা, পেলনীয়া সামগ্ৰীৰ বাবে 'ডাষ্টবিন'ৰ ব্যৱস্থা কৰা, গছপুলি ৰোপণ কৰা আদি কাৰ্য্যসূচী গ্ৰহণ কৰি হাতে-কামে নিজকে সজাগ আৰু সচেতন কৰি তুলিব লাগিব। সেইদৰে ছাত্ৰাৱস্থাৰ পৰাই ছাত্ৰ-ছাত্ৰীসকলে কৰ্মশালা, আলোচনাচক্ৰ, যৌথ আলোচনা আদিত অংশগ্ৰহণ কৰিব লাগিব। একেদৰে ছাত্ৰ-ছাত্ৰীৰ মাজত পৰিবেশ সম্পৰ্কীয় চিত্ৰাংকণ, পোষ্টাৰ লিখা, কুইজ, তৰ্ক আদি বিভিন্ন ধৰণৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰি ছাত্ৰ সমাজৰ মনোযোগ আকৰ্ষণ কৰিব পাৰি। আমাৰ জাতীয় উৎসৱ বিহু তথা অন্যান্য উৎসৱ আদিতো এনেকুৱা কাৰ্য্যসূচী অন্তৰ্ভুক্ত কৰিব পাৰোঁ। পৰিবেশ প্ৰদূষণ যে বিভিন্ন ধৰণৰ ৰোগৰো প্ৰধান কাৰণ এই বিষয়েও ছাত্ৰ-ছাত্ৰীসকল সচেতন হ'ব লাগিব। ছাত্ৰ-ছাত্ৰীসকলে যদি সৰুৰে পৰাই পৰিবেশ সুৰক্ষাৰ ক্ষেত্ৰত নিজকে শিক্ষিত কৰাৰ লগতে ঘৰখন আৰু ওচৰ-চুবুৰীয়াকো শিক্ষিত কৰি তোলাৰ বাবে উদ্যোগ গ্ৰহণ কৰে, তেনেহ'লে ই গোটেই সমাজতে প্ৰভাৱ পেলাব। এই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলক শিক্ষিত কৰি তোলাৰ বাবে শিক্ষকসকলেও গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব লাগিব। শিক্ষকসকলে উপযুক্ত পৰিকল্পনা কৰি ছাত্ৰ-ছাত্ৰীসকলক পথ-নিৰ্দেশনা দিব লাগিব। বিশ্ব পৰিবেশ দিৱস উদ্‌যাপনৰ দিনা সাধাৰণতে শিক্ষানুষ্ঠানসমূহত গছপুলি ৰোপণৰ লগতে অন্যান্য সজাগতামূলক কাৰ্য্যসূচী গ্ৰহণ কৰা হয়। কিন্তু ইয়াৰ পাছত ৰোপণ কৰা গছবোৰৰ বহু সময়ত উপযুক্ত পৰিচৰ্য্যা কৰা নহয়। যাৰ ফলত ৰোপণ কৰা গছবোৰ মৰহি যায়। পৰিবেশ দিৱস উদ্‌যাপনৰ কোনো সাৰ্থকতা নাথাকে। সেয়ে এই কাম নিয়মিতভাৱে কৰিবলৈ অভ্যাস গঢ়ি তুলিব লাগিব। ইয়াৰ বাবে শিক্ষানুষ্ঠানসমূহত একোখন ফুলনি, শাক-পাচলি বা ঔষধি গছৰ বাগিচা পতাৰ ব্যৱস্থা গ্ৰহণ কৰিব পাৰি। ইয়াৰ ফলত ছাত্ৰ-ছাত্ৰীসকলে পৰিবেশৰ লগত নিজকে খাপ খুৱাই ল'ব পাৰিব তথা ব্যাৱহাৰিক অভিজ্ঞতা বৃদ্ধি হ'ব আৰু গছ-গছনি, ফল-মূল, পাচলি আদিৰ লগত চিনাকিও হ'ব। এনেকুৱা কামে ছাত্ৰ-ছাত্ৰীসকলক বিজ্ঞান আৰু সমাজ বিজ্ঞানৰ পাঠ শিকাৰ ক্ষেত্ৰতো সহায় কৰিব। এই ধৰণৰ কাম আমি ঘৰতো কৰিব পাৰোঁ। আমি ছাত্ৰ-ছাত্ৰীসকলে গছপুলি ৰোপণ তথা পৰিবেশ সুৰক্ষাৰ কাম সংঘ আৰু অন্য সামাজিক অনুষ্ঠানত কৰাৰ বাবেও উদ্যোগ ল'ব পাৰোঁ। ♦



**হৃষিকা ৰাণী মেধি**, প্ৰাক্-প্ৰাথমিক শ্ৰেণী



**হৰ্ষিত মেধি**, প্ৰাক্-প্ৰাথমিক শ্ৰেণী

# বৰপেটাৰ দৌল উৎসৱ

**ময়ংক পাঠক**
নৱম শ্ৰেণী



ফাগুনৰ বোকোচাত উঠি আহে ঋতুৰাজ বসন্ত। বসন্তৰ আগমনত চঞ্চল হৈ উঠে প্ৰকৃতি। ধূলিয়ে পলাশ, শিমলুৰ সেউজত আবিৰ সানে। এনে এক সুন্দৰ দিনত দ্বিতীয় বৈকুণ্ঠপুৰী বৰপেটা ধামত দৌল উৎসৱৰ প্ৰস্তুতি আৰম্ভ হয়। দৌল উৎসৱৰ এমাহ-দুমাহ আগৰ পৰাই বৰপেটা সত্ৰৰ চৌহদ আৰু দৌল গৃহ ধুই-পখালি চাফ-চিকুণ কৰি ৰং দি দেখাত আকৰ্ষণীয় কৰি তোলা হয়। আনহাতে বৰপেটাবাসী ৰাইজেও দৌল উপলক্ষে নিজৰ নিজৰ ঘৰবোৰ চাফ-চিকুণ কৰে, ইয়াকে দেউল চাচা (মসৃণ কৰা) বুলি কোৱা হয়। সত্ৰনগৰী বৰপেটাৰ ৰাইজৰ বাবে দৌল তেজে তেজে শিপোৱা প্ৰাণৰ উৎসৱ।

শাস্ত্ৰীয় তথ্য মতে হোলী উৎসৱ প্ৰথমে সৃষ্টি হৈছিল বৈকুণ্ঠত। তাৰ পাছত ব্ৰহ্মা, ইন্দ্ৰ আদিয়ে স্তুতি-মিনতি কৰি এই উৎসৱ নৰলোকলৈ নমাই আনিছিল। পৰৱৰ্তী কালত ওৰেষা তীৰ্থত ইন্দ্ৰদ্যুম্ন ৰজাই দৌল উৎসৱ পাতিবলৈ লয়। লাহে লাহে সমগ্ৰ ভাৰতত হোলী উৎসৱ পালন কৰা হয়। দেশৰ প্ৰতিখন ৰাজ্যতে হোলী উৎসৱৰ নিজা নিজা নাম আছে। মহাৰাষ্ট্ৰত ৰংগ পঞ্চম, পশ্চিমবংগত বসন্ত উৎসৱ, হাৰিয়ানাত দুলন্দী হোলী আৰু অসমৰ বৰপেটাত দৌল উৎসৱক 'দেউল' বুলি স্থানীয় ৰাইজে কয়।

অসমত এক স্বৰ্ণযুগ সৃষ্টিকাৰী অসমীয়া জাতিৰ ভেটি নিৰ্মাতা অসমৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে একৈছ বছৰ বয়সত তেওঁৰ জন্মভূমি বৰদোৱাত সত্ৰ পাতি সত্ৰীয়া ৰীতি-নীতিৰে দৌল উৎসৱৰ পাতনি মেলি শুভাৰম্ভ কৰিছিল।

জয় জয় বটদ্ৰৱা বৈকুণ্ঠ দূতয়।
সেই স্থানে নিজ গুৰু ভৈলন্ত উদয়।।
দক্ষিণে যাত্ৰাৰ দৌল মহাপুৰুষে নিৰ্মিলা।
সাতো বৈকুণ্ঠৰ চিহ্ন আঁকিয়া দেখাইলা।।

শ্ৰীমন্ত শংকৰদেৱৰ মহৎ সৃষ্টি চিহ্নযাত্ৰাৰ সমাপ্তিত এই দৌল উৎসৱৰ কিছুমান হোলী গীতো ৰচনা কৰিছিল।

ৰঙ্গে ফাকু খেলে চৈতন্য বনমালী।
দুয়ো হাতে ফাল্গু গুৱা সিঞ্চন্ত মুৰাৰী।।

মহাপুৰুষ মাধৱদেৱে স্থাপিত সত্ৰৰ প্ৰথম সত্ৰাধিকাৰ মথুৰা দাস বুঢ়া আতাই প্ৰথমবাৰৰ বাবে বৰপেটা সত্ৰত দৌল উৎসৱ প্ৰচলন কৰে। বৰপেটাৰ দৌল উৎসৱ দুই ধৰণে পালন কৰা হয়। ফাগুন মাহৰ পূৰ্ণিমাত অনুষ্ঠিত হ'লে চাৰি বা পাঁচদিনীয়া হয়। আৰু চ'তৰ মাহত অনুষ্ঠিত হ'লে তিনিদিনীয়া হয়। ইয়াক 'বুঢ়া দেউল' বুলি কোৱা হয়। ফাগুন মাহত উদ্‌যাপিত দৌলক 'ডেকা দেউল' বুলি কয়। বৰপেটাৰ দৌল উৎসৱ কেৱল অসমতেই নহয়, ভাৰতবৰ্ষতে বিখ্যাত। যাৰ বাবে আবিৰৰ নানা ৰঙৰ সৈতে হোলী গীতৰ গীতৰ আমেজ ল'বলৈ সত্ৰনগৰী বৰপেটাত ভিৰ কৰেহি অসমৰ তীৰ্থযাত্ৰীৰ লগতে দেশী-বিদেশী পৰ্য্যটকে।

বৰপেটাৰ দৌল উৎসৱ তিনিটা ভাগত অনুষ্ঠিত হয় : ১। গোন্ধযাত্ৰা ২। ভৰদেউল ৩। সুৰেৰী বা হোলী।

অসমৰ মহামিলনৰ তীৰ্থস্থান বৰপেটা সত্ৰৰ দৌল উৎসৱৰ প্ৰথম দিনটোক গোন্ধযাত্ৰা বা বহ্ন্যোৎসৱ বোলে। এই গুৰুত্বপূৰ্ণ দিনটোত বৰপেটা অঞ্চলৰ ভক্তসকলে পবিত্ৰভাৱে নল, খাগৰি, ইকৰা আদি আনি মুঠি মুঠি কৰি বান্ধি লৈ আগবেলা কীৰ্তনঘৰৰ টুপৰ চোতালত এটি বৃহৎ আকাৰৰ মেজি সাজি উলিয়ায়। আবেলি এক নিৰ্দিষ্ট সময়ত গায়ন-বায়ন সমন্বিতে দৌল গোবিন্দ মহাপ্ৰভুক সত্ৰৰ ভাঁজঘৰৰ পৰা পিছ দুৱাৰেদি উলিয়াই আনি মঠৰ চোতালত এখন বৰ শৰাইত ৰখা হয়। ইয়াৰ পাছত মঠৰ চোতালৰ পশ্চিম দিশত থকা নাদৰ পানী আনি গোসাঁইক স্নান-অৰ্চনা কৰোৱা হয়। তাৰ পাছত সন্ধিয়া মহাপ্ৰভুক গায়ন-বায়ন-ঢুলীয়াৰ সৈতে ভক্তবৃন্দই টুপৰ চোতালত সজা মেজিৰ কাষলৈ লৈ আহে আৰু প্ৰজ্জ্বলিত মেজিৰ চাৰিওফালে মহাপ্ৰভুক সাতপাক ঘূৰোৱা হয়। ইয়াকে গোসাঁইক মেজি পুওৱা বোলে। গোসাঁই মেজি পুওৱা পৰ্ব শেষ হোৱাৰ পাছত গোসাঁইক জগমোহন গৃহত ৰখা হয়। ৰাতি এক শুভক্ষণত ভক্তসকলৰ জয়ধ্বনিৰে গোসাঁইক দৌল-গৃহৰ ভিতৰৰ সুসজ্জিত সিংহাসনত আৰোহণ কৰা হয়।

গোন্ধযাত্ৰাৰ পাছদিনাৰ পৰা মাজৰকেইদিন ভৰদেউল। সত্ৰীয়া নিয়মেৰে ভৰদেউলৰ প্ৰথমদিনা কোনো এটা শুভ মুহূৰ্তত প্ৰথমে দৌল গৃহত গোসাঁইৰ গাত ফাকু দিয়া হয়। তাৰ পাছত অগণন ভক্তগণে মহাপ্ৰভুক দৰ্শন কৰি ফাকু গুড়ি ছটিয়াই সেৱা জনায় আৰু পূজাৰীৰ পৰা ভক্তিভাৱে ফোট লয়। গোন্ধৰ দিনা আৰু ভৰদেউলৰ দিনকেইটাত বৈষ্ণৱসকলে জগমোহন ঘৰত নাম-প্ৰসংগ কৰে। সন্ধিয়া হোলী গীত, সত্ৰীয়া নৃত্য আদিৰে সত্ৰৰ পৰিবেশ উদুলি-মুদুলি হৈ পৰে। টুপৰ চোতালত হাটীৰ ফালৰ পৰা যাত্ৰাগান পৰিৱেশন কৰে। সত্ৰৰ চৌহদত হোৱা যাত্ৰাগানসমূহ ধৰ্মীয় হয়। বৰপেটাৰ এই যাত্ৰাগান এক উল্লেখযোগ্য বৈশিষ্ট্য।

দৌল উৎসৱৰ শেষৰ দিনটোক হোলী বা সুৰেৰী বুলি কোৱা হয়। সেইদিনাখন পুৱা মহাপ্ৰভু দৌলগোবিন্দক দৌলৰ পৰা নমাই এখন বিচিত্ৰ দোলাত কিছু সময় জগমোহন ঘৰত ৰখা হয়। সুৰেৰীৰ দিনা বৰপেটাৰ চৌদিশ ডেকা-গাভৰু, শিশু-বৃদ্ধ সকলোৱে দলবদ্ধভাৱে হোলী গীত গাই গাই হাতে হাতে ফাকু লৈ ইজনে সিজনৰ গালে-মুখে ফাকু সানি আনন্দ-উপভোগ কৰে। "মনে-প্ৰাণে হৰিনাম, হোলী খেলো অধিবাস, উতলা ফাগুনে নাচে বৰপেটা বৰ ধাম।" কৃষ্ণপ্ৰেমত মতলীয়া শিল্পীৰ দলসমূহে কীৰ্তনঘৰৰ চোতালৰ কেলিকদমৰ তলত মিলিত হৈ হৃদয় পৰশা সুন্দৰ ছন্দোময় হোলী গীতেৰে বৰপেটা বৰধামৰ বায়ুমণ্ডল পবিত্ৰ কৰে। "আহা ভাই খেলো হোলী, সবে প্ৰাণে প্ৰাণ।"

গোসাঁইক ফুৰোৱা সময় হোৱাৰ লগে লগে মহাপ্ৰভুক ফাকু গুড়িৰে ৰঞ্জিত কৰি দোলাত তুলি হেকেতা (এবিধ মাহজাতীয় শস্য) খুৱাবলৈ সত্ৰৰ পৰা বনৰীয়া পাৰা (কলবাৰী) সত্ৰলৈ নিয়া হয়। ভক্তপ্ৰাণ ৰাইজ, গায়ন-বায়ন, ওজাপালি আৰু হোলী গীতৰ দলসমূহে এই বিশাল শোভাযাত্ৰাত অংশগ্ৰহণ কৰে। গোসাঁইক বনৰীয়া পাৰা পবিত্ৰ সত্ৰত কিছু সময় ৰাখি বৰপেটা কীৰ্তন ঘৰৰ সত্ৰীয়াই নিৰ্ধাৰিত শুভ নিয়মখিনি কৰাৰ পাছত গোসাঁইক পুনৰ বৰপেটা সত্ৰলৈ অনা হয়। গোসাঁই ঘুনুচাবাৰীত লক্ষ্মীৰ অলক্ষিতে থাকি অহাৰ বাবে লক্ষ্মীয়ে মহাপ্ৰভুক গৃহত প্ৰবেশ কৰিব নিদি দুৱাৰ বন্ধ কৰি থয়। ইয়াকে প্ৰতিফলিত কৰিবলৈ কীৰ্তনঘৰৰ বাটচ'ৰাত (দালানত) চাৰিডাল বাঁহেৰে হেঙাৰ বান্ধি গোসাঁইক প্ৰবেশ পথত বাধা দিয়ে। তাৰ পাছত গোসাঁইৰ পক্ষৰ ভক্তগণে হাতেৰে বাঁহ ভাঙি সত্ৰৰ ভিতৰলৈ কলীয়া গোসাঁইক প্ৰবেশ কৰায়। এই সময়তে ভক্তৰ হোলী গীত আৰু আবিৰৰ মধুৰ গোন্ধে আমোলমোলাই তোলে সত্ৰৰ চৌদিশ। মহাপ্ৰভুক সত্ৰৰ চাৰিওফালে সাতবাৰ প্ৰদক্ষিণ কৰি মঠৰ চোতালত ৰখা হয়। সেই সময়ত মঠৰ চোতালত বোলবুলনি নামৰ এক সত্ৰীয়া পৰ্ব চলি থাকে। এই অনুষ্ঠান শেষ হোৱাৰ পাছত কলীয়া গোসাঁই মণিকূটত প্ৰবেশ কৰে। এনেদৰে উলহ-মালহেৰে বৰপেটা ধামৰ দৌল উৎসৱৰ সামৰণি পৰে। ♦

# অসমীয়া বোলছবিৰ চাৰিকুৰি আঠ বছৰ

■ ধৃ-বৰ্ণা বৰগোহাঞি
দশম শ্ৰেণী

"লুইতৰে পানী যাবি অ' বৈ..."

১৯৩৩ চনৰ পৰা ৰূপকোঁৱৰৰ 'জয়মতী'ৰে আৰম্ভ হোৱা অসমীয়া চলচ্চিত্ৰৰ লুইতখন চিৰপ্ৰবাহমান গতিৰে বৰ্তমানেও বৈয়েই আছে। যদিও এই লুইতৰ গতিপথ ক'ৰবাত মসৃণ, ক'ৰবাত খলা-বমা। জ্যোতিপ্ৰসাদৰ বোলছবি পৰিচালনাৰ প্ৰসংগত চলচ্চিত্ৰ সমালোচক অপূৰ্ব শৰ্মাই কৈছে, "চলচ্চিত্ৰৰ কলা-কৌশল আৰু চলচ্চিত্ৰ নিৰ্মাণৰ ব্যাৱহাৰিক দিশ সম্পৰ্কেই কেৱল জ্যোতিপ্ৰসাদ সচেতন নাছিল। 'জয়মতী'ত সেয়ে দেখা যায় চলচ্চিত্ৰৰ মাধ্যমৰ সৃষ্টিশীল আৰু বাস্তৱানুগ প্ৰয়োগ আৰু সেই কাৰণেই হয়তো জ্যোতিপ্ৰসাদৰ 'জয়মতী' আজিও প্ৰাসংগিক। কিন্তু জয়মতীক সেই সময়ত এচাম সমালোচকে বিৰূপ সমালোচনা কৰিছিল। আৰ্থিকভাৱেও 'জয়মতী' বোলছবিখন এক বৃহৎ লোকচানৰ সন্মুখীন হৈছিল। সেয়ে ইয়াৰ বিপৰীতে একপ্ৰকাৰৰ প্ৰত্যাহ্বানস্বৰূপে জ্যোতিপ্ৰসাদে অতি কম খৰচতে, প্ৰায় বাৰ হাজাৰ টকাতে 'ইন্দ্ৰমালতী' বোলছবি নিৰ্মাণ কৰি কিছু লাভৰ মুখ দেখিছিল।

"যাউতিযুগীয়া..."

'জয়মতী', 'ইন্দ্ৰমালতী' বোলছবিয়ে সেই সময়ৰ অসমক নতুন গতিপথ প্ৰদান কৰিলে। বোলছবি নিৰ্মাণ কৰিবলৈ যাওঁতে জ্যোতিপ্ৰসাদে কাৰিকৰী দিশত প্ৰবল অসুবিধাৰ সন্মুখীন হৈছিল। চিত্ৰগ্ৰহণৰ পাছত তেওঁ ষ্টুডিঅ'ত বহি দেখিলে, এটা সংলাপো বাণীবদ্ধ নহ'ল। কিন্তু এই ক্ষেত্ৰত তেওঁ হতাশ নহৈ সকলো সংলাপ নিজেই 'ডাব' কৰিলে। জ্যোতিপ্ৰসাদে তেওঁৰ পাছৰচাম চিত্ৰ-নিৰ্মাতাক বিভিন্ন বাধা-বিঘিনিক অতিক্ৰম কৰিবলৈ সেই অভিজ্ঞতাৰ দ্বাৰাই উৎসাহ আৰু প্ৰেৰণা যোগালে। পাছত ১৯৪১ চনত ডিব্ৰুগড়ৰ ৰোহিণী শৰ্মাই 'মনোমতী', ১৯৪৬ চনত শিৱসাগৰৰ পাৰ্বতী প্ৰসাদ বৰুৱাই 'ৰূপহী' নিৰ্মাণ কৰে। পাৰ্বতী প্ৰসাদে 'ৰূপহী' চলচ্চিত্ৰ নিৰ্মাণৰ সময়ত কাহিনীৰ বাবে অসমত যিখিনি দৃশ্যগ্ৰহণ কৰিছিল, কলিকতাৰ ষ্টুডিঅ'ত তেওঁ দেখিলে তাৰ এটাও দৃশ্যৰ ছবি নুঠিল। লগে লগে তেওঁ কাহিনীটোকে নতুনকৈ লিখিলে। পুনৰ সকলো দৃশ্যগ্ৰহণ কলিকতাতে কৰিলে আৰু নিজে অভিনয়ো কৰিলে। এই প্ৰসংগত অতুল চন্দ্ৰ হাজৰিকাই লিখিছে, "তেওঁ নিজে ৰূপায়িত কৰা সুদৰ্শন মহন্তজনৰ চৰিত্ৰটোৱেই বোলছবিত জাকতজিলিকা হৈছিল বুলি নিঃসন্দেহে ক'ব পাৰি।"

১৯৩৫ চনৰ পৰা ১৯৪৫ চনৰ এই দশকটোৰ পাছত আন বহুতো চলচ্চিত্ৰ, যেনে—ফণী শৰ্মা আৰু বিষ্ণু ৰাভাৰ 'চিৰাজ', অমিত সেনৰ 'বিপ্লৱী', সুনীল গাংগুলীৰ 'সতী বেউলা' আদি নিৰ্মাণ হয়। প্ৰখ্যাত চলচ্চিত্ৰ সমালোচক অপূৰ্ব শৰ্মাই মন্তব্য দিছে— "সামাজিক বাস্তৱতাৰ দিশৰ পৰা এই সময়ৰ আটাইতকৈ গুৰুত্বপূৰ্ণ চলচ্চিত্ৰ আছিল ফণী শৰ্মা আৰু বিষ্ণু ৰাভাৰ চিৰাজ।" 'চিৰাজ' বোলছবিখন জনপ্ৰিয় হোৱাৰ প্ৰণিধানযোগ্য কাৰণ হ'ল—জ্যোতিপ্ৰসাদৰ সংগ আৰু শিক্ষা। লগতে ছবিখনৰ গীতসমূহ আৰু সামাজিক তাৎপৰ্য্যপূৰ্ণ কাহিনী নিৰ্বাচন।

"গম গম মেঘে গৰজিলে..."

১৯৪৮ চনৰ 'সতী বেউলা'ৰ পাছত অসমীয়া বোলছবিয়ে পুনৰ আত্মপ্ৰকাশ কৰিছিল ১৯৫৫ চনৰ পৰা। ১৯৫৫ চনৰ পৰা ১৯৬০ চনলৈ মুঠ সোতৰখন অসমীয়া বোলছবি নিৰ্মাণ হৈছিল। এই কেইবছৰতে ফণী শৰ্মা আৰু নিপ বৰুৱা পৰিচালিত বোলছবি ক্ৰমে 'পিয়লি ফুকন' আৰু 'মাক আৰু মৰম' বোলছবিয়ে চাৰ্টিফিকেট অৱ মেৰিট লাভ কৰিলে। এই সময়ত মুক্তি লাভ কৰা

নিপ বৰুৱাৰ ‘ৰঙা পুলিচ’, আৰু প্ৰভাত মুৰ্খাজীৰ ‘পূবেৰুণ’ ছবি দুখনে ৰাষ্ট্ৰপতি পদক লাভ কৰে। এই সময়ছোৱাতে নিপ বৰুৱাই এগৰাকী প্ৰখ্যাত চলচ্চিত্ৰ নিৰ্মাতা হিচাপে পৰিচিত হৈ পৰাৰ লগতে ড° ভূপেন হাজৰিকাইয়ো পাঁচখন বোলছবিত সংগীত পৰিচালক হিচাপে আত্মপ্ৰকাশ কৰাৰ উপৰি ‘এৰাবাটৰ সুৰ’ বোলছবিৰ পৰিচালনাৰে এগৰাকী বোলছবি পৰিচালক হিচাপেও পৰিচিত হৈ পৰে।

“ৰিণিকি ঐ ৰিণিকি
বাজিছে সোণ পেঁপাটি...”

১৯৬১-৭০ দশকৰ দিক্ নিৰ্ণয়কাৰী উল্লেখযোগ্য অসমীয়া বোলছবি আছিল ড° ভূপেন হাজৰিকাৰ ‘চিক্‌মিক বিজুলী’ আৰু ব্ৰজেন বৰুৱাৰ ‘ড° বেজবৰুৱা’। ড° হাজৰিকাৰ সংগীতে এই সময়তে অসমীয়া বোলছবি জগতক এক নতুন মাত্ৰা প্ৰদান কৰিলে। ড° বেজবৰুৱাৰ জৰিয়তে এই দশকতে ৰমেন বৰুৱাইয়ো এগৰাকী সংগীত পৰিচালক হিচাপে আত্মপ্ৰকাশ কৰে।

“অ’ বিদেশী বন্ধু
অকলশৰীয়া...”

১৯৭১-৮০ৰ দশকটি অসমীয়া বোলছবি নিৰ্মাণৰ এক অতিকে উল্লেখযোগ্য দশক। এই দশকতে পূৰ্বৰ সকলো অভিলেখ ভংগ কৰি বোলছবি নিৰ্মাণ হৈছিল। এই দশকতে চাৰিখন ‘এ’ চাৰ্টিফিকেটপ্ৰাপ্ত বোলছবিয়েও মুক্তি লাভ কৰিছিল। এই দশকতে কমল নাৰায়ণ চৌধুৰী পৰিচালিত প্ৰথম অসমীয়া ৰঙীন বোলছবি ‘ভাইটি’য়ে (১৯৭২) মুক্তি লাভ কৰিছিল। এই দশকৰ প্ৰথমভাগত আব্দুল মজিদ পৰিচালিত ‘চামেলি মেমচাহাব’ৰ বাবে ৰাষ্ট্ৰীয় সন্মানৰ লগতে ড° ভূপেন হাজৰিকাই শ্ৰেষ্ঠ সংগীত পৰিচালকৰ ৰাষ্ট্ৰীয় সন্মান লাভ কৰে। বিখ্যাত যুটি ‘জিতু-তপনে’ সংগীত পৰিচালক হিচাপে আৰু পুলক গগৈয়ে চলচ্চিত্ৰ নিৰ্মাতা হিচাপে লাহে লাহে প্ৰতিষ্ঠা লাভ কৰে। এই সময়তে অসমৰ বিহুগীতেও চলচ্চিত্ৰসমূহত প্ৰবেশ কৰে।

পদুম বৰুৱা পৰিচালিত ‘গঙা চিলনীৰ পাখি’ আৰু ড° ভবেন্দ্ৰনাথ শইকীয়া পৰিচালিত ‘সন্ধ্যাৰাগ’ বোলছবি দুখন ১৯৭৬-৮০ৰ সময়ছোৱাৰ মাইলৰ খুঁটিৰ নিচিনা। কিন্তু ১৯৮০ত প্ৰকাশ পোৱা নিপ বৰুৱাৰ ‘আজলি নবৌ’ বোলছবিয়ে এই দশকত জনতাৰ সৰ্বাধিক সঁহাৰি লাভ কৰে।

“ব’ল আগুৱাই ব’ল অ’ খেতিয়ক ভাই...”

১৯৮১-৯০ৰ সময়খিনি অসমীয়া চলচ্চিত্ৰৰ বাবে এক গুৰুত্বপূৰ্ণ যুগ। এই সময়খিনিতে ‘ছিৰিয়াছ’ পৰিচালক জাহ্নু বৰুৱাই ‘পাপৰি’ (১৯৮৪), ‘বনানী’ (১৯৯০) পৰিচালনা কৰে। ‘হালধীয়া চৰায়ে বাওধান খায়’ ছবিৰ বাবে ‘স্বৰ্ণ কমল বঁটা’ও লাভ কৰে। এই দশকতে ড° ভবেন্দ্ৰনাথ শইকীয়াই ‘অগ্নিস্নান’, ‘অনিৰ্বাণ’ আদি নিৰ্মাণ কৰে আৰু অগ্নিস্নান বোলছবিয়ে প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰীয় পৰ্য্যায়ত শ্ৰেষ্ঠ চিত্ৰনাট্যৰ সন্মান অৰ্জন কৰে। ১৯৮৩ চনত নিৰ্মিত নিপ বৰুৱাৰ ‘ককাদেউতা নাতি আৰু হাতী’য়ে দৰ্শকৰ পৰা বিপুল সঁহাৰি লাভ কৰিবলৈ সক্ষম হয়।

“প্ৰণাম জনাওঁ ফাগুন তোমাক...”

১৯৯১-৯৫ কুৰি শতিকাৰ প্ৰথম ভাগ। এই সময়ৰ উল্লেখযোগ্য অসমীয়া বোলছবিখন হ’ল জাহ্নু বৰুৱাৰ ‘সাগৰলৈ বহু দূৰ’ (১৯৯৫)। এই বোলছবিখনে জাহ্নু বৰুৱালৈ শ্ৰেষ্ঠ পৰিচালকৰ ৰাষ্ট্ৰীয় পুৰস্কাৰৰ লগতে বিষ্ণু খাৰঘৰীয়াই জুৰিৰ বিশেষ বঁটা কঢ়িয়াই আনে। জাহ্নু বৰুৱাৰে আন এখন বোলছবি ‘ফিৰিঙতি’ত (১৯৯১) কৰা দুৰ্দান্ত অভিনয়ৰ বাবে মলয়া গোস্বামীয়ে ৰাষ্ট্ৰীয় পৰ্য্যায়ত শ্ৰেষ্ঠ অভিনেত্ৰীৰ সন্মান লাভ কৰে। এই দশকৰ কেইখনমান ‘ব্লকবাষ্টাৰ’ বোলছবি হ’ল—যাদৱ চন্দ্ৰ দাসৰ ‘প্ৰেম জনমে জনমে’ আৰু মুনীন বৰুৱাৰ ‘প্ৰভাতী পখীৰ গান’ আদি।

"হিয়া দিয়া নিয়া..."

১৯৯৬-২০০৫ চন। অসমীয়া চলচ্চিত্ৰৰ অন্য এক সোণালী যুগ। এই দশকতে আগমন ঘটিল অসমীয়া চলচ্চিত্ৰলৈ নৃত্য-গীতেৰে পৰিপূৰ্ণ 'ৰোমাঞ্চ', 'এক্সন', 'থ্ৰিলিং' আৰু অভিনেতা-অভিনেত্ৰীৰ জোৱাৰ। ১৯৯৮ চনত প্ৰকাশ পোৱা অশোক কুমাৰ বিষয়াৰ 'যৌৱনে আমনি কৰে' চলচ্চিত্ৰই অসমীয়া চিনেমাপ্ৰেমীৰ মাজত এক ধুমুহাৰ সৃষ্টি কৰে। ইয়াৰ পাছতে ছবিগৃহলৈ আহে 'বেক টু বেক' আৰু বহু ৰোমাণ্টিক চিনেমা। এনে এখন চিনেমা মুনীন বৰুৱাৰ 'হিয়া দিয়া নিয়া'। যাৰ জৰিয়তে বিখ্যাত গায়ক জুবিন গাৰ্গে প্ৰতিষ্ঠা লাভ কৰে এগৰাকী সংগীত পৰিচালক হিচাপে। সেইদৰে যতীন বৰায়ো আত্মপ্ৰকাশ কৰে অসমীয়া চলচ্চিত্ৰত বিখ্যাত নায়ক হিচাপে। মুনীন বৰুৱাই এই সময়খিনিতে প্ৰখ্যাত চলচ্চিত্ৰ নিৰ্মাতা হিচাপে পৰিচিত হৈ পৰে। বৰষা ৰাণী বিষয়া, ৰবি শৰ্মা, গীতাৱলী ৰাজকুমাৰী, সাগৰিকা গোস্বামী আদি বহু অভিনেতা-অভিনেত্ৰী অসমীয়া চলচ্চিত্ৰৰ ৰূপালী পৰ্দাত বিখ্যাত নায়ক-নায়িকা হৈ ভূমুকি মাৰে। মুন্না আহমেদ, বাহাৰুল ইছলাম, চন্দ্ৰ মুদৈ আদি হৈ পৰে অন্যতম বিখ্যাত চলচ্চিত্ৰ পৰিচালক। ২০০৪ চনত চলচ্চিত্ৰ জগতৰ এই ধুমুহাৰ মাজতেই বিখ্যাত গায়ক তথা সংগীত পৰিচালক মানস ৰবীনৰ 'জোনবাই' আৰু ৰাজেশ ভূঞাৰ 'জানমণি' ভিচিডি ছিৰিজে ৰূপালী পৰ্দাত খলকনিৰ সৃষ্টি কৰে। নৃত্য-গীতেৰে পৰিপূৰ্ণ সাধাৰণ ৰুচিবোধৰ চলচ্চিত্ৰ চলি থকাৰ সময়তে জাহ্নু বৰুৱাই নীৰৱে প্ৰস্তুত কৰিলে 'কুশল', 'কণিকাৰ ৰামধেনু'ৰ দৰে সুস্থ মানসিকতাৰ ছিৰিয়াছ ছবি। অসমীয়া চলচ্চিত্ৰই কঢ়িয়াই আনিলে বহু ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় সন্মান।

"আপোন বুলি যাকেই ভাবোঁ,
আঁতৰি যাই সিয়েই দেখোন..."

২০০৬-২০২২। এই কেইবছৰৰ আৰম্ভণিতে 'জোনবাই' ভিচিডি ছিৰিজৰ পৰিচালকৰ দায়িত্ব লয় পবিত্ৰ মাৰ্ঘেৰিটাই। ২০০৬ চনৰ ৰমেশ মুদিৰ 'দেউতা দিয়া বিদায়', যতীন বৰাৰ 'অধিনায়ক', ২০০৭ চনৰ চন্দ্ৰ মুদৈৰ 'জোনদা ইমান গুণ্ডা', ২০০৭ চনৰ 'জীৱন বাটৰ লগৰী'ৰ লগে লগে ২০১৫ চনলৈ একে গতিৰেই চলি থাকিল ৰূপালী পৰ্দাত চলচ্চিত্ৰৰ জোৱাৰ।

২০১৬ চনৰ পৰা কিন্তু অসমীয়া চলচ্চিত্ৰৰ এই ঢৌটো লাহে লাহে কমি আহিবলৈ ধৰে। ২০১৬ চনৰ পৰা ২০২২ চনৰ চলচ্চিত্ৰ বুলি ক'লে মনলৈ আহে কিছু বাছা বাছা চলচ্চিত্ৰ—আব্দুল মজিদৰ 'সাত নম্বৰৰ সন্ধানত', ভাস্কৰ হাজৰিকাৰ 'কথানদী', 'আমিষ', সঞ্জীৱ সভাপণ্ডিতৰ 'দিক্‌চৌ বনত পলাশ', কংকন ৰাজখোৱাৰ 'দূৰ', হিমাংশু প্ৰসাদ দাসৰ 'চাকিৰা আহিব বকুল তলৰ বিহুলৈ', মঞ্জুল বৰুৱাৰ 'অন্তৰীপ', 'কানীন', ধ্ৰুৱ জ্যোতি বৰুৱাৰ 'দূৰণিৰ নিৰলা পঁজা', সান্তনা বৰদলৈৰ 'মাজ ৰাতিৰ কেতেকী', বিদ্যুৎ কটকীৰ 'শৈশৱতে ধেমালিতে', হিমজ্যোতি তালুকদাৰৰ 'কেলেণ্ডাৰ', ৰিমা দাসৰ 'ভিলেজ ৰকষ্টাৰছ্' আদি। এইসমূহৰ লগতে কেনি বসুমতাৰীয়ে লহে লাহে চলাই যায় কমেডি ফিল্মৰ নিৰ্মাণ।

"উমলি-জামলি..."

২০২৩ চন। সময় গতিশীল। এই গতিশীলতাৰ পৰশ চলচ্চিত্ৰৰ ক্ষেত্ৰতো বিদ্যমান। এসময়ত চিত্ৰগৃহৰ অভাৱৰ পাছতো অসমীয়া চিনেমাৰ সংখ্যা নকমিল। কিন্তু অসমীয়া বোলছবিৰ সংখ্যা লাহে লাহে যেন কমি আহিছে। যি নহওক, ২০২৩ বৰ্ষত কিন্তু অসমীয়া চলচ্চিত্ৰপ্ৰেমীয়ে কেইখনমান বাছা বাছা চলচ্চিত্ৰৰ সোৱাদ পালে। যেনে—মঞ্জুল বৰুৱাৰ 'অনুৰ', মনজিৎ শৰ্মাৰ 'ৰাজনীতি—প্ৰথম ভাগ', নিপন গোস্বামীৰ 'ড° বেজবৰুৱা-২' আৰু ৰবি শৰ্মাৰ 'শ্ৰীৰঘুপতি'।

মনজিৎ শৰ্মাৰ 'ৰাজনীতি-প্ৰথম ভাগ'ৰ সংগীত পৰিচালনা জুবিন গাৰ্গৰ। এই চলচ্চিত্ৰত তপন কুমাৰ দাস, বৰষা ৰাণী বিষয়াৰ অভিনয় অনৱদ্য।

মঞ্জুল বৰুৱাৰ 'অনুৰ'—আইজ অন দ্য ছানছাইন' এখন অতি উচ্চ মানসম্পন্ন অসমীয়া চলচ্চিত্ৰ। ৰজত

কাপুৰ, বলোৰাম দাস, উদয়ন দুৱৰা, জাহানাৰা বেগমৰ দুৰ্দান্ত অভিনয়। মঞ্জুল বৰুৱাৰ 'কানীন' আৰু 'অন্তৰীপ'ৰ দৰেই 'অনুৰো' এখন অতি পৰিপক্ক চলচ্চিত্ৰ। চলচ্চিত্ৰখনৰ কম্প'জিছ্ন, ছাউণ্ড ডিজাইনিং, কেমেৰাৰ স্থান আৰু টেকনিকেল কাম উৎকৃষ্ট। সুস্থ মানসিকতাৰ চলচ্চিত্ৰৰ প্ৰতি মানুহৰ আগ্ৰহ গঢ়ি তোলাৰ ক্ষেত্ৰত মঞ্জুল বৰুৱাৰ অৰিহণা বহুত।

'ড° বেজবৰুৱা' বিখ্যাত অভিনেতা নিপন গোস্বামীৰ শেষৰখন বোলছবি। যদিও এই চলচ্চিত্ৰখনক লৈ বিতৰ্কৰ ওৰ পৰা নাই। সেয়ে এই লেখনীত এই বিষয়ে ইয়াতে সামৰিলোঁ। কিন্তু এই ছবিখনত ড° আদিল হুছেইনৰ অভিনয় কাৰো লগত তুলনা নহয়।

শেহতীয়াকৈ মুক্তি পোৱা ৰবি শৰ্মাৰ 'শ্ৰীৰঘুপতি' এক অতি ৰোমাঞ্চকৰ চলচ্চিত্ৰ। ভাল 'এক্সন', দৰ্শকক মুহিব পৰা অভিনয়, সুন্দৰ কাহিনী আৰু বাৰে বাৰে হাত চাপৰি বজাব পৰা এখন চলচ্চিত্ৰ। 'শ্ৰীৰঘুপতি'ৰ দৰে চলচ্চিত্ৰই অসমীয়া চলচ্চিত্ৰ জগতক এক অন্য মাত্ৰা প্ৰদান কৰিব।

এইখিনিতে বিখ্যাত ঔপন্যাসিক ড° মৃণাল কলিতাৰ উপন্যাস 'বকুল ফুলৰ দৰে'ৰ আধাৰত নিৰ্মিত সঞ্জীৱ হাজৰিকাৰ চলচ্চিত্ৰখনৰ কথা উল্লেখ নকৰিলে লেখনীটো আধৰুৱা হৈ ৰ'ব। যদিও বৰ্তমানে এই চলচ্চিত্ৰখন ছবিঘৰলৈ অহা নাই। কিন্তু জানিব পৰা মতে এই চলচ্চিত্ৰখনে ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত কেইবাটাও সন্মান বুটলিবলৈ সক্ষম হৈছে। 'মস্কো আন্তঃৰাষ্ট্ৰীয় শিশু চলচ্চিত্ৰ মহোৎসৱ'ত এই চলচ্চিত্ৰখন প্ৰদৰ্শন কৰাৰ সুযোগ লাভ কৰিছে। লগতে 'জয়পুৰ আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ'ত চাৰিটাকৈ পুৰস্কাৰ পাবলৈ সক্ষম হৈছে। এই চলচ্চিত্ৰখনৰ সংগীত পৰিচালনা অন্তৰীপ হাজৰিকাৰ। 'বকুল ফুলৰ দৰে' চলচ্চিত্ৰ অসমবাসীৰ বাবে এক উপহাৰ। আশা কৰোঁ এই চলচ্চিত্ৰখন শীঘ্ৰেই ছবিঘৰত দেখা পাম। এনে চলচ্চিত্ৰই অসমীয়া বোলছবি জগতক এখোজ এখোজকৈ আগুৱাই নিব। অনাগত দিনবোৰত অসমীয়া চলচ্চিত্ৰ জগতখন আৰু অধিক সমৃদ্ধিশালী হ'ব বুলি আমি বিশ্বাসী।

**উৎস :**

অসমীয়া চলচ্চিত্ৰৰ ছাঁ-পোহৰ : অপূৰ্ব শৰ্মা।
অসমীয়া বোলছবিৰ ইতিহাস : নিৰোদ চৌধুৰী। ♦



**মহাৰ্ণৱ নাথ**, প্ৰাক্-প্ৰাথমিক শ্ৰেণী



**জাগ্ৰৱ বৰপূজাৰী**, প্ৰাক্-প্ৰাথমিক শ্ৰেণী

# এজি গাৰ্দিনাৰ

■ নিশা দেৱী
শিক্ষয়িত্ৰী, ইংৰাজী বিভাগ



১৮৬৫ চনৰ ২ জুনত জন্মগ্ৰহণ কৰা এজি গাৰ্দিনাৰৰ সম্পূৰ্ণ নামটো হ'ল এলফ্ৰেড জৰ্জ গাৰ্দিনাৰ। গাৰ্দিনাৰৰ জন্ম হৈছিল ইংলণ্ডৰ চেলম্ছফ'ৰ্ডত (Chelmsford)। তেওঁৰ পিতৃৰ নাম হেনৰী জেম্ছ গাৰ্দিনাৰ আৰু মাতৃৰ নাম চুজানা টেইলৰ। একাধাৰে সাংবাদিক, সম্পাদক আৰু লেখক এজি গাৰ্দিনাৰে ল'ৰা বয়সতে 'চেলম্ছফ'ৰ্ড ক্ৰনিকল' আৰু 'বাৰ্নমাউথ ডিৰেক্ট'ৰী' নামৰ দুখন বাতৰি কাকতত কাম কৰিছিল। ১৮৮৭ চনত তেওঁ 'নৰ্দান ডেইলি টেলিগ্ৰাফ' নামৰ সেই সময়ৰ জনপ্ৰিয় বাতৰি কাকত এখনত যোগদান কৰে। ১৮৯৯ চনত তেওঁ 'দা ব্লেক-বাৰ্ন ৱীকলী টেলিগ্ৰাফ' নামৰ সাপ্তাহিক বাতৰি কাকত এখনৰ সম্পাদক হিচাপে নিৰ্বাচিত হয়। ১৯১৫ চনৰ পৰা তেওঁ লণ্ডনৰ প্ৰখ্যাত 'দা ষ্টাৰ' নামৰ আবেলিৰ বাতৰি কাকত এখনত লিখা আৰম্ভ কৰে। 'এলফা অৱ দা প্ল' (Alpha of the plough) ছদ্মনামত তেওঁ এই বাতৰি কাকতখনত বহুতো মনোগ্ৰাহী অথচ চিন্তা উদ্ৰেককাৰী প্ৰবন্ধ প্ৰকাশ কৰে। তেওঁৰ প্ৰত্যেকটো ৰচনাই আছিল সমানে খুহুটীয়া, ছন্দোময় আৰু সুৰুচিপূৰ্ণ। জীৱনৰ সৰু অথচ সুন্দৰ সত্যবোৰ তেওঁ সহজ আৰু ভাল লগা ধৰণে ৰচনাবোৰৰ মাজেদি প্ৰকাশ কৰিছিল। তেওঁ ৰচনাবোৰৰ মাজেদি শিকাইছিল, অথচ তেওঁৰ শিকোৱা ধৰণ আছিল সহজ আৰু বন্ধুত্বসুলভ। তেওঁৰ শ্ৰেষ্ঠ গ্ৰন্থসমূহৰ কেইখনমান হ'ল—পিলাৰছ অৱ ছ'চাইটি (Pillars of Society), পেৱলছ অন দা শ্ব'ৰ (Pebbles on the Shore), মেনি ফাৰোওজ (Many Furrows) আৰু লিভ্‌ছ ইন দা উইণ্ড (Leaves in the Wind)। 'দা ভেনিটি অৱ অ'ল্ড এজ' (The Vanity of Old Age) নামৰ ৰচনাখনৰ শেষৰ কথাখিনি পঢ়িলেই অনুমান কৰিব পাৰি এজি গাৰ্দিনাৰ ৰচনাকাৰ হিচাপে কিমান অনুভৱী আৰু তীক্ষ্ণ। কথাখিনিৰ অসমীয়া অনুবাদ এনে ধৰণৰ : "প্ৰকৃতি এগৰাকী নাৰ্ছ হিচাপে সুচতুৰ। জীৱনৰ প্ৰতিটো খোজতে তেওঁ আমাক ল'লীপ'প যাচি থাকে। যেতিয়া আশা-আকাংক্ষা আৰু সফলতাৰ ল'লীপ'পবোৰ শেষ হৈ যায়, তেওঁ আদৰেৰে আমাৰ দাঁতবিহীন মুখখনত স্মৃতিৰ ল'লীপ'পটো সুমুৱাই দিয়ে আৰু সেই ভাল লগা, মিঠা আমেজটো চুপি চুপি আমি এসময়ত টোপনিত ঢলি পৰোঁ।" কেৱল এজি গাৰ্দিনাৰৰ দৰে অনুভৱী লেখকেহে বাৰ্ধক্যৰ ওপৰত লিখা প্ৰবন্ধটিত মৃত্যুক এটি কবিতাৰ দৰে বৰ্ণনা কৰিব পাৰে। ১৯৪৬ চনৰ ৩ মাৰ্চত, ৮০ বছৰ বয়সত এজি গাৰ্দিনাৰৰ ইংলণ্ডৰ বাকিংহামত (Buckingham) মৃত্যু হয়। এজি গাৰ্দিনাৰৰ পত্নীৰ নাম এদা ফ্লেয়দন।

বিশ্বৰ সৰ্বশ্ৰেষ্ঠ প্ৰবন্ধকাৰবোৰৰ এজন এজি গাৰ্দিনাৰৰ লিখনিবোৰৰ বিষয় আছিল দৈনিক জীৱনৰ সৰু সৰু কথাবোৰ। তেওঁৰ ৰচনাবোৰত প্ৰতিবিম্বিত হৈছিল তেওঁৰ অনন্য ব্যক্তিত্ব। সুৰুচিপূৰ্ণ আচৰণ আৰু শুদ্ধ জীৱনশৈলীয়ে কেনেকৈ জীৱনটো মসৃণ আৰু আনন্দময় কৰি ৰাখিব পাৰে এই বিষয়ত তেওঁ বিতংকৈ আৰু সৰলভাৱে নিজৰ প্ৰখ্যাত প্ৰবন্ধ 'অন চেয়িং প্লীজ'ত লিখি গৈছে। তেওঁ এই ৰচনাখনতেই 'প্লীজ' আৰু 'ধন্যবাদ'ক দুটা সৰু অথচ মূল্যবান মুদ্ৰাৰ লগত তুলনা কৰি কৈছে যে এই দুটি মুদ্ৰাই জীৱৰ অহা-যোৱা

বাটবোৰ সহজ আৰু সুন্দৰ কৰি ৰাখে। 'উইণ্ডফল' (Windfall) ৰচনা সংকলনত প্ৰকাশিত তেওঁৰ আন এখন ৰচনা 'অন হেবিট্‌ছ'ত (On habits) তেওঁ সূক্ষ্ম অধ্যয়ন এটি আগ বঢ়াইছে মানুহৰ ৰুটিন, স্বাধীনতা, চিন্তা, পৰিৱৰ্তন, ঈৰ্ষা আৰু নিয়ন্ত্ৰণৰ ওপৰত। তেওঁ সৰলভাৱে ব্যাখ্যা কৰিছে কেনেকৈ এই কথাবোৰেই একো একোটি অভ্যাসত পৰিণত হৈ এজন মানুহৰ উন্নতি বা পতনৰ কাৰণ হৈ পৰে। আন এটি বহুপঠিত ৰচনা 'অন লেটাৰ ৰাইটিঙ'ত (On Letter Writing) তেওঁ উল্লেখ কৰিছে টেলিফোন আৰু টেলিগ্ৰাফৰ উদ্ভাৱনে চিঠি লিখা অভ্যাসটোক এটি 'পাহৰি যোৱা কলা'ত (Forgoten art) পৰিণত কৰা বুলি। তেওঁ লিখিছে চিঠি লিখা সময়ত সদায় পত্ৰলেখকজনে সৰু সৰু কথাবোৰ বিতংকৈ লিখাত গুৰুত্ব দিব লাগে; ডাঙৰ খবৰবোৰতকৈ সৰু সৰু কথাবোৰেহে চিঠি এখনক মনোগ্ৰাহী কৰি তোলে। ঠিক তেনেদৰেই তেওঁৰ আন এটি বিখ্যাত ৰচনা 'অন দা ৰুল অৱ দা ৰোড'ত (On the rule of the road) তেওঁ চিধাকৈ এই কথা প্ৰকাশ কৰিছে যে ব্যক্তি স্বাধীনতাতকৈ সামাজিক চেতনা ঊৰ্দ্ধত; এজন মানুহৰ স্বাধীনতাই যাতে সামাজিক নীতি-নিয়মৰ ক্ৰমত বেমেজালি নঘটায়, সেই বিষয়ে প্ৰত্যেকজন মানুহেই সাৱধান হৈ থাকিব লাগে। এয়া প্ৰত্যেকজন সামাজিক মানুহৰেই কৰ্তব্য।

পাঠকৰ অতিকৈ প্ৰিয় এজি গাৰ্দিনাৰৰ ৰচনাসমূহ, জীৱনৰ প্ৰতিটো খোজতেই ই আমাক সহায় কৰিব পৰা জ্ঞানৰ ভাণ্ডাৰ। এজি গাৰ্দিনাৰৰ অসামান্য প্ৰতিভা আৰু চিন্তাই সৃষ্টি কৰি থৈ যোৱা তেওঁৰ ৰচনাসমূহ যুগজয়ী। ♦

# পহুগড়ৰ ইতিবৃত্তৰে...

■ সোণালী গগৈ
শিক্ষয়িত্ৰী, সমাজ বিজ্ঞান বিভাগ

মৰমৰ

কুঁহি আৰু ইতি,

মৰমবোৰ সদায়েই আছে আৰু থাকিব। আশা কৰোঁ সিদিনা ভালে ভালেই গৈ পালা। বহুদিন তোমালোকলৈ চিঠি লিখা নাই। তোমালোকক চিঠি লিখিবলৈ ক'লে ম'বাইলত মেছেজহে লিখা হৈছো। চিঠি এখনত মানুহৰ মনৰ ভাব প্ৰকাশ কৰাকে নুবুজায়, দুজন মানুহৰ মাজত থকা আত্মিক সম্পৰ্কক অধিক সুদৃঢ় কৰে। চোৱাচোন, মই তোমালোকলৈ মোৰ নিজৰ হাতৰ আখৰকেইটাৰে কিবা এটা লিখি পঠাইছোঁ। ইয়াৰ পৰা তোমালোকে মোৰ মনৰ বাতৰি পোৱাৰ লগতে মোৰ আখৰকেইটা দেখিলে মোক কাষত পোৱাৰ দৰে লাগিব। হয় নে নহয় বাৰু! কিন্তু ম'বাইলৰ স্ক্ৰীনত টাইপ কৰা আখৰকেইটাত মোৰ আত্মিক সম্পৰ্কটো কিছু পৰিমাণে যন্ত্ৰবৎ হৈ পৰে।

যি কি নহওক, সিদিনা মাহীয়ে মোলৈ জেৰেঙা পথাৰ আৰু পহুগড়ৰ (য'ত আমি সৰুৰে পৰা ডাঙৰ হৈছিলোঁ) কেইখনমান ফটো পঠাইছিল। তাকে দেখি মনত পৰিল, তোমালোকে যে মোৰ লগত মামা পুথাহঁতৰ ঘৰলৈ গ'লে ৰাস্তাৰ কাষৰ পথাৰৰ মাজত সেইটো পুখুৰীৰ নাম কি বুলি সোধা? কাষেদি বৈ যোৱা নদীখন কি নদী বুলি সোধা প্ৰশ্নবোৰৰ উত্তৰবোৰত মই হয়তো তেতিয়া কিবা এটা নাম কৈছিলোঁ। যিটো উত্তৰ শুনি তোমালোকৰ কেপ-কেপাই যোৱা মুখবোৰ বন্ধ কৰি থৈছিলা। প্ৰকৃততে তেতিয়া তোমালোকৰ সহস্ৰ প্ৰশ্নৰ হাত সাৰিবলৈকে তেনে কিছুমান দায়সৰা উত্তৰ

দিছিলোঁ। আজি তাৰ বিষয়ে কিছু কথা জনাম বুলি ভাবিয়েই এই চিঠিৰ অৱতাৰণা। তোমালোকেতো জানাই মই ঘৰত থাকিলে কিমান low Active হৈ যাওঁ। সেয়ে ইমান দীঘলীয়া কথা ম'বাইলত লিখাটো মোৰ পক্ষে সম্ভৱ নহয় দেই ! এতিয়া শুনা, সেই পুখুৰীসদৃশ ঠাইখনৰ নাম পহুগড়। আহোমসকলৰ ৰাজত্বৰ সময়ৰ একপ্ৰকাৰ চিৰিয়াখানা বুলিও ক'ব পাৰি।

ঐতিহাসিক আহোমসকলৰ ৰাজত্বৰ সময়। বিভিন্ন যুদ্ধ-বিগ্ৰহৰ বাবে আহোম ৰাজত্বকাল যিদৰে ইতিহাসসমৃদ্ধ ঠিক তেনেদৰে সামাজিক কাম-কাজৰ বাবেও ইতিহাসসমৃদ্ধ। ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক সকলো দিশতে আহোমসকলৰ ৰাজত্বকালটোৱে এক গৌৰৱোজ্জ্বল স্বাক্ষৰ বহন কৰি আহিছে।

আহোমসকলৰ সাংস্কৃতিক পৰম্পৰা আছিল অতি উন্নতমানৰ। ধৰ্ম, খাদ্য, বাসস্থান, সাজ-পাৰ, উৎসৱ-পাৰ্বণ, ৰীতি-নীতি আদিয়ে এতিয়াও তেওঁলোকক অইনৰ পৰা পৃথক কৰি ৰাখিছে। বিভিন্ন আহোম ৰজাৰ শাসনকালত সাংস্কৃতিক কাৰ্য্যকলাপে যথেষ্ট সমাদৰ লাভ কৰা দেখা যায়। তেনে এজন উল্লেখযোগ্য ৰজা আছিল স্বৰ্গদেউ ৰুদ্ৰসিংহ। তেওঁৰ ৰাজত্বকাল কেৱল যুদ্ধ-বিগ্ৰহ বা স্থাপত্য-ভাস্কৰ্য্যৰ বাবেই নহয়, খেল-ধেমালি, উৎসৱ-পাৰ্বণ আদি উদ্‌যাপনৰ বাবেও বিখ্যাত।

ৰুদ্ৰসিংহৰ ৰাজত্বকালতেই পোনপ্ৰথমবাৰৰ বাবে ৰাজহুৱা প্ৰেক্ষাগৃহ সজোৱা হৈছিল। ৰং-ৰহইচ, নাচ-গান, খেল-ধেমালি উপভোগ কৰিব পৰা এই প্ৰেক্ষাগৃহটো 'ৰংঘৰ' নামেৰে সজোৱা হৈছিল। প্ৰথমতে কাঠ-বাঁহেৰে উন্নত কাৰুকাৰ্য্যখচিত কৰি সজা ৰংঘৰটো পৰৱৰ্তী আহোম ৰজা প্ৰমত্তসিংহই পকীকৰণ কৰি বৰ্তমানৰ ৰূপ দিছিল। সেই ৰংঘৰৰ পৰা উপভোগ কৰিব পৰা কেইবিধমান খেল-ধেমালি হ'ল—অস্ত্ৰ-শস্ত্ৰ চালনা, চৰাই যুঁজ, হাতী যুঁজ, ম'হ যুঁজ, বিহু, নৃত্য-গীত, বাদ্য-বাদন, হাতীৰ দৌৰ আদি উল্লেখযোগ্য। তাৰ ভিতৰত ম'হ যুঁজ, হাতীৰ দৌৰ, বুলবুলি চৰাইৰ যুঁজ, কুকুৰা যুঁজ আজিও অসমৰ বিভিন্ন ঠাইত প্ৰচলন হৈ আছে। অৱশ্যে বন্যপ্ৰাণী সুৰক্ষা সমিতিসমূহ তথা পশুপ্ৰেমীসকলে এইবিলাক মানুহৰ আসুৰিক মনৰ তৃপ্তিৰ উপাদানহে বুলি যুক্তি দৰ্শাই এইবিলাক বন্ধ কৰাৰ বাবে চৰকাৰীভাৱে জাননী জাৰি কৰিছে। তথাপিও পৰম্পৰা ৰক্ষাৰ নামত ঠায়ে ঠায়ে এই প্ৰতিযোগিতা বা প্ৰদৰ্শন হৈয়ে আছে।

স্বৰ্গদেউ ৰুদ্ৰসিংহৰ ৰাজত্বকালত তেনে এক উল্লেখযোগ্য খেল আছিল—শেন-কণুৱাৰ যুঁজ। ৰজাৰ অধীনৰ এক শ্ৰেণীবিশেষ বিষয়া বা পাইকে এই শেন আৰু কণুৱা চৰাই ধৰি আনি আগতীয়াকৈ প্ৰশিক্ষণ দিয়ে। কিছুমান পাইকে ধৰি অনা কণুৱা চৰাই জেৰেঙা পথাৰৰ খাৰৈত বা ছঅঁৰা পুখুৰীত মাছ খাবলৈ এৰি দিয়ে। এনেদৰে মাছ খাবলৈ আৰু বহুতো কণুৱা চৰাই তালৈ আহে। যেতিয়া চৰাইৰ সংখ্যা বৃদ্ধি হয় আৰু যুঁজৰ সময় হয় তেতিয়া কণুৱা চৰাইবোৰক ভয় খুৱাই উৰুৱাই পঠিয়ায়। আনহাতে শেন চৰাইৰ প্ৰশিক্ষক শেনচোৱা বৰুৱাই শেন চৰাইবিলাকো একে সময়তে উৰুৱাই দিয়ে। শেনে কণুৱা মাৰিলে যুঁজত জিকা বুলি জিকা চৰাইটোৰ গিৰিহঁতক বঁটা-বাহনেৰে পুৰস্কৃত কৰে। আনহাতে শেনে কণুৱা মাৰিব নোৱাৰিলে হৰা চৰাইৰ গিৰিহঁতক দণ্ড বিহে।

প্ৰায় প্ৰতিজন ৰজাই মৃগয়া বা চিকাৰ কৰাটো তেওঁলোকৰ একপ্ৰকাৰ বিলাসিতা, অৰ্থাৎ প্ৰতিজন ৰজাই মৃগয়া বা চিকাৰ কৰিবলৈ যোৱাটো তেওঁলোকৰ আমোদ-প্ৰমোদৰ উৎস বুলি ধৰি লৈছিল। আহোম ৰজাইও নগৰত থাকোঁতে চিকাৰ কৰিবলৈ এই জেৰেঙা পথাৰৰ খাৰৈসমূহলৈ গৈছিল। তালৈ বিভিন্ন ধৰণৰ পহু আৰু চৰাই খাদ্যৰ সন্ধানত আহিছিল। পৰৱৰ্তী সময়ত আহোম ৰজাই সেই ঠাইত গড় সাজি পুখুৰী খন্দাই দিয়াইছিল। সেই গড়ৰ ভিতৰত আকৌ অন্য ঠাইত জাল পাতি পহু ধৰি আনি ৰাখিছিল। লগতে পুখুৰীসদৃশ খাৰৈবোৰত মাছ পুহিছিল। কণুৱা চৰাইক সেই মাছকে খাবলৈ এৰি দিছিল। এনে ধৰণৰ পুখুৰীৰ সংখ্যা ছঅঁৰা আছিল। (এক অঁৰা মানে চাৰি।)

পুখুৰীবোৰ খাৰৈৰ দৰে দীঘলীয়া আছিল। দীঘলীয়া জলৰাশিৰ মাজে মাজে মাটিৰ ওখ ঢিপ আছিল। সেই ঢিপবিলাকত গছ-গছনি ৰুই দিয়াইছিল। তাৰ মাজে মাজে কেৱল পহুৰেই নহয়, আন জীৱ-জন্তুৰো বাসস্থান আছিল। এই ছঅঁৰা জলৰাশিৰ চাৰিওফালে ওখকৈ মাটিৰ ঢিপ সাজি গড় মৰাই দিছিল যাতে জীৱ-জন্তুবোৰ গড়ৰ বাহিৰলৈ ওলাই যাব নোৱাৰে। গতিকে ক'ব পাৰা যে, এই ব্যৱস্থা বৰ্তমানৰ প্ৰাকৃতিক চিৰিয়াখানাসদৃশ আছিল। এই ঠাই কেৱল আমোদ-প্ৰমোদৰ থলীয়ে নাছিল, ই ভোগৰো উৎস আছিল। পুখুৰীসদৃশ জলাশয়বোৰ মাছ-কাছ আৰু অন্যান্য জলজ সম্পদেৰে ভৰপূৰ আছিল। বৰ্তমানো এই পহুগড়ৰ অৱস্থিতি দেখা যায়। এতিয়াও ইয়াৰ জলাশয়বোৰত চৰকাৰী মীন বিভাগে মাছ পালন কৰি স্থানীয় ৰাইজৰ মাছৰ চাহিদা পূৰণ কৰাৰ লগতে ৰাজহ সংগ্ৰহ কৰি আহিছে।

আহোম যুগৰ বৰআলিৰ পৰা দক্ষিণলৈ ফাটি যোৱা মানকটা বা মানুহকটা আলিয়েদি সোমাই এক-ডেৰ কিল'মিটাৰমান গ'লেই বাঁওহাতে এই বিখ্যাত ঠাইডোখৰ পোৱা যায় (মানকটা বা মানুহকটা আলিৰ বিষয়ে তোমালোকক আগতে জনাইছোঁ)। এই পহুগড়ৰ অৱস্থিতি আজিও দেখিবলৈ পোৱা যায়। কিন্তু কথাতে কয় নহয় সেই ৰামো নাই, সেই অযোধ্যাও নাই। আহোম যুগৰ চিৰি-চেহেৰা এতিয়া পহুগড়ত তোমালোকে বিচাৰি নাপাবা। একালৰ বৃন্দাবন, একালত পৰে ছনৰ দৰে পহুগড়ৰ এতিয়া মাংসবিহীন কংকালৰ অৱশিষ্টহে আছেগৈ। এই পহুগড়ৰ বিভিন্ন কাৰ্য্যৰ লগত জড়িত সেই সময়ৰ বিভিন্ন খেলৰ লোকসকলৰ বাসস্থানো ইয়াৰ ওচৰে-পাঁজৰে দেখা যায়। যেনে—ৰজাৰ আহাৰ ৰন্ধাৰ বাবে থকা চাংমাইসকলৰ (ৰান্ধনি) বাসস্থান চাংমাই গাঁও, চৰাই চোৰা-চিতা কৰাৰ বাবে থকা লোকসকলৰ বাসস্থান চৰাইমূৰীয়া গাঁও, শেন চৰাইবোৰক প্ৰশিক্ষণ দিয়া শেনচোৰাসকলৰ বাসস্থান শেনচোৰা গাঁও, ঘোঁৰাশাল পৰিচালনা কৰা লোকসকলৰ বাসস্থান, ঘোঁৰাচোৰা গাঁও তেনেকৈ ৰজাৰ বাবে জলপান প্ৰস্তুতকৰ্তা চিৰাখুন্দা গাঁও, ৰজাৰ দোলাভাৰীসকল থকা দোলা-কাষৰীয়া গাঁও, গড়ৰ কাষত থকা বাবে গড়কাষৰীয়া গাঁও আজিও বিদ্যমান। তোমালোকে জানানে, ৰংপুৰৰ বৰ্তমানৰ শিৱসাগৰৰ প্ৰতিটো ধূলিকণাই আহোম ৰাজত্বৰ স্বাক্ষৰ বহন কৰি আহিছে।

বাৰু, সময়ে বাগৰ সলায়। সৃষ্টিৰ বিপৰীতে ধ্বংস স্বাভাৱিক। ই প্ৰকৃতিৰ নিয়ম। কিন্তু এই চিৰাচৰিত আপ্তবাক্যশাৰীৰ আলম লৈয়ে মানুহে যেতিয়া ঐতিহ্য ধ্বংস কৰে, তেতিয়া ই অক্ষমণীয় অপৰাধ হয়। আধুনিকতাৰ নামত পুৰণি ঐতিহ্য ধ্বংস কৰাটো এটা জাতিৰ উন্নতিৰ পৰিচয় নহয়। বৰঞ্চ নৱপ্ৰজন্মৰ বাবে ইয়াক সংৰক্ষণ কৰাটো অতিশয় গুৰুত্বপূৰ্ণ।

বাৰু আজিলৈ ইমানখিনিয়ে তোমালোকক জনালোঁ। সৰুতে বুৰঞ্জীমূলক সাধু শুনি ভাল পোৱা তোমালোকে কথাখিনি জানি নিশ্চয় সেই উপলব্ধি পুনৰ কৰিবা বুলি আশা কৰিলোঁ। আকৌ যদি সময় পাওঁ তেন্তে এইবাৰ ঠাইবোৰৰ নামৰ ইতিবৃত্ত বা ইতিহাসৰ বিষয়ে জনাম বাৰু। দেউতা আৰু মই ভালেই আছোঁ। দুয়ো সময় মতে স্বাস্থ্য পৰীক্ষা কৰাই ঔষধ খাই আছোঁ। তোমালোক ভালে থাকা। ঈশ্বৰে কুশলে ৰাখক। পুনৰ মৰমেৰে। ইতি—

তোমালোকৰ 'মা'

বি.দ্ৰ. : কথাখিনি জানি কেনে পালা জনাই মেছেজ এটাকে দিবা দেই। হাঃ হাঃ হাঃ। ♦

# বিদ্যালয়ত যোগ শিক্ষাৰ গুৰুত্ব

■ অপৰ্ণা দেৱী
শিক্ষয়িত্ৰী, সমাজ বিজ্ঞান বিভাগ

বিভিন্ন বিদ্যা, বিভিন্ন শিক্ষাৰ আলয় হৈছে বিদ্যালয়। school (স্কুল) হৈছে বিদ্যালয় শব্দৰ ইংৰাজী প্ৰতিশব্দ। স্কুল (school) শব্দটোৰ প্ৰত্যেকটো বৰ্ণই একো একোটা অৰ্থ বহন কৰে। স্কুল শব্দটোৰ সম্পূৰ্ণ ৰূপ হ'ল—Student Come here Obtain Objective of life।

বিদ্যালয় হৈছে এনে এটা অনুষ্ঠান য'ত শিক্ষক-শিক্ষয়িত্ৰীৰ উপস্থিতিত ছাত্ৰ-ছাত্ৰীয়ে এক শৈক্ষিক পৰিবেশ লাভ কৰে। বিশ্বৰ প্ৰায় প্ৰত্যেক দেশতে স্কুলীয়া শিক্ষা বাধ্যতামূলক হিচাপে বিবেচনা কৰা হয়। ছাত্ৰ-ছাত্ৰীসকলে এক নিৰ্দিষ্ট সময়লৈকে স্কুলীয়া শিক্ষা গ্ৰহণ কৰাৰ সুবিধা লাভ কৰে। সেই নিৰ্দিষ্ট সময়ৰ ভিতৰত ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয়ৰ পৰা বিভিন্ন শিক্ষা লাভ কৰে। বিদ্যালয়ৰ শিক্ষা ব্যৱস্থাত যোগ শিক্ষাৰ অন্তৰ্ভুক্তিয়ে ছাত্ৰ-ছাত্ৰীসকলক নিশ্চিতভাৱে উপকৃত কৰিব। কাৰণ সমগ্ৰ মানৱ জাতিৰ বাবে যোগ শিক্ষা স্বাস্থ্যৰক্ষাৰ এক অন্যতম উপায় হিচাপে ইতিমধ্যে স্বীকৃতি লাভ কৰিছে। যোগ শিক্ষা হৈছে এনে এক শিক্ষা, যি শিক্ষাৰ জৰিয়তে শাৰীৰিক আৰু মানসিকভাৱে সুস্থ হৈ থকা সম্ভৱ হয়।

বৰ্তমান সময়ত বিদ্যালয়সমূহত যোগ শিক্ষাৰ প্ৰচলন হোৱাটো বাঞ্ছনীয়। ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক, মানসিক আৰু আবেগিক দিশৰ উৎকৰ্ষ সাধনৰ একমাত্ৰ উপায় হৈছে যোগাভ্যাস। প্ৰাচীন ভাৰততে যোগ শিক্ষাৰ আৰম্ভণি হৈছিল যদিও এতিয়া বিশ্বৰ বিভিন্ন দেশৰ বিভিন্ন কোণলৈ ই প্ৰসাৰিত হৈছে। আসন, প্ৰাণায়াম আৰু ধ্যানৰ জৰিয়তে বিদ্যালয়সমূহত যোগ শিক্ষাৰ প্ৰচলন কৰিব পাৰি। শিক্ষানুষ্ঠানত যোগাসনে বা যোগৰ অনুশীলনে ছাত্ৰ-ছাত্ৰীসকলক নতুন জীৱন দান কৰিব পাৰিব বুলি আশা কৰিব পাৰি। বিদ্যালয়ত যোগৰ অভ্যাসে ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক স্বাস্থ্যৰ উন্নতি কৰাৰ লগতে মানসিক আৰু আবেগিক স্বাস্থ্যৰো উন্নতি সাধন কৰাৰ পথ প্ৰশস্ত কৰিব। বিদ্যালয়ত যোগ শিক্ষা ব্যৱস্থাৰ প্ৰচলনে ছাত্ৰ-ছাত্ৰীৰ সামগ্ৰিক উৎকৰ্ষ সাধনৰ ক্ষেত্ৰত এক অভূতপূৰ্ব প্ৰভাৱ বিস্তাৰ কৰাৰ সম্ভাৱনা আছে। বিদ্যালয়ৰ নিৰ্দিষ্ট পাঠ্যক্ৰমত বাধ্যতামূলকভাৱে যোগ শিক্ষা অন্তৰ্ভুক্ত কৰিলে তলত উল্লেখ কৰা ধৰণে সুফল পোৱা যাব।

**[illegible]** (Physical fitness)

ছাত্ৰ-ছাত্ৰীসকলক শাৰীৰিকভাৱে সুস্থ ৰখাৰ ক্ষেত্ৰত যোগ শিক্ষা এক অন্যতম উপায়। যোগ শিক্ষাই ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সৎ স্বভাৱ, সু-অভ্যাস গঢ়ি তোলাত সহায়ক হ'ব। সেই সৎ স্বভাৱ আৰু সু-অভ্যাসবোৰে পৰৱৰ্তী সময়ত ছাত্ৰ-ছাত্ৰীসকলৰ কল্যাণ সাধন কৰিব। যোগ শিক্ষাত কিছুমান আসন অনুশীলন কৰোৱা হয়। সেই আসনসমূহে ছাত্ৰ-ছাত্ৰীৰ শৰীৰৰ শিথিলতা, জড়তা দূৰ কৰাৰ লগতে শাৰীৰিক শক্তিও বৃদ্ধি কৰিব পাৰে। যোগে শৰীৰ সুন্দৰ-সুঠাম আৰু সুগঢ়ি কৰি গঢ়ি তোলে। সূক্ষ্ম মাংসপেশীৰ সঞ্চালনে মাংসপেশীৰ দুৰ্বলতা হ্ৰাস কৰে। দেহৰ অংগৰ সঞ্চালনে শৰীৰত ঠিকমতে তেজ চলাচল কৰাত সহায় কৰে।

**উদ্বেগ দূৰীকৰণ** (Stress Reduction)

বৰ্তমানৰ আধুনিক শিক্ষা ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীৰ মাজত উদ্বেগ, চাপ আদিৰ হাৰ ক্ৰমান্বয়ে বৃদ্ধি কৰিছে। যোগ শিক্ষাত প্ৰাণায়াম কৰিবলৈ শিকোৱা হয়। প্ৰাণায়ামৰ জৰিয়তে উশাহ-নিশাহ প্ৰণালীবদ্ধভাৱে নিয়ন্ত্ৰণ কৰা হয়। দীঘলকৈ উশাহ লৈ, একধৰণে নিশাহত সেই বায়ু নিৰ্গত কৰাৰ লগে লগে শৰীৰত এক প্ৰতিক্ৰিয়া অনুভৱ হয়। ঠিক সেইদৰে ধ্যান বা মেডিটেছনৰ জৰিয়তে মনটোক শান্ত কৰাৰ চেষ্টা কৰিব

পাৰি। অধ্যয়নত মনোনিবেশ কৰোৱাৰ বাবে ধ্যান এক উত্তম উপায়।

**মূল্যবোধৰ কৰ্ষণ** (Cultivation values)

যোগ শিক্ষাৰ সৈতে সন্মান, সহযোগিতা, সহায় আদি উপাদানবোৰ জড়িত হৈ থাকে। যোগ শিক্ষাৰ ক্ষেত্ৰত ইজনৰ সৈতে আনজনৰ পৰস্পৰ সহায়, আস্থা আৰু বিশ্বাসৰো প্ৰয়োজন হয় আৰু সেই উপাদানবোৰৰ আলমতে গঢ়ি উঠে মানৱীয় মূল্যবোধ। বিদ্যালয়সমূহে যোগ শিক্ষাৰ মাধ্যমত এক ইতিবাচক, ধনাত্মক পৰিবেশ গঢ়ি তুলিব পাৰে। সেই পৰিবেশত ছাত্ৰ-ছাত্ৰীয়ে শৈক্ষিক ক্ষেত্ৰত উৎকৰ্ষ সাধন কৰাৰ লগতে নৈতিক দিশটো উৎকৰ্ষ সাধন কৰিব পাৰিব।

**মানসিক সুস্থতা আৰু লক্ষ্য নিৰ্ধাৰণ** (Mental Clarity)

যোগ শিক্ষাই ছাত্ৰ-ছাত্ৰীৰ মানসিক স্বাস্থ্য সুস্থ কৰি ৰখাত সহায় কৰে। যোগ শিক্ষাই ছাত্ৰ-ছাত্ৰীক বৰ্তমানৰ লগত সহ-অৱস্থান কৰিবলৈ শিকায়। তেওঁলোকে ভৱিষ্যতৰ দিনবোৰৰ কথা কল্পনা কৰি ভীতিগ্ৰস্ত যাতে নহয়, তাৰ বাবে মনটো সজাগ আৰু সচেতন কৰিবলৈ আমাৰ শিক্ষা ব্যৱস্থা অপাৰগ। সেইবাবে ছাত্ৰ-ছাত্ৰীসকলক যোগ শিক্ষাৰ নিচিনা শিক্ষাৰ জৰিয়তে সক্ৰিয় কৰি ৰাখিব লাগিব। ছাত্ৰ-ছাত্ৰীৰ অধ্যয়নৰ প্ৰতি আকৰ্ষণ বঢ়াবলৈও যোগ শিক্ষাৰ প্ৰয়োজন।

**আবেগিক উৎকৰ্ষতা** (Emotional Well-being)

যোগ শিক্ষাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ অনাৱশ্যকীয় আবেগ নিয়ন্ত্ৰণ কৰাৰ চেষ্টা কৰিব পাৰি। স্ব-গ্ৰহণযোগ্যতা, আত্মসচেতনতাৰ শিক্ষাক উৎসাহিত কৰি ছাত্ৰ-ছাত্ৰীক সামগ্ৰিকভাৱে আগ বঢ়াই লৈ যাব পাৰি। ধ্যান, প্ৰাণায়াম আদিৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ এটা সময়ত গভীৰ আত্মউপলব্ধি হয়। সেই অভিজ্ঞতাই ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সুসম্পৰ্ক গঢ়ি উঠাত সহায়ক হয়। ছাত্ৰ-ছাত্ৰীৰ মাজত কেতিয়াবা বিৰোধ ভাবো সৃষ্টি হ'ব পাৰে। কিন্তু সেই বিৰোধ মোকাবিলা কৰাৰ কৌশল আয়ত্ত কৰাবও পাৰি যোগ শিক্ষাৰ জৰিয়তে। তেতিয়াই বিদ্যালয়ৰ সৰ্বদিশে যোগাত্মক পৰিবেশ এটা গঢ়ি উঠিব।

এটি শিশুক সুস্বাস্থ্যৰ অধিকাৰী কৰি মানসিকভাৱে সুস্থ-সবল কৰি আগ বঢ়াই লৈ যোৱাৰ ক্ষেত্ৰত যোগ শিক্ষাৰ দৰে শিক্ষাৰ প্ৰয়োজন। শৰীৰ, মন আৰু আত্মাৰ সংযোগ সাধনাৰ জৰিয়তে কৰা সাধনাই হৈছে যোগ। যোগ এক প্ৰাচীন কলা যদিও বৰ্তমান সময়ত ইয়াৰ চাহিদা ক্ৰমবৰ্ধমান হাৰত বাঢ়ি গৈ আছে। বিদ্যালয় পৰ্য্যায়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে বিভিন্ন শাৰীৰিক ব্যায়াম, খেল-ধেমালি আছে। যোগ শিক্ষা যিহেতু এক ধৰণৰ ব্যায়ামতেই সীমাবদ্ধ নহয়, সেইবাবে এই শিক্ষাৰ জৰিয়তে অধিক সুফল পোৱা যায়। আজিকালি শিশুসকলৰ মাজত মেদবহুলতাৰ সমস্যা দেখা যায়। কিছুমান নিৰ্দিষ্ট আসনৰ জৰিয়তে সেই মেদবহুলতাৰ সমস্যা সমাধান কৰিব পৰা যায়। যোগৰ অনুশীলনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীয়ে মানসিক শান্তি অনুভৱ কৰে বুলি বিভিন্ন সমীক্ষাত প্ৰকাশ পাইছে। মানসিক শান্তিৰ প্ৰচ্ছায়াত আমাৰ ভৱিষ্যৎ প্ৰজন্মৰ শ্ৰীবৃদ্ধি হ'লে সমাজৰ সকলো শ্ৰেণীৰ লোকেই লাভবান হ'ব—ই নিশ্চিত। ♦



**সমীক্ষা হাতীমূৰীয়া**, প্ৰাক্-প্ৰাথমিক শ্ৰেণী



**ৰায়ন দাস**, প্ৰাক্-প্ৰাথমিক শ্ৰেণী

# শিল্প আৰু ভ্ৰম

■ মনোজ চক্ৰৱৰ্তী
শিক্ষক, সহ-পাঠ্যক্ৰম বিভাগ

পিকাছোৱে কৈছিল, “কলা এনে এক ভ্ৰম যিয়ে আমাক সত্যৰ কাষলৈ লৈ যায়।”

আমাৰ সকলোৰে শ্ৰদ্ধাৰ প্ৰয়াত শিল্পী নীলপৱন বৰুৱাৰ শিল্পকৰ্মসমূহ যেতিয়া প্ৰত্যক্ষ কৰোঁ, পিকাছোৱে কোৱা এই কথাষাৰ মোৰ মনলৈ আহে।

নীলপৱন বৰুৱাৰ অতি সংবেদনশীল ছবিবোৰে অহৰহ এক শৈল্পিক প্ৰক্ষেপণৰ দ্বাৰা দৰ্শকৰ মন-মগজু আলোড়িত কৰি ৰাখে।

নিঃসন্দেহে নীলপৱন বৰুৱাক অসমৰ আধুনিক চিত্ৰকলাৰ এগৰাকী পথ-প্ৰদৰ্শক বা এটা যুগ হয়তোবা এটা অনুষ্ঠান বুলি আমি ক'ব পাৰোঁ। তেওঁৰ ছবিসমূহ দেখিলে ভাব হয় কোনো পূৰ্ব পৰিকল্পনা হয়তো তেওঁৰ নাথাকে। আঁকিবলৈ যেতিয়া আৰম্ভ কৰে ফৰ্মবোৰে যেন নিজে নিজে আহি ধৰা দিয়ে তেনেকুৱাই লাগে। লোককলাৰ সৰলীকৃত ৰূপসমূহে তেওঁৰ ছবিত অন্য এক পৰ্য্যায় পাইছে। ৰং, ৰঙৰ ব্যৱহাৰ তেওঁৰ ছবিত এক কথাত অনন্য, অপূৰ্ব, অনিৰ্বচনীয়।

শিল্পৰ জগতখনত প্ৰবেশৰ প্ৰাৰম্ভিক অৱস্থাতে নীলপৱন বৰুৱাৰ কামে শিল্পৰ আনুষ্ঠানিক শিক্ষাতকৈও বহুত বেছি কিবাকিবি শিকাইছিল। সি এতিয়াও অব্যাহত।

পিকাছোৱে কোৱাৰ দৰে কলা নিজেই এক ভ্ৰম। কিন্তু কলা কেতিয়াও ভ্ৰমিত হ'ব নালাগে, ই আমাৰ অনুভৱ। ভ্ৰমিত কলাই সমাজত বিষৰ সৃষ্টি কৰে।

এক শিল্পকৰ্মলৈ পৰিবৰ্তিত হোৱাৰ আগত কাঠটুকুৰা, মাটিৰ লদাটো বা কেনভাছ এখন অন্য বস্তুবোৰৰ দৰেই অতি সাধাৰণ। এটুকুৰা কাঠ বা সাধাৰণ এটা মাটিৰ লদা, কেছভাছখন এখন অতি সাধাৰণ কাপোৰ। যেতিয়া শিল্পীগৰাকীৰ বোধ আৰু চিন্তনৰ মাজেৰে গতি কৰি এক অন্য মাত্ৰা, এক অন্ধ গতি লাভ কৰে তেতিয়াই ই হৈ পৰে আমাক সত্যৰ মুখামুখি কৰোৱা এক ভ্ৰম। সেয়ে আমাৰ কাঠৰ ভাস্কৰ্য্য এটা চালে এনেকুৱা অনুভৱ হয় যে আমি অকল সাধাৰণ কাঠৰ টুকুৰা এটাহে চাই আছোঁ। মাটিৰ মূৰ্তি এটা চালে এনেকুৱা নালাগে যে আমি প্ৰকল্প মাটিহে চাই আছোঁ।

আমি দৰ্শন কৰি আছোঁ অন্য কিবা এটা। এটা ভ্ৰমৰ মাজেৰে উপস্থাপিত সত্য। এটুকুৰা কাঠ বা এডোখৰ মাটি নহয়।

আচলতে সাধাৰণকে অসাধাৰণলৈ ৰূপান্তৰ কৰাটোৱে হ'ল কলাৰ ধৰ্ম।

শিল্প সৃষ্টিৰ আহিলাসমূহ আগত লৈ সৃষ্টিৰ আগ মুহূৰ্তত সেয়েহে ভাবোঁ—এতিয়া ই মোক ভ্ৰমিত কৰিব নে মই ইয়াক ভ্ৰমৰ মাজলৈ লৈ যাম? ♦



**নেহাশ্ৰী মেধি**, প্ৰাক্-প্ৰাথমিক শ্ৰেণী



**মৌপিয়া মূৰ্ছনা**, অংকুৰ শ্ৰেণী

# গ্ৰীণ লাইব্ৰেৰী

■ পুষ্পাঞ্জলি কোচ
সহকাৰী গ্ৰন্থাগাৰিক

পুথিভঁৰাল হৈছে এনে এটা অনুষ্ঠান য'ত বিভিন্ন বিষয়ৰ পুথি, আলোচনী, বাতৰিকাকত, অন্যান্য তথ্য আদি পঢ়ুৱৈৰ সুবিধাৰ্থে সংগ্ৰহ তথা সংৰক্ষণ কৰি সহজে উপলব্ধি কৰোৱা হয়। কাগজৰ প্ৰচলন হোৱাৰ আগতে মানুহে গ্ৰন্থৰ পৰিবৰ্তে বিভিন্ন গছৰ পাত, সাঁচিপাত, তামৰ ফলি, শিলৰ ফলি আদিত লিখি সেইসমূহ সংৰক্ষণ কৰি ৰাখিছিল। প্ৰায় সপ্তম শতিকাতে ইৰাকৰ নিনেভাত ৰজা আশ্ৰাবানিপালৰ দ্বাৰা মেচ'পটেমিয়াৰ ইতিহাস আৰু সংস্কৃতি সংৰক্ষণ কৰিবলৈ এটা পুথিভঁৰাল স্থাপন কৰা হৈছিল। এই পুথিভঁৰালটোক আশ্ৰাবানিপালৰ পুথিভঁৰাল (Library of Ashurbanipal) বুলি কোৱা হয়। ইয়েই হৈছে পৃথিৱীৰ প্ৰথমটো জ্ঞাত আৰু সুব্যৱস্থিত পুথিভঁৰাল।

সময়ে সময়ে পুথিভঁৰাল আৰু ইয়াৰ লগত জড়িত বিভিন্ন ব্যৱস্থাসমূহৰ বৃহৎ পৰিবৰ্তন ঘটিছে। বিভিন্ন সময়ত পুথিভঁৰালৰ লগত জড়িত বিভিন্ন ধাৰণাই চৰ্চা লাভ কৰি আহিছে। প্ৰায় ১৯৯০ চনৰ আগভাগত 'গ্ৰীণ লাইব্ৰেৰী'ৰ ধাৰণাই চৰ্চা লাভ কৰিছিল। বৰ্তমান সমগ্ৰ বিশ্বতে উক্ত ধাৰণাটোৰ গুৰুত্ব বাঢ়িছে। দৰাচলতে আমাৰ পৃথিৱীখনৰ পৰিবেশৰ ভাৰসাম্য ৰক্ষা কৰিবলৈ 'সেউজীয়া'ৰ ধাৰণাটোৱে প্ৰায় সকলো ক্ষেত্ৰতেই বিশেষ স্থান দখল কৰিছে। 'গ্ৰীণ লাইব্ৰেৰী'ৰ জৰিয়তে বিশ্বৰ বিভিন্ন পুথিভঁৰাল বা পুথিভঁৰাল সংস্থাসমূহেও এই ক্ষেত্ৰত নিজৰ নিজৰ অৱদান আগ বঢ়াবলৈ চেষ্টা কৰিছে।

গ্ৰীণ লাইব্ৰেৰীৰ কোনো নিৰ্দিষ্ট সংজ্ঞা নাই। পৰিবেশৰ বৰ্ধিত সমস্যাসমূহক গুৰুত্ব দি, প্ৰাকৃতিক পৰিবেশ অটুট ৰাখি আমাৰ পৃথিৱীখনক ৰক্ষা কৰাৰ লগতে ইয়াৰ প্ৰাকৃতিক সম্পদসমূহৰ সংৰক্ষণৰ বাবে আগভাগ লোৱা পুথিভঁৰালসমূহকেই গ্ৰীণ লাইব্ৰেৰী বোলা হয়।



'অনলাইন ডিক্সনাৰী ফৰ লাইব্ৰেৰী এণ্ড ইনফৰমেছন ছায়েন্স'ৰ মতে, প্ৰাকৃতিক পৰিবেশৰ ওপৰত পৰিব পৰা ঋণাত্মক প্ৰভাৱসমূহ হ্ৰাস কৰি উপযুক্ত স্থান নিৰ্বাচিত কৰি, প্ৰাকৃতিকভাৱে সহজলভ্য নিৰ্মাণ সামগ্ৰী ব্যৱহাৰ কৰি শক্তি, পানী আদি প্ৰাকৃতিক সম্পদৰ অপচয় নকৰি আৰু আৱৰ্জনা নিষ্কাসনক গুৰুত্ব দি গ্ৰীণ লাইব্ৰেৰীসমূহ নিৰ্মাণ কৰা হয়।

'গ্ৰীণ লাইব্ৰেৰী' নিৰ্মাণৰ ক্ষেত্ৰত LEED (Leadership in Energy and Environmental Design)য়ে পাঁচটা গুৰুত্বপূৰ্ণ দিশ নিৰ্ধাৰণ কৰি দিছে।

(ক) **স্থান নিৰ্ধাৰণ :** পুথিভঁৰাল নিৰ্মাণৰ বাবে স্থান নিৰ্ধাৰণ কৰাৰ সময়ত পৰিবেশৰ কোনো অনিষ্ট সাধন নোহোৱাকৈ সেউজীয়া পৰিবেশ বৰ্তাই ৰখাত গুৰুত্ব দিব লাগে।

(খ) **পানী সংৰক্ষণ :** পাৰ্য্যমানে পানীৰ অপচয় ৰোধ কৰিব লাগে। বৰষুণৰ পানী সংৰক্ষণ তথা ব্যৱহাৰৰ ব্যৱস্থা কৰিব লাগে। ব্যৱহৃত পানীৰ পুনঃচক্ৰীকৰণ কৰি বিভিন্ন কামত পুনৰ ব্যৱহাৰৰ উপযোগী কৰিব লাগে।

(গ) **শক্তিৰ অপচয় ৰোধ :** বিভিন্ন উৎসৰ পৰা পোৱা শক্তিৰ অপচয় ৰোধ কৰিব লাগে। পুনঃনবীকৰণযোগ্য শক্তিৰ উৎসৰ পৰা পোৱা সৌৰশক্তি আৰু বায়ুশক্তিক বিদ্যুৎশক্তিলৈ পৰিবৰ্তন কৰি ব্যৱহাৰ কৰিব লাগে। গ্ৰীণ লাইব্ৰেৰীসমূহত ছ'লাৰ পেনেল স্থাপন কৰি বিদ্যুৎ বা তাপশক্তি উৎপন্ন কৰাত গুৰুত্ব দিব লাগে।

(ঘ) **নিৰ্মাণ সামগ্ৰী :** মজবুত নিৰ্মাণ কাৰ্য্যৰ বাবে ব্যৱহাৰ হোৱা সামগ্ৰীৰ মান উন্নত হোৱা জৰুৰী। নিৰ্মাণ সামগ্ৰীসমূহৰ পৰা যাতে অতি কম পৰিমাণৰ আৱৰ্জনা বা পেলনীয়া সামগ্ৰী উৎপন্ন হয় সেয়া নিশ্চিত কৰা উচিত। প্ৰাকৃতিক, পুনঃব্যৱহৃত আৰু স্থানীয়ভাৱে উপলব্ধ সামগ্ৰী ব্যৱহাৰত গুৰুত্ব দিব লাগে।

(ঙ) **অন্তৰ্ভাগৰ বায়ুৰ গুণাগুণ :** পুথিভঁৰালৰ ভিতৰভাগত বিশুদ্ধ বায়ুৰ চলাচলৰ ব্যৱস্থা থাকিব লাগে। প্ৰাকৃতিক শীতলীকৰণৰ সুব্যৱস্থা কৰিব লাগে।

### IFLA (International Federation of Library Associations and Institutions)ৰ গ্ৰীণ লাইব্ৰেৰী

২০১৬ চনৰ পৰা IFLAই 'গ্ৰীণ লাইব্ৰেৰী' বৈশিষ্ট্য সম্পন্ন বিশ্বৰ বিভিন্ন পুথিভঁৰাল বা গ্ৰীণ লাইব্ৰেৰী প্ৰকল্পসমূহক পুৰস্কাৰ প্ৰদান কৰি আহিছে। এই পুৰস্কাৰৰ প্ৰধান উদ্দেশ্য হ'ল—

(ক) পৰিৱেশৰ প্ৰতি অংগীকাৰবদ্ধ হোৱা এখন গ্ৰীণ লাইব্ৰেৰী বা হাতত লোৱা গ্ৰীণ লাইব্ৰেৰী প্ৰকল্পসমূহক পুৰস্কৃত কৰা।

(খ) পুথিভঁৰালসমূহক পৰিৱেশৰ প্ৰতি দায়িত্ব বহন কৰিবলৈ আগ্ৰহী কৰা।

(গ) সমগ্ৰ বিশ্বত পৰিৱেশ অনুকূল বহনক্ষম পুথিভঁৰালৰ নিৰ্মাণ কৰি, সম্পদ আৰু শক্তিৰ সংৰক্ষণ কৰি 'গ্ৰীণ লাইব্ৰেৰী' আন্দোলনক উৎসাহিত কৰা।

(ঘ) স্থানীয়, আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত সেউজ গ্ৰন্থাগাৰৰ উন্নয়নৰ বাবে কৰা কামক উৎসাহ জগোৱা।

(ঙ) সকলো পুথিভঁৰালকে নিজৰ সেউজ কাৰ্য্যাৱলীসমূহ প্ৰদৰ্শন কৰাবলৈ উৎসাহ জগোৱা।

IFLA গ্ৰীণ লাইব্ৰেৰী পুৰস্কাৰপ্ৰাপ্ত কেইখনমান পুথিভঁৰাল আৰু প্ৰকল্পৰ নাম হৈছে—

১। এডমণ্টন পাব্লিক লাইব্ৰেৰী, এডমণ্টন, কানাডা।

২। ফ'চন লাইব্ৰেৰীছ গ্ৰীণ প্ৰেক্‌টিছ, ফ'চন, চীন।

৩। দ্য লিটল চল ইক'লজিকেল লাইব্ৰেৰী, জাৰ্মিনেলীয়া ইত্যাদি।

পৰিৱেশ সুৰক্ষাৰ বাবে আমাৰ সকলোৰে কৰণীয় আছে। পৃথিৱীখন বাসোপযোগী কৰি ৰাখি সকলো জীৱৰ ভৱিষ্যৎ সুৰক্ষিত কৰাৰ দায়িত্বও আমাৰে। পুথিভঁৰালসমূহে সেউজকৰণত গুৰুত্ব দি বহনক্ষম উন্নয়নৰ ধাৰণাৰ প্ৰচাৰ আৰু প্ৰসাৰত আগভাগ লৈছে। ♦



**ময়ূখ ইছান নাথ**, প্ৰাক্-প্ৰাথমিক শ্ৰেণী



**ৰাহুল বৰা**, প্ৰাক্-প্ৰাথমিক শ্ৰেণী

# শিশুৰ চৰিত্ৰ গঠনত পিতৃ-মাতৃৰ ভূমিকা

■ জুলি শইকীয়া
শিক্ষয়িত্ৰী, প্ৰাক্-প্ৰাথামিক

শিশুৰ জীৱন গঢ়াৰ প্ৰথম শিক্ষাকেন্দ্ৰ হৈছে ঘৰখন। প্ৰতিজন শিশুৱেই জীৱনৰ আদি পাঠ গ্ৰহণ কৰে ঘৰখনতে। সেয়ে শিশুসকলৰ চৰিত্ৰ গঠনত ঘৰখনৰ প্ৰত্যেকজন সদস্যৰে ভূমিকা অপৰিহাৰ্য্য। অৱশ্যে পৰিয়ালৰ সকলো সদস্যৰে পৰা শিশুসকলে বিভিন্ন গুণ অনুকৰণ কৰিলেও এই ক্ষেত্ৰত তেওঁলোকে বিশেষভাৱে অনুকৰণ কৰা ব্যক্তিগৰাকী হৈছে কিন্তু মাতৃ। জন্মৰ পাছত যেতিয়া শিশুটিয়ে লাহে লাহে বুজা হয় তেতিয়াৰে পৰা মাতৃসকলে শিশুটিক স্কুললৈ পঠিয়াবলৈ আৰম্ভ কৰাৰে পৰা আচৰণৰ ক্ষেত্ৰত বিশেষভাৱে নজৰ দিয়াটো প্ৰয়োজনীয়। কিয়নো এই সময়তে শিশুসকলে দেখাক দেখি ভাল-বেয়া সকলো কথাই অনুকৰণ কৰে। অৱশ্যে বহুতো ব্যক্তিয়ে শৈশৱ কালত শিশুসকলৰ আচৰণৰ ক্ষেত্ৰত কিবা বিসংগতি দেখিলেও আওকাণ কৰে আৰু ভাবে যে ডাঙৰ হ'লে বা বুজা হ'লে সকলো ঠিক হৈ যাব। কিন্তু ই শুদ্ধ ধাৰণা নহয়। সেয়ে শৈশৱ অৱস্থাত তেওঁলোকৰ আচৰণৰ ক্ষেত্ৰত সকলো ব্যক্তিয়েই অত্যন্ত সচেতন হোৱাটো প্ৰয়োজনীয়।

শিশুসকলক শিক্ষিত কৰি তুলিবলৈ হ'লে পিতৃ-মাতৃসকল শিক্ষিত হোৱাটো প্ৰয়োজনীয়। কিন্তু এই 'শিক্ষিত' শব্দটোৱে কেৱল পুথিগত শিক্ষাৰ কথা কোৱা হোৱা নাই। এই শিক্ষা হ'ল সৰ্বাংগীণ শিক্ষা।

ৰোজেনক্ৰেজ (Rosencroaz) নামৰ এগৰাকী পণ্ডিতৰ মতে, "গৃহই হ'ল শিক্ষাৰ আৰম্ভণি বিন্দু।" ঘৰ এখনক সুন্দৰভাৱে সজাই তুলিবলৈ হ'লে ঘৰখনত আধ্যাত্মিক ভাবৰ সমাহাৰ ঘটিব লাগিব আৰু তেতিয়াহে ঘৰখনত উপযুক্ত শিক্ষাৰ লগতে সুস্থ পাৰিপাৰ্শ্বিকতাৰ প্ৰভাৱ পৰিলক্ষিত হোৱা দেখা যাব।

শিশুসকলক সামাজিক অনুষ্ঠানবোৰৰ লগত সক্ৰিয় অংশগ্ৰহণ কৰিবলৈ উৎসাহিত কৰিব লাগে আৰু ওচৰ-চুবুৰীয়া তথা পৰিয়ালৰ মানুহবোৰৰ ঘৰলৈ সময়-সুবিধা অনুসৰি অহা-যোৱাৰ এক নিয়ম ৰাখিব লাগে। ইয়াৰ ফলত আত্মীয়তাৰ ভাব দৃঢ় হয়। শিশুসকল ডাঙৰ হৈ অহাৰ লগে লগে তেওঁলোকৰ দায়িত্ববোধ বাঢ়িবৰ বাবে কিছুমান সৰু সৰু ঘৰৰ দায়িত্ব ভগাই দিব লাগে। ঘৰৰ ডাঙৰসকলে কিতাপ পঢ়াৰ অভ্যাস গঢ়ি তুলিলে বা কিছুমান ভাল লগা দিনত কিতাপ উপহাৰ হিচাপে দিয়াৰ ব্যৱস্থা কৰিলে শিশুসকলৰো কিতাপ পঢ়াৰ প্ৰতি ধাউতি বাঢ়িব।

বৰ্তমান আধুনিক জগতত ন ন প্ৰযুক্তিৰ উদ্ভাৱনে শিশুসকলৰ মন মগজুতো নানা ধৰণে প্ৰভাৱ পেলাইছে। এই ক্ষেত্ৰত বিশেষকৈ ইণ্টাৰনেটৰ কথাই আমাৰ মনলৈ আহে। বৰ্তমান ইণ্টাৰনেটৰ ব্যৱহাৰৰ কথা আমি উলাই কৰিব নোৱাৰোঁ, কিন্তু ইয়াৰ ব্যৱহাৰৰ ক্ষেত্ৰত পিতৃ-মাতৃ সচেতন হ'ব লাগিব আৰু শিশুৱে ব্যৱহাৰ কৰোঁতেও অভিভাৱক জ্ঞাত হ'ব লাগিব।

সেয়েহে আমি ক'ব পাৰোঁ যে সন্তানসকলক গঢ় দিওঁতে পিতৃ-মাতৃসকল Friend, Philosopher and Guideৰ দৰে হ'ব লাগিব। এখন সুস্থ-সবল-সুন্দৰ সমাজ গঢ়িবৰ বাবে প্ৰতিজন অভিভাৱকেই প্ৰচেষ্টা অব্যাহত ৰাখিব লাগিব। ♦

# মাতৃভাষালৈ অহা সংকট আৰু নৱপ্ৰজন্মৰ কৰণীয়

■ ৰিয়াশ্ৰী শৰ্মা
দ্বাদশ শ্ৰেণী (কলা)

আধুনিকতাৰ মনোভাবৰ পৰাই এক ন-চিন্তা আমাৰ মনত জন্ম ল'লে আৰু সেইটো হ'ল পশ্চিমীয়া জীৱন প্ৰণালী। যিদৰে নিজৰ ঘৰৰ মাছ-মাংসৰ এসাঁজতকৈ আনৰ ঘৰৰ শাক-ভাতৰ এসাঁজ আমাৰ বাবে লোভনীয়, ঠিক তেনেদৰেই নিজৰ জীৱন-ধাৰণ প্ৰণালীতকৈ অন্য সমাজৰ জীৱন প্ৰণালী আমাৰ বাবে অতি আকৰ্ষণীয়। সেয়ে নিজে কি কৰিছোঁ, নিজৰ কি আছে তাতকৈ আনে কি কৰিছে আনৰ কি আছে তাৰ প্ৰতিহে আমাৰ আকৰ্ষণ বেছি।

ভাষা এনে এক মাধ্যম যাৰ দ্বাৰা ভাব বিনিময় হয়। প্ৰাচীন কালত চিকাৰ অথবা বিভিন্ন কাৰ্য্যত ব্যৱহাৰ কৰা বিভিন্ন ইংগিতৰ ক্ৰমবিকাশ ঘটি ভাষাই বৰ্তমানৰ ৰূপ লৈছে। প্ৰাচীন কালৰ বিভিন্ন মানৱ অস্তিত্ব নানা ঠাইলৈ সিঁচৰতি হোৱাৰ ফলত ঠাইভেদে ভাষাৰ ৰূপ ভিন্ন হ'বলৈ ধৰিলে।

মাতৃভাষা এনে এক ভাষা যি ভাষা শিশুৱে জন্মৰ পৰা মাতৃৰ মুখৰ পৰা শিকি জীৱন যুদ্ধৰ বাবে সাজু হয়। মাতৃভাষাই শিশুৰ জীৱনৰ প্ৰথমটি বীজ তথা জীৱনৰ বটবৃক্ষজোপাৰ মূল শিপা। মাতৃৰ উমাল কোলাত যি ভাষাৰ নিচুকনি গীত শুনি এটি শিশু নিৰাপদে সুখ নিদ্ৰাত পৰে। যি ভাষাত শিশুটিয়ে পৰিয়ালৰ লোকসকলৰ লগত এটি-দুটি শব্দৰে ভাব বিনিময় কৰে সেয়াই মাতৃভাষা।

বিদ্যালয় শিক্ষা আৰম্ভ হোৱাৰ পৰাহে স্বাৰ্থপৰ হৈ পৰা স্বভাৱৰ দ্বাৰা পৰিবেষ্টিত হৈ মাতৃভাষাৰ দৰে পবিত্ৰ ভাষাটোৰ প্ৰতি অনিহাৰ জন্ম হয়। বিভিন্ন পাকচক্ৰত পৰি আমি মাতৃভাষা পাহৰি পেলাওঁ। আমাৰ মূল শিপা আৰু মূল শিপাৰ অস্তিত্ব নোহোৱা হ'লে বৃক্ষজোপা জীয়াই নাথাকে। ঠিক তেনেদৰে, মাতৃভাষা অবিহনে আমাৰ জীৱনৰ মূল পৰিচয় হেৰাই যায়। মহান সাহিত্যিক সাহিত্যৰথী ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাদেৱে মাতৃভাষাক স্বদেশ আৰু স্বজাতিৰ সিংহদুৱাৰ বুলি কোৱাৰ প্ৰতি লক্ষ্য কৰি মাতৃভাষাৰ গুৰুত্ব বুজিব পাৰি।

নৱপ্ৰজন্ম ভৱিষ্যৎ সমাজৰ নিৰ্মাতা। গতিকে নৱপ্ৰজন্মৰ উচিত পদক্ষেপে সমাজক সুস্থিৰতা প্ৰদান কৰিব পাৰে। পাশ্চাত্যকৰণ হ'বলৈ ধৰা আজিৰ সমাজত পশ্চিমীয়া ভাষাই আমাৰ মাতৃভাষাৰ স্থান লৈছে আৰু এই যান্ত্ৰিক সমাজত মাথোঁ ইজনে আনজনক পৰাজয় কৰাৰ মনোভাবৰ বলি হৈ আমি নিজ মাতৃভাষাক পাহৰি পশ্চিমীয়া ভাষাৰ অনুৰাগী হ'বলৈ ধৰিছোঁ। নিজ মাতৃভাষাৰে সৃষ্ট ভঁৰালেহে এখন সমাজক উন্নত বুলি ঘোষণা কৰিব পাৰে। উদাহৰণস্বৰূপে, ইংৰাজে অসমীয়াক মূৰ্খ বুলি কোৱা মূল কাৰণেই আছিল মাতৃভাষাত সৃষ্ট নানা সৃষ্টিৰ অভাৱ। যদিও সেই সময়ৰ সজাগ লোকে ইয়াক এক উন্নত স্থানলৈ আনিবলৈ অগ্ৰণী ভূমিকা লৈছিল। কিন্তু বৰ্তমানৰ পৰিস্থিতিয়ে ইতিহাসকে দোহাৰিব বিচাৰিছে। এই পৰিস্থিতি নহ'বলৈ বৰ্তমানৰ নৱপ্ৰজন্মৰ কৰণীয় বহুত আছে।

অন্য সমাজক বুজাৰ আগতে নিজৰ সমাজৰ সংস্কৃতি, মাতৃভাষা আদি বুজি সমাজক ইয়াৰ প্ৰতি সচেতন কৰা আমাৰ দায়িত্ব। নিজৰ মাতৃভাষা শুদ্ধ ৰূপত শিকি ইয়াৰ ভঁৰাল চহকী কৰি ভৱিষ্যৎ প্ৰজন্মলৈ মুকলি কৰি দিয়াটোৱে আমাৰ শিক্ষাৰ মূল উদ্দেশ্য হোৱা উচিত। অন্যথা মাতৃৰ কোলাৰ প্ৰথম শিক্ষা এদিন হেৰাই যাব।

শিক্ষা ব্যৱস্থা মাতৃভাষাত মুকলি কৰি পশ্চিমীয়া ভাষাতো শিক্ষা গ্ৰহণ কৰি নিজ ভাষাক বিদেশী সমাজলৈ বিস্তাৰিত কৰি নিজৰ প্ৰকৃত অস্তিত্ব জীয়াই ৰাখিবলৈ নৱপ্ৰজন্ম সক্ৰিয় হৈ পৰাতো আজিৰ সময়ৰ দাবী ইয়াক মানিবলৈ আমি বাধ্য নহ'লে এদিন সকলো হেৰাই যাব আৰু আমি হৈ পৰিম গোলাম। ♦

# অসমৰ সমাজ-সংস্কৃতিলৈ শংকৰদেৱৰ অৱদান

■ স্বৰগম তালুকদাৰ
অষ্টম শ্ৰেণী



**অৱতৰণিকা :** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আবিৰ্ভাৱৰ সময়লৈকে ব্ৰহ্মপুত্ৰ উপত্যকাত অসমীয়া জাতি বোলা এটা ঐক্যবদ্ধ গোষ্ঠী সৃষ্টি হোৱা নাছিল। সেই সময়ৰ ব্ৰহ্মপুত্ৰ উপত্যকাত আহোম, ভুঞা, কছাৰী, চুতীয়া, কোচ, মৰাণ, মটক আদি বিভিন্ন জনগোষ্ঠীয়ে স্বকীয় পৰিচয়েৰে বাস কৰিছিল। এটা জনগোষ্ঠীৰ লগত আন এটা জনগোষ্ঠীৰ প্ৰায়ে সংঘৰ্ষ হৈছিল। পৰৱৰ্তী সময়ত আহোমসকলে বিভিন্ন জনগোষ্ঠীসমূহৰ ওপৰত আধিপত্য বিস্তাৰ কৰিছিল যদিও সাধাৰণ মানুহৰ অন্তৰ জয় কৰিব পৰা নাছিল। দৰাচলতে অসমৰ সুদীৰ্ঘ ইতিহাসত কোনো এজন ৰজাই সকলো জনগোষ্ঠীৰ প্ৰতি প্ৰীতি আৰু উদাৰতাৰ ভাব প্ৰদৰ্শন কৰিব পৰা নাছিল। এনে সংঘৰ্ষ আৰু সংশয়ৰ বিপৰীতে শ্ৰীমন্ত শংকৰদেৱে সত্য আৰু সুন্দৰৰ এক অভিযান আৰম্ভ কৰিছিল। শংকৰদেৱে বিভিন্ন জনগোষ্ঠীসমূহৰ নৃত্য সম্পদৰ পৰা সমল আহৰণ কৰি নিজস্ব প্ৰতিভাৰ জৰিয়তে এক নতুন নৃত্যধাৰা সৃষ্টি কৰিছিল। পৰৱৰ্তী কালত সত্ৰসমূহত সংৰক্ষিত আৰু পৰিবৰ্ধিত হৈ এই নৃত্যধাৰাই সত্ৰীয়া নৃত্য নামেৰে পৰিচিত হৈ পৰে। এনেদৰে মহাপুৰুষজনাই অসমৰ জনগোষ্ঠীসমূহৰ বাবে এক উমৈহতীয়া সাংস্কৃতিক সম্পদ সৃষ্টি কৰি সকলোৰে নিজৰ বুলি ক'ব পৰা এক সংস্কৃতিৰ জন্ম দিছিল। শ্ৰীমন্ত শংকৰদেৱে সৃষ্টি কৰা সত্ৰীয়া সংস্কৃতিৰ পৰিমণ্ডলটো ক্ৰমাগতভাৱে প্ৰসাৰিত হৈ সমগ্ৰ অসমখনক সামৰি লৈছে।

**নামঘৰ :** স্থাপত্য কলাৰ ক্ষেত্ৰত শংকৰদেৱে মৌলিক দৃষ্টিভংগীৰ পৰিচয় দিছিল। ভাৰতৰ বিভিন্ন ঠাইৰ হিন্দু মন্দিৰ, দেৱালয়, মঠ আদিৰ স্থাপত্য কৌশলৰ দ্বাৰা মহাপুৰুষগৰাকী প্ৰভাৱান্বিত হোৱা নাছিল। শংকৰদেৱৰ দ্বাৰা প্ৰচাৰিত হৰিনাম ধৰ্মৰ উপাসনা গৃহ নামঘৰ বা কীৰ্তন ঘৰৰ ক্ষেত্ৰত এক স্বতন্ত্ৰ স্থাপত্য কৌশল দেখা যায়। শাৰী শাৰীকৈ পোতা কাঠৰ খুঁটা আৰু উন্মুক্ত তিনিটা দিশেৰে নামঘৰে এক নতুন স্থাপত্য আৰ্হি প্ৰতিষ্ঠা কৰে। অন্য সম্প্ৰদায়সমূহৰ বন্ধ উপাসনা গৃহৰ পৰিবৰ্তে মুক্ত নামঘৰৰ স্থাপত্যই মহাপুৰুষজনাৰ জনমুখী উদাৰ দৃষ্টিৰ পৰিচয় দাঙি ধৰে। অসমৰ বাঁহ-কাঠৰ সংস্কৃতিৰ কাৰণে নামঘৰৰ এই আৰ্হি উপযোগী আৰু এই আৰ্হিয়ে ব্যয় বহুলতাৰ পৰা ভকতসকলক সকাহ দিছিল। অসমীয়া সমাজত নামঘৰে এক স্বকীয় আসন দখল কৰি আছে। একশৰণ নামধৰ্মৰ উপাসনা গৃহ হোৱাৰ উপৰি ৰংগমঞ্চ, সভাগৃহ, বিচাৰকক্ষ আদিৰে অসমীয়া জনজীৱনত নামঘৰ এৰিব নোৱৰা সম্পদত পৰিণত হৈছে।

**সাম্যবাদী সমাজ :** মহাপুৰুষজনাই যি সময়ত অসম ভূমিত আবিৰ্ভাৱ হৈছিল সেই সময়ত ইয়াত সামন্তবাদী শাসন চলিছিল। গুৰু চৰিতত পোৱা যায় যে ৰজাই কেতিয়াবা স্বেচ্ছাচাৰীভাৱে শাসন চলাই প্ৰজাক মৃত্যুদণ্ড পৰ্য্যন্ত বিহিছিল। স্বাধীনচিতীয়া চিন্তাধাৰাৰ বাবে সেই সময়ৰ ৰাজনৈতিক ব্যৱস্থা মুঠেই অনুকূল নাছিল। এনেকুৱা এক প্ৰতিকূল ব্যৱস্থাৰ মাজতো শংকৰদেৱে এখন সমাধিকাৰভিত্তিক সমাজ গঢ় দিবলৈ সমৰ্থ হৈছিল। শ্ৰীমন্ত শংকৰদেৱৰ ওচৰত শৰণ লোৱা

ধোবা, বণিয়া, তাঁতী, কৈৱৰ্ত, কায়স্থ, কলিতা, ব্ৰাহ্মণ, দৈৱজ্ঞ আদি বিভিন্ন জাতৰ ভক্তসকলে নামঘৰত একেলগে আসন গ্ৰহণ কৰি নাম-কীৰ্তন কৰিছিল। গাৰো, কছাৰী, জয়ন্তীয়া আদি বিভিন্ন জনজাতিৰ ভকতসকলে সমান মৰ্য্যাদা লাভ কৰিছিল। সমতাৰ ভিত্তিত এনে এক সামাজিক পৰিবৰ্তন ভাৰততেই নহয় পৃথিৱীতে বিৰল। পৃথিৱীৰ ভিন্ন প্ৰান্তত সাম্যবাদীসকলে ৰক্তাক্ত শ্ৰেণী সংগ্ৰামৰ দ্বাৰা শ্ৰেণী বৈষম্য দূৰ কৰাৰ পোষকতা কৰাৰ বিপৰীতে শংকৰদেৱে বিনা ৰক্তপাতে মানুহৰ হৃদয় প্ৰক্ষালনৰ দ্বাৰা সেই কাৰ্য্য সমাধা কৰিছিল।

**সমাজ সংস্কাৰক শ্ৰীমন্ত শংকৰদেৱ :** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ কেৱল এজন ধৰ্মগুৰু নাছিল। ধৰ্মৰ উপৰি নৃত্য-গীত, নাট-কাব্য আদি বহুমুখী শৈল্পিক প্ৰতিভা প্ৰদৰ্শন কৰি এখন নতুন সমাজ গঢ় দিবলৈ সমৰ্থ হৈছিল। সমাজ সংস্কাৰক ৰূপে মহাপুৰুষজনাই গ্ৰহণ কৰা ভূমিকাই তেৰাক বিশ্বৰ মহত্তম ব্যক্তিসকলৰ মাজত স্থলাভিষিক্ত কৰিব পাৰে। শংকৰদেৱৰ আবিৰ্ভাৱৰ পূৰ্বৰ সময়খিনি আছিল সন্ত্ৰাসপূৰ্ণ সময়। মধ্যযুগৰ সেই বিভীষিকাময় সময়ছোৱাত জনসাধাৰণৰ জীৱনৰ কোনো নিশ্চয়তা নাছিল। তান্ত্ৰিক মাৰ্গৰ কু-প্ৰভাৱত নৰবলি, ভোগী আদি পৰম্পৰাই জনজীৱনক বিধ্বস্ত কৰি পেলাইছিল। মধ্যযুগৰ অসমত কামাখ্যা মন্দিৰ, দেওশাল আদি বিভিন্ন উপাসনাস্থলীত নৰবলি দিয়া হৈছিল। সমগ্ৰ অসমত দুকুৰিৰো অধিক স্থানত কছাৰী, দেউৰী, চুতীয়া, আহোম আদি জনগোষ্ঠীয়ে নিজৰ সৌভাগ্য কামনাৰে সুস্বাস্থ্যৱান যুৱকক বলি দিছিল। আনহাতে তান্ত্ৰিক পদ্ধতিৰ কুমাৰী পূজাৰ প্ৰচলনৰ ফলত শাক্ত মন্দিৰ আৰু শিৱ মন্দিৰসমূহ ব্যভিচাৰৰ কেন্দ্ৰ হৈ পৰিছিল। প্ৰধানকৈ এই দুয়োটা বিকৃতিক ৰোধ কৰাৰ বাবে শ্ৰীমন্ত শংকৰদেৱে বলি-বিধান বৰ্জিত একেশ্বৰবাদ প্ৰচাৰ কৰিছিল। বেদৰ পুৰুষসূক্তত মানুহৰ ভিতৰত বদগুণসমূহ বলি দিয়াৰ কথা কোৱা হৈছিল। কিন্তু তান্ত্ৰিকসকলে তাৰ ভুল ব্যাখ্যা আগ বঢ়াই জীৱ বলিৰ ৰূপ দিছিল। আমি যে জীৱক বলি দিব নালাগে, আমাৰ ভিতৰৰ পশুটোকহে বলি দিব লাগে, পুৰুষসূক্তৰ সেই ধাৰণাটো শ্ৰীমন্ত শংকৰদেৱে সেই সময়ৰ অধিকাংশ নিৰক্ষৰ আৰু বৌদ্ধিকভাৱে পিছপৰা মানুহক বুজোৱাটো সহজ কথা নাছিল। গতিকে বলি-বিধান যুক্ত দেৱ-দেৱীৰ পূজাৰ পৰা মানুহক বিৰত কৰিবলৈ শংকৰদেৱে এক উপায় উলিয়াইছিল। কৃষ্ণ বিনে অন্য দেৱ-দেৱীৰ মূৰ্তি দৰ্শন কৰা তথা পূজাস্থলীত পদাৰ্পণ কৰাটো নিষিদ্ধ কৰি দিছিল।

“অন্য দেৱী দেৱ নকৰিবা সেৱ
গৃহে নপশিবা তাৰ।
মূৰ্তিকো নচাইবা প্ৰসাদো নখাইবা
ভক্তি হৈবে ব্যভিচাৰ।।”

**নাৰীৰ উচ্চ স্থান :** মধ্যযুগত অসমত নাৰীৰ স্থান অৱনমিত হৈছিল। কুমাৰী পূজা, দেৱদাসী নৃত্য বা প্ৰথা আদিৰ জৰিয়তে সামন্তবাদী সমাজত নাৰীয়ে প্ৰাপ্য মৰ্য্যাদা পোৱা নাছিল। ইয়াৰ বিপৰীতে শংকৰদেৱৰ একশৰণ নামধৰ্মত নাৰীক উচ্চ স্থান দিয়া হৈছিল। এই ধৰ্মত নাৰীয়ে কীৰ্তন ঘৰত নাম-প্ৰসংগ কৰা, পুথি পাঠ কৰা, শৰাই লগোৱা আদিৰ অধিকাৰ পাইছিল। শংকৰদেৱে অনেক মহিলাক শৰণ দিছিল। শংকৰদেৱে নিজৰ লেখাতো নাৰীৰ সমান অধিকাৰৰ কথা ঘোষণা কৰিছিল। ‘হৰিশ্চন্দ্ৰ উপাখ্যান’ত কোৱা হৈছে যে স্বামী আৰু স্ত্ৰী একমতি হ’লেহে ভক্তি সিদ্ধ হয়। গতিকে গুৰুজনাই নাৰীক সন্মানীয় আসনত প্ৰতিষ্ঠা কৰি এখন সুশৃংখলিত সমাজ প্ৰতিষ্ঠাৰ কাৰণে অহোপুৰুষাৰ্থ কৰিছিল।

শংকৰদেৱে যে নাৰীক অতি উচ্চ স্থান দিছিল তাৰ এক জ্বলন্ত উদাহৰণ হৈছে যোগমায়া বা ৰাধিকা। টেম্বুৱনি জানেৰে লুইতৰ পানী সোমাই অহাত টেম্বুৱনিত এটা বান্ধ নিৰ্মাণৰ দায়িত্ব অৰ্পিত হৈছিল যোগমায়া বা ৰাধিকা নামৰ কৈৱৰ্ত মহিলাগৰাকীৰ ওপৰত। তেওঁৰ নেতৃত্বত মহিলাসকলে বান্ধ নিৰ্মাণ কৰিবলৈ সমৰ্থ হৈছিল। বান্ধ নিৰ্মাণ হোৱাৰ পাছত শংকৰদেৱে ৰাধিকাক সোণৰ অলংকাৰ উপহাৰ দিছিল। শ্ৰীমন্ত শংকৰদেৱে এখন নতুন সমাজ গঢ়াৰ বাবে সাধন

কৰা সমাজ সংস্কাৰসমূহৰ অন্যতম আছিল বৰ্ণবৈষম্য দূৰীকৰণ। সেই সময়ত উচ্চ বৰ্ণৰ লোকসকলে শিক্ষা-দীক্ষাকে ধৰি সমাজত সকলো ধৰণৰ সা-সুবিধা ভোগ কৰিছিল। নিম্ন সম্প্ৰদায়ৰ লোকসকল শিক্ষা-দীক্ষাৰ পৰা বঞ্চিত হৈছিল। মহাপুৰুষ শংকৰদেৱে এনে বৰ্ণবাদী সমাজৰ বিপৰীতে এখন সমতাভিত্তিক মানুহৰ সমাজ গঢ়িবলৈ অহৰহ চেষ্টা কৰিছিল। উদাহৰণস্বৰূপে, কৈৱৰ্ত মহিলা ৰাধিকাক নেত্ৰী হিচাপে নিৰ্বাচন কৰা কাৰ্য্য। ৰাধিকা আৰু তেওঁৰ স্বামীক শংকৰদেৱে নিজ গৃহৰ চৌহদতে ঘৰ সাজি দিছিল। শংকৰদেৱৰ কনিষ্ঠ ভাতৃ বনগঞাক এগৰাকী কৈৱৰ্ত যুৱতীৰে সৈতে বিয়া পাতি দিছিল। শংকৰদেৱৰ সৈতে অনবৰতে থকা প্ৰধান ভক্ত পৰমানন্দ প্ৰকৃততে এজন মিচিং লোক আছিল। পূৰ্বতে তেওঁ মাজুলীৰ বাসিন্দা আছিল আৰু তেওঁ পাংকং নামে জনাজাত আছিল। শংকৰদেৱে কীৰ্তনঘৰ নিৰ্মাণ কৰোঁতে মিচিংসকলৰ মুৰংঘৰৰ আৰ্হিৰ পৰা কেতবোৰ ধাৰণা গ্ৰহণ কৰিছিল।

**শিক্ষাবিদ শ্ৰীমন্ত শংকৰদেৱ :** শ্ৰীমন্ত শংকৰদেৱৰ দৰে বহুমুখী প্ৰতিভাৰ এগৰাকী ব্যক্তিক কেৱল ধৰ্মগুৰু হিচাপে সীমাবদ্ধ কৰি ৰখা উচিত নহয়। শংকৰদেৱে এখন সাম্যবাদী আৰু বিকশিত সমাজৰ সপোন দেখিছিল। সেই সপোন বাস্তৱায়িত কৰিবৰ বাবে তেৰাই নিজৰ জীৱন উছৰ্গা কৰিছিল। জনসাধাৰণৰ মাজত জ্ঞানৰ প্ৰসাৰ ঘটোৱা শংকৰদেৱৰ জীৱনৰ ব্ৰত আছিল। এই উদ্দেশ্য সাধনৰ বাবে শংকৰদেৱে কাব্য, গীত, নাট আদিকে ধৰি বহু দাৰ্শনিক ৰচনা ৰচিত কৰিছিল। অসমীয়া গদ্যৰীতিয়ে শংকৰদেৱৰ নাটতে প্ৰথম গজালি মেলে। শংকৰদেৱে ব্ৰহ্মপুত্ৰ উপত্যকাত এক শৈক্ষিক আন্দোলনৰ গুৰি ধৰিছিল। জনসাধাৰণৰ শাস্ত্ৰ জ্ঞানৰ উপৰি সমাজ বিজ্ঞান আৰু আচাৰ-ব্যৱহাৰ সম্পৰ্কে জ্ঞান দিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। মানুহে কিদৰে এক আদৰ্শ জীৱন-যাপন কৰিব পাৰে গুৰুজনাই সেই জ্ঞান বিলাইছিল। গুৰুজনা অসমৰ প্ৰৌঢ় শিক্ষা আন্দোলনৰ বাটকটীয়া আছিল। নাম-কীৰ্তন, প্ৰাৰ্থনা, প্ৰসংগ, নাট্যাভিনয় আদি সকলোতে সমাজৰ গৰিষ্ঠসংখ্যক প্ৰৌঢ়লোকে অংশগ্ৰহণ কৰিছিল। গুৰুজনাৰ সংগ লাভ কৰি বদভ্যাস ত্যাগ কৰা আৰু সাত্বিক জীৱন-যাপন কৰা অনেকজনৰ কথা চৰিত পুথিসমূহত পোৱা যায়। শংকৰদেৱে মানুহক বৃত্তিমূলক শিক্ষাৰেও শিক্ষিত কৰিবলৈ যত্ন কৰিছিল। গুৰুজনা এগৰাকী নিপুণ কাৰিকৰ আছিল। গুৰুজনাৰ ৰচিত নাটসমূহ মঞ্চস্থ কৰোঁতে বাদ্যযন্ত্ৰকে ধৰি যিবোৰ আহিলাৰ প্ৰয়োজন হৈছিল সেইবোৰৰ আৰ্হি নিজে প্ৰস্তুত কৰি স্থানীয় কাৰিকৰৰ হতুৱাই সাজি উলিয়াইছিল। 'চিহ্নযাত্ৰা' মঞ্চস্থ কৰাৰ আগতে গুৰুজনাই 'খোল' নামৰ এবিধ নতুন বাদ্যযন্ত্ৰ উদ্ভাৱন কৰিছিল। কপিলীমুখৰ এজন কাৰিকৰে গুৰুজনাৰ আৰ্হিমতে খোলৰ আৰ্হিটো প্ৰস্তুত কৰিছিল।

কাপোৰৰ চানেকি প্ৰস্তুত কৰাতো গুৰুজনাৰ অতুলনীয় প্ৰতিভা আছিল। বৰদোৱা আৰু তাঁতীকুছি দুয়োখন ঠাইতে গুৰুজনাই এশটাকৈ তাঁতী পৰিয়ালৰ তদাৰক কৰিছিল। বৰদোৱাৰ তাঁতীসকলে গুৰুজনাক যুৱাৱস্থাত পাইছিল আৰু তাঁতীকুছিৰ তাঁতীসকলে গুৰুজনাক বৃদ্ধাৱস্থাত পাইছিল। এই কাৰ্য্যই প্ৰমাণ কৰে যে গুৰুজনাই ডেকাকালৰ পৰা বৃদ্ধ কাললৈকে অসমৰ বস্ত্ৰশিল্পৰ বিকাশৰ বাবে চেষ্টা কৰিছিল। গুৰুজনাই তাঁতীকুছিৰ তাঁতীসকলৰ দ্বাৰা বৃন্দাবনত কৃষ্ণৰ ল'ৰালিকালৰ জীৱন বৰ্ণনা কৰা এখন সুদীৰ্ঘ কাপোৰ বোওৱাৰ ব্যৱস্থা কৰিছিল। ব'বলগীয়া চিত্ৰৰ চানেকি, ব্যৱহাৰ কৰা সূতাৰ ৰং গুৰুজনাই নিজেই বাছি দি তাঁত বোৱা কামৰো নিজে তদাৰক কৰিছিল। ছমাহ সময়ৰ ভিতৰত কাপোৰখন বৈ শেষ হৈছিল। এইখনেই 'বৃন্দাবনী বস্ত্ৰ' নামেৰে জনা যায়। ই দীঘলে প্ৰায় যাঠি গজ আৰু বহলে এখন শালৰ জোখৰ সমান আছিল। বৃন্দাবনী বস্ত্ৰৰ এটা অংশ বৰ্তমান লণ্ডনৰ বৃটিছ মিউজিয়ামত সংৰক্ষিত হৈ আছে।

**সামৰণি :** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ সময়ছোৱাত অসমৰ সামাজিক, ৰাজনৈতিক পৰিৱেশ প্ৰতিকূল আছিল। প্ৰতিক্ৰিয়াশীল লোকৰ প্ৰৰোচনাত শংকৰদেৱে ৰাজৰোষত পৰি এখন ঠাইৰ পৰা আন এখন ঠাইলৈ

স্থান সলনি কৰিবলগীয়া হৈছিল। বেছিভাগ সময়ত পোনপটীয়াকৈ ধৰ্মৰ কথা ক'ব পৰা অৱস্থা নাছিল। সাধাৰণ অনাখৰী মানুহক ধৰ্মৰ জটিল তত্ত্বসমূহ সহজবোধ্য কৰিবলৈ গুৰুজনাই নৃত্য, গীত, নাট, চিত্ৰ, ভাস্কৰ্য্য আদি বিভিন্ন মাধ্যমৰ জৰিয়তে চেষ্টা কৰিছিল। শংকৰদেৱৰ সেই প্ৰতিটো মাধ্যম কালক্ৰমত বিকশিত হৈ প্ৰতিটোৱেই এতিয়া বিশাল মহীৰূহ হৈ উঠিছে। এই সকলোবোৰ সমষ্টিয়েই হৈছে বিশাল শংকৰী সমষ্টি অৰ্থাৎ শংকৰী সংস্কৃতি। অসমৰ সৰহসংখ্যক খিলঞ্জীয়া জনগোষ্ঠীয়ে ইয়াক আপোন বুলি গ্ৰহণ কৰাত ই অসমীয়া সংস্কৃতিৰ সৈতে একপ্ৰকাৰ সমাৰ্থক হৈ পৰিছে। শংকৰী সংস্কৃতিয়ে অসমীয়া জাতি গঠনৰ অন্যতম উপাদান। শংকৰী সংস্কৃতিৰ অধিকাংশ উপাদানেৰেই আবিৰ্ভাৱ ঘটিছিল অংকীয়া নাটৰ মাধ্যমেৰে। গুৰুজনাই বৰদোৱাত 'চিহ্নযাত্ৰা' নামেৰে যিখন যুগান্তকাৰী নাট মেলিছিল তাৰ জৰিয়তে শংকৰী নৃত্য, গীত, চিত্ৰশৈলী আদিয়ে আত্মপ্ৰকাশ কৰিছিল। দৃশ্যপটৰ জৰিয়তে সাতখন বৈকুণ্ঠৰ চিত্ৰও দৰ্শকক দেখুওৱা হৈছিল। সমগ্ৰ পৃথিৱীতে ইয়াক প্ৰথম দৃশ্যপটৰ ব্যৱহাৰ আখ্যা দিয়া হৈছে। শংকৰদেৱৰ নাট-ভাওনাৰ অন্য এক গুৰুত্বপূৰ্ণ সম্পদ হৈছে মুখা। জনগোষ্ঠীয় উৎসৰ পৰা আহৰণ কৰা মুখা নামৰ বস্তু পদে অংকীয়া নাটত ৰঙৰ পোহাৰ মেলিছিল। প্ৰথম অৱস্থাত অসুৰ চৰিত্ৰৰ বাবে ইয়াক ব্যৱহাৰ কৰা হৈছিল যদিও পৰৱৰ্তী কালত বিভিন্ন চৰিত্ৰত মুখা ব্যৱহাৰ কৰা হৈছিল। শংকৰী চিত্ৰশৈলীৰ এক গুৰুত্বপূৰ্ণ নমুনা হৈছে 'চিত্ৰভাগৱত'। গুৰুজনাই ধুৱাহাটাত থকা সময়তে এই সচিত্ৰ পুথিখন প্ৰস্তুত কৰিছিল। এই চিত্ৰশৈলীত খিলঞ্জীয়া পোছাক, স্থাপত্যশৈলী, জীৱ-জন্তুৰ চিত্ৰ আদিৰ চিত্ৰায়ণ কৰা হৈছে।

মহাপুৰুষ শংকৰদেৱে অসমীয়া সমাজ আৰু সংস্কৃতিলৈ আগ বঢ়োৱা উপৰিউক্ত অৱদানসমূহৰ অন্যতম বৈশিষ্ট্য এয়ে যে একশৰণ নামধৰ্মত বিশ্বাস নকৰা লোকসকলেও গুৰুজনাৰ অৱদানসমূহৰ সৈতে সংপৃক্ত হৈ থাকে আৰু অৱদানসমূহ উপভোগ কৰিব পাৰে। এখন ভাওনা সকলোৰে বাবে মুকলি থাকে। বৰগীত বা শংকৰী নৃত্য প্ৰতিজন অসমীয়াৰ বাপতি-সাহোন স্বৰূপ। নামঘৰৰ স্থাপত্য কৌশল অসমৰ জাতীয় ঐতিহ্য। নাম-কীৰ্তনৰ অন্তত ঈশ্বৰৰ উদ্দেশ্যে আগ বঢ়োৱা যি প্ৰসাদ ভকতসকলৰ মাজত বিতৰণ কৰা হয়, সেয়া সমগ্ৰ বিশ্বতে অনন্য।

সেই সময়ত ব্ৰহ্মপুত্ৰ উপত্যকাত আহোম, কোচ, ভূঞা, কছাৰী, মিচিং, কলিতা, ব্ৰাহ্মণ আদি সংস্কৃতিহে আছিল। শ্ৰীমন্ত শংকৰদেৱে এই সকলোবোৰ জনগোষ্ঠীয় সংস্কৃতিৰ পৰা উপাদান সংগ্ৰহ কৰি অসমীয়া সংস্কৃতি নামৰ এটা উমৈহতীয়া সংস্কৃতি গঢ়ি দিলে, যাক অসমৰ সকলো জনগোষ্ঠীয়ে নিজৰ বুলি গ্ৰহণ কৰিলে।

জয় গুৰু শঙ্কৰ সৰ্বগুণাকৰ
যাকেৰি নাহিকে উপাম।
তোহাৰি চৰণকু ৰেণু শতকৌটি
বাৰেক কৰোঁহোঁ প্ৰণাম।। ♦



**ঋত বি. পাঠক**, প্ৰাক্-প্ৰাথমিক শ্ৰেণী



**ৰিদিপ্তা ডেকা**, প্ৰাক্-প্ৰাথমিক শ্ৰেণী

# 5G নেটৱৰ্ক : সংশয় আৰু সম্ভাৱনা

■ বেদান্ত শৰ্মা
দশম শ্ৰেণী

**আৰম্ভণি :** সৃষ্টিকৰ্তাৰ সৃষ্টিৰ গূঢ়তম ৰহস্য ভেদ কৰিবৰ কাৰণে মানুহৰ প্ৰচেষ্টা সীমাতীত। মানুহে নোপোৱাটো পাবলৈ আৰু নেদেখাটো চাবলৈ সদায় ব্যগ্ৰ। সেয়ে মানুহে প্ৰকৃতিৰ বুকুৰ সৰ্বস্ব উদ্‌ঘাটন কৰি ন ন দিশেৰে আগুৱাই যাবলৈ অহৰহ প্ৰচেষ্টা চলাই আহিছে আৰু মানুহেই যে সকলো জীৱৰ ভিতৰত শ্ৰেষ্ঠ তাক পদে পদে প্ৰতিপন্ন কৰি আহিছে। জুই আৰু চকা আৱিষ্কাৰ হোৱাৰ দিন ধৰি বৰ্তমানলৈকে মানুহৰ দ্বাৰা আৱিষ্কৃত সামগ্ৰীৰ সংখ্যা অন্তহীন হৈছে। এই সকলোবোৰ ন ন পৰীক্ষা-নিৰীক্ষাৰ ফচল। এনে ফচলৰে এবিধ নৱতম সংযোজন হৈছে 5G নেটৱৰ্ক। ভাৰতত 5G সেৱাৰ আৰম্ভণিৰ ভেটি ২০২২ চনৰ জুলাই মাহত স্থাপিত হৈছিল স্পেকট্ৰাম-৮ নিলামৰ জৰিয়তে।

**5G সেৱাৰ আৰম্ভণি :** ভাৰতৰ মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই ২০২২ চনৰ ১ অক্ট'বৰত 5G সেৱা আৰম্ভ কৰিছিল। বৰ্তমান সময়ত 5G নেটৱৰ্ক সমগ্ৰ দেশতে ব্যৱহাৰৰ কাৰ্য্যকৰী হৈ উঠিছে।

**5G কি :** 5G হৈছে শেহতীয়াকৈ ব্যৱহাৰৰ উপযোগী হোৱা পঞ্চম প্ৰজন্মৰ চেলুলাৰ প্ৰযুক্তি। তথ্যৰ আদান-প্ৰদানৰ গতি বৃদ্ধি কৰিবলৈ আৰু ইণ্টাৰনেট সম্পৰ্কীয় সেৱাসমূহ উন্নত কৰিবলৈ 5G ডিজাইন কৰা হৈছে। 5G নেটৱৰ্কৰ সহায়ত তথ্য আৰু যোগাযোগ ক্ষেত্ৰত নতুন মাত্ৰা লাভ কৰাৰ লগতে ডিজিটেল পৃথিৱীত বৃহৎ পৰিৱৰ্তন হোৱাৰ আশা কৰা হৈছে।

**5G প্ৰযুক্তি :** 5G প্ৰযুক্তিৰ Data transfer কৰাৰ গতিবেগ 20 Gbpsতকৈ অধিক, আনহাতে 4G প্ৰযুক্তিৰ Data transfer কৰাৰ সৰ্বাধিক গতিবেগ মাত্ৰ 1Gbps। 5Gয়ে উচ্চ গতিৰ প্ৰয়োজন হোৱা ব্যৱসায়িক এপ্লিকেছনৰ লগতে অনলাইন গেমিং, ভিডিঅ' কনফাৰেন্সিং আৰু স্বয়ংচালিত ড্ৰাইভাৰবিহীন গাড়ীৰ সেৱা উন্নত কৰিব পাৰে। এনে প্ৰযুক্তিৰ ফলত মানুহে 3D ফিল্মৰ দৰে নতুন প্ৰযুক্তিৰ ফিল্ম অধিক বাস্তৱ ৰূপত উপভোগ কৰিব পাৰিব। Live Streaming প্লেটফৰ্মে অধিক প্ৰসাৰ লাভ কৰিব।

**5G নেটৱৰ্কৰ গতিবেগ :** আমাৰ স্মাৰ্ট ফোনত 2G ইণ্টাৰনেট সেৱাৰ পৰা আৰম্ভ কৰি 3G, 4Gলৈকে ইণ্টাৰনেট সেৱা লাভ কৰি আহিছোঁ। এই গোটেইকেইটা ইণ্টাৰনেট সেৱাৰ মাজত মূল পাৰ্থক্য হ'ল—ইণ্টাৰনেটৰ গতিবেগ। আগতেই উল্লেখ কৰা হৈছে যে যি সময়ত 4G নেটৱৰ্কৰ সৰ্বাধিক গতিবেগ 1Gbpsৰ পৰা 4Gbps আছিল। 5Gৰ আগমনে সেই গতিবেগ 20Gbpsৰ পৰা 300Gbpsৰ হোৱাৰ সম্ভাৱনা প্ৰকট কৰি তুলিছে।

পঞ্চম প্ৰজন্মৰ 5G নেটৱৰ্ক ব্যৱস্থাই ইণ্টাৰনেট সংযোগ ব্যৱস্থা অতি দ্ৰুতগামী কৰি তুলিছে। তুলনামূলকভাৱে 4G নেটৱৰ্কত দুঘণ্টাৰ চিনেমা এখন ডাউনলোড কৰোঁতে যদি ছয় মিনিট সময় লাগিছিল 5G নেটৱৰ্কৰ জৰিয়তে চিনেমাখন মাত্ৰ চাৰি ছেকেণ্ডতকৈও কম সময়ত ডাউনলোড কৰিব পৰা যাব। 5G নেটৱৰ্কৰ এই দুৰন্ত গতিয়ে বিজ্ঞান, প্ৰযুক্তিবিদ্যা, বেপাৰ-বাণিজ্য, শিক্ষা, স্বাস্থ্য আদিৰ লগতে দূৰ সংযোগ ব্যৱস্থাত যুগান্তকাৰী উন্নয়নৰ সূচনা কৰিছে। আজিৰ সময়ত ইণ্টাৰনেটৰ যোগেদি এখন দেশত বহিঃ চিকিৎসকে আন এখন দেশত শল্য চিকিৎসা (surgery) কৰিবলৈ সক্ষম হৈছে। বেলেগ বেলেগ ঠাইত থকা মানুহে একেলগে গৱেষণা কৰিব পাৰিছে। কৃত্ৰিম বুদ্ধিমত্তা আৰু প্ৰযুক্তিৰ ব্যৱহাৰ কৰি বিভিন্ন গেজেট একেলগে নিয়ন্ত্ৰণ কৰিব পৰা হৈছে।

**5G নেটৱৰ্কৰ সংশয় :** 5G নেটৱৰ্কৰ আগমনক লৈ মানুহৰ মনত সংশয়ৰ উৎপত্তি নোহোৱাকৈ থকা নাই।

কাৰণ সকলো বস্তুৰেই ভাল আৰু বেয়া দুয়োটা দিশ থাকে। 5G নেটৱৰ্ক ব্যৱস্থাই মানুহ আৰু জীৱ-জন্তুৰ স্বাস্থ্যৰ ওপৰত বিৰূপ প্ৰভাৱ পেলাব। 5G নেটৱৰ্ক সংস্থাপনৰ ফলত সকলো মানুহ বৰ্তমানতকৈ এশগুণ শক্তিশালী বিকিৰণৰ (radiation) সন্মুখীন হ'ব আৰু ইয়াৰ ফলত মানুহ আৰু জীৱজগতৰ অপূৰণীয় তথা বিস্তৰ ক্ষতিসাধন হ'ব।

তদুপৰি 5G নেটৱৰ্কৰ লগত অতি উচ্চ কম্পনাংকৰ বিকিৰণ সংযুক্ত হৈ থাকে। বৰ্তমানৰ 3G, 4G ম'বাইল সংযোগ ব্যৱস্থাতো বিদ্যুৎচুম্বকীয় তৰংগ ব্যৱহাৰ কৰা হয় যদিও এই তৰংগৰ কম্পনাংকতকৈ 5G নেটৱৰ্কত ব্যৱহৃত তৰংগৰ কম্পনাংক প্ৰায় দহগুণ অধিক। উদাহৰণস্বৰূপে, বৰ্তমানৰ 4G প্ৰযুক্তিত প্ৰায় ২ গিগাহাৰ্জ কম্পনাংকৰ তৰংগ ব্যৱহাৰ কৰা হয় কিন্তু 5G প্ৰযুক্তিত ২৫ গিগাহাৰ্জৰ পৰা ৩৫ গিগাহাৰ্জ কম্পনাংকৰ তৰংগ ব্যৱহাৰ কৰা হয়। বিদ্যুৎচুম্বকীয় তৰংগৰ কম্পনাংক যিমানেই বৃদ্ধি হয়, সিমানেই তৰংগ অধিক শক্তিশালী আৰু বেছি ক্ষতিকাৰক হয়। দীৰ্ঘ সময় মানুহ উচ্চ কম্পনাংকৰ বিদ্যুৎচুম্বকীয় বিকিৰণৰ আবেষ্টনীত থাকিলে কৰ্কট ৰোগৰ দৰে বহুতো মাৰাত্মক ৰোগৰ চিকাৰ হ'ব পাৰে। উচ্চ কম্পনাংকৰ বিদ্যুৎচুম্বকীয় তৰংগই মানুহৰ ছালৰ কোষ, চকুৰ ৰেটিনা আদিৰ ক্ষতিসাধন কৰিব পাৰে। তেনে তৰংগই চৰাই-চিৰিকটিৰ বিস্তৰ ক্ষতিসাধন কৰিব পাৰে আৰু মৃত্যুৰ কাৰণো হ'ব পাৰে। গৱেষকসকলে গৱেষণা কৰি পোৱা তথ্য অনুসৰি এই বিদ্যুৎচুম্বকীয় তৰংগ ইমানেই শক্তিশালী যে চৰাই-চিৰিকটিবোৰ ইয়াৰ প্ৰভাৱত নিজৰ বাহলৈ অহা ৰাস্তা পাহৰি যায় আৰু মৃত্যুমুখত পৰে। 5G প্ৰযুক্তিৰ ফলত হয়তো বহুতো চৰাই পৃথিৱীৰ পৰা বিলুপ্ত হৈ যাব।

নতুনকৈ অহা যিকোনো প্ৰযুক্তিৰ ব্যৱহাৰৰ ক্ষেত্ৰত মানুহৰ মনত কিছু পৰিমাণে আশংকাৰ সৃষ্টি হয়। 5G নেটৱৰ্কৰ ক্ষেত্ৰত সেই আশংকা একেবাৰে অমূলক নহয়। উচ্চ কম্পনাংকৰ বিদ্যুৎচুম্বকীয় তৰংগই মানুহৰ শৰীৰৰ কোষৰ উষ্ণতা বৃদ্ধি কৰিব পাৰে বুলি ইতিমধ্যে প্ৰমাণিত হৈছে। এই উষ্ণতা বৃদ্ধিয়ে মানুহৰ মগজু আৰু অংগ-প্ৰত্যংগৰ ক্ষতি কৰাৰ লগতে কোষৰ অভ্যন্তৰতো অনাকাংক্ষিত পৰিৱৰ্তন ঘটাব পাৰে। অধিক সময় ম'বাইল ফোনৰ বিকিৰণৰ প্ৰভাৱত থকাৰ ফলত মগজুৰ টিউমাৰ হোৱাৰ সম্ভাৱনা বহু পৰিমাণে বৃদ্ধি পায় বুলি অধ্যয়নৰ পৰা জানিব পৰা গৈছে। ২০১৮ চনত আমেৰিকা যুক্তৰাষ্ট্ৰত হোৱা এটা গৱেষণাত প্ৰতিপন্ন হৈছে যে দুবছৰ ধৰি ম'বাইল ফোনৰ বিদ্যুৎচুম্বকীয় বিকিৰণৰ আবেষ্টনীত ৰাখিলে নিগনি আৰু এন্দুৰৰ কোষৰ DNAত প্ৰভাৱ পৰে আৰু কৰ্কট ৰোগ হোৱাৰ সম্ভাৱনা বহু পৰিমাণে বৃদ্ধি পায়। ২০১১ চনত 'International Agency for Research on Cancer' নামৰ সংস্থাটোৱে প্ৰকাশ কৰা এখন গৱেষণা পত্ৰত প্ৰকাশ পাইছিল যে শক্তিশালী বিদ্যুৎচুম্বকীয় তৰংগই মানুহ আৰু জীৱ-জন্তুৰ দেহত কৰ্কট ৰোগৰ কাৰণ 5G প্ৰযুক্তিত ব্যৱহৃত তৰংগ উচ্চ কম্পনাংকৰ হ'লেও তৰংগদৈৰ্ঘ্য কম হোৱাৰ কাৰণে বেছি দূৰলৈ প্ৰক্ষেপিত হ'ব নোৱাৰে। সেইকাৰণে ঘন ঘন টাৱাৰৰ প্ৰয়োজন হয়। বিদ্যুৎচুম্বকীয় তৰংগ প্ৰক্ষেপিত কৰা টাৱাৰৰ নিচেই কাষতে বাস কৰিলে বিকিৰণৰ পৰা মানুহৰ অধিক ক্ষতি হোৱাৰ আশংকা থাকে।

**5G নেটৱৰ্কৰ সম্ভাৱনা** : 5Gৰ প্ৰয়োগৰ ফলত আগতকৈ ২০ গুণ অধিক গতিত অনলাইন ফাইল, ফিল্ম, ফটো, গেম আদি ডাউনলোড কৰিব পৰা যাব। এটা deviceৰ পৰাই কেইবাটাও device সংযোগ কৰি অধিক গতিত ইণ্টাৰনেট সেৱা উপভোগ কৰিব পৰা যাব। ইয়াৰ উপৰি 5G প্ৰযুক্তিয়ে কেৱল উন্নত নেটৱৰ্ক পৰিবেশন আৰু গতিৰ নতুন যুগৰ সূচনা কৰাই নহয়, ব্যৱহাৰকাৰীসকলৰ বাবে নেটৱৰ্ক সংযোগ সম্পৰ্কীয় নতুন অভিজ্ঞতাও প্ৰদান কৰিব। স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত 5G প্ৰযুক্তি আৰু Wi-Fi সংযোগৰ ফলত ৰোগীক সংযুক্ত ডিভাইচৰ জৰিয়তে নিৰীক্ষণ কৰিবলৈ সহজ হৈ পৰিব। এই প্ৰযুক্তিৰ জৰিয়তে ৰোগীৰ হৃদস্পন্দন আৰু ৰক্তচাপৰ দৰে মূল স্বাস্থ্য সূচকৰ তথ্য অহৰহ লাভ কৰিব পৰা যাব। অট'ম'বাইল উদ্যোগত, পথৰ যান-জঁট নিয়ন্ত্ৰণ, দুৰ্ঘটনা প্ৰতিৰোধ, বাহনৰ গতিবেগ নিয়ন্ত্ৰণ

আদি ক্ষেত্ৰতো অধিক তথ্য দ্ৰুতগতিত আদান-প্ৰদান কৰিব পৰা যাব। 5Gৰ প্ৰযুক্তিসমূহ হ'ব ছফ্‌টৱেৰভিত্তিক প্লেটফৰ্ম, য'ত নেটৱৰ্কিঙৰ কাৰ্য্যকলাপ হাৰ্ডৱেৰৰ পৰিবৰ্তে ছফ্‌টৱেৰৰ জৰিয়তে পৰিচালনা কৰা হয়। 5G এণ্টেনাসমূহত MIMO (মাল্টিপল ইনপুট মাল্টিপল আউটপুট) নামেৰে এক প্ৰযুক্তি অন্তৰ্ভুক্ত কৰা হয়, যিয়ে একাধিক ট্ৰেন্সমিটাৰ আৰু ৰিচিভাৰক একে সময়তে অধিক তথ্য স্থানান্তৰ কৰিবলৈ সক্ষম কৰি তুলিব।

**সামৰণি** : বিশ্বত ম'বাইল ফোনৰ প্ৰচলন হোৱা প্ৰায় তিনি দশক পাৰ হৈ গ'ল। এই সময়ছোৱাত ম'বাইল ফোনৰ প্ৰযুক্তিয়ে 1Gৰ পৰা 5Gলৈ কেইবাটাও স্তৰ অতিক্ৰম কৰিলে। আমাৰ দেশত 5G প্ৰযুক্তি নতুন যদিও কিছুমান উন্নত দেশত প্ৰায় দুবছৰ আগৰে পৰা এই প্ৰযুক্তি ব্যৱহাৰ হৈ আহিছে। পাছলৈ বিকিৰণৰ ফলত মানুহৰ শৰীৰত কেনে ধৰণৰ দীৰ্ঘকালীন প্ৰভাৱ পৰে সেয়া হয়তো সময়ে ক'ব। আজিৰ সময়ত 5G প্ৰযুক্তিৰ প্ৰবৰ্তন যে অতি আৱশ্যকীয় সেয়া নিশ্চয়কৈ ক'ব পৰা যায়। কিন্তু সেই প্ৰযুক্তি মানুহ আৰু জীৱ-জন্তুৰ স্বাস্থ্যৰ বাবে ক্ষতিকাৰক হ'ব নোৱাৰে। ক'ভিডে জোকাৰি যোৱা পৃথিৱীৰ কাৰণে প্ৰযুক্তি আন এটা মাৰাত্মক ৰোগৰ কাৰণ হোৱা কেতিয়াও গ্ৰহণযোগ্য হ'ব নোৱাৰে। চৰকাৰ আৰু 5G নেটৱৰ্কৰ কাম হাতত লোৱা কোম্পানীসমূহে আগন্তুক সময়ত এই নতুন প্ৰযুক্তিৰ পৰা মানুহ আৰু জীৱ-জন্তুৰ যে কোনো ক্ষতিসাধন নহয় সেই বিষয়ে মানুহক আশ্বস্ত কৰিব লাগিব। ♦

# ভূগৰ্ভৰ পানীৰ নাটনি আৰু প্ৰতিৰোধৰ উপায়

■ **অহিৰণ অন্তৰীপ**
ষষ্ঠ শ্ৰেণী

**আৰম্ভণি** : "The water cycle and the life cycle are one."

পানী জীৱৰ প্ৰাণ। অথচ এই পানীৰ বাবেই বৰ্তমান পৃথিৱী বিপদৰ সন্মুখীন হৈছে। কাৰণ সমগ্ৰ পৃথিৱী এতিয়া গভীৰ জল সংকটৰ গৰাহত। ভূগৰ্ভৰ পানীৰ নাটনিৰ বাবেই মূলতঃ এই সমস্যাৰ সৃষ্টি হৈছে। কিয়নো পৃথিৱীৰ উপৰিভাগৰ প্ৰায় ৭০ শতাংশই পানীয়ে আৱৰি আছে যদিও ইয়াৰ মাত্ৰ ১ শতাংশ পানীহে মানুহে নিজৰ বাবে ব্যৱহাৰ কৰিব পাৰে। ইয়াৰ বিপৰীতে ভূগৰ্ভত জমা হৈ থকা ৩০ শতাংশ পানীৰ পৰা আমি খোৱাৰ বাবে উপযোগী পানীৰ অৰ্ধাংশ সংগ্ৰহ কৰোঁ। গতিকে ভূগৰ্ভৰ পানীৰ স্তৰ কমি যাবলৈ ধৰা বিষয়টো অতি গুৰুত্বসহকাৰে চালি-জাৰি চাই ইয়াক প্ৰতিৰোধ কৰাটো অতি জৰুৰী হৈ পৰিছে।

**ভূগৰ্ভৰ পানী মানেনো কি?**

পৃথিৱীৰ ভিতৰভাগৰ প্ৰায় ১০০ ফুট তলত শিল, বালি আৰু মাটিৰ ফাঁকে ফাঁকে পানীৰ এটা স্তৰ থাকে। এই স্তৰটোৱেই হৈছে ভূগৰ্ভৰ পানী। নিজৰা, কুঁৱা, হেণ্ড পাম্প আদিৰ পানীভাগ হৈছে ভূগৰ্ভৰেই পানী।

**ভূগৰ্ভৰ পানীৰ নাটনি হোৱাৰ কাৰণ**

"Even springs and wells dry up if you draw water from them too often and too much."

মাত্ৰাধিক্য ব্যৱহাৰে প্ৰকৃতিৰ সকলো উপাদানলৈ সংকট নমাই অনাটো স্বাভাৱিক। পানীৰ ক্ষেত্ৰতো একে কথাই প্ৰযোজ্য। ইয়াৰো কাৰণ বহুত। যেনে, ক) জনসংখ্যা বৃদ্ধি খ) কংক্ৰিটৰ ঘৰ-দুৱাৰ বৃদ্ধি গ) অবাধ বন ধ্বংসৰ ফলত হ্ৰাস পোৱা বৰষুণৰ পৰিমাণ

ঘ) গোলকীয় উষ্ণতা বৃদ্ধি আৰু জলবায়ু পৰিবৰ্তন ঙ) পানীৰ অপব্যৱহাৰ, উদ্যোগ আৰু খেতিত মাত্ৰাধিক পানীৰ ব্যৱহাৰ ইত্যাদি।

**প্ৰতিৰোধৰ উপায়**

"All the water that will ever be is right now."

১। যিহেতু ভূগৰ্ভৰ পানীৰ মূল উৎস বৰষুণ, গতিকে বৰষুণৰ পৰিমাণ বৃদ্ধি কৰিবলৈ আমি পৰ্য্যাপ্ত পৰিমাণৰ ঘাঁহ-বন, গছ-গছনি ৰুব লাগিব।

২। দৈনন্দিন জীৱনত বা অন্যান্য সকলো ক্ষেত্ৰতে পানীৰ অপব্যৱহাৰ ৰোধ কৰিব লাগিব।

৩। পানীৰ বিকল্প উৎসৰ সন্ধান কৰিব লাগিব।

৪। বৰষুণৰ পানী বা অন্যান্য উৎসৰ পানী সংৰক্ষণৰ ব্যৱস্থা কৰিব লাগিব।

৫। ৰাসায়নিক দ্ৰব্য, পলিথিন আদিৰ ব্যৱহাৰ কমাব লাগিব।

৬। সজাগতামূলক কাৰ্য্যসূচী গ্ৰহণ কৰিব লাগিব।

৭। এই সম্পৰ্কে আৰু অধিক গৱেষণা আৰু অনুসন্ধান কৰিব লাগিব।

৮। উদ্যোগ আৰু খেতি-বাতিত যাতে কম পানী প্ৰয়োগ কৰি বেছি ফল পাব পাৰে তাৰ বাবে বিজ্ঞানসন্মত উপায় অৱলম্বন কৰিব লাগিব।

৯। বহনক্ষম উন্নয়নত গুৰুত্ব দিব লাগিব।

**মূল্যাংকন আৰু সামৰণি**

"Water is the driving force of nature"

ভাৰতবৰ্ষৰ ভূগৰ্ভৰ পানীৰ বিশেষজ্ঞ ড° বীণা শ্ৰীনিবাসনৰ মতে ভাৰতবৰ্ষৰ গাঁৱত বাস কৰা আৰু নগৰত বাস কৰা প্ৰায় সকলো মানুহ ভূগৰ্ভৰ পানীৰ ওপৰত নিৰ্ভৰশীল। কিন্তু অহা এটা দশকৰ ভিতৰত ভূগৰ্ভৰ পানীৰ স্তৰ এনে এটা পৰ্য্যায়লৈ নামি যাব যে মানুহে খোৱাপানীৰ বাবে অভাৱনীয় পৰিস্থিতিৰ সন্মুখীন হ'ব। এই ভয়াবহতালৈ লক্ষ্য ৰাখি ৰাষ্ট্ৰসংঘই ২০২২ চনৰ 'বিশ্ব জল দিৱস'ৰ বিষয় হিচাপে নিৰ্বাচন কৰা বিষয়টো আছিল "Groundwater : Making the Invisible Visible." ৰাষ্ট্ৰসংঘৰ এই কাৰ্য্যসূচীৰ গুৰুত্ব আমি সকলোৱে বুজা উচিত।

আমাৰ বাসস্থান গুৱাহাটীতো প্ৰথমবাৰৰ বাবে ২০২৩ চনত ভূগৰ্ভৰ পানী নিষ্কাসন ৭৫ শতাংশ পাইছেগৈ। অনাগত দিনত আমিও যাতে গভীৰ জল সংকট বা সমস্যাৰ সন্মুখীন হ'ব লগা নহয়, তাৰ বাবে সকলোৱে বিষয়টোৰ গুৰুত্ব বুজি সম্ভৱপৰ সকলো কাৰ্য্যপন্থা হাতত লোৱা উচিত। ♦



**স্নেহাংগী চৌধুৰী**, প্ৰাক্-প্ৰাথমিক শ্ৰেণী



**চৈয়দা আফৰিনা ৰহমান**, প্ৰাক্-প্ৰাথমিক শ্ৰেণী

# অনুভৱৰ অভিজ্ঞতাৰে আমি আৰু আমাৰ ল'ৰা-ছোৱালীবোৰ

■ **অসীম কৃষ্ণ বৰুৱা**
শিক্ষক, সমাজ বিজ্ঞান বিভাগ



১৯৯৮ চনৰ পৰা অসম জাতীয় বিদ্যালয়ত আছোঁ। জীৱনৰ অতিশয় সুদৃঢ় সময়খিনি এই বিদ্যালয়তে পাৰ কৰা হৈছে। শিক্ষকতাৰ দৰে পবিত্ৰ কৰ্তব্যত জড়িত হ'ব পৰাটো পৰম সৌভাগ্যৰ কথা বুলি অনুভৱ কৰিব পাৰিছোঁ। তাৰ লগে লগে এই কৰ্মৰ গভীৰতা, ব্যাপকতা, জটিলতাৰ কথাও ক্ৰমান্বয়ে অনুধাৱন কৰিবলৈ সক্ষম হৈছোঁ। সুস্পষ্টকৈ বুজি পাইছোঁ যে শিক্ষকতাৰ বাবে প্ৰয়োজনীয় প্ৰায়বোৰ উপাদান মোৰ নাই। এয়া নম্ৰতা নহয়। নিজৰ ক্ষেত্ৰত কৰা নিৰ্মোহ বিশ্লেষণ। এই বিশ্লেষণে মোক বৰ বিশেষ হতাশগ্ৰস্ত বা দুখিত কৰা নাই। তাৰো এটা উপায় উলিয়াই পেলাইছোঁ। উপায়টো হ'ল যে মই এজন শিক্ষাকৰ্মীহে। তাতে আৰু এটা কথা, শিক্ষকতাৰ দোষ-গুণ বিচাৰৰ ভাৰ সমাজখনে গ্ৰহণ কৰেই যিহেতু সেয়া সেইভাগে এৰিলোঁ।

দীৰ্ঘদিন ধৰি বিদ্যালয়খনত থকাৰ অভিজ্ঞতাৰে আন এটা উপায়ো পালোঁ। উপায়টো হ'ল শিক্ষাৰ্থীৰ সৈতে যথাসম্ভৱ বন্ধুত্ব স্থাপন কৰা। এইটোও অত্যন্ত জটিল কাম। কিন্তু পাৰি। এই বন্ধুত্ব স্থাপনৰ প্ৰত্যাহ্বান সৰু নহয়। কাৰণ যোৱা দুটামান দশকত আমাৰ চৌপাশৰ অৰ্থনৈতিক, সামাজিক, ৰাজনৈতিক অৱস্থাৰ পৰিৱৰ্তনে সৰ্বস্তৰৰ মানুহক ব্যাপকভাৱে প্ৰভাৱিত কৰাৰ লগতে শিশু-কিশোৰসকলকো প্ৰভাৱিত কৰিছে। এই প্ৰভাৱ ভাল আৰু বেয়া দুয়োটা দিশতে বাৰুকৈয়ে দেখা গৈছে। এনে পৰিৱৰ্তিত অৱস্থাৰ মাজত শিক্ষকতাৰ প্ৰত্যাহ্বান দুগুণে বাঢ়িছে।

ল'ৰা-ছোৱালীবোৰ চামে চামে ওলাই গৈছে। ২০০০ চনৰ পৰা ২০২২ চনলৈকে তেইছটা বছৰত ল'ৰা-ছোৱালীবোৰে 'মেট্ৰিক' পৰীক্ষাৰ ডেওনা পাৰ হৈ এতিয়া বহল পৃথিৱীখনৰ বিভিন্ন কৰ্মক্ষেত্ৰত বিচৰণ কৰি আছে। তেওঁলোকৰ মুখবোৰলৈ মনত পেলাওঁ। প্ৰতিজনৰে খবৰ নাজানো যদিও বহুতৰ খবৰ জানো। এই খবৰবোৰৰ ভিত্তিতেই পাৰ হৈ যোৱা সময়ৰ এক বিশ্লেষণো কৰিবলৈ চেষ্টা কৰি আহিছোঁ। এই বিশ্লেষণে মোৰ একান্ত ব্যক্তিগত অৱস্থাৰ পৰা সামূহিক অৱস্থাৰ গতিশীল ৰূপটোক সামৰি লয়। অকপটে স্বীকাৰ কৰোঁ যে এই বিশ্লেষণ অনুভৱৰ এক কচৰৎ। জ্ঞান আৰু তাত্ত্বিকতাৰ প্ৰভাৱ মোৰ ক্ষেত্ৰত এনেয়ে কম। অৱশ্যে অনুভৱৰ তীব্ৰতাক মই আগ স্থান দিওঁ। গতিকে অনুভৱে এনেদৰে কয়—

## শাৰীৰিক-মানসিক শান্তি, বিচাৰ

শিক্ষা প্ৰদান আৰু গ্ৰহণৰ ক্ষেত্ৰত শাৰীৰিক আৰু

মানসিক শাস্তি গ্ৰহণীয় নহয়। এই কথাষাৰ বুজোঁতে ভালেমান বছৰ লাগিল। এইটো অন্ততঃ বুজা গৈছে যে ল'ৰা-ছোৱালীক কোনোবা শিক্ষকে শাৰীৰিক শাস্তি প্ৰদান কৰাটোকে প্ৰথম আৰু অন্তিম উপায় হিচাপে গ্ৰহণ কৰাৰ আগতে আন কিবা গঠনমূলক উপায় গ্ৰহণ কৰিছিলনে? আনবোৰ উপায় ব্যৰ্থ হৈছিল কাৰণে শেষ পৰ্য্যায়ৰ শাৰীৰিক আৰু মানসিক শাস্তি দিয়া হ'ল? এইটো আজিৰ তাৰিখত আইন বিৰুদ্ধ। তাতে তেনে এটা অৱস্থাত শিক্ষকৰ সমৰ্থনত মাত মাতিবলৈ কোনো নথকাটোৱেই স্বাভাৱিক। এইবোৰ কথা বাদ দি বুজা যায় যে ল'ৰা-ছোৱালীৰ মনৰ খবৰ ৰাখিবলৈ কিমান চেষ্টা কৰা যায়। তেনে চেষ্টা কৰিবলৈ শিক্ষণ-প্ৰক্ৰিয়াটোত কিমান সুযোগ থাকে? সেই সুযোগ যদি থাকে তেন্তে সেই মতে কাম কৰিবলৈ আমিবোৰ আগ্ৰহী আৰু ব্যুৎপত্তিসম্পন্ন মানুহ হয়নে?

## চিকিৎসক, শিক্ষক আৰু আৰক্ষী

সমাজ ব্যৱস্থাটোত তিনি শ্ৰেণীৰ মানুহক সহজেই দোষাৰোপ কৰা যায়। চিকিৎসক, শিক্ষক আৰু আৰক্ষী। এই শ্ৰেণী তিনিটা সমাজৰ সৈতে আন বহু কৰ্মতকৈ অধিক দায়িত্বশীল আৰু প্ৰভাৱশীল হোৱা বাবেই এনে হয়। সমাজে এই তিনিওটা শ্ৰেণীৰ ভাল কৰ্মক যিদৰে হিয়া উবুৰিয়াই প্ৰশংসা কৰিব পাৰে, সেইদৰে বেয়া কৰ্মক অতি নিষ্ঠুৰভাৱে সমালোচনাও কৰিব পাৰে। তাৰ বিপৰীতে, চিকিৎসক, শিক্ষক, আৰক্ষীৰ নিযুক্তিৰ পৰা আৰ্থ-সামাজিক, ৰাজনীতিক অৱস্থা, মান-সন্মান সকলো কথা সমানেই বিচাৰ্য্য। যাৰ বাবে অন্য প্ৰসংগত আলোচনাৰে অৱকাশ থাকিব। এইবোৰ কথা কিয় আহিল?

এই কাৰণেই আহিল যে শিক্ষাৰ্থী-অভিভাৱক আৰু শিক্ষক এই তিনিটা উপাদানৰ ভিত্তিতহে শিক্ষা গ্ৰহণ-প্ৰদান ব্যৱস্থাটো পৰিচালিত হয়, সম্পূৰ্ণ হয়। গতিকে উক্ত তিনিওটা উপাদানৰ মান যিমান হয়, সেইমতে ফলাফল পোৱা যায়। শিক্ষক নিজৰ কামত উৎসৰ্গীকৃত হয়নে নহয়? অভিভাৱক সচেতন আৰু শ্ৰদ্ধাশীল হয়নে নহয়? যদি উৎসৰ্গা আৰু পাৰস্পৰিক শ্ৰদ্ধাৰ ভেটিটো সুদৃঢ় হয় তেন্তে শিক্ষাৰ্থীৰ কল্যাণ সুনিশ্চিত হ'ব পাৰে। ভুল হ'লেও সেই ভুল মাৰাত্মক নহ'ব। শুধৰাব পৰা ভুলেই হ'ব।

## সীমাৰ পৰিধি ভাঙি

শিক্ষকে পাঠ্যক্ৰমৰ সীমাৰ মাজতে থাকি শিক্ষাৰ্থীক ভৱিষ্যতৰ এটা ৰূপৰেখাৰ ইংগিত দিব পৰাকৈ প্ৰস্তুত হৈ থাকেনে? নিজৰ বিষয়টোৰ ব্যাপকতা আৰু সম্ভাৱনাৰ দিগন্ত মুকলি হোৱাকৈ আলোচনা কৰেনে? নে কেৱল প্ৰশ্ন-উত্তৰৰ এটা অভ্যাসত শৰণাপন্ন হৈয়ে চালি থাকে? পৰীক্ষাৰ ব্যৱস্থা এটা আছে যিহেতু সেইটোত ব্যুৎপত্তি দেখুৱাব পাৰিব লাগিব। কিন্তু সেই সাময়িক ব্যুৎপত্তিয়েই সৰ্বশ্ৰেষ্ঠ লক্ষ্য-উদ্দেশ্য আৰু একমাত্ৰ ফলাফল কেনেকৈ হ'ব? জীৱনে তেনেকৈ প্ৰমাণ দিয়া নাই। ইয়াৰ সমৰ্থনত অলেখ যুক্তি আছে।

অসম জাতীয় বিদ্যালয়ৰ পৰা মেট্ৰিক পৰীক্ষাত ৫০% ৰ পৰা ৭৫% শতাংশ নম্বৰ লাভ কৰা এনে অনেক শিক্ষাৰ্থীয় পৰৱৰ্তী পৰ্য্যায়ত শিক্ষা, কলা-কৃষ্টি, ব্যৱসায়-বাণিজ্য, খেলা-ধূলা, সমাজ সেৱা আদি বিষয়ত বিচক্ষণতা দেখুৱাইছে, সফল হৈছে। এয়া আন বিদ্যালয়সমূহৰ ক্ষেত্ৰতো সমানেই লক্ষ্যণীয়। তেন্তে এইসকলক আমি বিদ্যালয় পৰ্য্যায়ত মেধাসম্পন্ন বুলি চিনি পাবলৈ চেষ্টা কৰিছিলোঁনে? যদি কৰিছিলোঁ তেন্তে শিক্ষকতাৰ সাৰ্থকতা এইসকলক লৈহে জোখা হ'ব। সামগ্ৰিক ব্যৱস্থাটোৰ উত্তৰণৰ পৰ্য্যালোচনা সেইদৰেহে কৰা হ'ব। সৌভাগ্যৰ কথা যে আমাৰ বিদ্যালয়খনৰ ক্ষেত্ৰত এই পৰ্য্যালোচনা যথেষ্ট আশাব্যঞ্জক।

## স্মৃতিশক্তি বনাম বুদ্ধিমত্তা

শিক্ষা প্ৰদান আৰু গ্ৰহণ ব্যৱস্থাটো অতি ষড়যন্ত্ৰমূলকভাৱে স্মৃতিকেন্দ্ৰিক (Memory centric) হৈ পৰিল নেকি? যিটো আচলতে বুদ্ধিমত্তাকেন্দ্ৰিক (Intelligence oriented) হ'লেহে জীৱন আৰু জীৱিকাৰ উপায় বিচাৰি পোৱা যায় বুলি প্ৰমাণিত হৈ

আহিছে। স্মৃতিকেন্দ্ৰিক ব্যৱস্থাটোৰ অন্য নাম ভাটৌ শিক্ষা। ইয়াৰ অন্তঃসাৰশূন্যতা সোনকালেই প্ৰমাণিত হয়। আশী শতাংশ শিক্ষাৰ্থীয়ে বছৰেকীয়া পৰীক্ষা হৈ যোৱাৰ তিনি-চাৰি মাহৰ পাছত আগৰটো শ্ৰেণীৰ প্ৰায়বোৰ কথা পাহৰি যায়, আনকি বছৰেকীয়া পৰীক্ষাত পোৱা নম্বৰকেইটাও পাহৰি যায়। এই প্ৰক্ৰিয়াটোত আমি পৈণত বয়সৰ মানুহবোৰে জ্ঞাতে-অজ্ঞাতে উজান দিছোঁ নেকি?

## ল'ৰা-ছোৱালীবোৰৰ প্ৰকাৰ

অত বছৰে বিদ্যালয়ত থাকি শিক্ষাৰ্থী হিচাপে ল'ৰা-ছোৱালীবোৰৰ কেইটামান ভাগ লক্ষ্য কৰিছোঁ। ভাগকেইটা হ'ল—বছৰ বছৰ ধৰি শ্ৰেণীকোঠাত নীৰৱে-নিমাতে বহি থকা শিক্ষাৰ্থী, উৎপতীয়া বুলি স্বীকৃত শিক্ষাৰ্থী, সকলো ধৰণৰ প্ৰচেষ্টা লোৱাৰ পাছতো পঢ়া-শুনাত সফল নোহোৱা শিক্ষাৰ্থী, খেলা-ধূলা-নাচ-নাটক-সংগীত আদিত প্ৰতিভাসম্পন্ন শিক্ষাৰ্থী, পঢ়া-শুনাত এশ শতাংশই মনোযোগী শিক্ষাৰ্থী, শিক্ষক-শিক্ষয়িত্ৰীৰ প্ৰতি শ্ৰদ্ধাশীল হোৱা আৰু নোহোৱা শিক্ষাৰ্থী, আচৰণগত সমস্যা থকা-নথকা শিক্ষাৰ্থী। এই ভাগবোৰ একোটা সিদ্ধান্ত নহয়, বিশ্লেষণহে।

## সুস্থিৰ, শৃংখলাবদ্ধ, দায়িত্বশীল আৰু...

আন এটা কথা হ'ল—ছাত্ৰ-ছাত্ৰী হিচাপে কোনবোৰ ল'ৰা-ছোৱালীক অধিক সুস্থিৰ, শৃংখলাবদ্ধ আৰু দায়িত্বশীল ৰূপত পোৱা যায়? উত্তৰ হ'ল যিবোৰ ল'ৰা-ছোৱালীৰ ঘৰৰ পাৰিবাৰিক অৱস্থা সুস্থিৰ, শৃংখলাবদ্ধ আৰু সংস্কাৰী, তেনেবোৰ ল'ৰা-ছোৱালীক ভাল শিক্ষাৰ্থী হিচাপে লক্ষ্য কৰা যায়। অৰ্থাৎ যি পৰিয়ালত পাৰস্পৰিক সন্মানবোধ, আন্তৰিকতা, দায়িত্বশীলতাৰ শিক্ষা দিয়া হয় বা পোৱা যায়, তেনে ল'ৰা-ছোৱালীয়ে একোজন ভাল শিক্ষাৰ্থীৰ পৰিচয় দিয়ে। ভাল শিক্ষাৰ্থী মানে নিজৰ প্ৰতি দায়িত্বশীল, পিতৃ-মাতৃৰ প্ৰতি সন্মান থকা, শিক্ষক-শিক্ষয়িত্ৰীৰ প্ৰতি শ্ৰদ্ধাশীল, সমনীয়াৰ প্ৰতি আন্তৰিকতা থকা আদি গুণবোৰ থকাকে বুজায়। কেৱল পৰীক্ষাত ভাল নম্বৰ পালেই ভাল শিক্ষাৰ্থী বুলি ক'ব পৰা নাযায়।

## কি কৰিলা, কি কৰিবা

প্ৰায়বোৰ ল'ৰা-ছোৱালীক সোধা যায় যে তুমি নিজৰ সম্পৰ্কে কি ভাবা? ভাবানে? কেতিয়া ভাবা? কিমান সময় ভাবা? নিজৰ সৈতে কথা পাতানে? নিজক প্ৰশ্ন সোধানে? প্ৰতিটো দিন কেনেকৈ পাৰ কৰিবা, কেনেকৈ পাৰ কৰিলা নিজক সোধানে? ষষ্ঠ শ্ৰেণীৰ পৰা ল'ৰা-ছোৱালীবোৰক প্ৰায়েই সোধা যায় যে তুমি স্কুললৈ পঢ়িবলৈ অহা কিমান বছৰ হ'ল? ষষ্ঠ শ্ৰেণীলৈকে সাত-আঠ বছৰ হৈ গ'ল। সাত-আঠ বছৰ? এয়া জানো কম সময়? কি কৰিলা তুমি? তুমি ভবা মতে, মা-দেউতাই আশা কৰা মতে কামবোৰ হৈছে বুলি ভাবানে? হৈছে যদি বাৰু ঠিক আছে, যদি হোৱা নাই? কিয় নহ'ল? এনেকৈয়ে চলিব নেকি? ভাল হোৱাৰ কি কি উপায় আছে? উপায়বোৰ কোনে দিব? এতিয়া কি কৰিবা, কেনেকৈ আগ বাঢ়িবা? তুমি ভবাৰ দৰে বিচৰাৰ দৰে হোৱা যে নাই তাৰ বাবে জগৰীয়া কোন? প্ৰশ্নবোৰ মন-মগজুত খুন্দিয়াই যোৱাকৈ সুধিব পাৰিলে সেইবোৰৰ উত্তৰ আছে। আছে উত্তৰ।

## জীৱনৰ প্ৰথম পাঁচটা বছৰ

ল'ৰা-ছোৱালীবোৰৰ জীৱনৰ প্ৰথম পাঁচটা বছৰত আমি মাক-দেউতাক-অভিভাৱকে কি কৰিলোঁ? ল'ৰা-ছোৱালীবোৰ সৰু হৈ আছিল বুলি ভাবিছিলোঁ নেকি? যদি ভাবিছিলোঁ মাৰাত্মক ভুল কৰিছিলোঁ। ডাক্তৰ, শিশু বিশেষজ্ঞসকলে কয় যে ল'ৰা-ছোৱালীবোৰৰ জীৱনৰ প্ৰথম পাঁচটা বছৰতেই তেওঁলোকৰ শাৰীৰিক-মানসিক স্বাস্থ্য আৰু বিকাশ হয়। এই পাঁচটা বছৰত হোৱা সেই বিকাশৰ মতে তেওঁলোক পৈণত হয়। পৰৱৰ্তী জীৱন সেই মতেই চলে। নতুনকৈ বৰ বেছি গুণাগুণ যোগ নহয়। বিদ্যালয়ত নামভৰ্তি কৰাৰ আগতেই সদায় সময়মতে গা ধোৱাৰ অভ্যাস কৰা হৈছিলনে, খোৱা-বোৱাৰ কামবোৰ সময়মতে, সুস্থভাৱে কৰা হৈছিলনে? শোৱাৰ সময়? পুৱা সাৰ পোৱাৰ সময়? পঢ়াৰ টেবুলত বহাৰ সময়, শেষ কৰাৰ সময়? মৰম কৰাৰ লগতে তেওঁলোকৰ প্ৰতি সন্মান দেখুওৱা হৈছিলনে? তেওঁলোকৰ ভিতৰখন বুজাৰ চেষ্টা? যদি হৈছিল

সেইমতে ফলাফল লাভ কৰা হয়। যদি নহৈছিল এই সৰু যেন কথাবোৰ একো একোটা বৃহৎ সমস্যা হৈ পৰা আমি দেখি আহিছোঁ।

## সিদ্ধান্ত গ্ৰহণ সামৰ্থ্য

আন এটা অতি গুৰুত্বপূৰ্ণ দিশ হ'ল আমাৰ ল'ৰা-ছোৱালীবোৰৰ কিমানৰ নিজৰ কথা আৰু কামৰ ক্ষেত্ৰত নিজাববীয়া সিদ্ধান্ত ল'ব পৰা গুণটো থকা যেন লাগে? সিদ্ধান্ত গ্ৰহণ তেৱেঁই কৰিব পাৰে যাৰ প্ৰয়োজনীয় জ্ঞান থাকে, যি বুজি পায়, যি ভাবিব জানে। উপযুক্ত সিদ্ধান্ত গ্ৰহণ মানেই জীৱনৰ একপ্ৰকাৰ সফলতা। সিদ্ধান্ত গ্ৰহণৰ বাবে প্ৰয়োজনীয় জ্ঞান, বিশ্লেষণ কৰি চাব পৰা গুণ, ভাল-বেয়া, উপকাৰী-অপকাৰী কথা আৰু কাম কোনবোৰ আদি নিৰ্ণয় কৰিব জানিব লাগিব। সেইবোৰ শিশু অৱস্থাতে আৰম্ভ হয় বা নহয়। আপুনি-মই প্ৰাপ্তবয়স্কসকলে ল'ৰা-ছোৱালীবোৰক সহায় কৰোঁ নে সহযোগিতা কৰোঁ? নে গোটেই কামবোৰকে কৰি দিওঁ? এই কথাবোৰৰ ওপৰতে শিশুৱে নিজাকৈ চিন্তা কৰা, কাম কৰাৰ অভ্যাস গঢ়ি তোলে। গতিকে যেনে কৰ্ম তেনে ফল অৱশ্যম্ভাৱী।

## ক'ত শিকিলে এইবোৰ কথা

আকৌ এটা গুৰুত্বপূৰ্ণ কথা মনলৈ আহিল। কথাটো হ'ল বহু সময়ত মাক-দেউতাকে গমেই নাপায় নাইবা ধৰিবই নোৱাৰে যে সন্তানে অপ্ৰয়োজনীয়, অনৈতিক কথা আৰু আচৰণবোৰ ক'ত শিকিলে? তেনে অৱস্থাত এনে ভাব হয় যে 'আমাৰ ঘৰততো এনে কথা, ভাব-চিন্তা, আচৰণ কোনোৱে নকৰে, অথচ মোৰ সন্তানে...' ইয়াৰ ব্যাখ্যা এনে হ'ব পাৰে 'A man is known as the company he keeps' অৰ্থাৎ যেনে সংগ তেনে ৰং। ইয়াত ৰং মানে আচৰণ। গতিকে ল'ৰা-ছোৱালীবোৰৰ সংগ কোন, কেনেকুৱা সেইটো তীক্ষ্ণ নজৰত ৰখাটো এতিয়া এটা ডাঙৰ প্ৰত্যাহ্বান।

## সকলো খোলা কিতাপ

প্ৰথম শ্ৰেণীমানৰ পৰা বৰ্তমান সময়ৰ ল'ৰা-ছোৱালীবোৰে সকলো কথা বুজি পায়। তেওঁলোকৰ চৌপাশৰ পৰিবেশত ঘটি থকা প্ৰতিটো কথা তেওঁলোকে নিজৰ ধৰণেৰে বুজি লয়। ইয়াত ফাকি দিব নোৱাৰি। যি দেখিব তাকেই বুজিব, যি বুজিব তাকেই শিকিব, যি শিকিব তাকেই কৰিব। পিতৃ-মাতৃ, ভাই-ভনী, অঙহী-বঙহী, ওচৰ-চুবুৰীয়া, বিদ্যালয়ৰ লগ-বন্ধু, শিক্ষক-শিক্ষয়িত্ৰী, ৰাস্তা-ঘাট, বজাৰ-সমাৰ, উৎসৱ-পাৰ্বণ সকলো যেন একো একোখন খোলা কিতাপ। শিশুসকলে পঢ়ি পেলায় অনায়াসে। একো লুকুৱাই ৰাখিব নোৱাৰি।

## ভাল-বেয়া, ঠাট্টা-প্ৰশংসা

এতিয়া কি কৰা যায়? পৃথিৱীৰ ভাল কথাবোৰহে শিকিব লাগে। ভাল কামবোৰ কৰিব লাগে। অথচ ভাল আৰু বেয়া দেখোন প্ৰায় সমান সমান। বয়স আৰু বুদ্ধি অনুযায়ী উপযুক্ত স্থান-কাল মতে ভাল-বেয়াৰ পাৰ্থক্য বুজাই দিব পৰাকৈ আমি মাক-দেউতাকবোৰ, শিক্ষক-শিক্ষয়িত্ৰী, আত্মীয় মানুহবোৰ পৰ্য্যাপ্তভাৱে সৎ, সাহসী, সংবেদনশীল হয়নে? ভুল এটা কৰিলে সহজেই গালি দিয়া যায়, ঠাট্টা কৰা হয়, কোনোবাই শাৰীৰিক শাস্তি দিয়ে। প্ৰশংসা সেইদৰে মুকলিকৈ, সম্পূৰ্ণকৈ কৰা যায়নে? 'সমুখত প্ৰশংসা কৰিব নাপায়' বুলি আমি ভাবিয়েই আছোঁ নেকি? গালি যদি সমুখতে দিয়া হৈছে, তেন্তে প্ৰশংসাও সমুখতে কৰাত অসুবিধা কি? অকপটে স্বীকাৰ কৰোঁ যে গালি পাৰি মই আজিলৈকে কাকো শুধৰাব পৰা নাই। হাঁহে ঠোঁটেৰে বালি-বোকাৰ মাজৰ পৰা নিজৰ বাবে উপযুক্ত খাদ্যহে বাছি খায়। পানীৰ ওপৰতে থকা পদুম ফুলৰ গাত সেই পানী নলগাকৈ থাকে।

## আশা-কামনা-প্ৰাৰ্থনা

আশাবোৰ পূৰণ হ'বনে? কাৰ আশা? কোনে পূৰণ কৰিব? পিতৃ-মাতৃৰ অপূৰ্ণ আশাবোৰ সন্তানে পূৰণ কৰিব? তেনেকুৱা হৈছে নেকি কেতিয়াবা? মই অন্ততঃ নিজৰ জীৱনকে ফঁহিয়াই চাব পৰা হৈছোঁ। অৰ্থাৎ মই শিক্ষকতা কৰাটো মোৰ পিতৃ-মাতৃয়ে বিচাৰিছিল নেকি? চিধা উত্তৰ, বিচৰা নাছিল। তেওঁলোকে একো বিচৰা



## পৰিত্ৰাণৰ উপায় কি

জ্ঞানৰ পৰিসৰ অতি কম বাবে মই হৃদয়নিৰ্ভৰ মানুহ, মননিৰ্ভৰ মানুহ। সেয়েহে ল'ৰা-ছোৱালীবোৰৰ সৈতে প্ৰায়ে এটা কথা পাতোঁ যে ভাল হৈ থকাটো কিদৰে সম্ভৱ হ'ব পাৰে? মোৰ অনুভৱ আৰু অভিজ্ঞতাই দুটা উপায় বিচাৰি পাইছে। এটা উপায় হ'ল কিতাপ পঢ়া মানে গ্ৰন্থ অধ্যয়ন। নিজৰ উপকাৰৰ বাবে উপযুক্ত কিতাপ নিয়মীয়াকৈ পঢ়া, প্ৰচুৰভাৱে পঢ়া। খেলা-ধূলা, গীত-মাত-বাদ্যৰ চৰ্চা, নিজৰ পাঠ্যপুথি পঢ়াৰ সমান্তৰালভাৱে নিজৰ পছন্দৰ কিতাপ পঢ়া কামটোৱে শৈশৱ, কৈশোৰ কালত হ'ব পৰা বিপদবোৰৰ পৰা আঁতৰাই ৰাখিব, ম'বাইল ফোনৰ অলাগতিয়াল ব্যৱহাৰৰ পৰা দূৰত থাকিবলৈ সুযোগ দিব। এনেদৰে জীৱনৰ অস্থিৰতা দূৰ হ'ব। বেয়া কাম আৰু চিন্তা কৰিবলৈ সময় নোপোৱা হ'ব। আমি বিপদৰ পৰা বাচি যাম, বয়স আগ বঢ়াৰ লগে লগে কথা-কামবোৰ সহজ হৈ পৰিব।

আনটো উপায় হ'ল পিতৃ-মাতৃৰ মুখ দুখন। এই দুখন মুখ মন-মগজুৰ মন্দিৰত স্থাপন কৰি লোৱা যাওক। ঘৰৰ পৰা ওলাওঁতে, দিনটো ঘৰৰ পৰা আঁতৰত ব্যস্ত হৈ থাকোঁতে, ঘৰলৈ ঘূৰি আহোঁতে সদা-সৰ্বদা যি ল'ৰা-ছোৱালীয়ে পিতৃ-মাতৃৰ মুখ দুখন, তেওঁলোকৰ চকু চাৰিটা মন-মগজুত লৈ ফুৰে তেওঁ বেয়া চিন্তা-কাম কৰিব নোৱাৰে। সঁচাই নোৱাৰে। কেতিয়াও নোৱাৰে। প্ৰমাণ কৰি চালেই হ'ল।

এনেবোৰ কথা প্ৰতিজন পিতৃ-মাতৃ, শিক্ষক-শিক্ষয়িত্ৰী, শুভচিন্তকৰ মনত চলি থাকে, চলি থাকিব ক্ৰমশঃ ক্ৰমশঃ...। ♦

নাছিল। এই প্ৰশ্নটো আমি মাক-দেউতাক, শিক্ষক-শিক্ষয়িত্ৰীবোৰে নিজকে সোধা যাওক। প্ৰতিজন পিতৃ-মাতৃ, শিক্ষক-শিক্ষয়িত্ৰীয়ে ল'ৰা-ছোৱালীবোৰৰ 'ভাল' হোৱাটো সৰ্বান্তকৰণে বিচাৰে। এই ভাল হোৱা কথাটো হ'ল যে ল'ৰা-ছোৱালীবোৰ সুস্থ-সবল, চৰিত্ৰবান হৈ থাকি নিজৰ জীৱনত আগ বাঢ়ি যাওক, জীৱন-জীৱিকাৰ উপায় বিচাৰি স্বচ্ছলভাৱে জীয়াই থাকক। এয়ে কামনা, এয়ে প্ৰাৰ্থনা হৈ আমাৰ জীৱন অতিবাহিত হয়।

এই কামনা-প্ৰাৰ্থনা যিদৰে এশ শতাংশ স্বাভাৱিক। সেইদৰে ই সুস্পষ্ট নহয়। তাত দোষ নাই, কাৰণ পিতৃ-মাতৃবোৰ 'কেৰিয়াৰ কাউন্সিলৰ' নহয় বা জ্যোতিষীও নহয়। কিন্তু জ্ঞাতে-অজ্ঞাতে আমাৰ অপূৰ্ণ আশাবোৰ সন্তানৰ জৰিয়তে পূৰ্ণ হোৱাটো আমি অধিকাংশই বিচাৰোঁ। বিচৰাটো শুদ্ধ হ'ব যদিহে আমি ল'ৰা-ছোৱালীবোৰৰ মন-মগজুত থকা সক্ষমতা, প্ৰতিভা চিনাক্ত কৰিব পাৰোঁ নাইবা চিনাক্ত কৰাত সহায় কৰিব পাৰোঁ, চৌপাশৰ পৃথিৱীখনক চাবলৈ শিকাৰ ক্ষেত্ৰত সহযোগিতা কৰিব পাৰোঁ। তেওঁলোকক নিজৰ জীৱন সম্পৰ্কে ধাৰণা লোৱাত, সিদ্ধান্ত লোৱাৰ মানসিকতা গঢ়ি উঠাৰ পৰিৱেশ দিব পাৰোঁ। তেতিয়া কথা আৰু কামবোৰ স্বাভাৱিকভাৱেই আগ বাঢ়িব।

# মণিপুৰ : অতীত আৰু বৰ্তমান

■ কুশল গোস্বামী
শিক্ষক, সমাজ বিজ্ঞান বিভাগ

মণিপুৰ ভাৰতবৰ্ষৰ এখন অংগ ৰাজ্য। মহাকাব্য 'মহাভাৰত'ত মণিপুৰ ৰাজ্যৰ কথা উল্লেখ আছে। মণিপুৰৰ আভিধানিক তাৎপৰ্য্য হৈছে মণি-মুক্তাৰ নগৰ (city of Jewels)। মহাভাৰতৰ আদি পৰ্বত মণিপুৰৰ বিষয়ে উল্লেখ পোৱা যায় আৰু তৃতীয় পাণ্ডৱ অৰ্জুনে ১২ বছৰ ধৰ্মযাত্ৰা কৰাৰ সময়ত মণিপুৰত উপস্থিত হৈছিল। এই মণিপুৰৰে ৰাজকুমাৰী চিত্ৰাংগদাৰ লগত অৰ্জুন বিবাহপাশত আবদ্ধ হৈছিল। চিত্ৰাংগদা মণিপুৰৰ ৰজা চিত্ৰাবাহনৰ একমাত্ৰ সন্তান আছিল। অৰ্জুনৰ পুত্ৰ বভ্ৰুবাহন পাছত মণিপুৰৰ ৰজা হয়। মহাভাৰতৰ অশ্বমেধ পৰ্বতো মণিপুৰৰ বিষয়ে উল্লেখ থকা দেখা যায় আৰু বভ্ৰুবাহনৰ হাতত অৰ্জুন নিহত হোৱাৰ বৰ্ণনা পোৱা যায়। বভ্ৰুবাহনে স্বৰ্ণময় বৰ্ম ধাৰণ কৰি যুদ্ধ কৰিছিল বাবে মহাবীৰ অৰ্জুনক পৰাভূত কৰিব পাৰিছিল। মাতৃ চিত্ৰাংগদাৰ পৰা পিতৃ অৰ্জুনৰ পৰিচয় লাভ কৰাৰ পাছত বভ্ৰুবাহনে মাহীয়েক উলুপীৰ জৰিয়তে সঞ্জীৱন মণি আয়ত্ত কৰে আৰু নিহত অৰ্জুনৰ বুকুত মণিটো ৰখাৰ লগে লগে তেওঁ পুনৰ জীৱন লাভ কৰে। এচাম পণ্ডিতে মণিপুৰ কলিংগ ৰাজ্যত (উৰিষ্যা) বুলি মতপোষণ কৰে।

স্কন্দ পুৰাণতো মণিপুৰৰ কথা উল্লেখ পোৱা যায় আৰু প্ৰাচীন কালত এই ৰাজ্যখন 'গান্ধৰ্ব' দেশ বুলি খ্যাত আছিল। আহোম ৰাজত্বকালত বিভিন্ন প্ৰসংগত মণিপুৰৰ লগত সম্পৰ্ক স্থাপন হৈছিল আৰু কছাৰীসকলে মণিপুৰক 'মগলৌ' বুলি অভিহিত কৰিছিল। ইংৰাজ ভাইচৰয় লৰ্ড আৰউইনে (Lord Irwin) মণিপুৰক 'ছুইজাৰলেণ্ড অৱ ইণ্ডিয়া' (Switzerland of India) বুলি মন্তব্য কৰিছিল।

ক্ৰীড়া, সাহিত্য, কলা-সংস্কৃতিত অতি চহকী উত্তৰ-পূৰ্বাঞ্চলৰ ১৬খন জিলাবিশিষ্ট মণিপুৰ ৰাজ্যখনৰ মুঠ মাটিকালি প্ৰায় ২২,৩০০ বৰ্গ কিল'মিটাৰ। এই মাটিকালিৰ ১০ শতাংশ ইম্ফল উপত্যকাত আছে আৰু বাকী ৯০ শতাংশ ভূমি ইম্ফল উপত্যকাক চক্ৰাকাৰে ঘেৰি থকা পাহাৰবোৰত সোমাই আছে। ১০ শতাংশ ভূমিৰে আৱৰা ইম্ফল উপত্যকাত ৫৩ শতাংশ (সংখ্যাগৰিষ্ঠ) মেইটেই জনগোষ্ঠীৰ বাসভূমি। চাৰিওফালৰ ৯০ শতাংশ পাহাৰীয়া অঞ্চলত অন্যান্য ৪৬ শতাংশ (১৭ শতাংশ কুকি) লোক অতীতৰে পৰা বসবাস কৰি আহিছে। ইম্ফল উপত্যকাত বাস কৰা মেইটেইসকল অজনজাতীয় লোক তথা পাহাৰীয়া অঞ্চলত বসবাস কৰি থকা ৩৩টা জনগোষ্ঠীৰ বিশেষকৈ কুকি আৰু নগা লোকসকল অনুসূচিত জনজাতি (এছ টি) ৰূপে স্বীকৃত। মণিপুৰ চৰকাৰে ভূমি সংস্কাৰ আইন, ১৯৬০ৰ জৰিয়তে সমস্ত পাহাৰীয়া এলেকা জনজাতীয় লোকৰ বাবে সংৰক্ষণৰ ব্যৱস্থা কৰে।

পাহাৰীয়া লোকসকলৰ অধিকাংশই খৃষ্টানধৰ্মী আৰু ভৈয়ামৰ মেইটেইসকলৰ সৰহসংখ্যক লোক হিন্দু বৈষ্ণৱপন্থী। কিন্তু শেহতীয়াভাৱে মেইটেইৰ একাংশ লোকেও খৃষ্টান ধৰ্ম গ্ৰহণ কৰিছে। ৬০ জনীয়া মণিপুৰ বিধানসভাত ২/৩ অংশ সদস্য সদায়ে মেইটেই জনগোষ্ঠীৰ পৰা নিৰ্বাচিত হয়। বিভিন্ন কাম-কাজ, চাকৰি-বাকৰি আদিত মেইটেইৰ আধিপত্য থকা বাবে জনজাতীয় লোকসকলে চৰকাৰী কাম-কাজক আগৰে পৰা সন্দেহৰ চকুৰে চাই আহিছে। কিন্তু স্বৰাজোত্তৰ কালত বিভিন্ন ঘাত-প্ৰতিঘাত, সংঘাত, ভুল বুজাবুজি উদ্ভৱ হৈছে যদিও নিজৰ মাজত হোৱা পাৰস্পৰিক আলাপ-আলোচনাৰ মাজেৰে জনগোষ্ঠী দুটাই (কুকি-মেইটেই) মীমাংসাও কৰিবলৈ সমৰ্থ হৈছে।

কিন্তু শেহতীয়াভাৱে যোৱা ৩ মে', ২০২৩ চনত আৰম্ভ হোৱা মেইটেই-কুকিৰ মাজৰ গোষ্ঠীগত সংঘৰ্ষ অদ্যাপি শাম কটা নাই আৰু এই গোষ্ঠীগত সংঘৰ্ষত ইতিমধ্যে মণিপুৰত বিপুল ধন-জনৰ ক্ষতিৰ লগতে

অশান্তি আৰু অবিশ্বাস দ্ৰুতগতিত বিয়পি পৰিছে। এই গোষ্ঠীগত সংঘৰ্ষৰ বীজ কিন্তু ১৯৪৯ চনতে অংকুৰিত হোৱা বুলি ক'ব পাৰি। তলত উল্লেখ কৰা ঘটনাপ্ৰবাহে এই দাবীৰ যথাৰ্থতা প্ৰমাণ কৰিবলৈ যথেষ্ট বুলি ক'ব পাৰি।

উল্লেখযোগ্য যে ১৮৯১ চনৰ ইংৰাজ-মণিপুৰ যুদ্ধত মণিপুৰী ৰজা পৰাজিত হয় আৰু মণিপুৰ ইংৰাজৰ এখন ৰাজশাসিত ৰাজ্যলৈ (Princely state) ৰূপান্তৰিত হয়। ১৯৪৭ চনত ভাৰত স্বাধীন হোৱাৰ পাছত ১৯৪৯ চনৰ ২১ ছেপ্টেম্বৰ তাৰিখে মণিপুৰৰ মহাৰজা বোধাচন্দ্ৰ আৰু ভাৰত চৰকাৰৰ মাজত এখন চামিলকৰণৰ চুক্তি স্বাক্ষৰিত হয়। এই চুক্তিখনত সংখ্যাগৰিষ্ঠ মেইটেইসকলক অনুসূচিত জনজাতি (এছ টি) হিচাপে তালিকাভুক্ত কৰা নহ'ল। কিন্তু এই চুক্তিখনৰ পূৰ্বে মেইটেই লোকসকল জনজাতি (এছ টি) ৰূপে স্বীকৃতি পাই আহিছিল। ১৯৫৬ চনত মণিপুৰ কেন্দ্ৰীয়শাসিত অঞ্চলৰূপে স্বীকৃত হয় আৰু ১৯৭২ চনত ই ভাৰতৰ এখন পূৰ্ণপৰ্য্যায়ৰ ৰাজ্যৰ মৰ্য্যাদা লাভ কৰে।

নিজৰ প্ৰাপ্য সুবিধাৰ পৰা দীৰ্ঘদিন ধৰি বঞ্চিত হৈ থকা মেইটেইসকলে ন্যায় বিচাৰি কেন্দ্ৰীয় চৰকাৰক ২০১৩ চনত জনজাতিকৰণৰ দাবীৰে আবেদন দাখিল কৰে। কেন্দ্ৰীয় চৰকাৰৰ জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ে আবেদনৰ প্ৰতি সঁহাৰি জনাই শেহতীয়া আৰ্থ-সামাজিক সমীক্ষা তথা জনগাঁথনিৰ সবিশেষ তথ্য নিৰ্দিষ্ট অনুমোদনসহ মণিপুৰ চৰকাৰক দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে। কিন্তু মণিপুৰ চৰকাৰে বিগত প্ৰায় এটা দশক উক্ত নিৰ্দেশনাৰ প্ৰতি বিশেষ গুৰুত্ব নিদিয়াৰ পৰিপ্ৰেক্ষিতত মেইটেই অনুসূচিত জনজাতি দাবী সমিতিয়ে ২০২২ চনৰ এপ্ৰিল মাহত একে দাবীসম্বলিত স্মাৰক পত্ৰ এখন কেন্দ্ৰীয় চৰকাৰক পুনৰ প্ৰদান কৰে।

২০২২ চনৰ মে' মাহত কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা বিভাগে পুনৰ পত্ৰ প্ৰেৰণ কৰি ৰাজ্যিক চৰকাৰক যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ কৰে। উল্লেখযোগ্য যে ভাৰতীয় সংবিধানৰ ৩৪২ নং অনুচ্ছেদৰ অধীনতহে কোনো এটা জাতিক নিৰ্ধাৰিত প্ৰক্ৰিয়াৰে অনুসূচিত জনজাতিৰ তালিকাভুক্ত কৰিব পৰা যায়। এই ক্ষেত্ৰত ৰাজ্য চৰকাৰখনৰ অনুমোদন তথা ন্যায্যতা প্ৰমাণ কৰিব পৰাকৈ তথ্যৰ প্ৰয়োজন হয়। মণিপুৰ চৰকাৰে সুদীৰ্ঘকাল যাৱতীয় অনুমোদন নিদিয়া তথা গ্ৰহণযোগ্য তথ্য-প্ৰমাণ দাখিল নকৰাৰ বাবে জনজাতি দাবী সমিতি উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হয়। এনে পৰিস্থিতিত মণিপুৰ উচ্চ ন্যায়ালয়ে বিষয়টোত হস্তক্ষেপ কৰিবলৈ বাধ্য হৈ পৰে। উচ্চ ন্যায়ালয়ে যোৱা ১৯ এপ্ৰিলত (২০২৩) ৰাজ্যিক চৰকাৰক মেইটেই জনগোষ্ঠীক জনজাতিকৰণৰ বাবে যথাযথ অনুমোদন কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰালয়লৈ প্ৰেৰণ কৰিবলৈ নিৰ্দেশ দিয়ে।

মণিপুৰ উচ্চ ন্যায়ালয়ৰ এই ৰায়ৰ পাছতেই কুকি-জমি জনজাতীয় লোকসকল নিজৰ মাটি-ভেটি হেৰুওৱাৰ ভয়ত সন্ত্ৰস্ত আৰু বিক্ষুব্ধ হৈ পৰে। মেইটেইসকলক জনজাতিৰ স্বীকৃতি দিলে তেওঁলোকৰ পৰম্পৰাগত বাসভূমিত মেইটেইসকলৰ আগ্ৰাসন চলিব আৰু সংখ্যাগৰিষ্ঠ জনগোষ্ঠীটোৱে কুকিসকলৰ অস্তিত্ব বিপন্ন কৰি তুলিব। নিজৰ অস্তিত্ব ৰক্ষাৰ বাবে যোৱা ৩ মে'ত চুৰাচান্দপুৰত মণিপুৰ জনজাতি ছাত্ৰ সন্থাই জনজাতি সংহতি সমদলৰ আয়োজন কৰে। কিন্তু এচাম দুষ্কৃতিকাৰীয়ে সশস্ত্ৰ আক্ৰমণেৰে কুকিসকলৰ ওপৰত জঁপিয়াই পৰে। এনেদৰে এই সংহতি সমাবেশৰ পৰৱৰ্তী কালত মণিপুৰত ৰক্তক্ষয়ী সংঘৰ্ষৰ সূত্ৰপাত ঘটে, য'ত ২০০ নিৰীহ লোকৰ প্ৰাণহানি হোৱাৰ লগতে প্ৰায় এক লাখ লোক গৃহহীন হৈ পৰে।

প্ৰকৃততে মণিপুৰ উচ্চ ন্যায়ালয়ে মেইটেইসকলক জনজাতি (এছ টি) কৰিব লাগে বুলি কোনো ৰায়দান কৰা নাছিল। দীৰ্ঘদিন ধৰি পৰি থকা জনজাতিকৰণৰ বিষয়টো চালি-জাৰি চাই অনুমোদন জনাব পাৰি নেকি তাৰহে এটি নিৰ্দেশনা উচ্চ ন্যায়ালয়খনে জাৰি কৰিছিল। প্ৰকৃততে ৰক্তক্ষয়ী সংঘৰ্ষ জনগোষ্ঠী দুটাৰ ভুল বুজাবুজিৰ পৰিণামহে মাথোন। পৰিস্থিতি অধিক শোচনীয় তথা নিয়ন্ত্ৰণৰ বাহিৰলৈ যোৱাত ৩৫৫ ধাৰা জাৰি কৰি নিৰাপত্তাৰক্ষীক দেখা মাত্ৰকে গুলী কৰাৰ দৰে কঠোৰ নিৰ্দেশ জাৰি কৰিবলগীয়া হয়।

২০০৮ চনৰ ২২ আগষ্ট তাৰিখে মণিপুৰ চৰকাৰ, কেন্দ্ৰীয় চৰকাৰ আৰু কেইবাটাও কুকি উগ্ৰপন্থী সংগঠনৰ মাজত এখন ত্ৰিপাক্ষিক যুদ্ধবিৰতি চুক্তি স্বাক্ষৰিত হৈছিল। এই চুক্তিখনৰ মূল লক্ষ্য আছিল ৰাজনৈতিক শান্তি আলোচনা কৰা আৰু উগ্ৰপন্থীসকলক মূল সুঁতিলৈ ওভতাই অনা। কিন্তু সাম্প্ৰতিক মেইটেই-কুকি সংঘৰ্ষত যুদ্ধবিৰতিত থকা উগ্ৰপন্থীসকলে গোপনে সক্ৰিয় ভূমিকা লোৱাত পৰিস্থিতি অধিক জটিল হৈ পৰে। জনজাতিকৰণৰ শান্তিপূৰ্ণ প্ৰতিবাদক প্ৰকৃত অৰ্থত এই উগ্ৰপন্থীসকলে সংঘৰ্ষৰ ৰূপ দিয়ে।

দেশৰ আইন আৰু ৰাজ্যৰ ভৌগোলিক অখণ্ডতা ৰক্ষা কৰা যুদ্ধবিৰতি চুক্তিৰ এটা মূল চৰ্ত যদিও কুকি নেছনেল আৰ্মীয়ে (কে এন এ) বনাঞ্চল বেদখলকাৰী আন্দোলনক উচটনি দি আহিছে আৰু কৃষিকাৰ্য্যৰ নামত অবৈধভাৱে আফিঙৰ খেতি কৰা বুলি অভিযোগ আছে। চুবুৰীয়া ম্যানমাৰৰ পৰা অনুপ্ৰবেশ কৰা একাংশ লোকে আফিং খেতিত সহযোগ কৰা বাবে মণিপুৰ চৰকাৰে কৰা প্ৰতিৰোধী অভিযানক কুকিসকলে চৰকাৰৰ জনজাতি বিৰোধী পদক্ষেপ বুলিহে পতিয়ন নিয়াব বিচাৰে।

কিন্তু ৰাজ্যখনৰ সাধাৰণ জনতাই মণিপুৰৰ সাম্প্ৰতিক অস্থিৰ পৰিস্থিতি আৰু সংঘৰ্ষৰ মূল কাৰণ ম্যানমাৰৰ পৰা হোৱা অনুপ্ৰবেশ তথা পৰিবৰ্তিত ধৰ্মীয় জনগাঁথনি বুলি দাবী কৰি আহিছে। অসামাজিক, মানৱ সম্পদ ধ্বংসকাৰী কাম-কাজ, বনাঞ্চল ধ্বংস আদি বন্ধ কৰাটো চৰকাৰ এখনৰ প্ৰাথমিক দায়িত্ব। কিন্তু এচাম জনজাতীয় লোকে মেইটেই বিধায়কৰ সংখ্যাগৰিষ্ঠ চৰকাৰখনে (৩৭ জন চৰকাৰী পক্ষৰ বিধায়কৰ ৩০ জন মেইটেই জনগোষ্ঠীৰ) লোৱা পদক্ষেপক সহযোগৰ পৰিবৰ্তে বিৰোধিতা কৰি পৰিস্থিতি ক্ৰমে অধিক জটিল কৰি তুলিছে।

কুকিসকলে যুক্তি দৰ্শাই দাবী কৰিছে যে মেইটেইসকলে হিন্দু ধৰ্ম গ্ৰহণ কৰাৰ পাছত তেওঁলোকৰ জনজাতীয় বৈশিষ্ট্য নোহোৱা হৈ পৰিছে। আনহাতে মেইটেইসকলে কুকি লোকসকলক মণিপুৰৰ স্থায়ী বাসিন্দা নহয় বুলি দাবী কৰি আহিছে। প্ৰথম পৰ্য্যায়ত ১৯৫৯-৬১ চনত ম্যানমাৰত হোৱা গৃহযুদ্ধৰ সময়ত কুকিসকলৰ প্ৰব্ৰজন দ্ৰুতগতিত আৰম্ভ হয়। তদুপৰি ১৯৮৮ চনত ম্যানমাৰত সামৰিক জুণ্টা চৰকাৰৰ বিৰুদ্ধে হোৱা প্ৰবল নিৰন্তৰ সংঘৰ্ষৰ ফলস্বৰূপে দ্বিতীয় পৰ্য্যায়ত কুকি জনগোষ্ঠীৰ গণ প্ৰব্ৰজন হয় আৰু মণিপুৰৰ জনগাঁথনিত বিৰূপ প্ৰভাৱ পেলায়।

মেইটেইসকলৰ দাবীও এশ শতাংশই ইতিহাস স্বীকৃত বুলি ক'ব নোৱাৰি। মানৱ জাতিৰ ইতিহাসেই হ'ল প্ৰব্ৰজনৰ ইতিহাস। খেতি কৰাৰ সুবিধা, নিৰাপদ স্থান, পানীৰ সুবিধা থকা ঠাইৰ সন্ধানত এদিন মানুহে এঠাইৰ পৰা আন ঠাইলৈ প্ৰব্ৰজন কৰিছিল। বিশ্বত কোনো নিজা ৰাজ্য নথকা অতি কষ্টসহিষ্ণু কুকিসকল সকলোতে সংখ্যালঘু। বৰ্তমান মণিপুৰত কুকি লোকৰ সংখ্যা প্ৰায় ৮ লাখ। একাংশ কুকি লোক ভাৰত স্বাধীন হোৱাৰ আগৰ পৰাই মণিপুৰত বসবাস কৰি আহিছে, কিয়নো মণিপুৰ বিধানসভা গঠন হোৱাৰ পৰা বিধানসভাত কুকি জনপ্ৰতিনিধিয়ে (বিধায়ক) প্ৰতিনিধিত্ব কৰি আহিছে।

শান্তিপ্ৰিয় প্ৰতিজন মানুহে মণিপুৰৰ শান্তি কামনা কৰিছে। যিখন সীমামূৰীয়া ৰাজ্যই দেশক 'মণিপুৰী শাস্ত্ৰীয় নৃত্য' তথা বীৰ টিকেন্দ্ৰজিৎ, ৰতন থিয়াম, অৰিবাম শ্যাম শৰ্মা, মেৰী কম, মীৰাবাঈ, চানু, ইৰম চানু, হাওবস দেৱী, ডিংকো সিঙৰ দৰে মহান সন্তানক জন্ম দিছে, সেইখন ৰাজ্যৰ আজিৰ নাৰকীয় পৰিস্থিতিয়ে সকলোকে ব্যথিত কৰি তুলিছে।

